# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006


| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezbaroah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1,2,3,4,5,6,7,8,9,10,11,12,15th) | Condition of the original: Brittle. |
| Remarks: Illustd. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|



বেউলা

Printed at the New Press Gauhati.




পঞ্চদশ বছৰ — ১৮৪৭ শক
"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।"
৪ৰ্থ সংখ্যা — শাওণ

## ছদ্মবেশী

মোৰ অৰ্দ্ধ প্ৰাণ লই ফুৰিছা লুকাই—
তোমাৰ চাতুৰি জানো মই জনা নাই ?
বাৰেপতি ধৰাপৰি নেলাগেনে লাজ,
এনে লুকালুকি বাক খেলি কিবা কাজ ?
আদিতে জননী তুমি—মুখে তন যাচি
মোৰ সি বিৰহ অশ্ৰু দিছিলা যে মচি !
তেতিয়াও উঠিছিলো নেদেখি ফেকুৰি,
যিদৰে কান্দিছো আজি হৃদয় ধাকুৰি।
নিচুকাই তাতে মোক তুলি-তালি ধই
শৈশৱৰ লগৰীত ললাহি আশ্ৰয় ;
তাতো যে পৰিলা ধৰা থাকি সেই বেশে—
সিদেখি হললা আজি বিশৃঙ্খল কেশে
যৌবনত দিছা দেখা অমৃত ভাণ্ডাৰি
হে কালিকা ! ছদ্মবেশি, অসীম সুন্দৰি !

## বহুৰূপী

আজি ৰাতি বাৰিষাৰ প্ৰথম পাতনি।
বুকুত বাজিল—মই অকলশৰীয়া,
আজি মোৰ প্ৰিয়া কৰ দূৰ-প্ৰবসুৱা ?—
এনেতে মেঘত ঘনে পৰিল গাজনি।
খিৰিকীয়ে জুমি চাওঁ—বিৰহী প্ৰিয়াই
অনন্ত আকাশ জুৰি চুলি মেলি দিছে,
বইপৰা কেশে পানী ধাৰেৰে কাটিছে—
প্ৰিয়াৰ চুলিয়ে ঢাকি ধৰিছে জোনাই।
বিপৰীত মূৰ্ত্তি দেখি প্ৰিয়াৰ ইবাৰ
পৰিলো চিন্তাত আহি বিৰহ-পাটীত ;
জোনালী কাচোন পিন্ধি কলেহি প্ৰিয়াই :—
নানা মূৰ্ত্তি ধৰি সৃষ্টি পালন সংহাৰ,
তথাপিও এক মাথোঁ অনাদি আদিত ;
বহুৰূপী নাৰীময়ো, নধৰিবা দায়।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# দীন-দুখী

বা

লে মিজাৰাবল্

**দ্বাদশ অধ্যায়**

ভেলঁজ আৰু কজেটে এইদৰে প্ৰায় ৮।৯ বছৰ-মানেই কটালে। কজেট এতিয়া বৰ এজনী;—গাভৰু।

এই সময়ত Chatou d' Eauৰ ফালে প্ৰায়েই লৰা এটাক বাটে বাটে অনাই-বনাই ফুৰা দেখা গৈছিল। লৰাটোৰ ককালত এটা বৰ ডাঙৰ চেঁডা দেখিলে বাপেকে দিয়া বুলিও মনে নধৰে। গাত কোনোবা মৰমিয়াল তিৰোতাই পুতৌ কৰি দিয়া ব্লাউছ চোলা এটা, তাৰো ঠায়ে ঠায়ে দহি ওলমিছে। লৰাটো দেখিলেই কেওঁ-কিছু নাইকিয়া ঘাট-মাউৰা যেন লাগে। ঘৰ নাই, বাৰী নাই; বাটে-পথে খিতিভালি কৰি ঘূৰি ফুৰে। কামৰ ভিতৰত হাঁহি-কিৰিলিয়াই, গাই, নাচি ঘূৰিফুৰা—দুই চাৰি বাটকৰাক সময়ে সময়ে চুপতি ভেঙুচালি কৰা। 'চোৰ' বুলি গালি নেপাৰিলে আন কোনো গালি-শপনিয়ে তাৰ খঙ তোলাব নোৱাৰিছিল—বৰঞ্চ 'দুষ্ট দগাবাজ' বুলি গালি শপিলে সি হাঁহি তিলিকি মাৰি জপিয়াইহে উঠিছিল। ভাৰত কাম-চাপি বহিবলৈ এখনি জুহাল নাছিল, ৰাতি কাতি হৈ পৰি থাকিবলৈ এখন চালি নাছিল; ভোকত খাওঁ বুলিলে এটুকুৰা কটিও পাবলৈ নাছিল। টানে আপদে চাওঁতা-চিতোতা দূৰে থ'ক এবাৰ মাতো পোৱাৰ আশা নাছিল তথাপি তাৰ চিন্তা নাই; ভাবনা নাই; সদায় হাঁহি, সদায় ৰং। সি যেন এই অকল-শৰীয়া মুকলিমূৰীয়া সংসাৰখন নিজেহে বাচি লৈছে!

প্ৰকৃততে লৰাটো মাক-বাপেক নাইকিয়া মাউৰা বা ঘৰ নথকা অঘৰী নহয়। থকাত তাৰ মাক-বাপেক দুয়ো আছিল। সঁচাই-মিছাই এখন ঘৰো আছিল। দুজনী জান-সমনীয়া গাভৰু বায়েকো। কিন্তু থাকিলে কি হব? বাপেকৰ কথা দূৰে থক, জন্ম-দনমে মাকজনীয়েও তাৰ দুখ নলয়। গতিকে বাটেই তাৰ ঘৰ হৈ পৰিল। বাটৰ শিলো তাৰ মনত মাকৰ বুকতকৈ বেছি কোমল হৈ উঠিল। তথাপি হেজাৰ হলেও, লৰাৰ লৰা মন। মাকে তাক এইদৰে বনবাস খপিবলৈ এৰি দিয়া স্বত্বেও, সি মাকলৈ পাহৰিব নোৱাৰিছিল। দুমাহ তিনি মাহৰ মূৰ পৰিলে, মাকলৈ মনত পৰি ঘৰলৈ ঢাপলি ধৰিছিল। মাকক চাই আহিলে তাৰ মনত কি যে আনন্দ! লৰাটোক মানুহে 'গেভৰ'ক' বুলি মাতে। বাপেকৰ নাম জনড্ৰেট। বাপেকে আগেয়ে জঁ-ভেলজঁ থাকি যোৱা ঘৰটোকে কেৰেয়া কৰি থাকিবলৈ লৈছে।

গেভৰোকে মাকলৈ মনত পৰি দুমাহ তিনি মাহৰ মূৰত চাবলৈ আহিলেও তাক যে বাপেক বা মাকে কিবা অলপ পুতৌ কৰিছিল এনে নহয়। সি আশা-দাশা কৰি মাকবাপেক আৰু বায়েকহঁতৰ কাষ চাপেহি হয়, কিন্তু এবাৰ মাত বা এটি হাঁহিও সি সমিধান নেপায়—এনে কঠুৱা ঘৰ, এনে কঠুৱা হিয়া! কন্তেক থাকিয়ে আকৌ তাৰ আহল ঘৰ—বাটৰ কাষৰ গছৰ তললৈ গুচি যায়। উৰণীয়া পাখি নৌ গজোতেই দাঁহৰপৰা মাকবাপেকে বলেৰে উলিয়াই দিয়া লৰাটোৰ দুখৰ কথা নগৰৰ সৰহভাগ মানুহৰ মুখতে। লৰাটোৰ পৰাই এই জনড্ৰেট পৰিয়ালক নগৰৰ সকলোৱে চিনিপায়।

জনড্ৰেট পৰিয়ালে লোৱা ঘৰটোৰ কাষতে আন এটা সৰু ঘৰত মছিঅ'ৰ মেৰিয়াছ নামেৰে এজন দুখীয়া ডেকা লৰাই থাকিবলৈ লৈছিল।

ৱাটাৰলুৰ ৰণক্ষেত্ৰত পাঠকসকলে 'পণ্টমাৰচি'ক টেনাৰ্ডিয়েৰৰ হাতত প্ৰাণৰক্ষা পোৱা পাই আহিছে। যি সকল বীৰৰ অতুলনীয় স্বাৰ্থত্যাগ আৰু দেশভক্তি মহাবীৰ নেপলিয়ানৰ লগতে ফৰাছি ৰাষ্ট্ৰবিপ্লৱৰ অমৰ বুৰঞ্জীত আজিও লেখা আছে, পণ্টমাৰচি তাৰ ভিতৰত



এজন। প্ৰজাতন্ত্ৰ বিৰোধীসকলে অৱশ্যে আজীৱন "ৰাজ-দ্ৰোহী" বুলিয়েই তেওঁলোকক ঘৃণা কৰি গল আৰু ঘৃণা কৰিবও। দুখীয়াৰ ঘৰত জনম লৈ, অধ্যৱসায় আৰু চেষ্টা-চৰিত্ৰৰ বলত সামান্য সৈনিকৰপৰা উচ্চপদ লাভ-কৰাৰ অলস্ত চানেকী আছিল "পণ্টমাৰচি"। নেপোলিয়ানক ৱাটাৰলুৰ সমৰত পণ্টমাৰচিয়ে নিজক বিপন্ন কৰি মৃত্যুৰ হাতৰপৰা ৰক্ষাকৰোতে যুদ্ধক্ষেত্ৰতে এম্পেৰৰৰ মুখৰ পৰা শুনিবলৈ পাইছিল, "পণ্টমাৰচি, তুমি আজিৰপৰা কৰ্ণেল, বেৰণ আৰু 'লিজন অৱ অনাৰ'ৰ বিষয়া হলা।" পণ্টমাৰচিয়ে উত্তৰ দিলে—"মোৰ বিধৱা পত্নীৰ ধন্যবাদ ল'ক।" যদিও পণ্টমাৰচি নমৰিল, নেপলিয়নৰ অধঃ-পতনৰ লগে লগেই তেওঁৰ পদ-পদবী লোপ পালে। প্ৰজাতান্ত্ৰিক দল ছিন্নভিন্ন হোৱাৰ লগতে পণ্টমাৰচিৰো সকলো গল। আন কি, তেওঁৰ সুখ-দুখৰ লগৰীয়া প্ৰিয়তমা পত্নীয়েও এটি শিশু সন্তান এৰি থৈ ইহলীলা সম্বৰণ কৰিলে। পণ্টমাৰচিয়ে দুখে-বেজাৰে ভাৰ্নিন নগৰৰ একুকত এটা ঘৰ লৈ সংসাৰৰপৰা যিমানে পাৰে আঁতৰি থাকিবলৈ বিচাৰিলে।

পণ্টমাৰচিয়ে ঘৈণীয়েকক বৰ চেনেহ কৰিছিল। প্ৰিয়তমা ভাৰ্য্যাৰ অকাল বিয়োগত পণ্টমাৰচিৰ যুদ্ধত হাৰি এধাভগা হিয়া একেবাৰেই ভাগি চূৰ্ণচাত হল। ভাবিছিল, অকলশৰীয়া জীৱনৰ নিৰলা বছৰকেটা তেওঁৰ পত্নীৰ শ্ৰেষ্ঠ উপহাৰ শিশু পুত্ৰটিকে বুকত বান্ধি পাৰিলে মনৰ দুখ পাহৰি থাকিব। কিন্তু ভাগ্য-বিপৰ্য্যয়ত সিও হৈ নুঠিল। প্ৰজা-তন্ত্ৰ বিৰোধী শহুৰ জিল্ নৰমেণ্ডে তাকো কাঢ়ি লৈ গল। পণ্টমাৰচিৰ একো নাই। অপুত্ৰক শহুৰেক অগাধ সম্পত্তিৰ অধিকাৰী। শহুৰেকে কৈয়ে দিছিল, নাতিয়েক পণ্টমাৰচিৰ লগত থাকিলে এটা "ছু"ৰো উত্তৰাধিকাৰী হব নোৱাৰে। ৰাজদ্ৰোহী দস্যুৰ লগত নাতিয়েকৰ কোনো সম্বন্ধই থাকিব নোৱাৰে। বাপেকে পুতেকৰ ভৱিষ্যতলৈ চাই আৰু পুতেকক মৰম কৰি-বলৈ নেপাই নিজৰ ফুলনিবাৰীৰ ফুলকিটিকেই মৰম কৰি দিন কটাবলৈ বাধ্য হল। মেৰিয়াছ পণ্টমাৰচিয়ে ককায়েকৰ ঘৰত থাকি ডাঙৰ দীঘল হৈ পঢ়াশুনা কৰিবলৈ ধৰিলে। পুতেকৰ কোনো অনিষ্ট হোৱাৰ ভয়ত বাপেকে কোনো খবৰ-খাবাৰ লবলৈ সাহ নকৰিলে। পিতেকেও ককাকে খঙ কৰে বুলি বাপেকলৈ চিঠি-পত্ৰ নেলেখে। ওচৰতে থাকিও দুয়ো বহুত দূৰৈত ৰল। বাপেক-পুতেক হৈও কৰবাৰ কোনোৱা হোৱাদি হল।

১৮২৩ খৃষ্টাব্দত মেৰিয়াছৰ বয়স ১৭ বছৰ। তেতিয়া মেৰিয়াছে ককাকৰ আদেশত "আইন" পঢ়িছে। এদিন কলেজৰপৰা মেৰিয়াছ ঘূৰি আহিছে, এনেতে ককাকে হাতত এখন চিঠি লৈ আহি মেৰিয়াছক কলে, "কাইলৈ তুমি ভাৰ্নন‌লৈ যোৱা।" মেৰিয়াছে সুধিলে "কিয়?" ককাকে উত্তৰ দিলে, "তোমাৰ পিতাৰক চাবলৈ।"

মেৰিয়াছ আচৰিত হল। ককাকে যে নিজে মেৰিয়াছক বাপেকৰ ওচৰলৈ পঠিয়াব, সেইটো সপোনতো ভবা নাছিল। ককাকে কলে, "পিতাৰাৰ কিজানি টান নৰীয়া, সেইহে তোমাক চাবলৈ মাতিছে। পুৱা ছয় বজাৰ সময়ত ভাৰ্নন‌লৈ এখন গাড়ী যায়। সেই খনত গলেই ৰাতিলৈ পাবগৈ। সেই গাড়ীতে যোৱা। নৰীয়া হেনো বৰ টান।" এই বুলি বুঢ়াই চিঠিখন জেপত লৈ গুচি গল। মেৰিয়াছৰ বিশ্বাস, বাপেকে তাক বৰ ভাল নেপাই-ছিল। নহলে একেটা পুতেকক এইদৰে এৰেনে? আনপিনে, ককাকৰ শিক্ষাৰ তলত থাকি মেৰিয়াছ বিপ্লৱবাদীৰ মতৰ সম্পূৰ্ণ বিৰোধী হৈ পৰিছিল। তথাপি বাপেকক চাবলৈ মেৰিয়াছ পাছদিনা পুৱাই ভাৰ্নন‌লৈ ৰাওনা হল।

গধূলি বেলিকা মেৰিয়াছ আহি ভাৰ্নন পালেহি। বাটৰ মানুহক সুধি সুধি পণ্টমাৰচিৰ ঘৰ ওলালগৈ। দুৱাৰত বহুত পৰ ঢকিওৱাৰ পিছত এগৰাকী মাইকী মানুহে আহি দুৱাৰ মেলি দিলেহি। মেৰিয়াছে সুধিলে, "মছিয়ৰ পণ্টমাৰচি আছেনে?" মানুহজনীয়ে কোনো উত্তৰ নিদিলে, পৰ হৈ ঠিয় দি থাকিল। "এইটো তেওঁৰ ঘৰ হয়নে?" মানুহজনীয়ে মূৰ জোকাৰি 'হয়' বুলি উত্তৰ কৰিলে। "তেওঁৰ লগত কথা কব খোজো।" মাইকী গৰাকীয়ে মূৰ জোকাৰি অসন্মতি জনালে। "কিয়? মই তেওঁৰ পুতেক। তেওঁ মোক মাতি পঠিয়াইছে।" "তেওঁ তোমালৈ

ৰাটচাই বৈ থকা নাই।” বুলিয়ে মানুহজনীয়ে চকু পানী টুকি মেৰিয়াছক ভিতৰ সুমুৱাই নিলে।

ভিতৰত তিনিজন মটা মানুহ। এজন মানুহ ঠিয় হৈ আছিল। এজনে আঁঠুকাঢ়ি প্ৰাৰ্থনা কৰিছিল আৰু এজন মাটিত চিত হৈ পৰি আছিল। পৰি থকাজনেই কৰ্ণেল পণ্টমাৰচি। আন দুজনৰ এজন ডাক্তৰ আৰু এজন পাদুৰী। তিন দিনৰ আগতে পণ্টমাৰচিৰ জ্বৰ হৈছিল। গতি বেয়া যেন ভাবি পুতেকক চাবলৈ বুলি শহুৰেক জিল নৰমেণ্ডলৈ চিঠি লিখি বাটলৈ চাই আছিল, সেইদিনা অলপ আগতে মৰৰ বিকাৰত “মোৰ লৰা আহি নোপালছি, ময়েই তাক চাই আহোঁ।” বুলি বিছনাৰপৰা জাপমাৰি উঠিয়ে মাটিত লুটি খাই পৰি শেষ হল। চাকিৰ পোহৰত কৰ্ণেলৰ শেঁতা গালেদি বৈ যোৱা চকুলোধাৰ তেতিয়াও দেখিবলৈ পোৱা গৈছিল। চকুত জ্যোতি নাছিল যদিও, চকুলো ধাৰ শুকাই যোৱা নাছিল। পুতেকৰ পলমত এইধাৰি চকুলো মৰণৰ আগতে বৈ আহিছিল।

মেৰিয়াছে মানুহজনৰ শান্ত প্ৰশান্ত মুখখনৰ ফালে চাই থাকিল; এই মুখ দেখা মেৰিয়াছৰ এয়ে প্ৰথম আৰু এয়ে শেষ। যুদ্ধত আহতহোৱা ক'লা ক'লা চিন তেতিয়াও জিলিকি আছিল। বলিষ্ঠ দেহ, সুন্দৰ গঠন, মুখত অকলঙ্কনীয় চৰিত্ৰৰ দীপ্তি। মেৰিয়াছে ভাবিলে—এই বীৰ পুৰুষেই তাৰ পিতৃ আৰু এই পিতৃয়েই আজি মৃত! তাৰ হিয়া ফাটি যোৱাৰ দৰে হল।

পণ্টমাৰচিৰ বিশেষ কোনো লেখত লবলগীয়া সম্পত্তি নাছিল। চকি মেজ যি অলপ-অচৰপ আছিল তাৰেই সমাধি কাৰ্য্য সম্পন্ন হল। লিগিৰীজনীয়ে পণ্টমাৰচিয়ে মৰাৰ অলপ আগতে লেখি থৈ যোৱা চিঠি এখন আনি মেৰিয়াছৰ হাতত দিলে। তাত লেখা আছিল “মোৰ পুত্ৰলৈ। ৱাটাৰলুৰ ৰণক্ষেত্ৰত সম্ৰাটে মোক বেৰণ পাতিছিল। ৰবৰণ ৰজাই এই পদৱী স্বীকাৰ নকৰে। মই এই সন্মান মোৰ বুকৰ তেজ দি কিনিছিলো। মোৰ পুত্ৰই তাক ভোগ কৰিব। মোৰ বিশ্বাস, সি এই সন্মানৰ উপযুক্ত হব।” কাগজখনৰ আন পিঠিত লেখা আছিল “এই ৱাটালুৰ যুদ্ধতে টেনাৰ্ডিয়াৰ নামে এজন ছাৰ্জেণ্টে মোৰ জীৱন ৰক্ষা কৰিছিল। শুনো, তেওঁ হেনো পেৰীৰ ওচৰত মফেয়াৰ মেল নামে গাওঁ এখনত এটা হোটেল খুলিছে। মোৰ পুত্ৰই যদি এই টেনাৰ্ডিয়াৰক লগ পায় তেন্তে তেওঁ যথাসাধ্য সহায় কৰিব।”

মেৰিয়াছে কাগজখন পঢ়ি সামৰি-সুতৰি জেপত ভৰাই থলে। ভাৰ্ননত বাপেকৰ অন্ত্যেষ্টি ক্ৰিয়াৰ কাৰণে দুদিন কটায়ে তিন দিনৰ দিনা পেৰীলৈ উভটি আহিল।

মানুহে মানুহক মৰা দেখিলে যি এফেৰা বেজাৰ লাগে মেৰিয়াছৰ বাপেকৰ মৰণত তাতকৈ কোনো ৰকমেই বেছি দুখ-বেজাৰ নেলাগিল। মেৰিয়াছে তাৰ বাপেক আছে বুলি শুনিছিল, কিন্তু জনা-বুজা হবৰেপৰা বাপেকৰ মৰম কেনেকুৱা দেখিবলৈকে নেপালে। আনপিনে, ককাকৰ লগত সিও বোনাপাৰ্টৰ সমৰ্থনকাৰী বিপ্লৱবাদীবিলাকক “ৰাজদ্ৰোহী” বুলি ঘিণ কৰি আহিছিল। বাপেকৰ মৰণৰ পিছত মেৰিয়াছে বাপেকৰ কথা একেবাৰেই পাহৰি গল। লোকক দেখুৱাবলৈ বুলি মাথোন তাৰ টুপিটোত এডাল ক'লা ফিটা মেৰিয়াই ললে। ইমানতেই মেৰিয়াছৰ পিতৃবিয়োগ শোকৰ শেষ পৰিল।

সকতে দেওবাৰে দেওবাৰে মেৰিয়াছ পেহীয়েকৰ লগত গীৰ্জ্জাঘৰলৈ অহাযোৱা কৰিছিল। এতিয়া বয়সত উপাসনা কৰাটো মেৰিয়াছৰ এটা অভ্যাসেই হৈ পৰিল। এদিন দেওবাৰে মেৰিয়াছে উপাসনা কৰিবলৈ বুলি গীৰ্জ্জাঘৰ সোমাল। এই গীৰ্জ্জাঘৰেই মেৰিয়াছৰ শৈশৱৰ ক্ৰীড়াভূমি। গীৰ্জ্জাত সোমাই খুটা এটাৰ আঁৰত থকা চকি এখনত বহি মেৰিয়াছ উপাসনাত বহিল। মেৰিয়াছ বহা চকিখন গীৰ্জ্জাঘৰৰ চকি নহয়, কোনোবা মানুহৰ নিজা চকি। চকিৰ পিঠিত গৰাকীৰ নামো লেখা আছিল। মেৰিয়াছে সেইবোৰলৈ মন কৰা নাছিল। ঠাইডোখৰ সুবিধা পাই তাতে বহি গল। উপাসনা আৰম্ভ হৈছেহে, এনেতে এজন বুঢ়া মানুহে আহি মেৰিয়াছৰ আগত ঠিয় হৈ মাত লগালে “এইখন মোৰ ঠাই, বোপা!” মেৰিয়াছে তৎক্ষণাৎ চকি এৰি দি আঁতৰি গল। বুঢ়াই নিজৰ চকি দখল কৰি উপাসনাত যোগ দিলে। উপাসনা শেষ হলত



বুঢ়াই মেৰিয়াছৰ ওচৰলৈ আহি বেজাৰমনেৰে কবলৈ ধৰিলে—“বোপা, মোৰ ওপৰত খং নকৰিবা। ইয়াত বহুতো কথা আছে—মোৰ অভদ্ৰতাৰ কাৰণ আছে। মই কওঁ শুনা।”

মেৰিয়াছে কলে “নেলাগে ডাঙৰীয়া, একো দৰ্কাৰ নাই।”

বুঢ়াই কৈ গল, “নহয়, নহয় বোপা! তুমি মোৰ ওপৰত খং নকৰিবা। এই ডোখৰ মোৰ বহুতদিনীয়া পুৰণা ঠাই। ইয়াত বহি উপাসনা কৰিবলৈ নেপালে মোৰ ভাল নালাগে। কাৰণ কওঁ শুনা। বোপা! দহ বছৰৰ আগৰ কথা। দুমাহে তিনিমাহে এজন দুখীয়া মানুহে ক্ৰমান্বয়ে এই ঠাইডুখৰিত আহি উপাসনাৰ সময়ত বহি থাকিছিল। মানুহজনৰ এটি লৰা আছিল। লৰাটি কোনো ঘৰুৱা বাদ-বিসম্বাদৰ কাৰণে বাপেকৰ লগৰ পৰা আঁতৰি থাকিব লগা হৈছিল। বাপেকে লৰাটিক গীৰ্জ্জাত দেখাৰ বাহিৰে আন ঠাইত দেখিবৰ কোনো উপায় নাছিল। মানুহজনে লৰাটো দেওবাৰে দেওবাৰে গীৰ্জ্জালৈ আহে বুলি কৰবাত গম পাই গীৰ্জ্জাত আহি বহি থাকেহি। লৰাটোৱে তাৰ বাপেক তাতে তাকে চাবলৈ আহি বহি থাকে বুলি এদিনো বুজ নেপালে। সি কিজানি তাৰ বাপেক নাই বুলিহে শুনিছিল। এই খুটাটোৰ আঁৰতে বহি মানুহজনে লৰাটোৰৰ মুখলৈ চাই চাই যেতিয়াই আহিছিল তেতিয়াই উচুপি উচুপি কান্দি গৈছিল, সেই কাৰণেই এই ঠাইডোখৰ মোৰ নিমিত্তে বৰ পবিত্ৰ। উঃ, কি স্নেহ! মই সেই নিচলা দুৰ্কপলীয়া মানুহজনক চিনিও পাইছিলো। মানুহজনৰ শহুৰেক ধনী মানুহ। শহুৰেকে লৰাটো মানুহজনৰ লগত থাকিলে একো ধন-সম্পত্তি নিদিওঁ বুলি ভয় দেখুৱালত লৰাটো সুখী আৰু ধনী হক বুলিয়েই বাপেকে লৰাটোক শহুৰেকৰ লগলৈ এৰি দিলে। ৰাজনৈতিক মতামত লৈয়ে শহুৰেক-জোঁৱায়েকৰ মনোবিবাদ ঘটিছিল। উস্ উস্ উস্! ৱাটাৰলুলৈ গল বুলিয়েইনো সি পিশাচ হলনে? সেই বুলিয়েইনো সি পুতেকৰ মুখ দেখিলেও চুৱা যায়নে? মানুহটো বোনাৰ্পাটৰ কৰ্ণেল আছিল। এতিয়া কিজানি ঢুকাল। তেওঁ ভাৰ্ণনত আছিল। নাম ‘পণ্টমেৰি’ নে ‘মণ্টপাৰ্চি’ এনে কিবা এটা।”

মেৰিয়াছে সুধিলে “পণ্টমাৰচি?” মেৰিয়াছ তেতিয়া মৰা মানুহৰ দৰে শেঁতা পৰি গৈছিল।

বুঢ়াই কলে “ঠিক, ঠিক; পণ্টমাৰচি। তুমি তেওঁক চিনি পোৱা?”

“তেওঁ এই দুৰ্ভগীয়াৰেই পিতা।”

বুঢ়াই হাত দুখন মুঠিমাৰি ধৰি চিঞৰি উঠিল—“তুমিয়েই সেই লৰাটো নেকি ঐ! এনে হেন মৰমিয়াল বাপেকি!”

পাছদিনাৰে পৰা মেৰিয়াছৰ চলন-ফিৰণত অলপ পৰিবৰ্ত্তনে দেখা দিলে। পুথিভঁৰালত সোমাই ৰাষ্ট্ৰবিপ্লৱৰ কাহিনীবিলাক আদ্যোপান্ত পঢ়িবলৈ ধৰিলে। সৈন্যবিভাগৰ লিষ্টত যেতিয়া মেৰিয়াছে প্ৰথমবাৰ বাপেকৰ নামটো পালে, তেতিয়া তাৰ মনৰ ভাব সি নিজেই বুজি নেপাইছিল। ৰাষ্ট্ৰবিপ্লৱৰ বুৰঞ্জী পঢ়াৰ লগে লগে বাপেকৰ ওপৰত তাৰ ভক্তি দিনক দিনে বাঢ়ি আহিবলৈ ধৰিলে। বুৰঞ্জীৰ প্ৰতি পৃষ্ঠাই তাক বুজাই গল যে সি দেশৰ অৱস্থা বুজা দূৰে থক, নিজৰ বাপেককেই চিনি নেপালে। তাৰ মন সন্তাপ-অনুতাপত দগ্ধ হৈ আহিল। তাৰ মনৰ ভাব তেতিয়া বাপেকৰ সলনি বাপেকৰ মৰিশালিৰ আগত কবলগীয়া হোৱাত সি হতাশত তল গল। মাজে মাজে ৰাতি সি বুৰঞ্জী পঢ়ি থাকোতে চিঞৰ মাৰি উঠিছিল—“পিতা! তোমাৰ দৰেই মোৰো হিয়া দেশৰ কাৰণে কান্দি উঠিছে! মই তোমাৰেই সন্তান। এতিয়াও মই গাই ফুৰিছো—জয় সম্ৰাট নেপালিয়ানৰ জয়!”

কোনে কব কিয় এই দুৰ্ভগীয়া পিতৃ-পুত্ৰৰ জলন্ত প্ৰেমৰ আভাস নোপোৱাকৈয়ে অবিচাৰ-অত্যাচাৰত ইমান সোণকালে নেদেখালোকলৈ গুচি গল।

সময়ৰ সোঁতত প্ৰজাতন্ত্ৰ বিৰোধী মেৰিয়াছ দুৰ্ঘোৰ প্ৰজাতান্ত্ৰিক হৈ পৰিল। বাপেকে যি মহাব্ৰতত জীৱনৰ একুৰি পাঁচ বছৰ পাত কৰিছিল, ভিতৰে ভিতৰে সিও সেই ব্ৰততেই দীক্ষিত হল। নেপোলিয়ানদত্ত বেৰণ উপাধি মেৰিয়াছৰ গৌৰৱ-সম্পত্তি হৈ পৰিল। ককাকে গম

সোপোৰাকৈ মেৰিয়াছে তাৰ নামৰ আগত 'বেৰণ' উপাধি লগাই কাৰ্ড ছপা কৰিলে। লুকাই-চুৰকৈ বাপেকৰ সমাধিৰ ওপৰতো সুবিধা পালেই পুত্ৰৰ যথাকৰ্ত্তব্য সাধন কৰিবলৈ ধৰিলে।

মেৰিয়াছে বুজিলে—তাৰ পিতাক বৰ দয়ালু আৰু বীৰ আছিল আৰু এই পিতাৰেই স্নেহৰপৰা সি বঞ্চিত, আৰু ককাকেই ইয়াৰ মূল। দিনক দিনে তাৰ আৰু ককাকৰ মাজত এখন সাগৰৰ ব্যৱধান হৈ আহিল। ককাকে কিন্তু ইয়াৰ গমকে ধৰিব নোৱাৰিলে। তাৰ গতি-বিধিৰ পৰিবৰ্ত্তন দেখি মাজে মাজে মিচিকিয়া হাঁহি মাৰি বুঢ়াই কৈ ফুৰিছিল—"বয়স হৈছে। লৰা কৰবাত জালত পৰিছে।"

মেৰিয়াছৰ গুপ্ত প্ৰণয় বেছি দিন লুকাই থাকিবলৈ নেপালে। মৃত-পিতাকৰ লগত হোৱা গুপ্ত প্ৰণয় ককাকৰ ওচৰত ধৰা পৰিল। এদিন মেৰিয়াছৰ জেপত "বেৰণ মেৰিয়াছ পণ্টমাৰচি" লেখা কাৰ্ডখিনি, বাপেকে মৰণ কালত লেখি থৈ যোৱা চিঠিখন আৰু শোকৰ চিন কেডালমান ক'লাফিটা পাই বুঢ়া জুইত ঘিঁউ ঢলা যেন হল। মেৰিয়াছক দেখিয়েই বুঢ়াই চিঞৰ মাৰি উঠিল "বেৰণ! আহা, তোমাক মই অভিবাদন জনাওঁ! অশলাগি, এইবোৰ কি?" মেৰিয়াছে সেমেনা-সেমেনিকৈ উত্তৰ দিলে—"মই একো অশলাগী নহওঁ, মই পিতাৰ পুত্ৰ। মই মোৰ কৰ্ত্তব্য কৰিছো।"

বুঢ়া জপিয়াই উঠিল। খঙত কঁপি-জপি কলে, "কোন তোৰ বাপেৰ? মই তোৰ বাপেৰ; আন কোনো নহয়।"

মেৰিয়াছে তলমূৰ কৰি উত্তৰ দিলে, 'আপুনি মোৰ পিতা নহয়। মোৰ পিতা এজন নিৰীহ যোদ্ধা, যি যোদ্ধাই অতি সুখ্যাতিৰে ফ্ৰান্স-প্ৰজাতন্ত্ৰৰ সেৱা কৰি অমৰ কীৰ্ত্তি ৰাখি গৈছে। তেওঁ পাহৰণ আৰু অনাদৰত প্ৰাণ হেৰুৱাইছে। তেওঁৰ অকৃতজ্ঞ দেশ আৰু এই হতভাগা মোক প্ৰাণভৰি ভালপোৱাৰ বাহিৰে কোনো দোষ নাছিল।"

মেৰিয়াছৰ কথা বুঢ়াৰ সহন-শক্তিৰ অতীত হৈ পৰিল। বুঢ়াই ফুকিয়াই ফুকিয়াই কবলৈ ধৰিলে—"মেৰিয়াছ, চা! তোৰ বাপেৰ-চাপেৰ কোন মই চিনি নেপাওঁ, মই চিনিবলৈকো ইচ্ছা নকৰো। তই যেনে বেৰণ—মোৰ ছিলপত্ জোতাজোৰো তেনে বেৰণ। দস্যু, এটাইবোৰ দস্যু! সিইত ৰাজদ্ৰোহী। কাপুৰুষইঁত! ইংৰাজৰ ভয়ত প্ৰুছিয়ানহঁতৰ খেদাত ৱাটাৰলুৰপৰা পলাই আহি বীৰ বুলি গৌৰৱ কৰ! মই জানো—সিইঁত দস্যু, ৰাজদ্ৰোহী, কাপুৰুষ। তোৰ যদি বাপেৰ সেইদলৰে হয়—হয় নহয় কব নোৱাৰো—মই সেইবাবে দুখিত।"

বুঢ়াৰ কথা শুনি খঙত মেৰিয়াছৰ গোটেই গা কঁপি আহিল। তাৰ মূৰৰ ভিতৰত জানিবা একুৰা জুইহে জলিল। তাৰ মুখৰ আগতে বাপেকৰ নিন্দা! কিন্তু কি কৰিব? কাৰ ওপৰত খং সাৰিব। একালে স্বৰ্গগত পিতা, আনফালে বৃদ্ধ পিতামহ; একালে পুণ্যময় সমাধি, আনফালে শুভ্ৰকেশ। কিছুমান পৰৰ পিচত বৰ গম্ভীৰ স্বৰে উত্তৰ দিলে—"ধ্বংস হক বুৰবন বংশ!"

যেই মেৰিয়াছে বুঢ়াৰ পৰম পূজনীয় বুৰবন ৰাজবংশৰ ওপৰত অভিসম্পাত দিলে, বুঢ়াই খঙত উন্মত্ত হৈ চিঞৰ মাৰি উঠিল, "তোৰ দৰে যেৰণে মোৰ নিচিনা কুকুৰধূলি জীৱৰে সৈতে একেটা ঘৰতে কেনেকৈ থাকিবি? মোৰ ঘৰৰপৰা তই এতিয়াই বাজ হ।" মেৰিয়াছ তেতিয়াই ঘৰৰ বাহিৰ হৈ পৰিল।

বুঢ়াই ভিতৰৰ ফালে চাই কলে, 'ছমাহৰ মূৰে মূৰে এই তেজখোৱালৈ ৬০ টা ৬০ টা পিস্তল পঠিয়াবি, তাৰ খৰচ-পাতিৰ কাৰণে। মোৰ আগত কোনেও তাৰ নামকে নলবি।"

খঙ আৰু অভিমানত মেৰিয়াছে ঘৰ এৰি আহি কলৈ যাব কি কৰিব একো ঠিক কৰিব নোৱৰাত পৰিল। তাৰ ঘৰি চেইন কাপোৰকানি লগত যি আহিছিল তাকে বেচি-কিনি মেৰিয়াছে পোনপ্ৰথমে কিছুমান দিন হোটেল এটাত কটালে। পইচা শেষ হৈ আহিব লগা হোৱাত সি হোটেল এৰি এটা সৰুঘৰ ভেৰোণীয়াকৈ থাকিবলৈ ললে। ওকালতি কৰাত তাৰ আগেয়েই অনিচ্ছা। উপায়ান্তৰ হৈ প্ৰবন্ধ ৰচনা আদি লেখি তাকে বেচি কোনোৰকমে দিন কটাবলৈ ধৰিলে।



এই সময়ত মেৰিয়াছৰ দুখৰ অন্ত নহৈছিল। বুঢ়া ককাকৰ পৰা ধন আহিছিল, কিন্তু অভিমানী মেৰিয়াছে ককাকৰ ধন হাতেৰে নুছুই ওভোটাই পঠিয়ালে। দৰিদ্ৰতা এটা ভীষণ পৰীক্ষা। এই পৰীক্ষাত নিৰ্ব্বলী একেবাৰে জুকলা হৈ পৰে, বলীয়ে বিজয় কিৰিটি পিন্ধি ঠিয় দিয়ে। নিয়তিয়ে দাৰিদ্ৰ্যৰ মাজেদিয়েই কোনোক দেৱতা কৰি তোলে, কোনোক আকৌ পিশাঁচ গঢ়ি দিয়ে। তিনি চাৰি সাঁজ কেতিয়াবা মেৰিয়াছ লঘোনেই আছিল। নিজে পানী-তুলি আনি কাঁহি-বাতি ধুই ঠাই-ঠুই সাৰিহে হলে কেতিয়াবা এসাঁজ খাবলৈ পাইছিল। তথাপি মেৰিয়াছ বিচলিত নহল।

মেৰিয়াছ ঘৰ এৰি অহাৰ তিনি বছৰ হল। এই তিনি বছৰেই বুঢ়া জিল্‌নৰমেণ্ডৰ তিনটা যুগ হৈছিল। বুঢ়াই মেৰিয়াছক প্ৰতিমাৰ দৰে পূজা কৰিছিল। মেৰিয়াছ গুচি আহিবৰ দিনৰেপৰা বুঢ়াৰ তিয়া একেবাৰেই উদং হৈ পৰিল। বুঢ়াই খঙত মেৰিয়াছৰ নামকো তেওঁৰ আগত উল্লেখ নকৰিবলৈ কৈছিল। পিছত যেতিয়া দেখিলে যে ভয়তে কোনেও বুঢ়াৰ আগত নাতিয়েকৰ নামকে নলয়, তেতিয়া বুঢ়াই মনে মনে অভিমান কৰিবলৈ ধৰিলে। বুঢ়াই বাটলৈ চাই ভাবি থাকে—"সি যদি উভটি আহে গোটাচেৰেক কাণমলা দিম।"

এই মেৰিয়াছৰ ঘৰটোৰ কাষৰ ঘৰতে থাকে জনড্ৰেট পৰিয়াল।

মেৰিয়াছে মানুহৰ লগ-সঙ্গ বৰ বেছি ভাল নেপাইছিল, দুই চাৰি বচা বচা মানুহৰ বাহিৰে মেৰিয়াছে বিশেষ দৰকাৰ নপৰিলে কাচিৎহে আন মানুহৰ লগত কথা-বতৰাকে পাতিছিল। বাপেকৰ জীৱন-চালেকীৰেই মেৰিয়াছে জীৱন গঠন কৰিবলৈ ওলাল। যেয়ে, বাপেকৰ বন্ধু বুলি চিনাকী দিছিল সেয়ে তেওঁৰ দেৱতা হৈ পৰিছিল। বাপেকৰ জীৱন-দাতা টেৰ্নাডিয়েৰৰ নাম মেৰিয়াছৰ ওচৰত পৰম পৱিত্ৰ বস্তু। মেৰিয়াছে টেৰ্নাডিয়েৰক বিচাৰি উলিয়াবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিলে। টেৰ্নাডিয়েক বিচাৰি উলিয়াবলৈ যদি মেৰিয়াছে তেওঁৰ এখন হাত বলি দিব লাগে, তাতেকো তেওঁ সাজু। টেৰ্নাডিয়েৰক সহায় কৰিবলৈ যদি শৰীৰ কাটি তেজ দিব লগা হয়, মেৰিয়াছ তাতো কুণ্ঠিত নহব। টেনাৰ্ডিয়েৰক পূজা কৰাও মেৰিয়াছৰ এটা জীৱনৰ ব্ৰত হৈ পৰিল।

১৮৩১ খৃষ্টাব্দত মেৰিয়াছৰ নাম ভাল প্ৰবন্ধলিখক বুলি কিতাপ-খবৰকাগজ আদিৰ প্ৰকাশকসকলৰ ওচৰত জনাজাত হৈ পৰিল। তেতিয়াৰেপৰা মেৰিয়াছৰ অৱস্থাও ভাল হৈ আহিল। খোৱা-বোৱা পিন্ধা-উৰা সকলোতে মেৰিয়াছ আকৌ পৰিপাটি আতোম-টোকাৰি ডেকা।

এই বছৰৰ মাজভাগতে এদিনা মেৰিয়াছৰ বুঢ়ী গিগিৰীজনী আহি মেৰিয়াছৰ আগত কলে—"বোপা! আমাৰ কাষতে যে এই জেনড্ৰেটৰ পৰিয়ালটো আছে, ইহঁত বৰ টোকোনা। ঘৰৰ ভেৰোণ দিব পৰা নাই, ঘৰগিৰীয়ে ইহঁতক কাইলৈ ওলাই যাবলৈ কৈছে। সেইহঁতৰ দুখ দেখি বৰ বেজাৰ লাগে। আজি হেনো কেবা সাঁজো লঘোন।" মেৰিয়াছৰ ঘৰ যদিও জনড্ৰেটৰ ঘৰৰ একেবাৰেই লগালগি, মেৰিয়াছে জনড্ৰেট পৰিয়ালৰ একোকে খবৰ নেপায়। কথাষাৰ শুনি মেৰিয়াছৰ মনত বৰ দুখ লাগিল। মেৰিয়াছে সুধিলে "ঘৰৰ ভেৰোণ কিমান দিব লাগে?" বুঢ়ীয়ে কলে, "২০ ফ্ৰাঁ।" মেৰিয়াছে বাকচ খুলি ধন উলিয়াই আনি বুঢ়ীৰ হাতত দি মাত লগালে, "হোৱা, এই ২৫ ফ্ৰাঁ। সিহঁতক দি আহা। কুৰি ফ্ৰাঁ ঘৰৰ ভেৰোণ দি পাচ ফ্ৰাঁৰে সিহঁতে খোৱা-বোৱা কৰক। কোনে দিছে নকবা।"

এই সময়তে লক্সেমবাৰ্গৰ আওহতীয়া কোণ এটাত দিনে এজন বয়সিয়াল মানুহে এটি পাটগাভৰু ছোৱালীৰে সৈতে আবেলি বেলিকা ফুৰিবলৈ ওলাই গৈ অকলশৰে বহি থকা মেৰিয়াছৰ চকুত পৰিল। মেৰিয়াছো লক্সেমবাৰ্গতে ফুৰিবলৈ যায়। মেৰিয়াছ ক্ৰমাগয়ে এবছৰ এই মানুহহালক লগ পাই আহিছে। ছোৱালীটিৰ বয়স বৰ বেছি ১৩ কি ১৪। গা-পাৰি নাই, দেখনো চকুতলগা নহয়। বুঢ়াৰ কাষতে বহি ছোৱালীটিয়ে হাঁহি-কিৰিলিয়াই অনৰ্গল কথা কৈ থাকে, বুঢ়াই একেবাৰে তাইৰ ফালে চাই শুনি থাকে। বুঢ়াটিৰ কাপোৰ-কানি বৰ পৰিপাটী। ছোৱালীটিৰ কাপোৰ-কানি 'কনভেণ্ট'ৰ ছাত্ৰীৰ নিচিনা

ধুমপেচ নোহোৱা। প্ৰথম বছৰতো, এদিনো বাদ নোযোৱাকৈ সদায় এই বুঢ়া আৰু ছোৱালীটিৰ লগত একে ঠাইতে মেৰিয়াছৰ ভেটাভেটি হয়। দ্বিতীয় বছৰত মেৰিয়াছে প্ৰায় ছমাহমান লক্সেমবাৰ্গৰ ফালে ফুৰিবলৈ যোৱা নাছিল। কিবা কথাত মেৰিয়াছে আকৌ লক্সেম্বাৰ্গতে ফুৰিবলৈ মন কৰিলে। এদিনা আবেলি লক্সেমবাৰ্গত ফুৰি ফুৰিছে এনেতে তেওঁ আগেয়ে সেই সদায় লগপোৱা মানুহজনক আগৰ দৰেই একে ঠাইতে বহি কথা পাতি থকা দেখিবলৈ পালে। তেওঁ ফুৰি ফুৰি যেতিয়া মানুহহালিৰ কাষ চাপিলহি, তেতিয়া তেওঁ মানুহহাল দেখি অলপ আচৰিত হোৱা যেন হল। আগেয়ে তেওঁ যিজন বুঢ়া মানুহ দেখিছিল এতিয়াও তেওঁ সেইজন বুঢ়া মানুহকে দেখিলে, কিন্তু ছোৱালীজনী আগেয়ে দেখা ছোৱালীজনী নহয়। এইজনী এজনী দীঘল লাৱণী ছোৱালী। শৈশৱৰ সৰলতাৰ ওপৰত সেইমাত্ৰ যৌৱনৰ কোমল লেখনীয়ে ওপৰে ওপৰে হাত বুলাই গৈছে। গাভৰুও নহয়, ছোৱালীও নহয়—দুয়োৰো মাজত এপাহি শিমলু তুলা।

মেৰিয়াছে যেতিয়া কাবেদি কাষৰি-কাটি গৈছিল, তেতিয়া ছোৱালীজনীয়ে বুঢ়াৰ কথা শুনি তলমূৰ কৰি হাঁহি আছিল। এই অকৃত্ৰিম হাঁহিটিৰ দৰে আৰু কি মোহিনী বস্তু থাকিব পাৰে! বগা হাতমুজাৰ মাজেদি ছোৱালীটিৰ হাত দুখনি বেছ মনিব পৰা আছিল। সৰু জোতাযুৰিয়ে তাইৰ সৰু ভৰি দুটিৰ হৈ সাক্ষি দিছিল। চকু দুটি ডাঙৰ। চাৱন একেবাৰেই লৰালি। মেৰিয়াছে ছমাহৰ ভিতৰতে ছোৱালীজনীৰ এনে আচৰিত সলনি দেখি আচৰিত হৈ পৰিল।

মেৰিয়াছে এই বছৰো লক্সেম্বাৰ্গত ফুৰিবলৈ আহি নিতৌ এই বাপেক জীয়েকক আগৰ দৰেই লগ পাবলৈ ধৰিলে। মেৰিয়াছে আপোন মনেৰে ফুৰি থৈ থাকে। গাভৰুৰ ফালে কাচিৎহে তেওঁ চকু দিয়ে। এদিন আবেলি মেৰিয়াছে আগৰ দৰেই ফুৰি ফুৰি যেই এই 'বাপেক-জীয়েক'ৰ কাষ পালেহি, ছোৱালীটিয়ে হঠাৎ মূৰ দাঙি মেৰিয়াছৰ ফালে চাই পঠিয়ালে। ঠিক সেই সময়তে মেৰিয়াছেও ছোৱালীটিৰ ফালে হঠাতেই চাই পঠিয়াইছিল। অকস্মাত দুইৰো চাৱন লগ লাগিল। প্ৰত্যেক গাভৰুৱেই এদিন এইদৰেই চাই পঠিয়ায়, কিন্তু যাৰে ওপৰত এই চাৱনৰ পৰশ লাগে সি সেই মুহূৰ্ত্ততেই শান্তি-ৰাজ্যৰপৰা বাহিৰ হৈ পৰে।

পাছ দিনাৰেপৰা মেৰিয়াছ ছোৱালীজনীৰ প্ৰেমত পৰিল।

মেৰিয়াছ ধুনীয়া কাপোৰ-কানি পিন্ধি লক্সেমবাৰ্গত উপস্থিত। লক্সেমবাৰ্গৰ ধুলিটোৱে পতি মেৰিয়াছৰ প্ৰণয়-বাতৰি। "বাপেক-জীয়েকৰ" কাবেদি পাৰ হৈ যাবলৈ মেৰিয়াছৰ সাহ নহয়—ভৰি নচলে। আঁতৰত বহি আমন-জিমনকৈ চাই থাকে। ছোৱালীজনীৰ প্ৰত্যেক খোজেই প্ৰত্যেক অঙ্গি-ভঙ্গিয়েই মেৰিয়াছলৈ একোটা বাতৰি। দিনক দিনে ছোৱালীজনী মেৰিয়াছৰ চকুত ধুনীয়া হৈ গৈছে। এনে সৌন্দৰ্য্যৰ প্ৰতিমা মেৰিয়াছে জনমত দেখা নাই। এই সৌন্দৰ্য্য দেখি 'পেট্ৰাৰ্কে' আপোনপাহৰা হৈ গান গাই থাকিলেহেতেন, 'ডাণ্টেই' সৌন্দৰ্য্যৰ চমক লাগি আঠু কাঢ়ি বহি গলহেঁতেন!

প্ৰেমিক-প্ৰেমিকাই ইটিয়ে সিটিৰ লৱনী মুখৰ করুণ চাৱন প্ৰতীক্ষা কৰি ৰাতিৰ পাছত ৰাতি কটাইছে। আবেলি লক্সেমবাৰ্গৰ এই ক্ষন্তেকীয়া চকুৰ চোৰা-চুৰিতে এই আশাধাৰী জীৱ দুটিৰ যেন হিয়াভৰা আবেগৰ পূৰ্ণাহুতি হয়। তাতেই শান্তি, তাতেই মিলন, তাতেই সুখ। দুয়ো তেতিয়া প্ৰেমত বন্ধ, অবাক সম্বিধান হলেও এই ডেকা-গাভৰুৰ হাতৰ ভিখাৰীৰ টোকোৰা বুঢ়াৰ চকু সাৰিবলৈ নেপালে। বুঢ়াই যে সন্দেহ কৰিব পাৰে, সেইটো কাৰো হুঁচেই নাছিল। বুঢ়াই হঠাৎ লক্সেম্বাৰ্গলৈ ফুৰিবলৈ অহা বন্ধ কৰি দিলে। ইফালে মেৰিয়াছে ছোৱালীজনী ফুৰিবলৈ আহিব আহিব বুলি আশা পালি দিনো লক্সেম্বাৰ্গত বহি থাকিবলৈ ধৰিলে। নিৰাশাত মেৰিয়াছৰ সুখ-শান্তি সকলো ওৰ পৰিল।

মেৰিয়াছ তেতিয়াও আগৰ ঘৰতে। হতাশ প্ৰেমিক মেৰিয়াছ তেতিয়া একেবাৰেই জুপুকা। এদিন সন্ধিয়া ঘৰৰ কাষৰ বাটেদি যাওঁতে দুজনী গাভৰু ছোৱালীয়ে



আহি তেওঁৰ গাত খুন্দিয়াই গল। পদূলিৰ কপমপি মনিব পৰা পোহৰত মেৰিয়াছে ছোৱালীকেজনী ভালকৈ নেদেখিলে। কিন্তু সিহঁতৰ মূৰত টুপি আৰু ভৰিত যে জোতা নাই, কাপোৰ-কানিবোৰ যে ফটাচিতা আৰু মুখকেখন যে শেঁতা এইটো তেওঁ বেছ মন কৰিব পাৰিছিল। ছোৱালী দুজনী লৰি গৈছিল আৰু যাওঁতে যাওঁতে ডাঙৰজনীয়ে কৈ গৈছিল "পুলিচে মোক ধৰো ধৰো হৈছিল।"

ছোৱালী দুজনী লৰি লৰি যাওঁতে এন্ধাৰত নেদেখা হৈ পৰিল। মেৰিয়াছে অলপমান পৰ তলকা মাৰি থাকি যাবলৈ ওলাইছে এনেতে এটা কাগজৰ সৰু টোপোলা তেওঁৰ চকুত পৰিল। তেওঁ টোপোলাটো বুটলি লৈ কলে "ছোৱালীকেজনীয়ে পেলাই গল হবলা।" মেৰিয়াছে ছোৱালীকেজনী যি বাটেদি গল, সেইফালে দুখোজমান আগবাঢ়ি ছোৱালীকেজনীক মাত দিলে, কিন্তু ছোৱালীকেজনী নোলালহি। নিৰুপায় হৈ টোপোলাটো জেপত ভৰাই তেওঁ ফুৰিবলৈ ওলাই গল।

ৰাতি শুবৰ সময়ত তেওঁ টোপোলাটো মেলি তাৰ ভিতৰত ছোৱালীহঁতৰ কিবা নাম-ধাম আছে বুলি চাবলৈ ললে। টোপোলাটোৰ ভিতৰত চাৰিখন চিঠি আছিল। চিঠি কেখনৰ এখনো বন্ধ নাছিল। চিঠি কেখনৰ ওপৰত শিৰোনামা লিখা আছে, কিন্তু লিখকৰ নাম নাই। লিখকৰ নাম বিচাৰি তেওঁ চিঠি কেখন পঢ়িবলৈ ললে। ইখনৰ পিছত সিখনকৈ চাৰিওখন চিঠি পঢ়িলে; কিন্তু চিঠি চাৰিখনত লিখক চাৰিজনৰ নামৰ বাহিৰে এখনতো একনৰো ঠিকনা বিচাৰি নেপালে। এখনৰ লিখকৰ নাম 'ডন্ এলভাৰেজ', স্পেনীয় অশ্বাৰোহী সৈন্য-নায়ক। দ্বিতীয়খনৰ লিখকৰ নাম 'মাডাম্ বেলিজাৰ্ড', তৃতীয়খনৰ লিখকৰ নাম কবি 'জেনফ্লো', চতুৰ্থখনৰ লিখকৰ নাম নাট্যকাৰ 'ফেবাণ্টো।' চাৰিওখন চিঠিৰ মৰ্ম্ম অৰ্থসাহায্য প্ৰাৰ্থনা। চিঠি কেখন যদিও বেলেগ বেলেগ মানুহে বেলেগ বেলেগ ভাৰ্য্যা-বিপৰ্য্যয়ত পৰি বেলেগ বেলেগ মানুহলৈ লিখা, তথাপি লিখা কাগজ, লিখাৰ ভাঁজ আৰু হাতৰ আখৰ দেখি মেৰিয়াছে ঠিক কৰিলে যে চাৰিওটা লিখক এটা মানুহ। কোন মানুহে এনে ভেশচম কৰি এই চিঠি কেখন লিখিলে, সেই বিষয়ে তেওঁ মূৰ ঘমাবৰ আৱশ্যক নেদেখি চিঠি কেখন মেজৰ ওপৰত পেলাই থৈ শুই পৰিল। যদিও শুই পৰিল, তথাপি এই লিখকৰ বিষম ৰহস্যই তেওঁক পূৰ্ণ অব্যাহতি দিব নোৱাৰিলে।

পাছ দিনা পুৱা ৭ বজাৰ সময়ত মেৰিয়াছে খোৱা-বোৱা শেষ কৰি কামত লাগিছে, এনেতে দুৱাৰত টকৰিওৱাৰ শব্দ তেওঁৰ কাণত পৰিল।

মেৰিয়াছে ভাবিলে তেওঁৰ লিগিৰায়ে কিবা বিচাৰি আহিছে। মাত দিলে—"সোমাই আহা, কি লাগে?"

দুৱাৰ মেলখোৱাৰ লগে লগে এজনী হাৰছাল ওলোৱা, শুকান খৰিডাপৰ নিচিনা গাভৰু ছোৱালী কোঠাৰ ভিতৰ সোমাল। কাপোৰ-কানিৰ অৱস্থাই নাই, দেখিলেই ভয়লগা, অথচ চকুপানী ওলোৱা। মেৰিয়াছে মাত দিলে, "কি লাগে?" ছোৱালীজনীয়ে কলে, "আপোনাৰ নামে এখন চিঠি আছে, এয়া লক, মছিয়'ৰ মেৰিয়াছ!"

মেৰিয়াছে চিঠিখন মেলি পঢ়িবলৈ ললে। চিঠিখনত লিখা আছিল—

"দয়ালু যুৱক—

মোৰ ওপৰত আপোনাৰ অসীম দয়া। মোৰ এসময়ত ঘৰৰ ভেৰোণ আপুনি আদায় কৰি দিছে। আপোনাৰ মঙ্গল হক। পত্ৰবাহক মোৰ প্ৰথমা কন্যা। মোৰ ভাৰ্য্যা শয্যাগত। আমি চাৰিটা প্ৰাণীৰ আজি দুসাজ এটুকুৰা কটিও পেটত পৰা নাই। আপোনাৰ কৃপাভিক্ষা কৰিছো। উপকাৰীৰ শলাগ জীৱনত নেপাহৰিম। ইতি

জনদ্ৰেট"

যোৱা ৰাতিৰ চিঠিবিলাকৰ লিখকৰ হাতৰ আখৰৰ লগত এই চিঠিৰ হাতৰ আখৰৰ কোনো ভিন্-পৰ নাই। চিঠিখন দেখামাত্ৰকে এই পাঁচোখন চিঠিৰ পাঁচোটা গৰৰ পাঁচোটা নামৰ আৰু পাঁচোটা চহিৰ মালিক যে এজন মাত্ৰ মানুহ, তাক বুজিবলৈ মেৰিয়াছৰ বেছি সময় নেলাগিল। 'ডন্ এলভাৰেজ', 'মাডাম বেলিজাৰ্ড', কবি জেনফ্লো' আৰু

'নাট্যকাৰ কেপ্টেন' এই চাবিওটা এই কনক্ৰেটেই—যদি সঁচাকৈয়ে মানুহটোৰ নাম কনক্ৰেটেই হয়। আৰু সেই বহুৰূপীৰেই কন্যা এই পাভক।

মেৰিয়াছে চিঠি পঢ়ি এটাই ভুলমূৰ কৰি ভাবি থাকোতে ছোৱালীজনীয়ে মেৰিয়াছৰ বস্তুবোৰ ওলট-পালট কৰি ঘূৰি ফুৰিছিল। মেজৰ ওপৰত থকা কিতাপ এখন মেলি লৈ ছুশাৰীমান পঢ়ি কিতাপখন জপাই থলে। পচৰত থকা কলম এডাল লৈ কাগজ এখনৰ ওপৰত লিখিলে "পুলিচ আহিছে!" কাগজখন দাঙি নি মেৰিয়াছৰ আগত থৈ মাত দিলে "চ'ক, মছিয়ৰ মেৰিয়াচ! মোৰ লিখা চ'ক।" মেৰিয়াছে কোনো উত্তৰ নকৰিলে, অলপ পৰ নিতাল মাৰি থাকি ছোৱালীজনীয়ে বৰ আবেগভৰা সুৰেৰে মাত লগালে "মছিয়ৰ মেৰিয়াচ! আপুনি জানেনে যে আপুনি বৰ ধুনীয়া মানুহ।"

মেৰিয়াছে কলে "কালি মই এটা কাগজৰ টোপোলা পাই আনিছিলো, তোমালোকৰ হব পায়। লৈ যোৱাঁ" এই বুলি মেৰিয়াছে চিঠিৰ টোপোলাটো আনি ছোৱালীজনীৰ হাতত দিলে। ছোৱালীজনীয়ে চিঠিৰ টোপোলাটো পাই হাতচাপৰি বজাই বজাই কলে—"ইমান বিচাৰি ফুৰিছিলো!"

এই বুলি তাই টোপোলাটো মেলি চিঠিবোৰ চাবলৈ ধৰিলে। চিঠিকেখন জুটিয়াই-বগৰাই কৈ গল "গীৰ্জ্জাঘৰলৈ অহা বুঢ়াটোক চিঠিখন এতিয়াই দিমগৈ। ভুপৰীয়া সাঁজৰ কাৰণে জানোচা কিবা অলপ দিয়েই।" এই বুলি তাই হাঁহি হাঁহি মেৰিয়াছক কলে "বুইছে, আজি যদি আমি ভুপৰীয়াৰ সাঁজ খাবলৈ পাওঁহে, এই সাঁজেই আমাৰ পৰাহৰেপৰা এটাইকেসাজৰ ঠাই পূৰাব।"

মেৰিয়াছ ইমান পৰ চিন্তাৰ চাকনৈয়াত পৰি ঘূৰি ফুৰিছিল। ছোৱালীজনীৰ কথাষাৰ শুনিহে তেওঁৰ ভাবনাৰ ওৰ পৰিল। ছোৱালীজনী আহাৰ সকাম মনত পৰি তেওঁ লৰালৰিকৈ উঠি চোলাৰ জেপৰপৰা ধন উলিয়াই আনিলে। চোলাৰ জেপত ধন আছিল মোটে ৫ ফ্ৰাঁ আৰু ১৬ ছু। মেৰিয়াছে মনে মনে ভাবিলে—"১৬ছুৰেই মোৰ আজিৰ দিনটো কোনো ৰকমে চলিব কাইলৈ যি হয় কৰিব লাগিব।" এই ভাবি তেওঁ ১৬ছু আকৌ চোলাজেপত ভৰাই ছোৱালীজনীক পাঁচ ফ্ৰাঁ দি দিলে। ছোৱালীজনী মূৰ দোঁৱাই হাত জোকাৰি ধন্যবাদ জনাই গুচি গল। আগলৈ

শ্ৰীপ্ৰানেশ্বৰ শইকীয়া

---

# গুপ্ত অসমীয়া কাশীক্ষেত্ৰ

## বিশ্বনাথ

বিশ্বনাথ ভৈৰবঞ্চ তথা মঙ্গলচণ্ডিকাং
লৌহিত্যাস্রোতগতাং গঙ্গাং চ মণিকৰ্ণিকাং
লিঙ্গাৰ্দ্ধসংস্থং শ্ৰীবিষ্ণু অন্নপূৰ্ণাং চ মাতৃকাং।
—নন্দীসংহিতা

বৃদ্ধগঙ্গাজলস্যান্তে তীৰে ব্ৰহ্মসুতস্য চ
বিশ্বনাথাহ্বদেবশ্চ শিবলিঙ্গসমন্বিতঃ
বিশ্বদেৱী মহাদেৱী যোনিমণ্ড ৰূপিনী
তত্ৰস্থাং পূজয়েদ্দুৰ্গাং সাধনাং অন্নমন্ত্ৰকৈঃ।

হয়গ্ৰীবং যত্ৰ তত্ৰা মণিকূট পুৰোগমাৎ,
হয়গ্ৰীবেন তন্ত্ৰেণমন্ত্ৰেণ পূজয়েৎ গৰুড়ধ্বজং
মাহেশ্বৰেণ মন্ত্ৰেণ তন্ত্ৰেণ পূজয়েৎ বৃষভধ্বজং॥
—কালিকাপুৰাণ

কালিকাপুৰাণৰপৰা উদ্ধৃত বচনত কৈছে "বুঢ়ীগঙ্গাৰ পানীৰ মুখত (মোহনাত) ব্ৰহ্মপুত্ৰৰ পাৰত শিৱলিঙ্গ থকা "বিশ্বনাথ" নামক মহাতীৰ্থ আছে।" তলৰ আখ্যানে তাক সপ্ৰমাণ কৰে—



"ৰামণ স্বৰূপে বলিক পাঠাইলা পাতাল॥
তান গৰ্ভে একশত পুত্ৰ ভৈলা জাত।
জ্যেষ্ঠ ভৈলা বাণাসুৰ জগতবিখ্যাত॥"
—কুমৰহৰণ

এই "অতিদানে বদ্ধ" বলিৰ পুত্ৰ বাণে পৃথিৱী সাংকাল দহকাল কৰি নিজৰ প্ৰকোপ জনাই থলকনি লগাই আছিল। প্ৰতাপৰ লগে লগে সুখ্যাতিৰ ইচ্ছা জন্মে। বাণাসুৰৰো পৃথিৱীত যাউতীযুগীয়া নাম ৰাখি থৈ যাবলৈ মন গল। শিৱভক্ত বাণ ভীষণ তপস্যাত লাগি গল। একাগ্ৰতাই নকৰে কি? পৃথিৱীত আজিলৈকে এনে এজন মহৎলোকৰ নাম নাই যাৰ একাগ্ৰতা নাই বা নাছিল। পাছে বাণৰজাৰ তপস্যাত সন্তুষ্ট হৈ মহাদেৱ ভগৱান শিৱই তেওঁৰ ভক্তৰ আগত আবিৰ্ভাৱ হল। দেৱদেৱ আশুতোষে বাণৰজাক কলে, "তোমাক কি বৰ লাগে কোৱা।" বাণৰজাই বুলিলে "প্ৰভু, যদি কৃপা কৰিব খুজিছা, তেন্তে এখন কাশীক্ষেত্ৰ নিৰ্ম্মাণ কৰি তাত তোমাক থাপিবলৈ দিয়া।" "তথাস্তু" বুলি ভগৱান অন্তৰ্দ্ধান হল।

বাণৰজাই এক কোটী স্বয়ম্ভু শিৱলিঙ্গ তৈয়াৰ কৰাই বৰ্ত্তমান ভোমোৰাগুৰি পাহাৰৰ সমীপস্থ কণ্বাশ্ৰমৰ ওচৰৰ বিশ্বনাথত স্থাপন কৰিলে। তাৰে এটি লিঙ্গ মঙ্গলময় চোৰ গণেশে চুৰ কৰি নি ব্ৰহ্মপুত্ৰৰ দক্ষিণস্থ বৰখোপা পাহাৰত থাপিলে। এই লিঙ্গটি লৈয়েই তুমুল কাণ্ড ঘটিল। এক কোটী স্বয়ম্ভু শিৱলিঙ্গৰ এটি কলৈ গল বুলি বাণৰজাই মূৰ ঘমালৈ ধৰিলে। ভক্তৰ বিপদত দয়াল ভগৱান শিৱ আকৌ আবিৰ্ভূত হল। কান্দি কাটি থিয়া চাকুৰাই বাণাসুৰে সেই লিঙ্গৰ কথা সুধিলত জটাধৰে গমি চাই কলে "সাৰজগিৰি গুহাত (এতিয়াৰ শিলঘাটৰ সমীপত) থকা কুমুদকৌস্তুভ মুনিক সুধিলে তাৰ সন্ধেদ পাবা।" কাৰো সমাধা কৰি নীলগ্ৰীৱ নীল আকাশত লীন হল।

এজনৰ নাম কুমুদ, আনজনৰ নাম কৌস্তুভ এই দুয়োজন ঋষিৰ অসংখ্য ছাত্ৰ আছিল। ছাত্ৰসকলে সৈতে দুয়ো মুনিয়ে ওচৰা-ওচৰিকৈ গভীৰ তপস্যাত নিমগ্ন থাকিছিল। এনেতে বাণৰজা চিঞৰি চিঞৰি আহিল—"ক'ত কাশী, ক'ত কাশী, ক'ত বিশ্বেশ্বৰৰ লিঙ্গ, কোৱাঁ।" দুয়োজন ঋষিৰ তপস্যা বাণাসুৰৰ ভীষণ কোঁচালত ভাগিলত তেওঁলোকে ধংকৰি কলে, "তুমি সুৰাপান কৰানে কি?—গুচি যোৱাঁ। পশ্চিমত কাশী আৰু বিশ্বেশ্বৰৰ অনুসন্ধান কৰাগৈ।" নিজৰ ইষ্টদেৱতাই প্ৰতাৰণা কৰিলে বুলি মনত ধিক্কাৰ লাগি বাণাসুৰৰ প্ৰচণ্ড ক্ৰোধাগ্নি সুমাবলৈ জলন্ত অগ্নিত নিজে জাপ দিব খুজিলে। এনেতে সচ্চিদানন্দ সদাশিৱই আকৌ ভক্তক দেখা দিলে। ভক্তবৎসলে সুধিলে, "কিয় পুতাই, জুইত জাপ দিব খুজিছা!" ক্ৰোধোন্মাদ বাণাসুৰে আদ্যোপান্ত বিবৰি কলে। ইষ্টদেৱতাৰ প্ৰতাৰণা আৰু কুমুদকৌস্তুভৰ কৰ্কশতাই যে তেওঁৰ আত্মহত্যা ইচ্ছাৰ প্ৰধান কাৰণ, তাক মঙ্গলময় ত্ৰিশূলীক বুজাই কোৱাত প্ৰলয়কাৰী ৰুদ্ৰদেৱে কলে "চোৱাঁ, সেই ব্ৰাহ্মণ দুজন নিৰুদ্বেগ নহয়। তেওঁলোকে এতিয়াও ক্ৰোধৰিপুক দমাব পৰা নাই। গতিকে, তেওঁলোক ব্ৰাহ্মণ নহয়, শিলাহে।" অনাঃকতে এনেকৈ অভিশপ্ত হৈ ধৈৰ্য্য হেৰুৱাই ঋষি দুজনে বুলিলে "কিয় আমাক এনেকৈ অভিশাপ দিলা? আমি জানো, ভালকৈয়ে জানো, যে পৃথিৱীত কাশীক্ষেত্ৰ মাথোন এখন। আৰুতো ক'তো কাশী নাই!" এই বুলি তেওঁলোকে আকৌ তপস্যা কৰি দেখিলে যে ওপৰতে এক কোটী লিঙ্গস্থিত আৰু এখন কাশীক্ষেত্ৰ আছে। গুণতে উৰাৰি সদাশিৱক আকৌ তেওঁলোকে কলে "কিয় এখন কাশী গুপ্ত কৰি পাতিছিলা? গুপ্ত কৰি পাতিছিলা যদি সি গুপ্ত হৈয়েই থাকোক।"—

"দ্বিমাসম্বা ত্ৰিমাসম্বা চতুৰ্মাসমথাপি বা।
বৰ্ষে বৰ্ষে বিশ্বনাথ নিৰময় ভবিষ্যতি॥"

এইদৰে শিৱই শাপদিয়াত কুমুদ-কৌস্তুভ মুনি ছাত্ৰসকলৰসৈতে আজিলৈকে শিলা হৈ আছে। সেই বাবেই সেই ঠাইক "শিলঘাট" বোলে। অসংখ্য সৰু সৰু শিলৰ মাজত মূৰ জিলিকাই সি দুটি প্ৰকাণ্ড শিল বৰ্ত্তমান, সেই দুটিক "দুই মুনি (কুমুদ-কৌস্তুভ) শিলা" বা "দুমুনি শিল" বোলে। তাৰে এটিৰ ওপৰত অনুগ্ৰহ কৰি জাহাজ কোম্পানীয়ে জাহাজ ৰাতি আহ-যাহ কৰিবৰ সুবিধাৰ্থে চাকি জলায়।

ঋষিৰ শাপো খণ্ডন নাযায়। গতিকে ব্ৰহ্মাই তেওঁৰ পুত্ৰ "ব্ৰহ্মপুত্ৰক" বিশ্বনাথৰ ওপৰেদি বৈ যাবলৈ আদেশিলে। সেই কাৰণেহে "শান্তনুকুলনন্দন অমোঘাগৰ্ভসম্ভূত মহাবাহো" ব্ৰহ্মপুত্ৰই ব্ৰহ্মকুণ্ডত জন্মগ্ৰহণ কৰি সেই মনতনপৰা কালৰেপৰা বিশ্বনাথক লুকাই ৰাখে। তেতিয়াৰেপৰাই অসমীয়াই কব লাগিছে :—

"বিশ্বনাথ গোঁসাই লৰক্ ফৰক্,
ছমাহ জলত ছমাহ তৰত ॥"

যি ঠাইত ভক্তাধীন ভগবানে আত্মগোপ্যাভিলাষী বাণ-ৰজাক দেখা দি ৰুদ্ৰমূৰ্ত্তিৰে ঋষি দুজনক শাপিছিল তাক এতিয়াও "ৰুদ্ৰপদ" বোলে। ই ব্ৰহ্মপুত্ৰৰ পাৰত থকা (শিলঘাট আৰু তেজপুৰৰ মাজৰ) ভোমোৰাগুৰি পাহাৰৰ পূবফালে অৱস্থিত। এতিয়া তাত 'ৰুদ্ৰপদ দেৱালয়' আছে।

এইবোৰ ঘটনা ঘটি যোৱাৰ পাছত, বৰ খৰখেদাকৈ, বাণৰজাই অভীষ্ট মন্দিৰ সজাই তাত পূজা-পাতল, যাগ-যজ্ঞ, হোম-তপস্যা কৰিবলৈ ধৰিলে। তেতিয়াৰেপৰা, বাৰাণসী কাশী আৰু বিশ্বনাথ কাশীৰ মহ্ম একে মাধোন আৰম্ভণ হে বেলেগ। যেনে, বাৰানসী কাশীত গায় :—

"গঙ্গাতৰঙ্গ ৰমনীয় জটাকলাপং গৌৰীনিৰন্তৰ বিভূষিত" ইত্যাদি। আমাৰ কাশীত গাব লাগে :—

"শ্ৰীবিশ্বনাথ কৰশূলপাণি শম্ভু শিবে চ শচীকেশৰ চন্দ্ৰমৌলে
শ্ৰীনীলকণ্ঠমদনাং তব বিশ্বমূৰ্ত্তিং গৌৰীপতে ময়ি নিধেহি
কৃপাকটাক্ষং ॥"

শেষৰ দুশাৰী দুয়ো ঠাইতে একেদৰেই গাব লাগে।

বাণ ৰজাৰ ইহলীলা সম্বৰণ কৰাৰ লগে লগে বিশ্বনাথৰ মন্দিৰ ব্ৰহ্মপুত্ৰই তৰঙ্গায়িত কৰি ভঙাই পেলালে আৰু ডাঠ হাবি, কাঠ, জাৰণিত ই লুপ্ত হল। বৰ্ত্তমানৰ বিশ্বনাথত তেওঁৰ শিৰ, চতিয়াৰ নাগশঙ্কৰ বামাতঙ্গশঙ্কৰত তেওঁৰ নাভি আৰু ৰুদ্ৰপদত (তেজপুৰৰ পৰা চমাইল উজনীত) তেওঁৰ পদযুগল।

অনুৰা শিৱৰ এই নিদ্ৰা ভাঙিলে আহোম কুলতিলক গদাধৰ সিংহই। কলিয়াবৰত এক ব্ৰাহ্মণ পৰিয়াল আছিল, নাম "কলীয়া ঠাকুৰ।" তেওঁৰ বংশাৱলী :—

১। কাশ্যপ; ২। বশিষ্ঠৰ শৰ্ম্মা; ৩। অনিৰুদ্ধ; ৪। নাৰায়ণ; (কলীয়া ঠাকুৰ) ৫। গোবিন্দ; ৬। কলীয়া জগন্নাথ; ৭। মুকুন্দ; ৮। ৰামকান্ত; ৯। একাদশী; ১০। চন্দ্ৰ; ১১। ৰণনাথ; ১২। সোমনাথ; ১৩। শ্ৰীজগন্নাথ।

এই কলীয়া ঠাকুৰ আছিল মন্ত্ৰসিদ্ধ ব্ৰাহ্মণ তেওঁৰ এজনী কপিলি গাই ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত সদায় পোহালি এৰি থৈ উত্তৰ পাৰত চৰিবলৈ আহে। তাত বিশ্বনাথক গাখীৰ দিয়েহি। এতিয়াও এই গাইৰ পদচিহ্ন বিশ্বনাথৰ গহ্বৰত আছে। এই কাণ্ড দেখি ব্ৰাহ্মণে নাও এখন তৈয়াৰ কৰি গাইজনীৰ পাছে পাছে আহিল। দেখিলে, গাইজনী ঠিয় হৈ আছে আৰু এটি লৰাই তাইৰ গাখীৰ পিছে। লৰাটিক তেওঁৰ ঘৰৰ কথা সুধিলত কলে "সো গহ্বৰটিয়েই মোৰ ঘৰ; মই মঙ্গলময়। মোক পূজিলে তোমাৰ মঙ্গল হব।" ব্ৰাহ্মণে বুলিলে "সদায় মই এই বিশাল ব্ৰহ্মপুত্ৰ পাৰ হব নোৱাৰিম; গতিকে তোমাক পূজাও মোৰ সাধ্যৰ ভিতৰ নহব।" কৰুণাময় শিৱই ব্ৰাহ্মণক কলে, "যাৰ যি সাধ্য সি তাকেহে কৰিব লাগে, তোমাৰ ঘৰৰ কাষৰ যেই সেই শিল এটাত পূজিলেও মই তোমাৰ পূজা গ্ৰহণ কৰিম।" তেতিয়াৰেপৰা কলীয়া ঠাকুৰে নিজা ঘৰৰ কাষৰ শিল এটাত শিৱপূজা কৰিবলৈ ধৰিলে।

এনেকৈ কিছুদিন যোৱাৰ পিছত, লৰা ৰজাৰ অত্যাচাৰত প্ৰপীড়িত গদাধৰ সিংহই সেই বামুণৰ ঘৰত আশ্ৰয় ললে। কথিত আছে, পুৱা তেওঁ হাল বায় আৰু দুপৰীয়া সেই কপিলা গাই ৰখে। কিছুদিনৰ পাছত এদিন দুপৰীয়া ব্ৰাহ্মণে খোপচাবলৈ গৈ দেখে, তেওঁৰ গৰখীয়াই ফণি তুলি পথাৰতে শুই আছে। অগ্নিশৰ্ম্মা ব্ৰাহ্মণে কটুবাক্য প্ৰয়োগ কৰিবলৈ বুলি গৰখীয়াৰ কাষ চাপি দেখে যে তেওঁৰ মুখৰপৰা ৰ'দ গুচাবলৈ এটা সাপে ফণা তুলি আৱৰি আছে। তদুপৰি তেওঁৰ ভৰিৰ তলুৱাত ৰাজচিহ্ন।



ব্ৰাহ্মণে তেওঁক ভাগ্যবান ৰাজকোঁৱৰ বুলি জানি সেই দিনাৰপৰা আৰু হাল বাবলৈ মনা কৰিলে। সেই ৰাতি গৰখীয়া-গদাধৰে বেৰা কাঁহীত ভাত পালে। গদাধৰে দেখিলে যে তেওঁৰ চিন ওলাই পৰিল; আৰু সৰ্ব্বনাশ ঘটে বুলি গুৱাহাটীলৈ তাৰ পাছ দিনাখনেই পলায়ন কৰিলে।

হালোৱা গদাধৰক ব্ৰাহ্মণী কমলা দেবীয়ে দুপৰীয়া পইতাভাত আৰু পোৰামাছ খাবলৈ দিছিল। ৰজা হলত স্বৰ্গদেৱ গদাধৰ সিংহই সদায় চাংমাইহঁতক সেই মাছভাত খোৱে, কিন্তু কোনেও তেওঁক তৃপ্তি দিব নোৱাৰিছিল। এইবাবে বহুত চাংমাইৰ প্ৰাণদণ্ডও হৈছিল। অন্তত সেই ব্ৰাহ্মণ-ব্ৰাহ্মণীক মালিনীটুপ পাহাৰৰপৰা ৰংপুৰলৈ ধৰাই নি পইতাভাত আৰু পোৰামাছ দিবলৈ আদেশ কৰিলে। বুদ্ধিমতী ব্ৰাহ্মণীয়ে ৰজা গদাধৰে দিনটোৰ ভিতৰত কি কি কাম কৰে তাৰ তত্ত্ব ললে। তাৰ পাছদিনা ব্ৰাহ্মণীয়ে ৰজাক চিকাৰলৈ যাবলৈ অনুৰোধ কৰি কলে "স্বৰ্গদেৱ, ঘূৰত ভৰি পৰিলে (অৰ্থাৎ দুপৰ বেলি) যেন আপুনি ওলটে।" ৰজাই ব্ৰাহ্মণীৰ কথামতে কাম কৰিলে। ভৰ দুপৰত ওলোটাত, ব্ৰাহ্মণীয়ে সজাই-পৰাই থোৱা পইতাভাত আৰু পোৰামাছ ৰজাক খাবলৈ দিলে। সেই খাদ্য খাই ৰজা ইমান তৃপ্ত হল যে তেওঁ তৎক্ষণাৎ ব্ৰাহ্মণীক আদেশ কৰিলে যেন ব্ৰাহ্মণীয়ে তেওঁৰ চাংমাইহঁতক সেই আহাৰ তৈয়াৰ কৰিবলৈ শিকায়। ব্ৰাহ্মণীয়ে হাতযুৰি কলে "স্বৰ্গদেও! এয়া ৰাজভোগ নহয়, ই হজুৱাবহে খাদ্য। হজুৱাই খাটনি খাটি ইয়াতে তৃপ্তি পায়। আপুনি যি কেইদিন পৰিশ্ৰম কৰি ইয়াক খায়, সেই কেইদিন সঁচাকৈয়ে এই আহাৰেই আপোনাক সন্তোষ দিব। আপুনি ৰজা, সদায় ইয়াত তৃপ্তি পাব কিয়? ব্ৰাহ্মণ-ব্ৰাহ্মণীৰ কথাত সন্তোষ পাই ৰজা গদাধৰে তেওঁলোকক চাৰিশ পুৰা ব্ৰহ্মত্তৰ মাটি দান কৰিলে।

এই চেগতে ব্ৰাহ্মণে বিশ্বনাথৰ পূজাৰ কথা কলে। ৰজাই বিশ্বনাথৰ পূজা-পাতলৰ কাৰণে ন হেজাৰ পুৰা মাটি তলত লিখা সীমাৰ ভিতৰত দান কৰিলে, আৰু অলেখ বন্দুৱা আদি দিলে। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে—পশ্চিমে দেওচুৰ পৰ্ব্বত, পূবে দিখৌ নদী, উত্তৰে জিকলু বা ব্ৰহ্মপুত্ৰ, দক্ষিণে মিকিৰ পাহাৰ; আৰু উত্তৰ পাৰত—পূবে কচুজান, এতিয়া বিহালীৰ ওচৰৰ ৰঙ্গা নৈ বা কলা নৈ, পশ্চিমে ভৈৰবী, দক্ষিণে ব্ৰহ্মপুত্ৰ, উত্তৰে গড়ৰ আলি। তদুপৰি দক্ষিণ পাৰে দৰঁৰা আৰু উত্তৰপাৰে মাছ যোগাবলৈ; ছৰ্ঁৰা বিল—লগত অলেখ পাইক, বহতীয়া, লিকচৌ আদি।

গদাধৰসিংহ, ৰুদ্ৰসিংহ আৰু কিছুকাল শিৱসিংহ স্বৰ্গদেৱৰ দিনত পূজা দক্ষিণ পাৰেই চলি আছিল। লগনীয়াৰ কথাত স্বৰ্গদেৱ শিৱসিংহই অনাহকতে "ব্ৰাহ্মণসকলে এই উপস্বত্ব ভোগ কৰিছে বুলি সন্দেহ কৰে। ব্ৰাহ্মণসকলে বৰ্ত্তমান বিশ্বনাথত দেৱতা থকাৰ প্ৰমাণ দিয়াত শিৱসিংহ স্বৰ্গদেৱে তাত সাতাইশটা মন্দিৰ সজাই এশ আঠজন ঠাকুৰ নিযুক্ত কৰে। তাত কাম কৰিবলৈ চমাৰ-কমাৰ যোগনীয়া দিয়ে। এইবোৰৰ তত্ত্বাৱধান কৰিবলৈ ৰজাই এজন সলাল গোহাঁই নিযুক্ত কৰে। এতিয়াও উৎসৱ আদিত এই গোহাঁইদেৱৰ বংশধৰসকলে ঠাকুৰসকলৰপৰা যথা-যোগ্য সমাদৰ লভে। শিৱসিংহৰ দিনৰেপৰা সলাল গোহাঁইদেৱে চতিয়াত বসতি কৰে। ৰজাই ব্যৱহাৰ কৰিছিল "কেকোঁৰা দোলা" আৰু বৰঠাকুৰে ব্যৱহাৰ কৰিব পাৰিছিল "পটি দোলা।"

তাৰ পাছত মানৰ দিন আৰম্ভ হল। মানে বিশ্বনাথ সাতবাৰ লুটিলে। সেই সময়তে অসংখ্য পুথি মানে ডোখৰ ডোখৰ কৰিলে আৰু জুইত পুৰি ছাই-মাকতি কৰিলে। যিটো জানৰ পাৰত সিহঁত বসতি কৰিছিল এতিয়াও তাক "মানৰ জান" বুলি কয়। কোনো এক ঠাকুৰে মান কেইটামানক টোমত বান্ধি নৈত পেলালে। যাৰ ফলত ওলোৱা মাত্ৰকতে মানৰ ক্ৰোধবহ্নি জ্বলি উঠিল। বিশ্বনাথৰ সকলো সম্পত্তি, অসংখ্য মূৰ্ত্তি, হয় অগ্নিত নহয় ব্ৰহ্মপুত্ৰত লীন হল। এতিয়া সেইবাবে তাত পুৰণি কীৰ্ত্তিৰ চিন-মোকাম নাই। 'বৰলা শিল'ত যি পঢ়িব নোৱৰা লিখা আছে সেইখিনি মানৰ লিখা বুলি কয়। এই "বৰলা শিল"ৰ আন এটা নাম "বীৰভদ্ৰ"। ইয়াৰ ভিতৰত এজন ঋষি আছিল। ঋষিৰ ইচ্ছানুযায়ী

ইয়াৰ দুৱাৰ মেল আৰু মাৰ খাইছিল। অস্পৃশ্য, ম্লেচ্ছ মানৱ অৱস্থিতিৰ গম পাই সেই দুৱাৰ অনন্ত কাললৈ জাপ গল। তাত ধন-সোণ আছে বুলি বটালি আদিৰে সেই শিল মোকলাবলৈ মানবোৰে ব্যৰ্থ প্ৰয়াস কৰিছিল। এতিয়াও এই উদ্ভৱগুলিৰ চিহ্ন আছে।

মহাপ্ৰভু বিশ্বনাথ মৈনাক পাহাৰৰ ওপৰত আছিল। সেই পাহাৰ বলবান ব্ৰহ্মপুত্ৰৰ সংঘৰ্ষত এতিয়া তল গৈ আছে। পূৰ্ব্বশঙ্কৰ বিশ্বনাথৰ সমীপত। তলত দিয়া চিত্ৰৰপৰা যোনিমণ্ডস্থিত বিশ্বনাথৰ অৱস্থিতি বুজিব পাৰিব।

বীৰভদ্ৰ বা বৰলা শিল

ব্ৰ
হ্ম
প
পু
ত্ৰ
ৰ

বিশ্বনাথ

পু ত্ৰ

ক্ষ

চণ্ডী ব্ৰ উমা

কাল ভৈৰৱ ব্ৰহ্মপুত্ৰ পুৰ্ব্ব নাগশঙ্কৰ
বা নাঙল ভৈৰৱ

ওপৰত দিয়া ত্ৰিকোণৰ ভিতৰত, বিশ্বনাথ মহাতীৰ্থ সূক্ষ্ম ত্ৰিকোণত আছে। তাৰ সীমা:--

"পূৰ্ব্বে নাঙ্গল ভৈৰৱঞ্চ পশ্চিমে কালভৈৰৱ।
উত্তৰে বীৰভদ্ৰঞ্চ দক্ষিণে শাশ্বতীসুতং।"

এতিয়া বাৰিষা উমাটুমণি, চণ্ডী, আৰু বৰলাশিল তল নাথায়। চণ্ডী আৰু কালভৈৰৱৰ মাজৰ ঠাইত এতিয়া স্কুল, ডাকঘৰ, বঙ্গলা আৰু দোকান-পোহাৰাদি আছে। বাৰিষা বাদে বিশ্বনাথ, উমা, পূৰ্ব্বনাগশঙ্কৰত পানী নাথাকে; বিশাল ঠৈ বালিৰ চৰ পৰে।

এতিয়া দহখন দেৱালয়ৰহে ঠাকুৰ আছে। বাকীবোৰ মানৰ দিনৰ পৰা ক'লৈ গল তাৰ ইয়ত্তা নাই। জলন্ধৰ-গিৰি, যাক এতিয়া "উমাটুমণি" বোলে, তাত উমা, বাসুদেৱ আদি এখাৰটা মন্দিৰ আছে। বাৰিৰ বাবে সকলোখিনিলৈ যাব পৰা সহজে নাযায়। বাৰিষা এই টুমনি এটা দ্বীপ যেন হৈ থাকে, কেউফালে অপাৰ জলধি। ইয়াত অসংখ্য গুহা, দুই ইঞ্চিৰ পৰা চাৰে সাত-ফুট পৰ্য্যন্ত গভীৰ হৈ আছে! তাত প্ৰায়ে সকলো সময়তে পানী থাকে।

উমাটুমণিৰ দক্ষিণস্থ পাহাৰৰ নাম "ৰামগিৰি।" ইয়াত মঙ্গলচণ্ডিকা, সূৰ্য্যমাধৱ (গণেশ), বৰদ'ল (বাণেশ্বৰ শিৱ) মুক্তিনাথ, কমলেশ্বৰ আৰু বৃদ্ধমাধৱ (বুঢ়ামাধৱ) আদি মন্দিৰ বা তীৰ্থস্থান আছে। এই "বৃদ্ধমাধৱ," বৰ্ত্তমান বিশ্বনাথৰপৰা প্ৰায় পাঁচ মাইল উত্তৰপূৰ্ব্বস্থিত প্ৰতাপগড় বাগিচাৰ কাষত। এই ঠাইৰ নাম আছিল "ধৰ্ম্মাৰণ্য।" কথিত আছে, ইয়াতে হেনো ধৰ্ম্মৰাজ যমে কৰালবদনা কালী গোঁসানীক নাশকৰিবলৈ তপ কৰিছিল। এই ধৰ্ম্মাৰণ্যত তপস্যা কৰি অনেক ঋষিয়ে "মুক্তি" পাইছিল। এতিয়াও নৰ-মনিষে চেষ্টা কৰিলে তাত "মুক্তি" পাব পাৰে।

উমাটুমণিৰ এখাৰটা আৰু ৰামগিৰিৰ প্ৰধান ছটা মন্দিৰৰ বাহিৰে বাকীবোৰ মন্দিৰৰ কথা বিশেষ জনা নাযায়। কোনো মন্দিৰৰ ভগ্নাৱশেষত কোনোৱে কিবা মন্দিৰৰ নাম লগলগাই দিলেও সি বিশ্বাসযোগ্য নহয়। অথচ, বিশ্বনাথ নামেযোৱা ঠাইত এনে এটা শিল বা এনে এডোখৰ ঠাই নাই, যি শিল শিৱ নহয় আৰু যি ঠাই শিৱপুৰী কৈলাস নহয়। সেইবাবে ইয়াৰ প্ৰত্যেক ধূলি-কণা মহিমাময়, মঙ্গলময় শিৱৰ অনুকম্পাপ্ৰযুক্ত! এতিয়াও এই মহাতীৰ্থত সহস্ৰ সহস্ৰ যাত্ৰীয়ে শিৱচতুৰ্দ্দশীৰ দিনা ভাবে ভাবে সম্ভাৰ লৈ ভক্তহিয়া বিশ্বেশ্বৰ বিশ্বনাথৰ শৈলমূৰ্ত্তিত নিবেদন কৰেহি, বহাগী বিহুৰ দিনা হাজাৰ বিংশতি প্ৰাণীয়ে দেৱদেৱ বিশ্বনাথক দোলাত লৈ কেইবা-মাইল বাটো ফুৰাই আনি শোক-তাপ জৰ্জ্জৰিত প্ৰাণত শান্তিকণা লভে। বাৰিষা আঁতৰিলেই দেউৰীসকলে বালিখানি লুকাব খোজা ভগবান মহাদেৱক জগতৰ মঙ্গলার্থে উলিয়াই ওপৰত থৰ কৰি দিয়ে, আৰু অসংখ্য সাধু-সন্ন্যাসী গোসাঁই-গুৰু আহি এই পবিত্ৰ স্থানত কিছুদিন বসতি আৰু তপ-জপ কৰি সিদ্ধি আৰু মুক্তিৰ বাট মুকলি কৰে।



প্ৰাচীন কীৰ্ত্তি ৰক্ষণ-প্ৰয়াসী বৃটিশ ৰজাৰ অনুগ্ৰহত বিশ্বনাথৰ ৰক্ষণাবেক্ষণৰ বাবে চাৰিশ চাৰিপুৰা নিষ্কৰ মাটি দিছে হেনো। বিশ্বনাথ আদি ওঠৰটা মন্দিৰৰ কাৰণে আঢ়ৈশ পুৰা নিষ্কৰ মাটি, পূৰ্ব্বশঙ্কৰৰ কাৰণে বাইশ পুৰা, উমাৰ কাৰণে পঁচিশ পুৰা, বসুদেৱৰ কাৰণে তিনি পুৰা, চণ্ডীৰ বাৰ কঠা, বৰদ'লৰ চাৰে পাচঁ-পুৰা, সূৰ্য্যমাধৱৰ ত্ৰিশ পুৰা, মুক্তিনাথৰ চাৰে সোতৰ পুৰা, কমলেশ্বৰৰ ছয়ত্ৰিশ পুৰা আৰু বৃদ্ধমাধৱৰ কাৰণে ওঠৰ পুৰা। এইবোৰ যোগ কৰিলে ছপুৰা এবিঘা তিনি কঠাৰ অভাৱ হয়। ইমানখিনি সম্পত্তি পায়ো ঠাকুৰসকলৰ অৱস্থা হীন, দেৱমন্দিৰৰ ভগ্নাৱশেষ লুপ্ত-জীৰ্ণপ্ৰায়, দেৱভাষা শিক্ষাৰ ব্যৱস্থাবিহীন! এইবোৰ দেখি কৰৰ মন যায়—হে বৃটিশসিংহ, আমাৰ ধৰ্ম্মক্ষেত্ৰৰ ভাৰ আপোনাসকলে লৈ ঠাকুৰসকলক খাবলৈ পিন্ধিবলৈ দিয়ক, দেৱতাৰ পূজা-পাতলৰ যোগাৰ কৰক, দেৱমন্দিৰৰ উন্নতি সাধক, দেৱভাষাৰ অনুষ্ঠান পাতি দেৱলীয়াসকলক শাস্ত্ৰ-জ্ঞান দিয়ক, আৰু সাধু-সন্ন্যাসী যাত্ৰীসকলৰ সুবন্দোবস্ত কৰক!

এতিয়াৰ বিশ্বনাথ এখন সৰু নগৰৰ দৰে। ইয়াতে বৃটিশৰ আমোলত হেনো দৰঙৰ সদৰ ঠাই আছিল। তাৰ চিন-মোকাম এতিয়াও আছে। ইয়াতে পূজ্যপাদ পৰ্ব্বতীয়া গোসাঁই ঈশ্বৰৰ বসতি, অসমীয়া শ্ৰীযুত চণ্ডু আগৰৱালাৰ বৃহৎ কাৰবাৰ, আৰু এটা জাহাজঘাট আছে। তেজপুৰৰপৰা ইয়ালৈ জাহাজ খৰচ তৃতীয় শ্ৰেণীৰ পোন্ধৰ অনা আৰু শিলঘাটৰপৰা পোনে দহঅনা মাথোন। ইয়ালৈ তেজপুৰ শিলঘাটৰপৰা সদাই পুৱা আৰু ককিলামুখৰপৰা এদিন এৰি এদিন আবেলি ডাক জাহাজ আছে।

আহক, প্ৰত্যেকে এই গুপ্ত কাশীক্ষেত্ৰৰ চণ্ডী মন্দিৰৰ সোপানত বহি থৰালিৰ বিশাল বালিৰ বুকত ৰমকজমক কৰি হাহিথকা বালিচন্দাৰ ওপৰেদি ব্ৰহ্মপুত্ৰৰ সুনীল গভীৰ জলৰাশিৰ দক্ষিণৰ বিস্তৃত চাপৰি চাই, বাৰিষাৰ প্ৰীতি-কল্লোল মুখৰিত ব্ৰহ্মপুত্ৰৰ ঢউৰ লগত ভূত ভবিষ্যত বৰ্ত্তমানৰ অসমীয়া প্ৰকৃতি তুলনা কৰি নিজৰ অশান্তিময় জীৱনত শান্তিপ্ৰবাহ বোৱাওকহি, আৰু শান্তিময় জীৱনৰ ত্ৰিতাপক্লিষ্ট প্ৰাণত বিশ্বেশ্বৰ বিশ্বপিতা বিশ্বনাথৰ মধুময় গুণগান কৰকহি!

ওঁ নমস্তে শিৱে কৰুণাময়ে,
নমস্তে জগৎপিতা প্ৰলয়কৰ্ত্তে,
নমস্তে বিশ্বনাথ বিশ্বেশ্বৰে,
নমস্তে যুগল পদপ্ৰান্তে॥
ওঁ শিৱং শিৱং শিৱং। *

শ্ৰীকুমুদেশ্বৰ বৰঠাকুৰ

---

# "তত্ত্ব কথা"

"তত্ত্ব কথা নামেৰে এখনদমান পুথি এখন আমাৰ হাতত পৰিছে। পুথিখন দীঘলে তিনি ইঞ্চি আৰু পুতলে এক ইঞ্চি। মাটিমাহ আৰু হাইতালৰ কৰাল দিয়া পুৰণি তুলাপাতত পুথিখন লিখা। ই ২২ পিঠিত সম্পূৰ্ণ। প্ৰতি পিঠিতে চাৰি শাৰীকৈ কথা লিখা আছে। ইয়াৰ আখৰবোৰ "যুগৰ গাজীৰ' নিচনা। এই পুথিত শঙ্কৰ মাধৱ, দামোদৰ আৰু চৈতন্যদেৱে কথা-বাৰ্ত্তা পাতিছে। থুলদেহা, মূলদেহা, সূক্ষ্ম কলেৱৰ, নাভিদশদল, হৃদয় অষ্ট-দল, দ্বাদশ চক্ৰ, শঙ্কৰৰ নিজ ধৰ্ম্ম কাৰ গাত থাকিব, ইত্যাদি বিষয়ৰ বৰ্ণনা পুথিত আছে। আমাৰ দেশৰ পকা ভকত, ৰাতি সেৱক ইত্যাদি ভকত সম্প্ৰদায়ৰ ভিতৰত যিবোৰ বিষয় অতি গুপুতভাৱে আলোচনা হয়

* ই কোনো পাঠোদ্ধাৰ কৰি বা পুথি পঢ়ি পোৱা প্ৰবন্ধ নহয়, অনেক আন প্ৰবন্ধৰে ইয়াক গোটোৱা হৈছে। কোনোজনে যোগ-বিয়োগ কৰিবলৈ সুবিধা দিলে ইয়াৰ কলেৱৰৰ পুষ্টিসাধন হব পাৰে।

সেইবোৰৰ কেতবোৰ কথা এই পুথিত ঠাই পাইছে। পুথিত ৰচয়িতাৰ নাম নাই। পুথিৰ কাল নিৰূপণ কৰিবলৈও যথেষ্ট যুগুতি নাই। এনে বিধৰ পুথিও আগেয়ে প্ৰকাশ পোৱা নাই। পুথিখনৰ শেহত মাত্ৰ ১৭৯৪ শক তিনি শাওণ লিখা আছে। বোধকৰো, এই শকত পুথিখন নকল কৰাহে হৈছিল। এইবোৰ বিষয়ৰ সন্ধান আৰু সংস্কাৰ পিছলৈ থৈ পুথিৰ সম্পূৰ্ণ পাঠ তলত দিয়া হল :—

"শ্ৰীকৃষ্ণায় নমঃ ॥ শঙ্কৰে যেতিক্ষণে বৈকুণ্ঠক গৈলা, মাধৱত নিজ বস্ত্ৰ থাপি গৈলা।

মাধৱে সোধন্ত—কৰ জীউ পৰিত্ৰান। কেবল ভকতৰ

শঙ্কৰে কহে শুনা—মাধৱ, থুলদেহা মূলদেহা সুক্ষ্ম কলেৱৰ শুনা—থুল দেহা তিনিগুণে; মূল দেহা তিনিগুণৰ অন্তৰে; সুক্ষ্মকায়া মূলৰ অন্তৰে; একান্ত কেবলৰ থান সুক্ষ্মদেহাৰ ভিতৰ; মূল দেহা থুল দেহাত চক্ৰ শুনা :— চাৰিদল, ছয়দল, নাভিদশ দল, হৃদয় অষ্ট দল, তালুত ষোড়শদল, ললাটত দুইদল, গুহ্যে চাৰিদল, লিঙ্গে ছয়দল, নাভি দশদল, হৃদি অষ্টদল, কণ্ঠে ষোড়শদল, ললাট দুইদল চক্ৰে চক্ৰে দেহাৰ মনৰ মূৰ্ত্তি, নাভিপদ্মত জীৱ হৃদয়ক মনে পৰমাত্মা। থুলদেহা চক্ৰে মূল দেহা জীৱে সুক্ষ্ম দেহা পৰমাত্মা। তানে কমলে কেৱল ভক্ত। প্ৰমাণ চাৰিদলে বসিবা চক্ৰ ভাঙ্গি মূলে প্ৰবেশিবা। তাকে লিঙ্গদেহা বুলি কয়। তাকো ভাঙ্গি সুক্ষ্ম ভিতৰে পশিবা

মাধৱে সোধন্ত—আধাৰ চক্ৰটো কেনমতে থাকে

শঙ্কৰে কহন্ত—শুনা মাধৱ। মূল পদগোট শুদ্ধ শুক্লবৰ্ণ, মৃণাল সদৃশ সুক্ষ্মদেহা গৌৰবৰ্ণ পদ্ম, তাৰ চকা মধ্যে আত্মাঈশ্বৰৰ থান, তান দেহধাৰা থুল মূল দেহা ভাঙ্গি তাৰ হন্তে সূৰ্য্যমণ্ডলত উঠা নেত্ৰ থানে সূৰ্য্যমণ্ডল, তাতে চৰি তান দেহা ধৰা তান ৰূপ গৌৰ জ্যোতিৰ্বৰ্ণ, যেন কুপকৰ সদৃশ এহি মানে ছয় চক্ৰ ॥ * *

শ্ৰীগণশায় নমঃ ॥

শঙ্কৰে সোধন্ত—দ্বাদশ চক্ৰৰ কথা কোন চক্ৰত কোন নাম, কোন ঈশ্বৰ। চৈতন্যে কহন্ত—দ্বাদশচক্ৰ, প্ৰথমচক্ৰে ষোড়শদল, কালপুৰিয়া ঈশ্বৰ। কালাকান্ত নাম, দ্বিতিয়া চক্ৰত, দুইদল শুকুকেতু নাম তৃতীয়া চক্ৰে বাইশ দল, বিষ্ণু ঈশ্বৰ, চতুৰ্ভুজ নাম। চতুৰ্থ চক্ৰত দশ দল, অনন্ত ঈশ্বৰ নিৰানাম, পঞ্চম চক্ৰত অষ্টদল, পৰমাত্মা ঈশ্বৰ, নাৰায়ণ নাম, ষষ্ঠ চক্ৰত দুইদল গোবিন্দ ঈশ্বৰ। ওঁকাৰ মান, সপ্তম চক্ৰত দশদশ কৃষ্ণঈশ্বৰ, ছন্নাম অষ্টম চক্ৰত দুইদল, অনন্তঈশ্বৰ ওঁংনাম, নৱম চক্ৰত চাৰিদল অনাদি ঈশ্বৰ নিজনাম দশম চক্ৰত চতুৰ্দ্দল আদি ঈশ্বৰ যে ঈশ্বৰ সে মানক এহিমানে পূৰ্ণ দশমানে দশ অৱতাৰ। এতেকে পূৰ্ণ বুলি এহি দশ নাম। দশ দেহাতে বুজা। একাদশ চক্ৰ একদল, কুৰ্ম্ম ঈশ্বৰ অষ্টভূজ নাম দ্বাদশচক্ৰে একদল। এক ঈশ্বৰৰ এক নাম একত্বক এক শৰণ। একৰম একচিত্ত এক কুৰি এহিভাগে দেহাতে বুজা।

পুনু শঙ্কৰে সোধন্ত—নিজ নাম ধৰ্ম্ম কাত ৰহিব,

চৈতন্যে কহন্ত—নিজ নাম ধৰ্ম্ম দামোদৰতে ৰহিব। ধৰ্ম্ম অৰ্দ্ধ ৰহিব অৰ্দ্ধ মাধৱত এহি বুলি মৌনে ৰহিলা।

পুনু শঙ্কৰে সোধন্ত—(প্ৰাৰ্থনা কৰি)—আমাক কিছুমান দিয়া।

চৈতন্যে কহন্ত—চৈতন্যে জল ঢালি দেখালা ইহাতে বুজা ভূজপত্ৰত কৰি মুদমাৰি দামোদৰক লাগি দিলা মাধৱে মেলি চাইলা, এহি কাৰণে ধৰ্ম্মৰ নামৰ দামোদৰ হৈলা মাধৱ হৈলা দুয়ো একে। শ্ৰীচৈতন্যে শ্ৰীশঙ্কৰ শ্ৰীমাধৱ তিনিৰ মধ্যত দামোদৰ শ্ৰেষ্ঠ অগ্ৰপূজ্য আগভাগ।

মাধৱে সোধন্ত—নমো নমো শঙ্কৰ তোমাৰ কৃপোপায়ে দ্বাদশচক্ৰে প্ৰভু সুবুজিলো ভাবে

মাধৱ বদতি প্ৰভু কহিয়ো নিৰ্ণয়
যেনমতে সংসাৰৰ জীৱ মুক্ত হয়।

শঙ্কৰে বোলন্ত—শঙ্কৰে বোলন্ত পাচে মাধৱক চাই

দামোদৰ বাপুক যে আনিয়ো মতাই।
দ্বাদশচক্ৰৰ কথা কহো সমুদায়।
দামোদৰ শঙ্কৰ মাধৱ তিনিজন।
আগ্ৰহে তিনিজনে কৰিছে ক্ৰন্দন॥
চৈতন্যৰ বস্তক যে মেলিয়া চাহিলা।
সংসাৰৰ জীৱমুক্ত তাহাতে দেখিলা॥
তিনিজনে তথাতে চাহিলা ভাল কৰি।
ছয়চক্ৰ ভাগি তেহোঁ জীৱন উদ্ধাৰি॥



শঙ্কৰে বোলন্ত পাইলো চক্ৰহেতু।
দ্বাদশচক্ৰহে পাপৰ ধুম্ৰকেতু॥
জীৱমানে সাৰিব আবাৰ ৰঙ্গমন।
সংসাৰ তাৰণ হেতু বুজিলোঁ এখন॥

মাধৱে বোলন্ত—পুনু মাধৱে সোধন্ত তুমি জানা কি মাজানা আমি স্বৰূপত কহোঁ কাৰ কিবা নাম।

শঙ্কৰে সোধন্ত—চৈতন্যৰ যেন নাম, তাক শুনিবো, অৰুণমণি, অনন্ত, কেশৱ ৰাম, বাসুদেৱ ও অংহং, অং ওঙ্কাৰ, নাৰায়ণ, গোপাল-গোবিন্দ, এহি দ্বাদশ নাম। দেহৰ চাৰি নাম। মন বুদ্ধি, চিত্ত, অহঙ্কাৰ। এহি চাৰি নাম। দেহাৰ এহি ষোড়শ নাম। মনে মাধৱত শৰণ। বুদ্ধি বিষ্ণুত শৰণ। চিত্তে কৃষ্ণত শৰণ। অহঙ্কাৰে অনাদিত শৰণ। এহি চাৰি শৰণে জীৱৰ বাট। এহি ষোড়শ নাম চৈতন্যৰ। আমাৰ দশ নাম। ৰামানন্দৰ দ্বাদশ নাম। হৰিব্যাসৰ অষ্ট নাম। তোমাৰ দশ নাম। দামোদৰৰ পাঞ্চ নাম। কৃষ্ণ, হৰি, ৰাম, গোপাল, গোবিন্দ, মকুন্দ, মাধৱ, নাৰায়ণ এহি অষ্টনাম। হৰিব্যাস অনন্ত কেশৱ দামোদৰ। হৃষিকেশ। এহি দ্বাদশ নাম। ৰামনন্দৰঃ গোবিন্দ হৰিৰাম কৃষ্ণ অনন্ত এহি পঞ্চনাম দামোদৰৰ। নিৰঞ্জন, নৰোত্তম জগজীৱ জগন্নাথ এহি দশনাম। ইহাতে বুজা। দেহাৰ মুক্তি ভক্তি ভাগ বুলি।

পুনু মাধৱে সোধন্ত—দেহাৰ মুক্তি ভক্তি কৈত। ভকতি কিমতে জানিব (উত্তৰ) এহি প ভাগ ভকতি ইহাতে বুজিবা। তাহাক উত্তম গুৰু বুলি উত্তম শৰণ বুলি ইহাকে দেহাতে দেখিবা।

পুনু মাধৱে সোধন্ত—আমাৰ দেহাতে দেখাবা

পুনু শঙ্কৰে কহন্ত—ষোড়শদল ষোড়শ মাটিকা সহিতে প্ৰকাশ তাৰ চতুৰ আঙ্গুলী তলত দুই দল। ভ্ৰুৰ মধ্যে লক্ষ্মী সৰস্বতী। দুইকালে দুই ভূজীয় হৰি। তাৰ পাঞ্চ আঙ্গুলৰ তলে মুখ পদ্ম বুলি জাক। তৃতীয় দশ কণ্ঠক জানিবা এহি চতুৰ পদ্ম প্ৰথম পুলিষদত। তাৰ ছয় আঙ্গুল তলত অষ্টদলপদ্ম তাতে জীৱৰ থান দক্ষিণে পৰমাত্মা একে ৰামতে আছে, নদীৰ ইপাৰে সিপাৰে তাৰ তলে অনন্ত শয্যা তাৰ ছয় আঙ্গুল তলত দ্বাদশদল তথাতে নাভিপদ্ম। ব্ৰহ্মা উৎপত্তি তাৰ আঙ্গুল তলত একাদশ দল তথাতে ঈঙ্গলা পিঙ্গলা (সুষুম্না) সুষম্না তিনি নাৰিৰ মুখত তথাতে ৰুদ্ৰলিঙ্গেন তাৰ ছয় আঙ্গুল তলত চতুৰদল পদ্ম তথাতে পালক বিষ্ণু উতপন। প্ৰতি চতুৰ চক্ৰ দুই পুলিত। তাৰ তলত অনন্ত তথাতে ৰসৰ সাত। কুৰ্ম্ম-মণ্ডুক অনন্ত তিনিৰ একে পদ্ম। তাৰ তলত বলিৰ ছত্ৰা মূলে যাক বোলে। তাৰ তলত জম্বু নৱ সিন্ধুৰ থান এহিক্ৰমে তিনি পুলিত। মূৰৰ পুলিত পদ্মমণি গোপাল নৱলক্ষ জীৱ গঙ্গাগয়া বাৰাণসি গোদাবৰি যমুনা পাৰিষদ চৈধ্য ন পাঞ্চভকত তিনি তাৰ চতুৰ্দ্দল অষ্টদল একদল এহি তিনি পদ্ম মূলৰ পুলিত ইহাক ভকতেসে জানে জ্ঞানী নিকৰ্ম্মীয়ে ইহাক নাজানে।

পুনু মাধৱে সোধন্ত—নাৰীৰ ভাগ বুজিবা চাওঁ।

পুনু শঙ্কৰে কহন্ত—জানা মাধৱ নাৰীৰ ভেদ কহোঁ। তপিনাৰ তলে গুহ্যৰ দুই অঙ্গুল ওপৰে অণ্ডকোষৰ তলে তথাতে মধ্য দেহা। অম্বৰৰ থান বোলে, অগ্নিৰ নিবাস তাৰ ওপৰত লক্ষ্মীৰ থান। ইঙ্গিলা পিঙ্গলা, সুষম্না তিনি নাৰীত বাহাৰি (৭২) পাক এতেকে বাহাত্ত নাৰি বুলি কয়। অগ্নি সম্মুখ সুষম্না, বায়ুক সম্মুখে ইঙ্গলা পিঙ্গলা এতেকে [illegible] নাম। [illegible] মহাভকত [illegible] এহিক্ৰমে [illegible]।

পু [illegible] স [illegible]—[illegible] ৰূপে আছয়।

পুনু চৈতন্যে কহন্ত—বুজিবা, দেহাক আদিত্য বুলি তাৰ বহ্নি আগ চক্ষুৰে বাজ হৈছি বাম চক্ষুৰ চন্দ্ৰ দুই কাণো বুধ শুক্ৰ গৰ্ভে মঙ্গল, পিঠিভাগে শনি জাহুত ৰাহু, তাৰ মাথে কেতু এহিক্ৰমে নৱগ্ৰহ দেহাত পুনু ইহাতে বুজা এহিমানে তত্ত্ব কথা।

যথাদৃষ্টং তথালিখিতং ভীমেচাপি ৰণে ভঙ্গ মুনিনাঞ্চ মতিভ্ৰম। সৰ্ব্ব-অপৰাধ ক্ষেমিবা শ্ৰীকৃষ্ণায়নমো। শক ১৭৯৪, ৩ শাওণ তাৰিখ।

শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

# যোগান

নামিল আজি মেঘৰ কোলাৰ নতুন পানীৰ নতুন ধাৰ,
বৰনৈৰ বুকু ওফন্দি উঠিল, পানীয়ে আহি চুমিলে পাৰ।
বিল-পুখুৰী উঠিল ভৰি নতুন পানীৰ পৰশ পাই,
ভেকুলীবেঙৰ আনন্দ-ঢলত কোন আজি কাৰ বিচাৰ নাই।
টুপুং কৰে বুৰটি মাৰি ভেটৰ ঠাবিত আজোৰধাই,
পলাল ভেকুলী শাওশপনিৰে,—সৰ্প বুলি চেতন নাই।
বিলৰ বুকুত পদুম কলি, অলস নয়ন নেমেলে আজি,
ভোমোৰাবোৰো বিমোৰ হল, কৰিব কিনো নেপায় ভাবি।
ভেঁটাৰ মুখত, বগলীটিয়ে, টোপনিয়ায় দৰক লই
মাছৰ পোনা ফুৰিছে জুমি, ঠেঙটি মেলি দীঘলকই।
দ পথাৰত পানীৰ সোঁত, হোলা-জানত কলকলাই,
বিঙিয়াই আজি ফুৰিছে কই—"কিৰিমি কৰ আলো মনাই!"

( ২ )

মলয় আজি বলিয়া হল ফুল-কুঁৱৰীৰ বিকশনত,
পৱন আজি পলায় কেনি পৰাগ-ৰেণুৰ পৰশনত।
কোমল চিকুণ কিশলয়ৰ কোমল চুমাৰ প্ৰলোভনত,
মাৰল ঘৰৰ মুধচ উৰাই পেলাই কেনি গড়খাৱৈত।
সেউজীয়া বিহা আই প্ৰকৃতিৰ পদুম গোন্ধীয়া শুকুলা গাৰ,
টানি নি মলয়ে সুৰভিৰে স'তে সিঁচিছে কুসুম-জেউতি-ভাৰ।
আই প্ৰকৃতিৰ দীঘল চুলি দিশ-বিদিশত মুঞ্জৰি উৰে,
ফুলি ফুলি উঠা বাঙলী ফুলৰ চোপাশে ভোমোৰা গুঞ্জৰি মৰে।
নীল আকাশত বগা সুকৰক শুকুলা ডাৱৰে তাবেৰে ঢাকে,
"পানী পিও পিও" পানীপিয়াটিয়ে বেজাৰমাতেৰে কতনো
ডাকে!
বিহগ-কণ্ঠ, জিলিৰ ৰাগিণী, সুৰভিৰে স'তে সমীৰ বাই
আনিছো সুগন্ধ, আনিছে সোৱাদ, "কিৰিমি কৰ আলো
মনাই।"

( ৩ )

লৰা-ছোৱালীৰ কোঢ়ালত আজি, বকুল তলত জোনাক ৰাতি
নীৰৱ গাঁৱৰ, চুৰ্ত্তি হেৰাল, হাই-উৰুমিত কঁপিল মাটি।
আগৰ ধেঁৱাত, পদুলিত আজি, নোৱাৰি আৰু থাকিব বই,
চাঙত ছাগলি, গোহালিত গৰু, মহাসুখেৰে থাকিল শুই।
বাৰীত আজি, তিয়'হ চিৰাল, চালত আজি কোমোৰা লাও,
গাঁৱত উঠিল ঘৰে ঘৰে, দৰা-কনিয়াৰ দৰৰ ভাও।
পাতিহাঁহ জাক পানীত চৰে, জোনাক দেখি নেচাপে ঘৰ
জোপাত সোমাই শিয়ালে জোপে—কুকুৰ দেখি মাৰিছে লৰ।
সমুহ ৰাইজে, পূৰ্ণিমা-তিথিত, বৰসবাহৰ উছৰ পাতি,
মহাভকতিৰে সৱে আঁঠুলয়—ৰজা-ৰাইজৰ মঙ্গল-প্ৰাৰ্থি।
পুৱতি নিশাত, সবাহ ভগাত, পছিম মেঘে বিজুলীয়াই
দুৰ্জ্জয় খঙত গৰজি উঠিছে—"কিৰিমি কৰ আলো মনাই!"

( ৪ )

দিনৰ দিনটো, গুজৰি-গুমৰি, ডাৱৰ আজি গধূলি পৰত,
শিৱৰ শিৱৰ জটাৰ দৰে, উল্লাসি উৰে দশোদিশত।
লুকাল আজি সুনীল আকাশ; সুমাল সুকৰ, সুমাল তৰা,
জোনাকী পৰুৱা লুকাল আজি—পৃথিৱী আজি এন্ধাৰ-ভৰা।
বৰষুণ আজি আকাশ ভাঙি ধৰাত পৰে ধাৰাসাৰে,
দূৰ-বিদূৰৰ—'অ' বৌ কেতেকী', মাতটি আজি কাণত পৰে।
বৰষুণ আজি আকাশ ভাঙি ধৰাত পৰে ধাৰাসাৰে,
তিতে আজি দুটি চকু, কতনো কথা মনত পৰে!
কোন কাহানিৰ তৰাৰ হাঁহি, কোন কেতিয়াৰ জোনাক, বেলি,
চকুৰ আগত জিলিকি উঠে, সোণৰ-ৰূপৰ ডেউকা মেলি।
ডাৱৰৰ গাত ডাৱৰ আজি, ডাৱৰ বিনে একো যে নাই,
ডাৱৰে আজি যোগান ধৰে, "কিৰিমি কৰ আলো মনাই!"

(৫)

পৃথিৱী আজি আকুল হল, শহেৰে ভৰি উঠিল বুকু,
দিনত আকাশ সুনীল হল, ৰাতি জলিল তেজ্যৰ চকু।
সূৰ্য্যৰ তেজ উঠিল বাঢ়ি, চন্দ্ৰ উঠিল জেউতি ভৰি,
বিৰিখে বিৰিখে নতুন শোভা, নুতুন বৰন উঠিল চৰি।
অমৰ ডালত কুলিয়ে মাতে, সোণবৰণীয়া সুফল জুমি,
ফৰৰ ভৰত, বিৰিখ কুঞ্জ—মাতৃৰ আহা বিকাশ-ভূমি!



জহ-বাৰিষা এইদৰেই শ শ বছৰ শ শ ধৰি,
একেদৰেই চলিছে সদায়, দিৱস ৰজনী হিছাপ কৰি।
এইদৰেই ছয়টি ঋতু ফুৰিছে ঘূৰি অনাদি কাল,
আকউ গ্ৰীষ্ম, আকউ বৰ্ষা, আকউ শৰৎ, বসন্ত কাল।
অনন্ত কালৰ প্ৰভাৱ বিনাশি বিয়াপি বিশ্ব উঠে সদায়,
কোন দেৱতাৰ অমৰ-বাণী—"কিৰিমি কৰ আলো মনাই!"

শ্ৰীকমলেশ্বৰ চলিহা

---

# প্ৰেমিক সন্ন্যাসী

সা

দি ক্লইষ্টাৰ এণ্ড দি হাৰ্থ

( ৯ )

চেভেনবাৰ্গেনত

মাষ্টাৰ জেৰাৰ্ডে মমৰ আনন্দতে লগৰ সমনীয়াৰ লগত ঘূৰি ফুৰি ফুৰি গধূলি ঘৰ সোমাইছেহি মাথোন, এনেতে বাওনা জাইলে আধাফুটা মাতেৰে কলেহি, "কঁা কঁা তোঁক বিচাৰি আঁহিছিল?" জাইলৰ কথাৰ ওপৰতে কেটেও লৰি আহি ককায়েকৰ আচলত ধৰি কলেহি, "অ, অ, মম্মো কব পালো। আমাল বালগোমাছটালে তোক নিবলৈ আহিছিল।" জেৰাৰ্ডে কবলৈ নৌ পাওঁতেই জাইলে আকৌ কৈ পেলালে "নইঁয় কঁা কঁা তোক এতিয়াই যঁাব দিছে।" সিহঁতৰ কথা শুনি "বাৰু, মই যাম" বুলি কৈ জেৰাৰ্ডে সিহঁত দুয়োকো দুটি চুমা খাই বিদায় দি মাক-বাপেকৰ ওচৰলৈ গল। মাক-বাপেকৰপৰা বাৰ্গোমাষ্টাৰ অহাৰ সবিশেষ বাতৰি লৈ জেৰাৰ্ডে পিছদিনা ৰাতিপুৱা বাৰ্গোমাষ্টাৰৰ ৰাজহাউলিৰ ফালে বাট ললে।

জেৰাৰ্ডক যোৱা বাটতে দেখি ঘাইছত্ৰেটে মহাগম্ভীৰভাৱে চকিত তেলন দি ভৰি নচুৱাই বহিল। কোনো ফালে তেওঁৰ দৃষ্টি নাই। জেৰাৰ্ডে ওচৰলৈ গৈ নমস্কাৰ জনাই সুধিলে, "কিয়বা মাতিছে মোক, বাৰ্গোমাষ্টাৰ?" জেৰাৰ্ডৰ প্ৰশ্ন শুনি বাৰ্গোমাষ্টাৰৰ টোপনি ভাগিল, তেওঁ চকুখাই উঠা যেন দেখুৱাই উত্তৰ দিলে, "অ আহিছ, বাৰু।" এই বুলি কৈ তেওঁ জেৰাৰ্ডৰ ফালৰপৰা মুখ ঘূৰাই বহিল, তথাপি জেৰাৰ্ডক 'বহ' বুলি নকলে। জেৰাৰ্ডে৷ বাৰ্গোমাষ্টাৰৰ আচাৰ-ব্যৱহাৰ দেখি শিলৰ মূৰ্ত্তিটো যেন হৈ ঠিয়দি থাকিল। তাৰ পিছত বাৰ্গোমাষ্টাৰে গম্ভীৰ ভ'ৰে দাড়ি-গোফত দুটামান পাক দি কবলৈ ধৰিলে, 'জেৰাৰ্ড, ছহৰৰ হিছাপ-পত্ৰৰ কাগজবোৰ মলিয়ন পৰি গল; কিছুমান পোকে খালে, কিছুমানৰ চিয়াঁহিবোৰ উঠি গল। তই সেইবোৰ নতুনকৈ ভাল চিয়াঁহিৰে ভাল কাগজত লিখি দিব লাগে; পাৰিবি নে?"

জেৰাৰ্ড—ভাল, পাৰিম। কিন্তু খাটনিৰ বাবে কিমান দিব ঠিক কৰিলেহে ভাল আছিল?

বাৰ্গোমাষ্টাৰে গম্ভীৰভাৱে উত্তৰ দিলে,—"কাগজ আৰু চিয়'াহিৰ বাবে যিখিনি লাগে সেইখিনিহে পাবি।"

জেৰাৰ্ড—মোৰ পৰিশ্ৰম আৰু সময়ৰ বাবে?

বাৰ্গোমাষ্টাৰৰ খঙে চুলিৰ আগ পালেগৈ। "তোৰ সময়-অসময় কি অ?" বুলি চকু পকাই জেৰাৰ্ডৰ ফালে চাই কবলৈ ধৰিলে, "ক, তেনেহলে, যে কৰিব নোৱাৰো, মই এলেহুৱা মানুহ! অ, বুজিছো, মহা প্ৰেমিক হৈছ? তোৰ ভেলটোহে ইয়াত, কিন্তু মতটো আছে পিটাৰৰ জীয়েক মাৰ্গেৰেটৰ লগত, নহয়?"

জেৰাৰ্ডে খঙতে বগা পৰি কলে, "মই পিটাৰ ছিটাৰ কাকো নাজানো।"

বাৰ্গোমাষ্টাৰ—মিথ্যাবাদি! সিদিনাখন তোক ৰটাৰ্ডমলৈ

খোৱা আলিৰ ওপৰত পিটাৰ আৰু মাৰ্গেৰেটৰ লগত দেখা নাইনে?

জেৰাৰ্ড—তাৰ পিছত?

বাৰ্গোমাষ্টাৰ—আন কি, সিদিনাখন তোক পিটাৰৰ ঘৰতে দেখা নাইনে?

জেৰাৰ্ড—হয়, কত দেখিছিলা? চেভেনবাৰ্গেনত?

বাঃ মাঃ—হয়! চেভেনবাৰ্গেনত।

জেৰাৰ্ড খন্তেকত অস্থিৰ হল। বেছি সময় ঠিৰ দি থাকিব নোৱাৰি খাইছপ্ৰেটক কবলৈ ধৰিলে, "বাৰ্গোমাষ্টাৰ, এবছৰ নহয় দুবছৰ নহয় আজি ৩।৪ বছৰেও চেভেন-বাৰ্গেনলৈ খোৱা নাই। মই পিটাৰ কোন মাৰ্গেৰেট কোন একো নাজানো; এনে কি, সিহঁতৰ নাম-ধামকে শুনা নাই। যি কি নহওক, মোৰ অমূল্য সময় তোমাৰ কামত অবাবতে কটাব নোৱাৰো। মোৰ অত্যাৱশ্যক বহুত কাম আছে, এতিয়া বিদায়হে।" এই বুলি কৈ জেৰাৰ্ড ভোঁ ভোঁ কৰে ওলাই গুচি গল।

খাইছপ্ৰেট নিৰাশ হল। জেৰাৰ্ডক জালত পেলাবৰ নিমিত্তে যি বুদ্ধি সাজিছিল সকলো অথলে গল। কেনে-কৈনো দ্বিতীয় বাৰ জেৰাৰ্ডক ফান্দত পেলাব পাৰে তাৰে চেগ বিচাৰি ফুৰিব ধৰিলে।

জেৰাৰ্ড বাৰ্গোমাষ্টাৰৰ ৰাজহাউলীৰপৰা ওলায়েই চেভেনবাৰ্গেনৰ ফালে বাট ধৰিলে। চেভেনবাৰ্গেনত কিছু সময় ইফাল সিফাল কৰি বৃদ্ধ পিটাৰৰ ঘৰত উপস্থিত হলগৈ। মাৰ্গেৰেটে জেৰাৰ্ডক দেখা পাই আচৰিত হৈ কৈ উঠিল, "পিছে, মাষ্টাৰ জেৰাৰ্ড! নমস্কাৰ! আজিনো কৰপৰা?"

জেৰাৰ্ড—নমস্কাৰ নিছু! ঘৰৰপৰাই আহিছো। পৰৰ ভাল নে?

মাৰ্গেৰেটে ঠাট্টা আৰম্ভ কৰিলে। তেওঁ লাহেকৈ সুধিলে—"কিয়নো আহিলা আজি এইফালে?"

জেৰাৰ্ড— আজি বহুদিন ফাদাৰ পিটাৰৰ খবৰ পোৱা নাই, সেই দেখিয়ে আহিছো।

মাৰ্গেৰেট—ফাদাৰ পিটাৰনো তোমাৰ কি হয়?

জেৰাৰ্ডৰ অলপ খং উঠিল। পিছত কলে "কিয়! ফাদাৰ পিটাৰ মোৰ এজন বন্ধু হয়।"

মাৰ্গেৰেটে সুবিধা পালে। আকৌ সুধিলে "তেনেহলে তুমি পিটাৰৰ বন্ধু হলে মোৰো বন্ধু নহয় নে?" বুলি গাতে ঠেলা এটা মাৰি দি জেৰাৰ্ডৰ ফালে ৰ লাগি চাই থাকিল।

জেৰাৰ্ডে উত্তৰ দিলে, "নহয়, নহয়; কিয়নো তেনে হোৱাহেঁতেন অচিনাকী ঠাই বটাৰ্ডমত মোক তেনেকৈ অকলশৰীয়াকৈ এৰি নাহিলাহেঁতেন। ছিঃ ছিঃ! কেনে নিৰ্দয় তুমি! মই তোমাক বিচাৰি বিচাৰি হাবাথুৰি খালো, কিন্তু তুমি হলে—"

মাৰ্গেৰেটে জেৰাৰ্ডৰ কথা শেষ কৰিবলৈ নিদি কবলৈ ধৰিলে "থে দিয়া তোমাৰ মনভুলোৱা কথা। এইবোৰ তেনেই মিছা; কিয়নো তোমাৰ যদি পিতাৰ আৰু মোৰ লগত একেলগে আহিবৰ ইচ্ছা থাকিলহেঁতেন, তেন্তে তুমি নিশ্চয় আমাৰ ওচৰলৈ উভটি আহিলাহেঁতেন। ক'তা, তুমি উভটি নাহিলা নহয়!" তুমি আমাক তাতে এৰি থৈ কোনোবা সঙ্গিনী পাই গুচি আহিলা নহয়? বুজিছো তোমাক।" এই বুলি হাঁহি এটা মাৰি মাৰ্গেৰেট জেৰাৰ্ডৰপৰা মুখ ঘূৰাই ৰহিল।

জেৰাৰ্ডে মনে মনে থাটি থালে। তেওঁ নম্ৰভাৱে মাৰ্গেৰেটক কলে, "নহয় মাৰ্গেৰেট! মই সচাঁকৈয়ে তোমালোকক এৰি থৈ খোৱা ঠাইলৈ আহিছিলো, কিন্তু তাত কাকো নেদেখিলো। "মাৰ্গেৰেটেও জেদ কৰি কৈ উঠিল, "মিছা কথা! কিয় তাত এজন বুঢ়া চাকৰক ঠিয় হৈ থকা দেখা নাছিলা জানো?" জেৰাৰ্ড আচৰিত হৈ কলে, "ক'তা তাত কোনো নাছিল নহয়! কেৱল এজন মানুহ আমি বহা ঠাইৰপৰা বহুত দূৰৈত তত্ ছেৰাই পৰি আছিল।"

মাৰ্গেৰেটে কথা বুজিলে। কিছু সময় মনে মনে থাকি কলে, "অ, কথা বুজিছো; বাৰু, যি হবৰ হৈ গল। এতিয়া সেইবোৰ কলে কি হব? কিন্তু মাষ্টাৰ জেৰাৰ্ড! তেতিয়াৰেপৰা মোৰ মনত অলপো সুখ-শান্তি নোহোৱা হৈছে। তোমাক নেদেখি মনটো বৰ বেয়া লাগি আছে।"

জেৰাৰ্ডৰ অভিমান শান্ত হল, মাৰ্গেৰেটৰ অভিমানো



দূৰ পৰিল। তাৰ পিছত জেৰাৰ্ড আৰু মাৰ্গেৰেটৰ মাজত নানা ৰকম ৰহস্যালাপ হব ধৰিলে। এনেতে ফাদাৰ পিটাৰে তাঁত আঁতি জেৰাৰ্ডক দেখি সৰবট মাৰি ধৰি-লেহি আৰু দুখন বাহৰি সুধিলেহি। জেৰাৰ্ডেও নিজৰ কুশল বাতৰি জনালে। বৃদ্ধ পিটাৰে পুৰণি বন্ধু পৰম উপকাৰী জেৰাৰ্ডক বহুদিনৰ মূৰত পাই বাজি তোলাকৈ ভোজন কৰিবৰ নিমিত্তে অনুৰোধ কৰিলে। জেৰাৰ্ড আনন্দমনেৰে মান্তি হল। মাৰ্গেৰেটে জেৰাৰ্ডৰ ফালে লাজুকীয়াভাৱে কেৰাহিকৈ চাই হাঁহি এটা মাৰি ৰান্ধনি ঘৰলৈ উঠি গল আৰু তাত মনৰ উলাহেৰে নানাৰকম সুখাদ্য তৈয়াৰ কৰিবলৈ ধৰিলেগৈ।

জেৰাৰ্ড আৰু পিটাৰ দুয়ো নানাৰকমৰ সুখ-দুখৰ কথা পাতিলে। আধাঘণ্টামান পাছতে মাৰ্গেৰেটে তেওঁ-লোকক চাহ-কটি দি গলহি। এইবাৰো মাৰ্গেৰেটে জেৰা-ৰ্ডক শুদাই এৰি নগল, মুখৰ ফালে চাই লাহেকৈ মিচি-কিয়া হাঁহি এটা মাৰি ৰান্ধনিঘৰত অন্তৰ্দ্ধান হল। এঘণ্টা-মান পাছত মাৰ্গেৰেট আকৌ আহি খাবৰ হৈছে বুলি জনালে আৰু মেজখন পৰিষ্কাৰ কৰিবলৈ ধৰিলে। মেজ পৰিষ্কাৰকৰোতে মাৰ্গেৰেটৰ হাতৰপৰা পানীৰ পাত্ৰটো কেইবাৰ সৰি পৰিল সীমাসংখ্যা নাই, গাত তত নাই। মাৰ্গেৰেটৰ হৃদয়-সাগৰত অনন্ত প্ৰেমৰ ঢৌ উঠিছে;— হাত থাকে মেজত, চকু থাকে জেৰাৰ্ডত।

কোনোমতে তাৰপৰা উঠি গৈ ক'ৰ বস্তু ক'ত দিছে থান-থিত নোহোৱাকৈ পিটাৰ আৰু জেৰাৰ্ডক খোৱা বস্তুবোৰ মেজৰ ওপৰত দি গলহি। যাব কলৈ? সৌ দুৱাৰ-খনৰ আঁৰত এফলীয়াকৈ লুকাই ঠিয় হৈ জেৰাৰ্ডৰ ফালে একেথৰে তধা লাগি চাই থাকিল।

খোৱা-লোৱাৰ পিছত পিটাৰ আৰু জেৰাৰ্ডৰ মাজত গল্প চলিবলৈ ধৰিলে। কিন্তু বুঢ়া মানুহ—তাতে আকৌ বেলাটোৰ মূৰত খাই-বৈ উঠিছে—ডেকাৰ লগত কিমান বেলি থাকিব? খোৱাৰ পিছত বুঢ়াৰ ভাগৰ লাগি সেই পিনে টোপনি গল। মাৰ্গেৰেটেও খোৱা-লোৱাৰ সজুলিবোৰ পৰিষ্কাৰকৈ থৈ (বোধ হয়, তেওঁৰ খোৱা-লোৱা মংগল। খাবই বা কি? পেট যে আনন্দেৰে পূৰ হৈছে!) লাহেকৈ জেৰাৰ্ডৰ ওচৰতে বহি পিটাৰৰ ঠাই অধিকাৰ কৰিলেহি। নানা ৰহস্যৰ কাহিনী, লগে লগে প্ৰেমানন্দ বা হাঁহি-খিকিন্দালি চলিবলৈ ধৰিলে।

ক্ৰমে আন্ধাৰ হৈ আহিল। ৰাতি প্ৰায় ৮।৯ মান বাজিল। পিটাৰ সেইপিনে টোপনিত মগ্ন হল। ওচৰ-চুবুৰীয়াবোৰো সাৰ-সুৰ নোহোৱা হল। জেৰাৰ্ডে চেগ বুজি মাৰ্গেৰেটক বাহিৰলৈ আনিবৰ নিমিত্তে ফুচুলাবলৈ ধৰিলে। মাৰ্গেৰেটে প্ৰথমতে অমান্তি হল। কিন্তু জেৰাৰ্ডৰ নিচিনা ডেকা প্ৰেমিকৰ লগত মাৰ্গেৰেট কোন কুটা? বহুত হয়-নহয়ৰ পিছত মাৰ্গেৰেট মান্তি হল। আৰু দুয়ো হাতত ধৰাধৰিকৈ বাহিৰলৈ ওলাই আহিল। কথাই কথাই দুয়ো চেভেনবাৰ্গেনৰপৰা আলেপিনি দূৰলৈ আহিল। ৰাতি ৯।১০ মান বজা দেখি দুয়ো পৰস্পৰে প্ৰীতি-বিদায় লৈ নিজ নিজ ঘৰলৈ খোজ ললে।

## সূত্ৰপাত

দিনৰ পিছত ৰাতি আৰু ৰাতিৰ পিছত আকৌ দিন আহে। এইদৰে দুটা বিভিন্ন সময় অবিৰাম চলিবই লাগিছে। কিন্তু আমাৰ নতুন প্ৰেমিক প্ৰেমিকা জেৰাৰ্ড আৰু মাৰ্গেৰেটৰ মনত দিন-ৰাতি এটা অভিন্ন সময় হৈ উঠিল। তেওঁলোক দুয়ো দিনটোৰ ভিতৰত অন্ততঃ দুই তিনিবাৰ দেখাদেখি হবই, কাৰো বাধা নাই। কিন্তু "মানুহে পাতে ঈশ্বৰে ভাঙে" নহৈ "ঈশ্বৰে পাতে মানুহে ভাঙে"—ইয়াৰ হে লক্ষণ দেখা গল।

এদিন মিছ কেটে মাৰ্গেৰেটৰ ছবি এখন জেৰাৰ্ডৰ মেজৰপৰা পাপ মাৰি লৈ মাকৰ ওচৰ পালেগৈ। কেথেৰিণ, আইল আদি সকলোৱে ছবিখন জুমি চাবলৈ ধৰিলে। কি সুন্দৰ মনমোহা ছবি! ছবিখনৰ প্ৰত্যেক আঁচৰপৰা কি স্বৰ্গীয় জেউতিয়েই বা বাহিৰ হৈছে! যিমানেই চোৱা যায় সিমানেই হেঁপাহ নপলায়। এবাৰ চালে আৰু এবাৰ চাবলৈ ইচ্ছা হয়। এনেতে বাৰ্গো-মাষ্টাৰ খাইছপ্ৰেট ঘৰৰ ভিতৰলৈ সোমাই আহিল। তেওঁ-লোকে অবাধৰিকৈ ছবিখন জুমাই খোৱা দেখি খাইছ-প্ৰেটে কিবা সন্দেহ কৰিলে আৰু "সেইখন কি?" বুলি

সুধিলে। কিন্তু কাৰোপৰা কোনো উত্তৰ নাপালে। এই বাৰ কেথেৰিণৰ ফালে চাই সুধিলে, "জেৰাৰ্ড কলৈ গৈছে? সি দেখোন সদায় দিনটো চেভেনবাৰ্গেনৰ পিটাৰৰ জীয়েক মাৰ্গেৰেটৰ লগতে থাকে।" ঘাইকৈ কেথেৰিণৰপৰা কিবা ভাল উত্তৰ পাম বুলি আশা কৰিছিল, কিন্তু সিটো নহল। কথাশুনি কেথেৰিণৰ খং উঠিল। তেওঁ কলে, "বাৰ্গোমাষ্টাৰ, আপুনি এনেকৈ লৰাজনৰ বদনাম ৰটি ফুৰে কিয়? জেৰাৰ্ড এনেকুৱা স্বভাৱৰ লৰা নহয় যে সি এজনী সামান্য ছোৱালীৰ ৰূপত ভোল যাব! আৰু বিশেষতঃ সি অল্পতে এজন নামগুনা ধৰ্ম্মযাজক হবগৈ! ছি ছি, এনে কথা নকবা। চোৰাঁচোন, এইখন কাৰ ছবি? মেৰী আইৰ ছবি নহয় নে?"

বাৰ্গোমাষ্টাৰ—হঁ হঁ, এইখন মেৰীৰ ছবি? বেছ চিনিছা? এয়ে সে—ই—মা-ৰ্গে-ৰে-ট-ৰ—ছবি!

কেথেৰিণ—মাৰ্গেৰেটৰ ছবি? কেতিয়াও নহয়। এইখন আমাৰ মেৰী আইৰ ছবি!

"নহয়। এইখন চেভেনবাৰ্গেনৰ পিটাৰৰ জীয়েক মাৰ্গেৰেটৰ ছবি" বুলি গহীনকৈ উত্তৰ দিলে। কেথেৰিণ খণ্ডতে ৰঙা পৰিল। এনেতে এজন ওচৰ-চুবুৰীয়া বুঢ়া মানুহ ভিতৰলৈ অহা দেখি মাত লগালে, "বন্ধু! চোৰাঁচোন—বাৰ্গোমাষ্টাৰে আমাৰ জেৰাৰ্ডৰ নামে কি অপযশবোৰ ৰটিব ধৰিছে!

বাঃ মাঃ—এৰা ভালেই হৈছে; তেওঁ মাৰ্গেৰেটক ভালকৈ চিনি পায়। বন্ধু, চোৱাচোন এইখন কাৰ ছবি!

বুঢ়াজনে ছবিখন হাতত লৈয়ে উত্তৰ দিলে, "এইখন মাৰ্গেৰেটৰ ছবি!" এনেতে এলি ভিতৰলৈ সোমাই আহিল। তেওঁকো সমুদায় ঘটনা আদ্যোপান্ত জনোৱা হল। এলিৰ মতি-গতি বুজা টান। তেওঁ ছবিখন চাই য়েজত চপৰিয়াই কব ধৰিলে, "বি—য়া? বিয়া কেতিয়াও হব নোৱাৰে। জেৰাৰ্ড আমাৰ সুপুত, সি কেতিয়াও আমাৰ অবাধ্য নহয়; যোৱা নাই, নহবও। এতিয়া জেৰাৰ্ড ক'ত?" বাৰ্গোমাষ্টাৰে টপৰাই মাত দিলে, "চেভেনবাৰ্গেনত, মাৰ্গেৰেটৰ লগত।"

সভা ভঙ্গ হল। ৰাতি ৯।১০ বজাত এলি আৰু কেথেৰিণে খোৱা-বোৱা শেষ কৰি দুয়ো চেভেনবাৰ্গেনৰ ফালে খোজ ললে। সিদিনাথন জেৰাৰ্ড আনন্দিতকৈ বেছি ৰাতিকৈ ঘৰৰ ফালে আহিছে। সেইদিনা জেৰাৰ্ডৰ আনন্দৰ ঠাই নাই! মাৰ্গেৰেটৰ ওচৰত বিদায় লৈ বাজ-কোঁৱৰৰ নিচিনা মনৰ উলাহত অস্থিৰ হৈ ঘৰৰ ফালে এখোজ-দুখোজকৈ আহিবলৈ ধৰিছে। টাৰ্গোৰপৰা কিছু আঁতৰত কেইজোপামান গছৰ তলত মাক-বাপেক দুইকো দেখা পাই জেৰাৰ্ডৰ তালুত জিভা লাগিল। মাকে জেৰাৰ্ডক চিনি পাই কলে, "জেৰাৰ্ড!" এলিয়ে বাধা দি কলে, "জেৰাৰ্ড! এই ডেকা বয়সত যুৱতীৰ ৰূপ দেখি যে মুগ্ধ হবি, ই একো আচৰিত নহয়। এই ডেকা বয়সত সকলোৰে এদিন নহয় এদিন এই মায়া-জালত পৰিবই, ই ধ্ৰুব নিশ্চয়। কিন্তু এতিয়া যি নহ'ক, চেভেনবাৰ্গেনলৈ আৰু নাযাওঁ বুলি অঙ্গীকাৰ কৰ।"

জেৰাৰ্ড নিমাত। বাপেকে আকৌ কলে, "নকৰ, কিয়?—চেভেনবাৰ্গেনলৈ নাযাওঁ বুলি অঙ্গীকাৰ কৰ।" শেষত জেৰাৰ্ডে উপায়ান্তৰ নেদেখি উত্তৰ দিলে, "পিতা, মই কেতিয়াও শপত খাব নোৱাৰো; মই মাৰ্গেৰেটক ভালপাওঁ। মই তাইক নোযোৱাকৈ থাকিব নোৱাৰো।"

এলি—নোৱাৰ যাব তাইলৈ।

জেৰাৰ্ড—নহয়, মই তাইলৈ যামেই; লাগে মই ধৰ্ম্মযাজকেই নহওঁ।

এলি—জেদ নকৰিবি। নাজাননে বাপেকৰ কথা পালন নকৰা কিমান দোষ?

জেৰাৰ্ড নিমাত। এলিয়ে বুজিলে যে জেৰাৰ্ড অচল অটল। তেতিয়াৰপৰা টাৰ্গোৰ এলিৰ ঘৰৰপৰা শান্তিয়ে বিদায় ললে। তাৰ ঠাইত অশান্তি বিৰাজ কৰিলেহি। জেৰাৰ্ডৰ মনত সেই চিৰসুখৰ ঘৰ বিহ যেন হল। এলিয়ে কেথেৰিণকে প্ৰমুখ্য কৰি ঘৰৰ সকলোকে কৈ দিলে, "যদি জেৰাৰ্ডে মোৰ ইচ্ছাৰ বিৰুদ্ধে মাৰ্গেৰেটক বিয়া কৰায় তেন্তে ঘাইছ ৰেট, বাৰ্গোমাষ্টাৰে তাক ফাটেকত বন্দী কৰি থব পাৰিব।" এই পৰামৰ্শ বাৰ্গোমাষ্টাৰকো দি এলি কেইদিনমান পাছতে নিজ ব্যৱসায় কৰিবলৈ গুচি গল।



জেৰাৰ্ড খন্তেকতে অস্থিৰ হৈ কলে, "যদি সেয়ে হয়, তেন্তে মাৰ্গেৰেট জীয়াই থাকে মানে মই আৰু ধৰ্ম্মযাজক নহওঁ।" এই বুলি কৈ একেবাৰেই তেওঁ মাৰ্গেৰেট ভান্-আইকৰ ওচৰত উপস্থিত হলগৈ।

জেৰাৰ্ডৰ কালিমাময় আৰু চিন্তান্বিত মুখ দেখি সুধিলে, "মাষ্টাৰ জেৰাৰ্ড, ভাবিছিলো যে আমাৰ ভিতৰত বন্ধুত্ব স্থাপন হৈছে, কিন্তু—।" জেৰাৰ্ডে ভান্-আইকৰ কথাৰ উত্তৰ নিদি কলে, "মাদাৰ, তুমি মোৰ দ্বিতীয় মাতৃ। কিন্তু মই এটা বৰ দোষ কৰিছো।" বোধহয়, কোনো কথা ভান্-আইকৰ অবিদিত নাছিল, সেই দেখি হে তেওঁ কৈ উঠিল, "কি দোষ জেৰাৰ্ড? এজনক ভালপোৱাতো কিবা দোষ আছে নে?"

জেৰাৰ্ড—মই তো তেনেকুৱাই ভাবোঁ, মাদাৰ।

ভান্-আইক—একো ভয় নকৰিবা, জেৰাৰ্ড! মাৰ্গেৰেট তেনেকুৱা নিৰ্দ্দয়-প্ৰেমিকা নহয়।

জেৰাৰ্ড—মাদাৰ, মই শুনিবলৈ পাইছো যে—

ভান্-আইক—কি শুনিবলৈ পাইছা, মাষ্টাৰ জেৰাৰ্ড?

জেৰাৰ্ড—মই শুনিছো যে তুমি ভৰা-যৌৱনতে, সকলো সাংসাৰিক সুখকে জলাঞ্জলি দিছা। সেই নিমিত্তে—

ভান্-আইকনে জেৰাৰ্ডক কথা শেষ কৰিব নিদি কব ধৰিলে, "জেৰাৰ্ড! অৱশ্যে মই তেনে কৰিছো সঁচা; কিন্তু কি কাৰণে তেনে স্বৰ্গীয় সুখৰ ফালে পাছ দিলো জানানে? আৰু তেনেটো কৰি কি ফল ভোগ কৰিব ধৰিছো? চোৱাচোন, মোৰ সমনীয়া একোজনী তিৰুতাৰ কিমান লৰা-ছোৱালী, নাতি-নাতিনী হৈছে!. কিন্তু মোৰফালে চোৱা—মই অপুত্ৰক অলক্ষী। আহা! কিহৰ নিমিত্তে মই সকলো স্ত্ৰী-সুখ মাতৃ-সুখ পৰিত্যাগ কৰিছো?—একমাত্ৰ ভাই-ককাইৰ নিমিত্তে। তেওঁলোকে মোক যৌৱন কালত অকলশৰীয়া কৰি এৰি থৈ সিপুৰীলৈ যাত্ৰা কৰিলে। তাৰ ফলত আজি মোৰ এই চিৰ-বিদ্যা। কিন্তু জেৰাৰ্ড! তুমি এনে ভাব কেতিয়াও মনত ঠাই নিদিবা। তোমাক সংসাৰ ত্যাগ কৰিবলৈ কবলৈ মোৰ বুকু ফাটি যায়! তুমি এই মাত্ৰ যৌৱনত ভৰি দিছাহি; তোমাৰ গছৰ আগৰ সমান দিন আছে। এতেকে জেৰাৰ্ড! তুমি সেই সুন্দৰী চৰিত্ৰৱতী, গুণৱতী মাৰ্গেৰেটক বিয়া কৰোৱা। "শুভস্য শীঘ্ৰম্।" যিমান সোনকালে কাম সম্পন্ন হয় তাৰ বাবে চেষ্টা কৰা। মই তোমাক পাৰোমানে সহায় কৰিম।"

ভান-আইকৰ আশ্বাস বাক্য শুনি জেৰাৰ্ডে দীঘলকৈ হুমুনিয়াহ এটা কাঢ়িলে। মন পাতল হল। লাহে লাহে তেওঁ কবলৈ ধৰিলে, "মাদাৰ! এটা কথা, মই পিতাৰ মাৰপিটৰ বাবে অলপো ভয় নকৰো—কিন্তু তেওঁৰ অগ্নিতুল্য ক্ৰোধৰ আগত মই কোন কুটা! তেওঁৰ খং উঠিলে তেওঁ লৰা-তিৰুতা কাকো অপেক্ষা নকৰে। সেই নিমিত্তে ভাবিছো যে, যদি কোনো প্ৰকাৰে মাৰ্গেৰেটক বিয়া কৰাব পাৰো, তেন্তে তেওঁক কোনো দূৰ দেশলৈ লৈ যাম, যাতে কোনোৱে একো খবৰ নাপায়। আৰু সকলো গণ্ডগোল মিটি গলে এক দুই বছৰৰ পিছত ঘৰলৈ আহি আই-বোপাইৰ ভৰিত পৰি ক্ষমা মাগিম। কিন্তু সম্প্ৰতি সেইবোৰ হয় কেনেকৈ?"

মাৰ্গেৰেটক বিয়া কৰাবৰ নিমিত্তে জেৰাৰ্ডৰ আগ্ৰহ আৰু তাৰ বাবে দেশ পৰিত্যাগ কৰি পলাই যাবলৈকো যে কুণ্ঠিত নহয় এইবোৰ দেখি শুনি ভান-আইকে বৰ সন্তোষ পালে। জেৰাৰ্ডৰ ফালে চাই হাঁহি এটা মাৰি কলে, "মাষ্টাৰ জেৰাৰ্ড! উত্তম যুক্তি কৰিছা। তুমি চিত্ৰ-বিদ্যাত কাৰ্য্যদক্ষ আৰু সুনিপুণ; এতেকে তোমাৰ কোনো ভয় নাই। ইয়াত থাকিলে তুমি চিত্ৰ-বিদ্যাত কোনো উন্নতি কৰিব নোৱাৰিবা; কিন্তু তুমি যদি ইটালীলৈ যোৱা তেন্তে তাত তোমাৰ নাম দুদিনতে ফাটি যাব; তোমাৰ নাম-যশ, ধন-মান দুদিনতে বৌ-বৌকৈ বাঢ়িবলৈ ধৰিব।

জেৰাৰ্ড—এৰা আই! মোৰ ইটালীলৈ যোৱাই জীৱনৰ এটা থাই উদ্দেশ্য। সৰুকালৰেপৰা সদায় ইটালীলৈ যাম বুলি কত হেপাহ, কত আশা, ইমান কষ্ট সহ্য কৰিও পুহি আছোঁ! কিন্তু আই! বাট-খৰচেই হৈছে আহুল বিধি-পথালি!

জেৰাৰ্ডৰ কথা শুনি ভান্-আইকে দুগুণ উৎসাহেৰে জেৰাৰ্ডক সাহ দি কলে, "কোনো ভয় নাই জেৰাৰ্ড!

ইটালীলৈ যাওঁতে সামান্য ধন খৰচ হব, তাৰ নিমিত্তে তোমাৰ ইমান চিন্তা-ভাবনা? বাৰু, তাৰ বাবে মই দায়ী। তুমি আগেয়ে মাৰ্গেৰেটক ইটালীলৈ যাবৰ নিমিত্তে মান্তি কৰোৱাগৈ, তাৰ পিছত যি যি কৰিব লাগে, ইপিনে মই আছোঁ।”

এইবোৰ কথা কোৱাৰ পিছত ভান্-আইকে জেৰাৰ্ডক বহুত সাৰুৱা উপদেশ দিলে। কেনেকৈ চিত্ৰ আঁকিবলৈ আৰম্ভ কৰিব লাগে, কেনেকৈ ৰহন তৈয়াৰ কৰিব লাগে, কেনেকৈ ৰহন দিব আৰু শুকাব লাগে, কি কাৰণে সকলোৱে ৰহন তৈয়াৰ কৰিব আৰু চিত্ৰত দিব নোৱাৰে যা দিলেও চিত্ৰ কুৎচিৎ হৈ যায় ইত্যাদি, এজন চিত্ৰকৰৰ সমুদায় লাগতিয়াল ভাল ভাল উপদেশ দিলে। জেৰাৰ্ডে এই কথাবোৰ শুনি বৰ আনন্দ পালে আৰু অতি সোণকালে মাৰ্গেৰেটক বিয়া কৰাই ইটালীলৈ যোৱাকে ঠিক কৰিলে। ভান আইকৰ পৰা বিদায় লৈ জেৰাৰ্ডে চেভেন বাৰ্গেনলৈ বেগ দিলে।

আপোনাৰ
শ্ৰীশান্তিৰাম দাস

---

# শ্ৰীশ্ৰীউমানন্দৰ ফলি

“মিলন” নামে অসমীয়া ছাত্ৰ-সমাজৰ সাময়িক পত্ৰৰ তৃতীয় বছৰৰ দ্বিতীয় খণ্ডত শ্ৰীযুক্ত সোণাৰাম চৌধুৰী মহাশয়ে প্ৰস্তৰ আৰু তাম্ৰলিপিৰ দুটা গদ্য, আৰু তিনটা পদ্য প্ৰকাশিত কৰিছে। গদ্য দুটাৰ আৰু ৰজতময়ী শিৱ প্ৰতিমাৰ চতুঃপাৰ্শ্বস্থ পদ্যটোৰ অসমীয়া স্থূলানুবাদ দিয়া আছে। উমানন্দ বা ভস্মাচলৰ এটা গুহাৰ মুখত লিখিত দুটা মূল শ্লোকও তেওঁ এই ‘মিলন’ পত্ৰতে প্ৰকাশিত কৰিছে। ইয়াৰ দ্বাৰা চৌধুৰী ডাঙৰীয়াই অসমীয়াৰ যে অশেষ উপকাৰ সাধিছে তাক লিখা বাহুল্য মাত্ৰ। কিন্তু গদ্য আৰু পদ্যত কিছুমান ভুল আছে গতিকে অনুবাদতো সেই ভুল হৈ গৈছে। সেইহে, যথাসাধ্য বিশোধিত কৰি অসমীয়া সম্পূৰ্ণ অনুবাদৰ সহিত উক্ত গদ্য আৰু পদ্য আপোনালোকৰ গোচৰীভূত কৰিলো। গুহামুখত লিখিত দ্বিতীয় শ্লোকটো অত্যন্ত ভ্ৰমপূৰ্ণ, গতিকে সংশোধন কৰা দুষ্কৰ। সেইহে, তথাপি এই শ্লোকটিও আন্দাজি শোধন কৰি প্ৰকাশিত কৰিলো, যদিও এই শ্লোকৰ প্ৰকৃত শুদ্ধি সম্বন্ধে সম্পূৰ্ণ সন্দেহ বল। সেইহে, এইবোৰৰ পুনৰ্ব্বাৰ প্ৰকাশ বা আলোচনাৰ পৰা চৌধুৰী ডাঙৰীয়াৰ গৌৰৱৰ কোনো হানি নহয়, অথচ ফলিৰ কিয়ৎ পৰিমাণে উপকাৰ হোৱাৰ আশা।

## উমানন্দৰ ফলি (সংশোধিত)

স্বস্তি প্ৰচণ্ড-দোৰ্দ্দণ্ড-কম্পিতদণ্ড-কোদণ্ড-নিক্ষিপ্ত কাণ্ডখণ্ডিতোদ্দণ্ড বৈৰিচয়-মুণ্ডাশেষ সামন্তচক্ৰ চূড়ামণি মৰীচিমঞ্জৰী-বিৰাজিত চৰণকমলহৰহাৰহিমহীৰ ডিণ্ডিৰ পিণ্ডপাণ্ডুৰিত যশোৰাশি পৰিপূৰিতাঙ্গবঙ্গকলিঙ্গ তৈলঙ্গ সৌৰাষ্ট্ৰমগধাদ্যশেষদেশবিশেষ-কুপ্যাকুপ্যাবিতৰণ সন্তোষিতভূসুপৰ্ব্বসৌন্দৰ্য্যগাম্ভীৰ্য্যমৰ্য্যাদাদয়ানয়াচাৰ বিচাৰ-দাক্ষিণ্যদক্ষতাঢ্যক্ষমাগুণগ্ৰামাভিৰাম শক্ৰবংশা ... পদাৰবিন্দমকৰন্দমধুকৰ সৌমাৰেশ্বৰ শ্ৰীশ্ৰীমদ্গদাধৰ সিংহাজ্ঞয়া শ্ৰীগড়গঞাসন্দিকৈ বৃহৎ-ফুকনঃ সকলবৃন্দাৰকবৃন্দৰাজ্যেশ্বৰ শ্ৰীমদুমানন্দোপৰি-মঠ-মটীকৰৎ ৰসক্ষমাতৰ্কেন্দুসংখ্যশাকে ১৬১৬॥

অনুবাদঃ—জনসমূহৰ মঙ্গল হওক। যি জনে ভীম-ভুজদণ্ড দ্বাৰা ধাণদণ্ড ধাৰণ কৰিছে, আৰু কোদণ্ডৰপৰা নিক্ষিপ্ত কাণ্ডসমূহেৰে দুৰ্দ্দান্ত বৈৰিসমূহৰ মুণ্ড খণ্ডিত কৰিছে, যি তীৰ সামন্ত নৃপমণ্ডলীৰ মুকুটগত মণিসমূহৰ ৰশ্মি জালেৰে যাৰ চৰণকমল বিৰাজিত, শিৱৰ কণ্ঠহাৰ ভূত নাগবৎ, হিমসজ্জাতবৎ, হীৰকৰ দৰে, পুঞ্জীভূত সমুদ্ৰফেণৰ দৰে যাৰ পাণ্ডুৰিত যশোৰাশিৰ অঙ্গ, বঙ্গ, কলিঙ্গ, তৈলঙ্গ, সৌৰাষ্ট্ৰ মগ আদি বিশিষ্ট যাৱতীয় দেশ পৰিপূৰিত বা ব্যাপ্ত হৈছে, যি জনে সুবৰ্ণ ৰজত আৰু বিশিষ্ট অন্যান্য ধাতু আদি বস্তু দান কৰি ভূদেৱসকলক সন্তুষ্ট কৰিছে, সৌন্দৰ্য্য, গাম্ভীৰ্য্য, মৰ্য্যাদা, দয়া, নীতি, আচাৰ-বিচাৰ, দাক্ষিণ্য (সৰলতা, মহত্ত্ব, দানশীলতা, পৰহিতৈষণা) দক্ষতাঢ্য (অতিশয় দক্ষতাৰ সহিত কৃত) ক্ষমা, এই সমস্ত আৰু অন্যান্য গুণ-গ্ৰামদ্বাৰা যিজন অতি ৰমণীয় হৈছে, (বা এই গুণ সমূহ কাৰ্য্যত দেখুৱাই যি জনে আনন্দলাভ কৰিছে), যি জন শক্ৰকুলৰ ভূষণ, যি জন শিৱৰ (বা হৰগৌৰীৰ) চৰণৰূপ কমলৰ মকৰন্দ-পায়ী মধুকৰস্বৰূপ, সৌমাৰ দেশৰ অধীশ্বৰ সেই শ্ৰীশ্ৰীমৎ (মহৈশ্বৰ্য্যসম্পন্ন) গদাধৰসিংহৰ আজ্ঞাৱশতঃ শ্ৰীগড়গঞা সন্দিকৈ বৃহৎফুকনে—সকলো দেৱগণৰ ৰাজ্যৰ অধীশ্বৰ শ্ৰীমান উমানন্দৰ উপৰি ৰস (৬) ক্ষমা (১) তৰ্ক (৬) ইন্দু (১) সংখ্যক অৰ্থাৎ ১৬১৬ শকাব্দত এই মঠ নিৰ্ম্মাণ কৰালে।

দোৰ্দ্দণ্ড—ভুজদণ্ড। ‘খণ্ডিতোদণ্ড’ অশুদ্ধ, শুদ্ধপাঠ ‘খণ্ডিতোদ্দণ্ড’; ‘উদ্দণ্ড’ পদ ‘বৈৰিচয়’ৰ বিশেষণ। ‘অশেষ’ পদ ‘সামন্ত চক্ৰ’ৰ বিশেষণ। ডিণ্ডিৰপিণ্ড—সমুদ্ৰ ফেণৰাশি। ‘বিশেষ’ পদ ‘কুপ্যাকুপ্য’ৰ বিশেষণো কৰিব পাৰি তেতিয়া হলে ‘কুপ্যাকুপ্য’ক শেষ কৰি কৰা দান দ্বাৰা। ভূসুপৰ্ব্বন্ ‘ভূদেৱ’, অৰ্থাৎ ব্ৰাহ্মণ এই অৰ্থে সচৰাচৰ ব্যৱহৃত হয়। সেইহে, পৃথিৱীৰ দেৱতা, তীৰ্থস্থ দেৱবিগ্ৰহকো বুজাব পাৰি, ইয়াত উক্ত দুই অৰ্থে প্ৰযুক্ত হলেও হানি নাই। ভূসুপৰ্ব্বন্ সমাসত ‘ভূসুপৰ্ব্ব’ হৈছে। লিখা বাহুল্য যে অৰ্থাসঙ্গতি আৰু ব্যাকৰণদুষ্ট হোৱা হেতু ‘ভূশপৰ্ব্ব’ মূললিপিৰ পাঠ নহয়। মৰ্য্যাদা—ধৰ্ম্মসেতু। ৰজাৰ পক্ষে যত্ৰ তত্ৰ ক্ষমা প্ৰদৰ্শন গুণ নহয়, দোষ হে। “ক্ষমা শত্ৰৌ চ মিত্ৰে চ যতীনামেৱ ভূষণম্। অপৰাধিষু সত্ত্বেষু নৃপাণাং সৈৱ দূষণম্।” “অদণ্ড্যান্ দণ্ডয়ন্ ৰাজা দণ্ড্যাংশ্চৈৱা প্যদণ্ডয়ন্। অযশো মহদাপ্নোতি নৰকঞ্চৈৱ গচ্ছতি।” অতএৱ লিপিত ‘দক্ষতাঢ্য’—দক্ষতাবহুল অৰ্থাৎ বিচাৰপূৰ্ব্বক নিপুণতাৰ সহিত প্ৰদৰ্শিত ক্ষমা লেখা সমীচীন হৈছে। ঈশান—শিৱ, একশেষ সমাসদ্বাৰা ‘হৰগৌৰী’ অৰ্থেও ধৰিব পাৰি। সমাসত সন্ধি নিত্য, অতএৱ শ্ৰীমদ্ গদাধৰ এই শুদ্ধপাঠৰ পৰিবৰ্ত্তে চৌধুৰী ডাঙৰীয়াৰ উদ্ধৃত ‘শ্ৰীমৎ গদাধৰ’ লিপিকাৰৰ প্ৰমাদ। বৃন্দাৰকবৃন্দৰ (দেৱগণৰ) ৰাজ্যৰ (প্ৰাগ্জ্যোতিষপুৰৰ) ঈশ্বৰ—উমানন্দ। কালিকা পুৰাণীয়—

“অত্ৰস্বয়ং মহাদেৱো ব্ৰহ্মাচাহং (বিষ্ণুঃ) ব্যৱস্থিতঃ।
চন্দ্ৰ সূৰ্য্যশ্চ সততং বসতোহত্ৰৈৱ পুত্ৰক॥
সৰ্ব্বৈক্ৰীড়াৰ্থমায়াতা ৰহস্যং দেশমুত্তমম্।
অত্ৰ শ্ৰীৰ্ৱশতে ভদ্ৰা ভোগ্যমত্ৰ তথাবহু॥
অস্য মধ্যেস্থিতো ব্ৰহ্মা প্ৰাঙ্নক্ষত্ৰং সসৰ্জ্জহ।
ততঃ প্ৰাগ্জোতিষাখ্যেয়ং পুৰী শক্ৰপুৰীসমা॥”

ইত্যাদি বচনানুসাৰে প্ৰাগজ্যোতিষপুৰক মূললিপিত দেৱতাৰ ৰাজ্য বুলি কোৱা হৈছে।

## ৰজতময়ী শিৱ প্ৰতিমাৰ চতুঃপাৰ্শ্বস্থ পদ্যৰ সংশোধিত প্ৰতিলিপি

গৌৰীশাঙ্ঘ্ৰি সৰোজভৃঙ্গমঘৱদ্‌বংশাৱতংসায়িত, শ্ৰীমৎশ্ৰীশিৱসিংহৰাজ মুকুটাদেশং দধন্মূৰ্দ্ধনি। শ্ৰীমত্তদ্‌ দুৱৰান্বয়ে নয়পটুৰ্ব্বিদ্বান্ বৃহৎ ফুক্কনো, হ্ তানীম্মূৰ্ত্তিমিলা কলা শশি শকে শম্ভোৰিমাং ৰাজতীম্॥ ১৬৪১

অনুবাদঃ—গৌৰী আৰু শিৱৰ (অথবা, কেৱল শিৱৰ) চৰণ কমলৰ ভৃঙ্গ, ইন্দ্ৰবংশৰ অলঙ্কাৰভূত, অতিশয়িত শ্ৰীসম্পন্ন শ্ৰীশিৱসিংহ ৰাজশ্ৰেষ্ঠৰ আদেশ মূৰত লৈ সুপ্ৰসিদ্ধ শ্ৰীমৎ দুৱৰা বংশত (জাত) নীতিনিপুণ আৰু বিদ্বান্ বৰফুকনে শম্ভুৰ এই ৰজতময়া মূৰ্ত্তিক ইলা (পৃথিৱী) কলা আৰু শশি-সংখ্যক শকত বিস্তাৰিত বা স্থাপিত কৰিলে।

মন্তব্য—সমাসত সন্ধি অৱশ্যে কৰ্ত্তব্য, অতএৱ ‘শ্ৰীমচ্ছ্ৰী’ হে শুদ্ধ পাঠ। বোধ হয়, সুখবোধৰ আৰু সহজে লিখিবৰ কাৰণে জ্ঞাতসাৰেই মূললিপিত এই অশুদ্ধি উপেক্ষিত হৈছে। উক্ত কাৰণে এই প্ৰতিলিপিতো পূৰ্ব্বৰূপতে লিখা হল। ছন্দোভঙ্গ আৰু অৰ্থৰ অসঙ্গতি হয় দেখি ইয়াত চৌধুৰী মহাশয়ৰ ‘সমন্ততঃ’ এই পাঠ কোনোমতে হব নোৱাৰে। এই স্থানৰ প্ৰকৃত মূল পাঠ

বিষয়ে কিছু সন্দেহ হৈ গল। বিহক, "সমস্ততঃ" এই পদগত অক্ষৰৰ সহিত যথাসম্ভৱ সাদৃশ্য ৰাখি আৰু ছন্দ আৰু অৰ্থসঙ্গতিও ব্যতিক্ৰম নকৰাকৈ "শ্ৰীমৎ তৎ" (শ্ৰীমৎ — শ্ৰীসম্পন্ন, আৰু তৎ = প্ৰসিদ্ধ) এই পাঠ ধৰা হৈছে। মূল লিপিৰ 'বিধান' পদকে ভ্ৰমক্ৰমে যে 'বিহুচন' কৰা হৈছে তাক অনায়াসে বুজিব পাৰি। 'বিহুচন' পাঠত ছন্দোভঙ্গ হয়, ইয়াৰ কোনো অৰ্থও নহয়, সানুহেও অৰ্থহীন নাম নাৰাখে। অধিকন্তু, কোনো আখৰত 'উ'কাৰ দিব লাগিলে প্ৰাচীন অসমীয়া লেখকে সাধাৰণতঃ কাকপদৰ দৰে ( ∧ ) সেই 'উ'কাৰ দিছিল। এই কাক পদাকৃতি 'উ'কাৰৰ তলত এটা শূন্য ( dot ) দিলে সেয়ে 'ৰ' হয়। অনেক সময়ত ক্ষুদ্ৰত্ব হেতু সেই বিন্দু বা dot টো উঠি যোৱাত 'ৰ'টো 'উ'কাৰ বুলি ভ্ৰম হয়। 'বিহুচন'তো চৌধুৰী মহাশয়ৰ সেই ভ্ৰম ঘটিছে গতিকে তেওঁ "বিহুচন নামক বৰফুকণে"—অনুবাদ কৰিছে। অৱশ্যে এই পদ্যত বৰফুকণৰ নামোল্লেখ নাই, গতিকে অন্য উপায়ে ফুকণৰ নাম স্থিৰ কৰিব লাগিব। স্বৰ্গদেৱ শিৱসিংহই ১৬৬১ বা ১৪৬১ শকাব্দত উমানন্দৰ প্ৰত্যহ পূজানুষ্ঠানৰ ব্যয়নিৰ্ব্বাহৰ কাৰণে দেৱত্ৰ প্ৰদান কৰিবলৈ 'তৰুণদুৱৰা বৃহৎফুকণ' প্ৰধান সেনাপতিক আদেশ কৰে। গতিকে, এই মূৰ্ত্তি প্ৰতিষ্ঠাকাৰী দুৱৰাবংশ জাত বিদ্বান বৃহৎফুকণো উক্ত 'তৰুণদুৱৰা বৃহৎফুকণ' ভিন্ন অন্য পুৰুষ নহয়, এই কথা অনায়াসবোধ্য। চৌধুৰী ডাঙৰীয়াৰ প্ৰতিলিপিত 'শশী' আৰু 'শাকে'ৰ ঠাইত শুদ্ধপাঠ ক্ৰমে 'শশি' আৰু 'শকে' হে, নহলে ছন্দোভঙ্গ হয়, আৰু প্ৰথমটোত ব্যাকৰণৰো দোষ হয়। লিখা বাহুল্য যে "সূৰ্য্যাশ্বৈৰ্য্যদিমঃ সজৌ সততগাঃ শাৰ্দ্দূলবিক্ৰীড়িতম্"— এই নিয়মে পদ্যটো শাৰ্দ্দূলবিক্ৰীড়িতচ্ছন্দতে লিখিত। ইলা—পৃথিবী ১, কলা ৬৪, বা ১৬, শশী ১, এই শকত অৰ্থাৎ কলাৰ সংখ্যা ৬৪ ধৰিলে ১৬৪১ শকাব্দ, বা ১৪৬১ শক পোৱা যায়। কলাৰ সংখ্যা ১৬ ধৰিলে ১১৬১ বা ১৬১১ শক হয়। গতিকে শক কেইটাৰ মাজত বিষম পাৰ্থক্য ঘটে। কিন্তু পৰবৰ্ত্তী-দেৱত্ৰ-প্ৰদান-পত্ৰত পুনৰ শক "শশধৰ ৰসযুগশশাঙ্ক" বুলি কোৱা আছে। এইমতে দানপত্ৰৰ ১৪৬১ শক বা ১৬৬১ শক হৈ পৰে। গতিকে এই দুয়োখন ফলিৰ শকৰ সামঞ্জস্য কৰিব লাগিলে ৰজতময়ী প্ৰতিমা স্থাপনৰ শক ১৬৪১ আৰু দেৱত্ৰ দানৰ শক ১৬৬১ নধৰিলে উপায় নাই, অন্যৰকমে শক ধৰিলে পৰস্পৰ সময়ৰ অত্যন্ত ব্যৱধান হয়, এইকাৰণে এই দুটা শক হে শুদ্ধ বুলি প্ৰতীতি হয়। "অঙ্কস্য বামাগতিঃ" এই নিয়মে উপৰ্য্যুক্ত অন্যান্য শকৰো স্বত্ব নাই বুলি কব নোৱাৰি; এইৰূপ অৱস্থাত আনুষঙ্গিক অন্য কোনো অগুনীয় প্ৰমাণৰ দ্বাৰা হে প্ৰকৃত শকৰ স্বত্ব বিচাৰ্য্য। বাহুল্যভয়ে আৰু সময়ৰ অভাৱত ইয়াত সেই তৰ্ক এৰা হল। পূৰ্ব্ব শকটো মূললিপিৰ হয়নে নহয় বুজা নগল।

শ্ৰীলক্ষ্মীকান্ত মিশ্ৰ ভাগৱতী

---

# মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

## পঞ্চম আখ্যা

### মগ্‌লৌ-কুঁৱৰী কুৰঙ্গনয়নী

দিখৌ নদীৰ কাষৰৰ ৰাংঘৰত মণিপুৰৰ ৰজা জয়সিংহ ছমাহ কাল বাটচাই আছে—স্বৰ্গদেৱে পাত্ৰ-মন্ত্ৰীৰে আলচকৰি এতিয়ালৈকে একো ঠিবাং কৰিব পৰা নাই, মানৰ বিৰুদ্ধে স্বৰ্গদেৱে মণিপুৰলৈ সৈন্য-সামন্ত পঠাব নে নাই। যুদ্ধৰ আয়োজনকৰা কিমান ডাঙৰ কাম, কিমান কষ্ট আৰু কিমান খৰচৰ কথা, স্বৰ্গদেৱে তাক জানিছিল। সেই দেখি স্বৰ্গদেৱে ইমান দিন ভাবি একো থিৰ কৰিব নোৱাৰিছিল। এইখিনি সময়ত স্বৰ্গদেৱৰ সন্মুখত এনে এটা দিব্য বাহানি আহি পৰিল যে, স্বৰ্গদেৱ আৰু পাত্ৰ-মন্ত্ৰীসকল সোণকালে এটা সিদ্ধান্তত উপনীত হবলৈ পাৰিলে। এয়ে



হৈছে, মগ্‌লৌ-তেখাও ৰাজ্যৰ মিত্ৰতাৰ সোণৰ শিকলি কুৰঙ্গনয়নী।

মণিপুৰৰ ৰজাই উজনীলৈ যাত্ৰা কৰোঁতে কছাৰী ৰাজ্যত তেওঁৰ কুঁৱৰী, ভায়েক, পুতেক আৰু কুৰঙ্গনয়নীক থৈ আহে। এই মগ্‌লৌ ৰাজকন্যা কুৰঙ্গনয়নী অসমবুৰঞ্জীমতে জয়সিংহৰ জীয়াৰী, কিন্তু মণিপুৰীয়া বুৰঞ্জী অনুসাৰে এওঁ ৰজা মোৰাম্বাৰ কন্যা, আৰু সেই সম্বন্ধে জয়সিংহৰ ভতিজী।

অসমৰ স্বৰ্গদেৱ মহাৰাজ ৰাজেশ্বৰসিংহক আত্মীয়তাৰ ডোলেৰে বান্ধিবৰ কাৰণে মণিপুৰৰ ৰজা জয়সিংহই ৰাজকন্যা কুৰঙ্গনয়নীক স্বৰ্গদেৱক উপহাৰ দিবলৈ প্ৰস্তাৱ কৰিলে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই যথাসময়ত স্বৰ্গদেৱৰ আগত পেচ্ কৰিলে,—"মণিপুৰীয়া ৰজাৰ জীয়েক এটি আছে, নাম কুৰঙ্গনয়নী; পূৰ্ব্বঃৰা মণিপুৰীয়া ৰজা বভ্ৰুবাহনৰ সন্তান, ক্ষত্ৰিয়, তাত সংশয় নাই। এতেকে স্বৰ্গদেৱে যেন বিবাহ কৰাব।" স্বৰ্গদেৱে ইয়াৰ উত্তৰত কলে,—"ভাল, বৰুৱাই যে জনাইছে, মই বিবাহ কৰিম।"

মণিপুৰৰ ৰাজ-কন্যা কুৰঙ্গনয়নীক অসম ৰজাৰ কুঁৱৰী পতা প্ৰস্তাৱত স্বৰ্গদেৱৰ সন্মতি আছে জানি কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই খড়ীয়া ফুকন আৰু দিহিঙীয়াৰ ঘুমুৰীয়া দুৱৰীয়াসকলক পঠাই কছাৰীৰাজ্যৰ পৰা কুৰঙ্গনয়নী আদি এৰি অহা জয়সিংহৰ পৰিয়ালবৰ্গক উজনীলৈ আনি গৌৰীসাগৰত থলে। পাছে বৰবৰুৱাই এই কন্যাক নিজ কন্যা বুলি তুলি ললে। দিনদিয়েকৰ পাছত স্বৰ্গদেৱে সোণাই নৈ সন্নিকটত চকুলং কৰি কুৰঙ্গনয়নীক বিয়া কৰিলে। মণিপুৰৰ ৰজাই দেশৰপৰা পলাই আহি আমাৰ ৰজাৰ শৰণাপন্ন হৈছেহি, বিশেষত তেওঁৰ লগত বিবাহৰ একো যৌতুক-সম্বল নথকাত কুৰঙ্গনয়নীৰ ধৰ্ম্মীয়া বাপেক কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই তেওঁৰ তোলনীয়া জীৰ বিয়াৰ সকলো দ্ৰব্য-বস্তু, সোণৰ ৰূপৰ অলঙ্কাৰ-পাতি আৰু যৌতুক দিলে, আৰু খোৱা-লোৱা সজুলি, সকলো বস্তু বৰবৰুৱাৰ ঘৰৰপৰা হে দিয়া হল।

মণিপুৰৰ চিত্ৰাঙ্গদা-সমা সুন্দৰী আৰু ৰূপৱতী কুৰঙ্গনয়নীৰ ৰূপগুণত মুগ্ধ হৈ স্বৰ্গদেৱে যথাযোগ্য পূজা উৎসৱ কৰি তেওঁক বৰজনা আইকুঁৱৰীদেৱ পাতিলে। তাহানি স্বৰ্গদেৱৰ বৰজনা ককাইদেৱাক শিৱসিংহই নিজৰ বৰকুঁৱৰী ফুলেশ্বৰী বা প্ৰমথেশ্বৰীৰ নাম ৰাজ্যৰ মোহৰত মাৰিছিল। এইদৰে কুৰঙ্গনয়নীৰ নামে মোহৰ মাৰিবলৈ বহুতে ৰাজেশ্বৰসিংহ স্বৰ্গদেৱক গোহাৰি কৰিছিল, কিন্তু স্বৰ্গদেৱে নিজৰ দাম্পত্য প্ৰেমক ৰজাঘৰীয়া বিষয়ত সোমাবলৈ দিবলৈ ইচ্ছা নকৰিলে। ককাইদেৱাক শিৱসিংহই ফুলেশ্বৰী কুঁৱৰীক প্ৰাধান্য দিয়াত ৰাজ্যত কি অনিষ্টৰ সূত্ৰপাত হৈছিল ভায়েক ৰাজেশ্বৰসিংহই তাক ভালকৈ জানিছিল।

এই কুৰঙ্গনয়নীৰ সূত্ৰে মগলৰাজ্যৰ সৈতে অসমৰ চিৰকলীয়া মিত্ৰসম্বন্ধ স্থাপিত হল, আৰু আজিলৈকে মণিপুৰবাসীসকলে কুৰঙ্গনয়নীক অসমৰ স্বৰ্গদেৱলৈ দিয়া হৈছিল বুলি অসমীয়াসকলক স্নেহ আৰু মিত্ৰতাৰ চকুৰে চায়। দিচৈ নদীৰ কাষৰৰ সৰুচৰাই হাবিত মনাইমাজী গাঁৱত কুৰঙ্গনয়নীৰ লগত অহা যুতকীয়া মগলুবিলাকক থাপিত কৰা হল, সেই ঠাইক আজিলৈকে মগলুখাট বোলে, তাতে কুঁৱৰীয়ে এটা বৰ ডাঙৰ পুখুৰী খনালে, সি মগলুজীয়েকৰ পুখুৰী বুলি আজিলৈকে প্ৰসিদ্ধ।

মগলুকুঁৱৰী আৰু তেওঁৰ দেশবাসী যুতকীয়া মগলু মানুহবোৰক অসমৰ স্বৰ্গদেৱ আৰু পাত্ৰমন্ত্ৰীসকলে যি দৰে স্নেহ-সম্ভাষণ কৰিছিল, তেওঁলোকেও আপলৈ এই অসম দেশকে আপোনাৰ দেশ যেন ভাবি নিজৰ প্ৰাণ উছৰ্গা কৰি অসমৰ স্বাধীনতাৰ যুদ্ধত লিপ্ত হৈছিল। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ পাছত ভায়েক লক্ষ্মীসিংহ ৰাজপাটত উঠা কালত মোৱামৰীয়াই দেশত বিদ্ৰোহৰ দাবানল জলায়, স্বৰ্গদেৱ লক্ষ্মীসিংহ জয়দৌলত বন্দী হয়। নাহৰ খোৱা আৰু ৰাঘৱৰ পুতেক ৰমাকান্ত অসমৰ সিংহপীৰাত বহে, ভায়েক ৰাঘ বৰবৰুৱা হৈ কুৰঙ্গনয়নীক কুঁৱৰীৰ অনিচ্ছাস্বত্বেও পত্নীৰ পদত অধিষ্ঠিত কৰে, আৰু বৰুৱা ফুকন ডাঙৰীয়াসকলৰ জীয়াৰীক ধৰি ধৰি আনি ৰাঘ এশ ভাৰ্য্যাৰ স্বামী হয়। কিন্তু এই উন্মত্ত লীলাৰ প্ৰতিকাৰ অতি সঙ্গোপনে কৰোঁতাজনে কৰি আছিল। অসমৰ স্বৰ্গদেৱৰ গৌৰৱহানি আৰু নিজৰ মৰ্য্যাদা-বিলোপত ক্ষুণ্ণ হোৱা কুৰঙ্গনয়নীয়ে দুৰ্দ্দান্তপ্ৰকৃতি ৰাঘমৰাণক বধিবলৈ

বিষয়ে কিছু সন্দেহ হৈ গল। যিহক, "সমস্ততঃ" এই পদগত অক্ষৰৰ সহিত যথাসম্ভৱ সাদৃশ্য ৰাখি আৰু ছন্দ আৰু অৰ্থসঙ্গতিও ব্যতিক্ৰম নকৰাকৈ "শ্ৰীমৎ তৎ" (শ্ৰীমৎ = শ্ৰীসম্পন্ন, আৰু তৎ = প্ৰসিদ্ধ) এই পাঠ ধৰা হৈছে। মূল লিপিৰ 'বিদ্বান' পদকে ভ্ৰমক্ৰমে যে 'বিদুচন' কৰা হৈছে তাক অনায়াসে বুজিব পাৰি। 'বিদুচন' পাঠত ছন্দোভঙ্গ হয়, ইয়াৰ কোনো অৰ্থও নহয়, মানুহেও অৰ্থহীন নাম নাৰাখে। অধিকন্তু, কোনো আখৰত 'উ'কাৰ দিব লাগিলে প্ৰাচীন অসমীয়া লেখকে সাধাৰণতঃ কাকপদৰ দৰে (∧) সেই 'উ'কাৰ দিছিল। এই কাক পদাকৃতি 'উ'কাৰৰ তলত এটা শূন্য (dot) দিলে সেয়ে 'ৱ' হয়। অনেক সময়ত ক্ষুদ্ৰত্ব হেতু সেই বিন্দু বা dot টো উঠি যোৱাত 'ৱ'টো 'উ'কাৰ বুলি ভ্ৰম হয়। 'বিদুচন'তো চৌধুৰী মহাশয়ৰ সেই ভ্ৰম ঘটিছে গতিকে তেওঁ "বিদুচন নামক বৰফুকনে"—অনুবাদ কৰিছে। অৱশ্যে এই পদ্যত বৰফুকণৰ নামোল্লেখ নাই, গতিকে অন্য উপায়ে ফুকণৰ নাম স্থিৰ কৰিব লাগিব। স্বৰ্গদেৱ শিৱসিংহই ১৬৬১ বা ১৪৬১ শকাব্দত উমানন্দৰ প্ৰত্যহ পূজানুষ্ঠানৰ ব্যয়নিৰ্ব্বাহৰ কাৰণে দেৱত্ৰ প্ৰদান কৰিবলৈ 'তৰুণদুৱৰা বৃহৎফুকণ' প্ৰধান সেনাপতিক আদেশ কৰে। গতিকে, এই মূৰ্ত্তি প্ৰতিষ্ঠাকাৰী দুৱৰাবংশ জাত বিদ্বান্ বৃহৎফুকণো উক্ত 'তৰুণদুৱৰা বৃহৎফুকণ' ভিন্ন অন্য পুৰুষ নহয়, এই কথা অনায়াসবোধ্য। চৌধুৰী ডাঙৰীয়াৰ প্ৰতিলিপিত 'শশী' আৰু 'শাকে'ৰ ঠাইত শুদ্ধপাঠ ক্ৰমে 'শশি' আৰু 'শকে' হে, নহলে ছন্দোভঙ্গ হয়, আৰু প্ৰথমটোত ব্যাকৰণৰো দোষ হয়। লিখা বাহুল্য যে "সূৰ্য্যাশ্বৈৰ্ম্যদিমঃ সজৌ সততগাঃ শাৰ্দ্দূলবিক্ৰীড়িতম্"—এই নিয়মে পদ্যটো শাৰ্দ্দূলবিক্ৰীড়িতচ্ছন্দতে লিখিত। ইলা—পৃথিবী ১, কলা ৬৪, বা ১৬, শশী ১, এই শকত অৰ্থাৎ কলাৰ সংখ্যা ৬৪ ধৰিলে ১৬৪১ শকাব্দ, বা ১৪৬১ শক পোৱা যায়। কলাৰ সংখ্যা ১৬ ধৰিলে ১১৬১ বা ১৬১১ শক হয়। গতিকে শক কেইটাৰ মাজত বিষম পাৰ্থক্য ঘটে। কিন্তু পৰৱৰ্ত্তী-দেৱত্ৰ-প্ৰদান-পত্ৰত প্ৰদত্ত শক "শশধৰ ৰসযুগশশাঙ্ক" বুলি কোৱা আছে। এইমতে দানপত্ৰৰ ১৪৬১ শক বা ১৬৬১ শক হৈ পৰে। গতিকে এই দুয়োখন ফলিৰ শকৰ সামঞ্জস্য কৰিব লাগিলে ৰজতময়ী প্ৰতিমা স্থাপনৰ শক ১৬৪১ আৰু দেৱত্ৰ দানৰ শক ১৬৬১ নধৰিলে উপায় নাই, অন্যৰকমে শক ধৰিলে পৰস্পৰ সময়ৰ অত্যন্ত ব্যৱধান হয়, এইকাৰণে এই দুটা শক হে শুদ্ধ বুলি প্ৰতীতি হয়। "অৰুণ্য ৰামাগতিঃ" এই নিয়মে উপৰ্যুক্ত অন্যান্য শকৰো স্বত্ব নাই বুলি কব নোৱাৰি; এইৰূপ অৱস্থাত আনুষঙ্গিক অন্য কোনো অপগুনীয় প্ৰমাণৰ দ্বাৰা হে প্ৰকৃত শকৰ স্বত্ব বিচাৰ্য্য। বাহুল্যভয়ে আৰু সময়ৰ অভাৱত ইয়াত সেই তৰ্ক এৰা হল। পূৰ্ব্ব শকটো মূললিপিৰ হয়নে নহয় বুজা নগল।

শ্ৰীলক্ষ্মীকান্ত মিশ্ৰ ভাগৱতী

---

# মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

## পঞ্চম অধ্যায়

### মগ্‌লৌ-কুঁৱৰী কুৰঙ্গনয়নী

দিখৌ নদীৰ কাষৰ ৰংপুৰত মণিপুৰৰ ৰজা জয়সিংহ ছমাহ কাল বাটচাই আছে—স্বৰ্গদেৱে পাত্ৰ-মন্ত্ৰীৰে আলচকৰি এতিয়ালৈকে একো ঠিৰাং কৰিব পৰা নাই, মানৰ বিৰুদ্ধে স্বৰ্গদেৱে মণিপুৰলৈ সৈন্য-সামন্ত পঠাব নে নাই। যুদ্ধৰ আয়োজনকৰা কিমান ডাঙৰ কাম, কিমান কষ্ট আৰু কিমান খৰচৰ কথা, স্বৰ্গদেৱে তাক জানিছিল। সেই দেখি স্বৰ্গদেৱে ইমান দিন ভাবি একো থিৰ কৰিব নোৱাৰিছিল। এইবিলি সমৰত স্বৰ্গদেৱৰ সন্মুখত এনে এটি দিব্য ৰাহাসি আহি পৰিল যে, স্বৰ্গদেৱ আৰু পাত্ৰ-মন্ত্ৰীসকল সোণকালে এটা সিদ্ধান্তত উপনীত হবলৈ পাৰিলে। এয়ে হৈছে, মগ্‌লৌ-তেপাও ৰাজ্যৰ মিত্ৰতাৰ সোণৰ শিকলি কুৰঙ্গনয়নী।

মণিপুৰৰ ৰজাই উজনীলৈ যাত্ৰা কৰোঁতে কছাৰী ৰাজ্যত তেওঁৰ কুঁৱৰী, ভায়েক, পুতেক আৰু কুৰঙ্গনয়নীক থৈ আহে। এই মগ্‌লৌ ৰাজকন্যা কুৰঙ্গনয়নী অসম-বুৰঞ্জীমতে জয়সিংহৰ জীয়াৰী, কিন্তু মণিপুৰীয়া বুৰঞ্জী অনুসাৰে এওঁ ৰজা মোৰাম্বাৰ কন্যা, আৰু সেই সম্বন্ধে জয়সিংহৰ ভতিজী।

অসমৰ স্বৰ্গদেৱ মহাৰাজ ৰাজেশ্বৰসিংহক আত্মীয়তাৰ ডোলেৰে বান্ধিবৰ কাৰণে মণিপুৰৰ ৰজা জয়সিংহই ৰাজকন্যা কুৰঙ্গনয়নীক স্বৰ্গদেৱক উপহাৰ দিবলৈ প্ৰস্তাৱ কৰিলে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই যথাসময়ত স্বৰ্গদেৱৰ আগত পেচ্ কৰিলে,—"মণিপুৰীয়া ৰজাৰ জীয়েক এটি আছে, নাম কুৰঙ্গনয়নী; পূৰ্ব্বৰ মণিপুৰীয়া ৰজা বভ্ৰুবাহনৰ সন্তান, ক্ষত্ৰিয়, তাত সংশয় নাই। এতেকে স্বৰ্গদেৱে যেন বিবাহ কৰাব।" স্বৰ্গদেৱে ইয়াৰ উত্তৰত কলে,—"ভাল, বৰুৱাই যে জনাইছে, মই বিবাহ কৰিম।"

মণিপুৰৰ ৰাজ-কন্যা কুৰঙ্গনয়নীক অসম ৰজাৰ কুঁৱৰী পতা প্ৰস্তাৱত স্বৰ্গদেৱৰ সন্মতি আছে জানি কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই খঙীয়া ফুকন আৰু দিহিঙীয়াৰ ঘুমুৰীয়া দুৱৰীয়াসকলক পঠাই কছাৰীৰাজ্যৰ পৰা কুৰঙ্গনয়নী আদি এৰি অহা জয়সিংহৰ পৰিয়ালবৰ্গক উজনীলৈ আনি গৌৰীসাগৰত থলে। পাছে বৰবৰুৱাই এই কন্যাক নিজ কন্যা বুলি তুলি ললে। দিনদিয়েকৰ পাছত স্বৰ্গদেৱে সোণাই নৈ সন্নিকটত চকলং কৰি কুৰঙ্গনয়নীক বিয়া কৰিলে। মণিপুৰৰ ৰজাই দেশৰপৰা পলাই আহি আমাৰ ৰজাৰ শৰণাপন্ন হৈছেহি, বিশেষত তেওঁৰ লগত বিবাহৰ একো যৌতুক-সম্বল নথকাত কুৰঙ্গনয়নীৰ ধৰ্ম্মীয়া বাপেক কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই তেওঁৰ তোলনীয়া জীৰ বিয়াৰ সকলো দ্ৰব্য-বস্তু, সোণৰ ৰূপৰ অলঙ্কাৰ-পাতি আৰু যৌতুক দিলে, আৰু ঘোৰা-লোৰা সজুলি, সকলো বস্তু বৰবৰুৱাৰ ঘৰৰপৰা হে দিয়া হল।

মণিপুৰৰ চিত্ৰাঙ্গদা-সমা সুন্দৰী আৰু ৰূপৱতী কুৰঙ্গনয়নীৰ ৰূপগুণত মুগ্ধ হৈ স্বৰ্গদেৱে যথাযোগ্য পূজা উৎসৱ কৰি তেওঁক বৰজনা আইকুঁৱৰীদেৱ পাতিলে। তথাপি স্বৰ্গদেৱৰ বৰজনা ককাইদেৱক শিৱসিংহই নিজৰ বৰকুঁৱৰী ফুলেশ্বৰী বা প্ৰমথেশ্বৰীৰ নাম ৰাজ্যৰ মোহৰত মাৰিছিল। এইদৰে কুৰঙ্গনয়নীৰ নামে মোহৰ মাৰিবলৈ বহুতে ৰাজেশ্বৰসিংহ স্বৰ্গদেৱক গোহাৰি কৰিছিল, কিন্তু স্বৰ্গদেৱে নিজৰ দাম্পত্য প্ৰেমক ৰজাঘৰীয়া বিষয়ত সোমাবলৈ দিবলৈ ইচ্ছা নকৰিলে। ককাইদেৱক শিৱসিংহই ফুলেশ্বৰী কুঁৱৰীক প্ৰাধান্য দিয়াত ৰাজ্যত কি অনিষ্টৰ সূত্ৰপাত হৈছিল ভায়েক ৰাজেশ্বৰসিংহই তাক ভালকৈ জানিছিল।

এই কুৰঙ্গনয়নীৰ সূত্ৰে মগলৰাজ্যৰ সৈতে অসমৰ চিৰকলীয়া মিত্ৰসম্বন্ধ স্থাপিত হল, আৰু আজিলৈকে মণিপুৰবাসীসকলে কুৰঙ্গনয়নীক অসমৰ স্বৰ্গদেৱলৈ দিয়া হৈছিল বুলি অসমীয়াসকলক স্নেহ আৰু মিত্ৰতাৰ চকুৰে চায়। দিচৈ নদীৰ কাষৰ সকচৰাই হাবিত মনাইমাজী গাঁৱত কুৰঙ্গনয়নীৰ লগত অহা যুতকীয়া মগলুবিলাকক থাপিত কৰা হল, সেই ঠাইক আজিলৈকে মগলুখাট বোলে, তাতে কুঁৱৰীয়ে এটা বৰ ডাঙৰ পুখুৰী খনালে, সি মগলুজীয়েকৰ পুখুৰী বুলি আজিলৈকে প্ৰসিদ্ধ।

মগলুকুঁৱৰী আৰু তেওঁৰ দেশবাসী যুতকীয়া মগলু মানুহবোৰক অসমৰ স্বৰ্গদেৱ আৰু পাত্ৰমন্ত্ৰীসকলে যি দৰে স্নেহ-সম্ভাষণ কৰিছিল, তেওঁলোকেও আগলৈ এই অসম দেশকে আপোনাৰ দেশ যেন ভাবি নিজৰ প্ৰাণ উছৰ্গা কৰি অসমৰ স্বাধীনতাৰ যুদ্ধত লিপ্ত হৈছিল। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ পাছত ভায়েক লক্ষ্মীসিংহ ৰাজপাটত উঠা কালত মোৱামৰীয়াই দেশত বিদ্ৰোহৰ দাবানল জ্বলায়, স্বৰ্গদেৱ লক্ষ্মীসিংহ জয়দৌলত বন্দী হয়। নাহৰ খোৰা আৰু ৰাধাৰ পুতেক ৰমাকান্ত অসমৰ সিংহপীৰাত বহে, ভায়েক ৰাঘ বৰবৰুৱা হৈ কুৰঙ্গনয়নীক কুঁৱৰীৰ অনিচ্ছাস্বত্বেও পত্নীৰ পদত অধিষ্ঠিত কৰে, আৰু বৰুৱা ফুকন ডাঙৰীয়াসকলৰ জীয়াৰীক ধৰি ধৰি আনি ৰাঘ এশ ভাৰ্য্যাৰ স্বামী হয়। কিন্তু এই উন্মত্ত লীলাৰ প্ৰতিকাৰ অতি সঙ্গোপনে কৰোঁতাজনে কৰি আছিল। অসমৰ স্বৰ্গদেৱৰ গৌৰৱহানি আৰু নিজৰ মৰ্য্যদা-বিলোপত ক্ষুন্ন হোৱা কুৰঙ্গনয়নীয়ে দুৰ্দ্দান্তপ্ৰকৃতি ৰাঘমৰাণক বধিবলৈ

অসমীয়া দেশ-প্ৰেমিকসকলৰ সৈতে ভিতৰি আলোচনা কৰে। যি আহোম সিংহাসনত চুকাফা, প্ৰতাপসিংহ, ৰুদ্ৰসিংহ আদি স্বৰ্গদেৱে পদক্ষেপ কৰিছিল, যাৰ স্পৰ্শত থুনলুং-থুনলায়ে স্বৰ্গৰপৰা অনা হেঙ্গদান পবিত্ৰ হৈছিল, সেই সিংহাসন আৰু সেই অপৰাজেয় হেঙদান মৰাণৰ হস্তগত হোৱাত অসমৰ পাত্ৰ-মন্ত্ৰী দা-ডাঙৰীয়া ফা-ফুকন-সকলে হাতসাবটি বহি থকা নাছিল। মৰাণক খেদাই পুনৰ আহোম ৰাজক্ষমতা নিজলৈ আনিবলৈ তেওঁলোকে ক্ষতিক্ষণ নোহোৱাকৈ আৰু কৰি কাৰ্য্যপ্ৰণালী নিৰ্দ্ধাৰিত কৰিলে। লক্ষ্মীসিংহ স্বৰ্গদেৱৰ পক্ষপাতিদলৰ পৰা যাদৱ তামুলীৰ পুতেক ৰামকৃষ্ণায়ে মগলুৰ জীয়েক কুৰঙ্গনয়নীক অনুৰোধ কৰিলে, "তুমি ৰাঘক কাটিব লাগিব।"

ক্ষত্ৰিয়-জীয়ৰী কুৰঙ্গনয়নীয়ে একেষাৰেই উত্তৰ দিলে, —"মই ৰাঘক কাটিম।" এইদৰে মৰাণক বধিবলৈ ভিতৰি স্বৰ্গদেৱৰ ফলীয়া মানুহে চক্ৰান্ত কৰিবলৈ ধৰিলে।

## হুচৰিত হত্যা

সেইদিনা ১৬৯২ শকৰ বহাগৰ বিহু। কুৰঙ্গনয়নীৰ প্ৰস্তাৱমতে আমাৰ কিছুমান মানুহে মৰাণৰ ৰজা আৰু বৰবৰুৱাৰ সন্মুখত হুচৰিগোৱা ছলেৰে কাৰেঙৰ আগত ঠিয় হলহি। প্ৰত্যেকৰ হাতত ঢোল, টকা, পেঁপা বা গগনা; কিন্তু প্ৰত্যেকৰে কাপোৰৰ তলত চোকৰ তৰোৱাল একোখনে মৰাণৰ বুকুৰ তেজ পিবলৈ মুখ মেলি আছিল। ৰমকান্ত, ৰাঘ আৰু নাহৰ খোৱাই এনে-দৰে প্ৰজাই হুচৰি গাবলৈ অহাত কি কৰা উচিত কুৰঙ্গ-নয়নীক সুধিলে। কুঁৱৰীয়ে তেওঁলোকক ভালকৈ বুজাই দিলে,—"বহাগৰ বিহুৰ দিনা ৰজাক দৰ্শনকৰা আৰু ৰজাৰ আগত হুচৰিগোৱা নিয়মটো আমাৰ অসম দেশত বহুত দিনৰ পৰা প্ৰচলিত আছে।" কুৱঁৰীক এইদৰে বুজোৱাত তেওঁলোকে একো শঙ্কা নকৰি মনে মনে থাকিল।

ইয়াৰ পূৰ্ব্বে মৰাণৰ মাজত অলপ আত্মকন্দলৰ সূত্ৰ-পাত হৈছিল। ৰাঘই ৰজা হবলৈ নাপাই ককায়েক ৰমা-কান্তৰ ওপৰত অলপ কক্ষা ৰাখিছিল, আৰু মোৱামৰীয়া বিলাকেও জুম পাতি ঠায়ে ঠায়ে সিহঁতৰ ৰজাৰ বিৰুদ্ধে দ্ৰোহৰ আয়োজন কৰিছিল। গোবিন্দ গাওঁবুঢ়া নামে এজন সেনাপতিয়ে কিছুমান মোৱামৰীয়া মানুহ লৈ গুপ্ত-মূৰ্ত্তি ধাৰা কৰি আছিল। তাৰ দলৰ মোৱামৰীয়াই "প্ৰজা ঔ জবৌৰোৱা" এই নাম গাই হাতে হাতে চেকনী কোবাই ফুৰিছিল।

অসমীয়া বিহুৱলীয়া মানুহবোৰে হুচৰিগাই কাৰেঙৰ ওচৰচপা গম পাই ৰাঘই তেওঁৰ ফলীয়া গোবিন্দ গাওঁবুঢ়া সেনাপতিয়ে মটকৰ চেকনী কোবোৱা মানুহ লৈ তেওঁক ভেট কৰিবলৈ আহিছে বুলি শৰাইত তামোলপান লৈ কাৰেঙৰপৰা ওলাই আহিল।

কিন্তু ৰাঘই যেতিয়া দেখিলে সেই হুচৰিগোৱা মানুহ-বোৰ চেকনীকোবোৱা মটকৰ দল নহয়, অসমীয়া মানুহ হে, তেওঁ কুৰঙ্গনয়নী কুঁৱৰীক তেওঁলোক অহাৰ কাৰণ সুধিলে। কুঁৱৰীয়ে ৰাঘক এইদৰে বুজালে,—"এইসকল আমাৰ দেশৰ ভাল মানুহৰ ঘৰৰ ল'ৰা। আমাৰ দেশত ৰজা বা ডাঙৰ লোকৰ ঘৰত হুঁচৰি গাই আশীৰ্ব্বাদকৰা নিয়ম আছে। আপোনালোকেই এতিয়া আমাৰ দেশৰ ৰজা; সেইদেখি, আপোনালোকৰ আগত তেওঁলোকে হুচৰি গাবলৈ আহিছে। আপুনি সোণ-ৰূপ এচৰু আৰু তামোলপান এশৰাই লৈ ওলাই যক, যি হেতু ৰাজ্যৰ ভিতৰত ৰজা আৰু প্ৰজা এই দুই সকলেই প্ৰধান দলী, ইজনে সিজনক সেৱা কৰিব পায়।"

কুঁৱৰীৰ বুজনিমতে ৰাঘমৰাণে সোণ-ৰূপ এচৰু, আৰু তামোলপান এশৰাই লৈ বিহুগোৱা মানুহবোৰৰ আশীৰ্ব্বাদ লবলৈ ওলাই আহি ৰাইজৰ আগত আঠু ললে। কুৰঙ্গ-নয়নীয়ে অতি সঙ্গোপনে হাতত তৰোৱাল লৈ ৰাঘৰ পাছ-ফালে ঠিয় হল আৰু ৰাঘৰ অন্দৰ-মহলত থকা ৰাঘৰ এশ ভাৰ্য্যা দেশ প্ৰেমিকা আমাৰ অসমীয়া জীয়াৰীহঁতেও হাতে হাতে দা-যাঠি যি পালে, তাকে লৈ মৰাণক নিপাত কৰিবলৈ ওলাই আহিল। তেতিয়া নিশা, কাৰেঙত ৰাঘ, ৰমাকান্ত আৰু নাহৰৰ বাহিৰে আন কোনো মুনিহ-মৰাণ নাছিল, সিহঁতে বিহুৰ উপলক্ষে নিজ নিজগাঁৱলৈ জ্ঞাতি-কুটুমেৰে সৈতে বিহু খাবলৈ গৈছিল।



হুচৰিগোৱা অসমীয়া মানুহবোৰৰ মাজৰপৰা পূৰ্ব্বৰ বন্দৱস্তমতে ৰামকৃষ্ণায়ে সঙ্কেত দি মাত লগালে, সেই সঙ্কেত আৰু মাত বুজিপাই কুৰঙ্গনয়নীয়ে ৰাঘৰ ফান্দনীত ঘা মাৰিলে, ৰাঘ হামখুৰি খাই পৰিল। ৰামকৃষ্ণায়ে হুচৰি এৰি ৰাঘক কাটি অন্ত কৰিলে। তাৰ পাছত ৰমাকান্ত আৰু নাহৰখোৱা মৰাণকো, আৰু অন্যান্য মৰাণকো, আমাৰ হুচৰিগোৱা গুপ্ত সেনাবোৰে যাকে যতে পায়, ত'তে কাটিলে।

এইদৰে ক্ষত্ৰবীৰ বভ্ৰুবাহনৰ সন্ততি মণিপুৰৰ ৰাজ-কন্যা কুৰঙ্গনয়নী অসমৰ স্বাধীনতা যুদ্ধত অগ্ৰগামিনী হৈ আমাৰ স্বৰ্গদেৱ পাত্ৰ-মন্ত্ৰী বৰবৰুৱা আৰু ৰাইজৰ পৰা পোৱা স্নেহ-সম্ভাষণৰ প্ৰতিদান দিয়ে। তেওঁৰ লগত অহা মগলুবোৰেও স্বৰ্গদেৱৰ ফলীয়া হৈ কেবাৰাৰো মোৱা-মৰীয়াৰ বিদ্ৰোহত যুদ্ধ কৰে।

কুৰঙ্গনয়নীক আমি অসমীয়াই যেনেকৈ মগলু-কুঁৱৰী বোলো, মণিপুৰীয়াসকলেও তেওঁক তেথাও-লেইমা বা অসমকুঁৱৰী বোলে। (আগলৈ)

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

## পৰাচিত

ভাটীৰ উজনীত থকা সোণাপুৰ নামেৰে ছহৰখনি দেখি তাহানি এজন ইংৰাজ কবিয়ে 'A land of beauty—a joy for ever' অৰ্থাৎ সৌন্দৰ্য্যৰ লীলাভূমি, সদানন্দধাম, বুলি বৰ্ণনাকৰি গৈছিল। সঁচাকৈয়ে সোণাপুৰ যি সোণাপুৰেই হে! যেনিয়েই চোৱা, সোণৰ জেউতি, সোণৰ লহৰ। পৰ্ব্বত-পাহাৰ, নৈ-বিল, গছ-লতা, ফল-ফুল, মাটি-বাৰী, এটাইৰে মুখত কেৱল সৌন্দৰ্য্যৰ হাঁহি। মানুহে মানুহে আকোলা-আকুলি, বাঘে-ঘোঙে চেলেকা-চেলেকি, কুকুৰে-মেকুৰীয়ে সুঙা-সুঙি, সাপে-নেউলে চুমা-চুমি; চোৰ-ডকাইতৰ গোন্ধ-ভাপেই নাই। অমুকৰ মূৰ তমুকে কটা, তমুকৰ ঠেং অমুকে ভঙা, এনেবোৰো কাৰো মনে-চিতেই নাই। আছলতে কবলৈ গলে, তাহানিখনৰ বগা-বগুলুৱা মাতত বোলা—'The God of the Golden Age' অৰ্থাৎ আমাৰ শ্ৰীযুক্ত সত্যযুগ দেৱতাই কলিভায়াৰ খেদাত তত্‌মত নেপাই পলাই আহি এই সোণাপুৰতে লুকাই থাকিবলৈ বাহ ললে। আনৰ কথাকে নকওঁ, আন কি সূৰ্য্যদেৱতা হেন পুৰুষেও সোণাপুৰীয়া সৌন্দৰ্য্যৰ নিছাত ইমান 'মছগুল', অৰ্থাৎ ইমান মুগ্ধ, যে আমি আজি-কালিৰ ভাষাত নিঃসঙ্কোচে এক কথাত কৈ দিব পাৰো, যে ত'ত ভকত আমাৰ সোণাপুৰী আইদেউৰ প্ৰেমত বলিয়া। নহলেনো বাৰু সদায় পোণ-প্ৰাতসতে উঠি চকু-মূৰ মোহাৰি পোনচাতেই তেওঁৰ সোণাবালী ওঠটিত তেৰাৰ সোণামুখী চুমাটি থৈ আলিঙ্গন যাচিবৰ কি দৰ্কাৰ? আমাৰ কথা যদি মিছাই, তেন্তে নো আকৌ 'মিছ' আই-দেউক এৰি দূৰলৈ যাবলগা হলেই ত'ৰ দেৱতাৰ চুলিৰ আগেদি জুই-আগুনি বাজ হয় কিয়?

পাছে, আজি প্ৰায় এশ কি ছকুৰি বছৰৰ আগৰ কথা। এই সোণাপুৰতে ৬গহীনাভিৰাম বৰবৰুৱা এজন বৰ জ্ঞানী, মানী, ধনী, কৰ্ত্তব্যপৰায়ণ আৰু ধৰ্ম্মিক লোক আছিল। তেখেতে নিজৰ উদ্যম আৰু প্ৰতিভাৰ বলত, সামাজিক বোলা, ৰাজনৈতিক বোলা, সকলো বিষয়তে এটা-ইতকৈ ওখ আসন অধিকাৰ কৰিছিল, আৰু তেখেতৰ নাম নজনা, শুণনোকোৱা মানুহ দেশত এৰৰীও আছিল নে নাই সন্দেহ। হীৰেশ্বৰী নামেৰে তেখেতৰ পৰিবাৰ বৰফুকনৰ ঘৰৰ জীয়ৰী; ৰূপে-গুণে, কাজে-কামে কোনেও যোৰ দিব নোৱৰা আছিল। ইমান ডাঙৰ মানুহৰ ঘৰৰ জীয়ৰী ইমান ডাঙৰ মানুহৰ ঘৰলৈ পৰিও তেখেতে মাচি-য়াৰ ওপৰত বহি ঠেং জোকাৰি জোকাৰি বেটী-বন্দীৰ ওপৰত দমদমাই ভাত মোকলাবলৈ অলপো ভাল নেপাই-ছিল। এক ধনিষ্ঠামান সময়ো তেখেতে বিনাকামে অৱা-

ঘৰত নকটাইছিল। তদুপৰি তেখেতৰ নিচিনা মৌ-মতীয়া মাতৰ এজনা সোণাপুৰ ছোৱাত যে নায়েই, আন ক'ৰবাতো কিমান সতকাই পাব পাৰি, কব নোৱাৰি। ঈশ্বৰে তেখেতক এনে এটি জিলিস্কুৰীয়া মিহি মাত দিছিল যে আনকি, কুলি-কেতেকীয়েও, তেখেতৰ মাত শুনিলে লাজতে গছ-পাতৰ আঁৰত মুখ লুকাই ফাঁট মাৰিছিল। মুঠতে কবলৈ গলে, ৰবৰকৰা ডাঙৰীয়াৰ ঘৰোৱাহী জীৱনটো চাৰিউফালে জয়-জয় ময়-ময়। নাম-কীৰ্ত্তন, ঘোষা-ঘৰগীত, গোপিনী-নাম সবাহ-হুকযাৰে তেখেতৰ ঘৰখন যেন ইন্দ্ৰপুৰীহে—বাটৰ বাটকৰা চৰাই-চিৰিকতিয়েও বৈ বৈ শুনি গৈছিল। পাছে তেও, কিবা বোলে, 'গছৰ গুটি লাগেমানে ক'ত পাবা?' আমাৰ ৰবৰকৰাৰো পুত্ৰ-সন্ততিৰ ঘৰত তালেটাঙিনলৈকে হৈয়ো-নোহোৱা বিধৰ শূন্য চলি অহাত পাঁচোটিকৈ কন্যাৰত্ন পায়ো মন-পতিয়াব নোৱাৰাত; তেখেতৰ মনত মাজে মাজে অশান্তিয়ে অত্যাচাৰ কৰিবলৈ সুবিধা পাইছিল।

এইদৰে কিছুদিন পাৰহৈ যোৱাৰ পাছত ৰবৰকৰানীৰ গাত পুনৰ গৰ্ভলক্ষণে দেখা দিলে। এইবাৰ কিন্তু শেনৰ এজাত! দিনক দিনে ৰকৰানীয়ে খাব-বব নোৱৰা হৈ শুকাই-খীণাই যাবলৈ ধৰিছে। আজি আধামাহত সোমাইছে মাত্ৰ। বাৰো শনিবাৰ, ইপিনেও মৰঅঁাউসী; সুস্থীয়া মানুহৰে গাবোৰ ৰায়-জায়। বেলিও পৰো পৰো হৈছে, এনেতে কলিৰাজে এটা প্ৰচণ্ড পচোৱাৰ মূৰ্ত্তি ধৰি পছিমফালৰপৰা হিল-দ'ল ভাঙি আহি সোণাপুৰীয়াইতৰ গাৰ গোঁসাই কিজনা ঠিয়ৈ ঠিয়ৈ কলীয়া-পানীলৈ চালান দি নিজে হুম-দুম-দাম-দামকৈ এফালৰপৰা শিচ্ ভঙাবলৈ লাগিল। ইপিনে সত্যদেৱতায়ো তৰা-নৰা ছিঙি বাঁহৰ আপেদিয়েই দেও মাৰি পঠিয়াই সূৰ্য্যদেৱৰ পোন্ধতে ওলোমা-বাদুলি দি গৈ কোনোমতে সাগৰ পেটুৱাৰ গেবেলা পেটটো ফালি লৰালৰিকৈ ত'ৰ হোৰোহা ভুকটিৰ মইগতে সোমাই সেইপিনেই নিজৰ কপালকে লৈ থোৱাং জুৰিলে। ইতিমধ্যে কলিৰাজৰ হিলৈদাৰী মহাবীৰচন্দ্ৰ ভূইকঁপ ফুকন ডাঙৰীয়াই গুকম-গুকমকৈ ৰবটোপ ফুটাই গুমগুমাই আহি গোটেই সোণাপুৰ ছহৰখন তল-ওপৰ লগাই আপুনি নে আমি বৰ? আপুনি নে আমি বৰ? বুলি পচোৱা আতাক বাহু আফালি আফালি শুধিবলৈ ধৰিলে। দেহি ঐ! কত হেজাৰ-বিজাৰ ঘৰ-বাৰী ধ্বংস কৰি কত লক্ষ লক্ষ প্ৰাণীবধৰ ডপা-পালাৰে আজি তেখেতসকলে পৰস্পৰৰ শক্তি নিৰুপণ কৰিবলৈ ওলাইছে, তাৰ বিচাৰ কৰে কোনে? নেদেখাজনৰ বাহিৰে কলিদেৱতাৰ কলৰ আগত আজি ঠিয় হৈ ৰয় কোন? মুঠতে, মহাবীৰ ভুঁইকপ ৰবফুকনে এফালৰপৰা হুৰ্‌হুৰ্ কৰে হালৰাই গল আৰু আমাৰ পচোৱা আতাপুৰুষে চাও-চাও কৰে তেখেতৰ তমোময় মৈখন টানি যাকে য'তে পালে এফালৰপৰা দ-বাম সমান কৰি মৈয়াই গল আৰু এইদৰে তিনি কি চাৰি ঘণ্টা সময়ৰ ভিতৰতে সোণাপুৰ গৈ বোকাপুৰত পৰিণত হল। সেই তিনি কি চাৰি ঘণ্টাৰ ভিতৰত সোণাপুৰীয়াইতৰ কি বিলাই হৈছিল তাক মুখেৰে কোৱাতকৈ অনুমান সহজে কৰিব পাৰি। ছহৰৰ লৰা-বুঢ়া ডেকা-ডেকেৰী গৰু-মহ, কুকুৰ-মেকুৰী, আনকি, বনৰ শিয়াল-মেচেকা জহামাল চৰাই-চিৰকতি পৰ্য্যন্ত এটাইবোৰে তৰ-ল-ৰাম-ল লগাই ঘৰ-দুৱাৰ এৰি মুকলি পথাৰবোৰত জাকে জাকে বলিয়া কুকুৰৰ দৰে কলৈ যাম কি কৰিম কৈ ধপলিয়াবলৈ ধৰিছে। ৰবৰকৰা ডাঙৰীয়াই কিন্তু গম্ভীৰভাৱে তেখেতৰ বুলনীচৰাতে বহি থাকি কলিমলৰ গেলা গোন্ধ সহিব নোৱাৰি নাক-মুখ সিঙটাই ওপৰলৈ চাই চকুমুদি তাহানি গজেন্দ্ৰৰ দৰে মনতে 'শুণ্ডে মেৰাই পদ্মগোট ওপৰক তুলি। কৃষ্ণত শৰণ লৈল ত্ৰাহি হৰি বুলি॥' এনেতে 'আপে-বেথে শীঘ্ৰে হৰি গৰুড়ৰ স্কন্ধে। ভকতক ৰাখিবাক আসিলা প্ৰবন্ধে॥'—আহি গৰুড়ৰপৰা নামিয়েই ঠিয়ৈ ঠিয়ৈ পৃথিবীক ফাটমেলি বাট দিবলৈ হুকুম কৰিলে। পৃথিবীয়ে ৰবৰকৰা ডাঙৰীয়া বহি থকাপিনেই ফাটমেলি বাট কৰি দিলে আৰু সেই মহাপুৰুষ শ্ৰীকৃষ্ণৰে সৈতে সেইপিনেই আসনত বহিথকা ভাগেই অন্তৰ্দ্ধান হল আৰু তেখেতৰ অন্তৰ্দ্ধানৰ লগে লগে তেখেতৰ বুলনী চৰাটিয়েও দুপে-বেজাৰে পচোৱা মাউতৰ মাৰৰ কোৰত ৰহিত পৰি উচুপি উচুপি কান্দিবলৈ ধৰিলে।



সিফালে যে ৰবৰকৰানীৰ কি অৱস্থানো নহৈছে তাকেই বা এক দয়াৰামৰ বাহিৰে চায় কোনে? দয়াৰাম ৰবৰকৰানীৰ মাকৰ ঘৰৰপৰা যৌতুকত দিয়া বন্দুৱা লৰা। যেতিয়াই চাৰিউপিনে হুলস্থুল লাগিল, দয়াৰামে ৰকৰানীক ধৰি দাং-কোলাকৈ লোৱাদি লৈ এই প্ৰলয়ৰ অমানিশাখন কলৈ নিবলৈ ওলাইছে? চাৰিওপিনে ঘোপমৰা এন্ধাৰ, কাৰো মাত ক'তো শুনিবলৈ নাই, পচোৱা-ধুমুহাৰ প্ৰচণ্ড হো-হোৱনি, ভূমিকম্পৰ ভয়ঙ্কৰ গুম্‌গুমনি—চাৰিওপিনে তল-ওপৰ! তাতে আকৌ মাজে মাজে ৰাৰীৰ কল-তামোল, আম-কঠাল গছবোৰ ভাগি ভাগি পৰাৰ মৰমৰনি! ৰবৰকৰাৰ বান্ধিথোৱা হাতী পাচোটায়ো চিঞৰত গছৰ পাত সৰুৱাইছে, ঘোৰাবোৰে ফোৰোহণি মাৰি ধেক্-ধেকনি-হিঁহিঁয়নিত থলক লগাইছে, ম'হবোৰে তেঁং তেঁং কৈ তেঁটাই আধাসাৰি হৈছে, গোহালিৰ গৰুবোৰে হেম্বেলিয়াই হেঁকতিয়াই "ক'লৈ যাওঁ গোপাল, ক'লৈ যাওঁ কৃপাল" লগাইছে, বনৰ ফেকুৱাবোৰেও আনকি কাচুটি এৰি জাকে জাকে মানুহৰ ঘৰৰ ভিতৰত সোমাই 'ফেৰেউ-ফেৰেউ' মাৰি গোটেইখন কোচাল লগাইছে! হে হৰি, কি কৰিলা? এই সোণাপুৰৰ শান্তি-মন্দিৰত কিয় আজি এনেকৈ প্ৰলয়ৰ বিভীষিকা সৃষ্টি কৰি বং চাইছা?

কি কৰিব, বেচেৰাই মৰণত শৰণ দি চকু-মূৰ মুদি ৰকৰানীক লৈ গৈ পিছফালৰ বাৰী-চুকৰ ঢাপৰ খাৰৈটোতে এখাৰৈ হৈ পৰিলগৈ। দেহি ঐ! মইনো ক'ত মৰোঁগৈ! সেইপিনেই বেচেৰী ৰকৰানী মুচকচ গল। কি কৰিব, দয়াৰামে এইবাৰ পথালিকোলাকৈ দাঙি লৈ বাঁহনিমাজলৈ লৰ দিলে আৰু দিনত খৰি লুৰিবলৈ যাওঁতে দেখা শিয়ালৰ গাঁত এটাত সোমাই তাতে ৰকৰানীক অচেতন অৱস্থাত শুৱাই থৈ নিজেও কাষতে চেপেতা মাৰিলে। এনেত বোন্দা শিয়াল এটাই 'হোৱা হোৱা' কৈ কৰবাৰপৰা লৰি আহি গাঁতটোৰ ওচৰ পাই মানুহ দেখি আকৌ 'অ' হোৱাঁ, অ' হোৱাঁ' কৈ লৰো মাৰিছে, ইপিনে গাঁতৰ ভিতৰত 'ফেঁ-ৰেঁ-উ—ফেঁ-ৰেঁ-উ' শবদো শুনা গৈছে। দয়াৰামে লৰালৰিকৈ উঠি চাই দেখে, ৰবৰকৰানীৰ মূৰ্চ্ছিতা অৱস্থাতে এটি লৰা জন্ম হল। বেচেৰাই কি কৰিব, এলাহতে লৰাটো আম হাতে মাকক পোনাই ধৰি কিছু সময় বিবুধি হৈ কলিৰাজো ক্ষান্ত হৈছে আৰু তেখেতৰ ফৌজৰ ছিপাহী-পল্টনবোৰো চুটি লৈ ঘৰাঘৰি গৈছে। ৰকৰানীয়ে গেহাই গেহাই মাত লগালে, "দয়াৰাম! আমি ক'ত আছোঁ? সমাজিক নে কি এইবোৰ?" "সুসুধিব আই, ব'লক, লাহে লাহে ঘৰলৈ যাওঁ।" "মোক ধৰি নিনিলে মই যাব নোৱাৰো। হেৰ', দেউতাৰ নো এতিয়া ক'ত আছে?" "জানো আই, ঈশ্বৰেহে জানে। পাছে এতিয়া মোৰ গাতে ধৰি ধৰি বলক যাওঁ চ'ক।" সেইদৰে ধৰি-মেলি নি ঘৰ পোৱালেগৈ। "হেৰ' দয়াৰাম! এইবোৰ আমাৰে ঘৰ নে?" "এৰা আই, ঈশ্বৰে এখন্তেকৰ ভিতৰতে ঘৰ গুচাই বাঁহতল কৰি থৈ গল।" "হেৰ, দেউতা গল কলৈ, মাত লগাচোন।" "দেউতা! দেউতা!!"— "ফে-ৰে-উ! ফে-ৰে-উ!"

পিছদিনা ৰাতিপুৱাল হয়, কিন্তু এনেকুৱা ৰাতিপুৱা সোণাপুৰে উপজিবৰেপৰা আগেয়ে কেতিয়াবা দেখিছিল নে নাই ভাবিবৰ কথা। চাৰিউপিনে গোটেইখন কিবা যেন ধুৰঁলি-কুৰঁলী। সূৰ্য্যদেৱতায়ো প্ৰিয়াৰ বিলাই-বিপত্তিৰ সকলো কথা জানিব পাৰি ওৰে দিনটো শোকে-বেজাৰে ঘোপমৰা কলা ডাৱৰৰ আঁৰে আঁৰে সঁচাই-মিছাই কোনো ৰকমে এবাৰ ভুমুকি মাৰিয়েই নেচালে। দেহি ঐ! কোন সত্তেৰেনো চাব? চাবলৈ আছে কিটো? যেনিয়েই চোৱাঁ তেনিয়েই ভগা ঘৰ, ভগা দুৱাৰ, মৰা-হজা, হাহাকাৰ। আনৰ কথাকে নকওঁ, কাচাৰীৰ পৰা চমন জাৰি কৰি মাটিত বগাই কুৰা ওৰি পকৰৱাইতকো সাক্ষী লবলৈ হোৱা হলে, বোধকৰো সিহঁতৰ ভিতৰতো এনে এটা ওলাব নোৱাৰিলেহেঁতেন যি ধৰ্ম্ম চীয়াই শপত খাই হাকিমৰ আগত ঠিয় হৈ নিঃশঙ্কোচে থিয় হৈ বুকুফিন্দাই কব পাৰিলেহেঁতেন "হজুৰ ধৰ্ম্মাৱতাৰ, পৰমেশ্বৰৰ কিৰ্পাত অকনো খুন-খান নলগাকৈ গোলালেই জানিবা কোনোমত পৰ্কাৰে ৰইখা পোৱা হল।"

মানুহৰ কিছুমান সোঁশৰীৰেই কিছুমান 'বাও'-শৰীৰেই সাৰি গৈ সিপৰীয়া হৈ ৰল। বাকীবোৰৰ কোনোৰ মূৰ নাই, কোনোৰ হাত নাই, ভৰি নাই, কোনোৰ বা আকৌ তিনিও বিধৰে 'নাই' হৈ কোমোৱা অৱস্তাৰ। কোনোৰ মূৰ্চ্ছা, কোনোৰ মূৰফুৰনি, কোনোৰ আচন্ত্ৰাই, কোনোৰ ধৰফৰণি, কোনোৰ হমহমনি; কোনোৰে কান্দিছে, কোনোৰে হিয়ামূৰ ভুকুৱাইছে, কোনোৱে বা আকৌ "এস্ এস্ দেহি ঐ" বুলি উদাৰতাৰ পৰিচয় দিছে। ইপিনে আমাৰ ৰবৰকৰানীৰ ঘৰতো শকত বিধৰ বিহুয়েই মিলিছে। মুঠতে এই এটাইবোৰ যোগ হৈ সমষ্টি স্বৰূপে সোণাপুৰত দেশ-জুৰি এটা ভীষণ গগনভেদী হাহাকাৰৰ ৰোল উঠি পৰিছে। স্বৰ্গত দেৱতাসকলৰ মৰম লাগি, বিশেষতঃ ৰাতি-কনেৰাকৈ

চিক্ৰৰ-বাঘৰৰ কোৰত টোপনি খতি কৰিব লগা হয় বুলি, সকলোৱে যুক্তি কৰি কিবা এটা ব্যৱস্থা কৰি থৈ যাবৰ কাৰণে অশ্বিনীকুমাৰক পঠিয়াই দিলে। অশ্বিনীকুমাৰে আহি এফালৰপৰা এটা এটাকৈ সোপাকে ধৰি "morphia injection" অৰ্থাৎ কাণিৰসৰ বেজী দি দি থৈ গল। বেজীদিয়াৰ ফলত জানিবা চিক্ৰৰ-বাঘৰবোৰ নাইকিয়া হল, সোণাপুৰীয়াহঁতেও ঘা-ফোহৰ বিষ-কোপ দুখ-বেজাৰ সোপাকে পাহৰি মহাসুখে ঘোৰঘোৰণিত পৰি গল। ঘোৰ-ঘোৰণিৰ শবদ চাৰিউপিনে ফুটি-ফাটি গল; আৰু ইতিমধ্যে মই-মন-সিংহ, তুমি-বন-বাঘ তেওঁ ধন-বজাৰ, সি-কোন-বজাৰ, ভোট-অকা নগা-দফলা চাৰিউ-পোটা পাহাৰ,—এই এটাইবোৰ ঠাইৰপৰা শগুণে মৰাশৰ গোন্ধপাই অহাৰ দৰে 'হৰেকৰকমৰ' বিধৰ হাজাৰ-বিজাৰ যাত্ৰীসকল 'মথামথে আৱত' হৈ মাটি-বাৰী, ঘৰ-দুৱাৰ, ধন-সম্পত্তি সকলো বিষয়ে 'morphia'ৰ আল-আলত শুই শুই কলিজৰৰ সপোনদেখা সোণাপুৰীয়া বাইজসকলৰ হকে দয়াৰ চূড়ান্ত কৰি কিবাবোলেনে-অ' 'National College' অৰ্থাৎ জাতীয় বিদ্যালয়ত, Economics অৰ অৰ্থাৎ অৰ্থনীতিৰ ঘণ্টা বা hour-অত proxy দি অৰ্থাৎ অজ্ঞাত প্ৰতিনিধিৰ কাম কৰি বেচেৰাহঁতৰ বিপদ কালত 'যঃ তিষ্ঠতি স বান্ধবঃ' হৈ বল। প্ৰকৃতপক্ষেও তেওঁলোকে যে যথাৰ্থ বান্ধৱৰ কাম নকৰাকৈ এৰা নাছিল তাক আমি বোধকৰো অলপতে দেখিবলৈ পামহঁক। কিছু সময়ৰ পাছত morphia জৰে এৰি থৈ গল যদিওবা—তাৰ কৰ্পটিয়ে কিন্তু তাহানি বাসুকী সৰ্পে মন্দৰ পৰ্ব্বতক ধৰাৰ দৰে আমাৰ সোণাপুৰীয়া বাইজক মেৰপাক দি ধৰিলে, আৰু ত'তসকল সেইপিনেই অলৰং-অচৰং ভুঙ্গা জঠৰ হৈ বল। এতিয়াহে খা ভাত সুখেৰে। 'জৰে এৰিলেও কৰ্পটিয়ে নেৰে।' ভাত এমুঠিকে, কাচুটি এডুখৰিকেনো দিয়ে ধয় কোনে? মহা পয়মাল! যি ভুই-চাইটা হাত-ভৰি দীঘতিয়ে-কাষৰে, মতগা-নিছিগাকৈ সাৰিছিলো সিও এতিয়া পৰ্কিটি জৰৰ 'কিৰ্পাত' মৰি-হাকি টোটোবা পৰি গলত, বেচেৰাহঁতৰ আত্মাপুৰুষকিজনে উপায়ান্তৰ নেদেখি ঠেলি-হেঁচি লৈ প্লীহা-যকৃতৰ মাজত খুন্দি খুন্দি সোমাই কোনোমতে ৰক্ষা পৰিলে সঁচা—ফলত কিন্তু পেট-বাবাইতৰ ইপিনে ঢকাদিঙৰীয়া লাগি যোৱা-থোৱা অৱস্থাত পৰি কোৰ-কোৰ-কাৰ-কাৰ কৈ কান্দি-কাটি 'বাউলেৰ চুৰ' হবলগা হল। এনেতে জানিবা ওপৰত কৈ অহা উদাৰবুদ্ধুৰা যাত্ৰীবৃন্দই 'তাহিৰাম' মধুসূদনৰ অৱতাৰ ধৰি দেৱতা-অসুৰ দুদলে বিভক্ত হৈ 'কৰ্পতি' সৰ্পৰ মূৰে-নেগুৰে ধৰি সোণাপুৰ-সমুদ্ৰমন্থন কৰিবলৈ মহা আড়ম্বৰেৰে লাগি গল। লেজুৰ চেপা-চোচাত ঢকাদিঙৰীয়া ডাঙৰীয়া তিষ্ঠিব নোৱাৰি চেগ বুজি বাগি দিবলৈ ধৰিলে। ইপিনে ঘেলপোৰা দিয়া আধামৰা মাছৰ দৰে কাপ্ কাপ্ কৈ মন্দৰ বাইজসকলে অমৃত টনা ঘুৰদি ঘোদা পানীবোৰকে একোপেটকৈ খাই খাই অমৃতৰ চাত পাই কিছু সজ্ঞক্ষণ হৈ যাত্ৰীবৃন্দক চুলি ছিঙি ছিঙি আশীৰ্ব্বাদ দিবলৈ ধৰিলে। এনেতে ৰাতিও পুৱাইছে, সোণাপুৰীয়া নামঘৰত ৰাজনৈতিকসকলে সমুদ্ৰ-মন্থন তাৰ-নাৰো 'কল্যাণ-খবমান' ধৰিছে।

পাছে আমি ৰবৰকৰানী ডাঙৰীয়ানীক এৰি যে অহাৰপৰা আজি সোতৰ বছৰৰ মূৰত আকৌ এইখিনিতে লগ ধৰো! এতিয়া তেখেতৰ লৰাটিৰো বয়স সোতৰ বছৰ। যোৱা মেট্ৰিকিউলেছন পৰীক্ষাত তৃতীয় বিভাগত মহা সম্মানেৰে (অৰ্থাৎ সোণপুৰী হিছাপে) উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ যাবলৈ যো-যা কৰিছে। ৺ৰবৰকৰাদেৱে যথেষ্ট মাটি-বাৰী সম্পত্তি কৰি থৈ গৈছিল। সঞ্চিত সোণধনো প্ৰচুৰ পৰিমাণে আছিল। ঈশ্বৰৰ ইচ্ছাত জানিবা যোৱা খণ্ডপ্ৰলয়তো সেই ধন-সম্পত্তিৰ বোছকৈ হানি-বিঘিনি হবলৈ নেপালে। গতিকে আপদেৰেই এতিয়াও সোণাপুৰৰ ভিতৰত আনতকৈ ৰবৰানীৰে অৱস্থা ভাল বুলিব লাগে। অ', কবলৈ পাহৰিয়েই গৈছিলো।—লৰাটিৰ নাম দৈবজ্ঞসকলে গুণি-গাঁথি 'শ্ৰীতুলাতিৰাম ৰবৰকৰা ইতি নামাখ্যাতঃ শুভপুত্ৰোজাতঃ' বুলি থলে। যি হওক, আজি ৰাতিপুৱাৰেপৰা তুলা ৰকৰাৰ মনটো 'উৰি যাও শকুনি পৰি যক পাখি!' গোটেই উত্ৰাৱল; আজি চাৰি বজাৰ ৰেলত তেখেত কলিকতালৈ যাব! ৰবৰকৰানীয়ে শাস্ত্ৰোক্তমতে দিন-খেণ, চন্দ্ৰ-তৰা আৰু যাত্ৰাৰ শুভ-নাস্তি



চোৱাই ব্ৰাহ্মণসকলক ব্ৰহ্মভোজন কৰাই যথাশক্তি দান-দক্ষিণা কৰি শুভক্ষণত তেখেতৰ আচলৰ ধন একেটি পুত্ৰক আজি দেশ এৰি বিদেশলৈ পঠিয়াব। যাত্ৰাৰ সময়ত ব্ৰাহ্মণসকলে আশীৰ্ব্বাদ দিছে—"বোপা, 'স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভয়াবহঃ"—বিদেশলৈ ওলাইছা যোৱা, বৰ সন্তোষৰ কথা। পাছে, ভাল, সেই কৃষ্ণক চিন্তি বুলিব লাগে—কুশল কৰক, কল্যাণ কৰক, মনৰ দুৰ অভীষ্টক দূৰীভূত কৰি সজ অভী-ষ্টক সংসিদ্ধি কৰি কৰি সেই দূৰ দেশত গৈ সজ বিদ্যাৰ পাত্ৰ কৰি আৰু বোলে 'কৰ্ম্মত বিশ্বাস যাব, হিয়াত থাকন্তো হৰি, অতিশয় দূৰ হোন্ত তাৰ। দূৰতো বিদূৰ হোন্ত, অহঙ্কাৰ থাকন্তেও, সাক্ষাতে কৃষ্ণক পাবে, শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাব॥'—এনেস্থলত সাত সাগৰ পাৰ হৈ গৈ কৃষ্ণক চিন্তি সেই 'দূৰতো বিদূৰ হোন্ত' দেশত থাকিও যেন 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী'লৈ স্মৰণ ৰখাই অতি মহা প্ৰকাণ্ড বিদ্যাৰতী চৌষষ্টি কলাৰ অধীশ্বৰ কৰি নিৰ্ব্বিঘ্নে পুনৰাগমনৰ কৃত্য কৰি কৃপা কৰে—এইখিনি প্ৰাৰ্থনা।" ইয়াৰ পাছত মাকৰ ওচৰত গৈ সেৱা কৰি বিদায় লওঁতে বেচেৰী মাকৰ দুগালে দুধাৰ চকুলো নিগৰি বৈ গল আৰু পুতেকক মূৰত ধৰি ঠোকাঠুকিকৈ আশীৰ্ব্বাদ দি ইয়াকে মাথোন কব পাৰিলে—"বোপাই, তোৰ দুখুনী মাৰলৈ নেপাহৰিবি।"

তুলা ৰবৰকৰা যথাসময়ত ঘৰ-বাৰী এৰি বাহিৰ হল, আৰু কলিকতা পাই 'বঙ্গবাসিন্দা' কলেজতে নাম ভৰ্ত্তি কৰাই লোকে তেজ হোঁপাদি উক্ত কলেজৰ মৰা তেজ-পুঞ্জ সোপাকে চকু-মূৰ মুদি এফালৰপৰা দিনক দিনে হঁপি নিবৰলৈ ধৰিলে। কলেজৰ কৰ্ত্তৃপক্ষৰ আনন্দৰ পাৰ নাই; আমাৰ মিঃ টি, ৰবৰকৰাৰ (এতিয়ালৈ আৰু তেখেতে মিঃ টি ৰবৰকৰা বুলিলে দেখাদেখিকৈয়ে বেজাৰ পোৱা হল, সেইদেখিহে বোলা হৈছে) অস্থি-মজ্জা-মেৰুদণ্ড-বিহীন সুকোমল পৃষ্ঠভাগেদি মাজে-সময়ে মৰমৰ চৰ্ম্মপাদুকা ৰঞ্জিত পাদ পৰিচালনা কৰি তেখেতৰ অযাচিতে কৰা এনে উদাৰতাৰ সাক্ষী দিছিল। সি যি নহওক, কষ্টে-মষ্টে কোনোৰকমে সাত বছৰৰ মূৰত বি, এ, মহলাটিত সসম্মানে শূন্য বিভাগত উত্তীৰ্ণ হৈ পুস্তিকা জীৱনৰ কুষ্টিৰ পৃষ্ঠত 'কুট' (।) পেলাই তাতে চিত্ৰপুৰৰ পঙ্কৰ্ম্ম বিদ্যালয়ত অতি ভক্তিসহকাৰে ভুক্ত হৈ পিয়াহত শুকাইথকা থৰৰীয়া মুখত 'সখীৰে! মৰমে পৰশে তাৰি গান' আৰু লগতে "তাৰি" বগৰ একো ঢোকা লৈ লৈ অতি আবেগেৰে ৰাতিক দিন কৰি বিশ্ববিমোহন সঙ্গীত চৰ্চ্চাত এনেভাৱে মন-প্ৰাণ ঢালি লাগি গল যে অলপদিনৰ ভিতৰতে ত'ত নিজৰ অস্তিত্ব পৰ্য্যন্ত পাহৰি পেলাবলগীয়াত পৰিলগৈ। তাৰ প্ৰমাণ স্বৰূপে, এদিন তেওঁৰ বিদেশী বন্ধু এজনে 'তেওঁৰ ঘৰ ক'ত, কি জাতীয় মানুহ, মাক-বাপেক আছেনে নাই? দেউতাকৰ ব্যৱসায় কি?' ইত্যাদি কেইটামান প্ৰশ্ন কৰাত তেওঁ কি কব কি নকব একো ঠিক কৰিব নোৱাৰি কিছুপৰ বন্ধুজনৰ মুখলৈ হেবাঙৰ দৰে ভেবা লাগি চাই থাকি এটাইকেইটা প্ৰশ্নৰ সমষ্টিৰ উত্তৰ স্বৰূপে মুঠতে—'কেন, আমি এখানকাৰই লোক" অৰ্থাৎ 'মই ইয়াৰে মানুহ' বুলি কৈ লৰালৰিকৈ বুকত হাত দি "সখীৰে! মৰমে পৰশে তাৰি গান" আৰম্ভ কৰি দি ঢেলুকা-ঢেলুকি চকুৰে মূৰ জোকাৰি মহাপয়োভৰে কেচেলা-কেচেলি কৈ গা ভাঙিবলৈ ধৰিলে। এপিনে সিজনৰ বন্ধুৰ মূৰ্ত্তি দেখি চুক্তি হেৰাল, আৰু অৱস্থা বিষম যেন দেখি দোহাৰি প্ৰশ্ন নকৰি হাতচাপৰি বজাই তাল দি ইকুল সিকুল দুয়োকুল ৰক্ষা কৰাটোকে বুদ্ধিমানৰ কাম ঠাৱৰালে।

আজি পাছে ছমাহ সাতমাহ হল, ৰবৰকৰানীয়ে ইমান চিঠি-পত্ৰ লিখিও উত্তৰত পুতেকৰ হাতৰ কলীয়া আখৰ এটিও দেখিবলৈ নেপাই সদায় কান্দি-কাটি বেজাৰ কৰি থাকিবলৈ ধৰিলে, আৰু অৱশেষত উপায় নেপাই দয়া-ৰামকে আৰু এটা মানুহেৰে সৈতে ধন-বিত দি কলিকতালৈ পুতেকৰ খবৰ লবলৈ বুলি পঠিয়াই দিলে। ইপিনে কলিকতাত আমাৰ মিঃ টি, ৰবৰকৰা কালীদৰ্শন কৰিবৰ অভিপ্ৰায়ে কালীঘাটলৈ যক। গৈ পোনেপোনেই মন্দিৰৰ সম্মুখৰ চোতালখনত বলিকটা ছাগলীৰ কটামূৰ গোটাদিয়েক পৰিথকা দেখি 'কাটামুণ্ড হৰি ব'লে শিৱেৰ গলায় ৰয়েছে'—এই সংকীৰ্ত্তনফাকি মনত পৰাত তেতিয়াই গুন্‌গুনাকৈ মনতে এবাৰ গাই থলে। তাৰ পিছত মন্দিৰৰ ভিত-ৰলৈ সোমাই গৈ কি দেখিলে (ভগৱানে জানে) কব

নোৱাৰো, অৰ্থাৎ "কেটামুণ্ড অ" বুলি বিতকাল চিঞৰ এটা শোধাই ধঁাচকৰে পৰি সেইপিনেই মুচকচ গল আৰু তেওঁৰ লগৰ বন্ধু দুজনে ততালিকে দাং-কোলাকৈ বাহিৰলৈ উলিয়াই আনি মন্দিৰৰ ওচৰত থকা মুকলি চালি এখনৰ তলতে শুৱাই মূৰত কলহে কলহে পানী ঢালি বিছিবলৈ ধৰিলে। বহুত পৰৰ পাছত তেওঁৰ চেতন আহিল হয়, কিন্তু কাণ্ডজ্ঞানৰ ফালে একেবাৰেই বিষম সপ্তক যেন দেখা গল। কাকো একো কথা-বাৰ্ত্তা নকয়-নেমেলে, কেৱল থাকি থাকি 'কেটামুণ্ডঅ'!' 'কেটামুণ্ডঅ'!' কৈ মানুহলৈ চোচা লোৱা হল। অগত্যা কি কৰিব— বন্ধু দুজনে অনেক কিল-ভুকু খাই অতি কষ্টেৰে ধৰি-মেলি গাৰীত 'বাদি' লৈ আহি তেওঁৰ থকাঠাই পোৱালেহি আৰু ডাঙৰ ডাঙৰ কবিৰাজ অনাই চিকিৎসা কৰাবলৈ ধৰিলে। কিন্তু বেমাৰ কমক ছাৰি ক্ৰমে চৰিবলৈহে ধৰিলে। এনে সময়তে জানিবা এদিন ৰাতিপুৱা আঠমান বজাত দয়াৰাম আৰু ভেবেলা মেধি দুয়ো দুখন মেটমৰা ভাৰেৰে গৈতে ভোকে-লঘোনে আধামৰা হৈ শিয়ালদহ ষ্টেশ্যনৰপৰা আজি ন দিনৰ মূৰত (!) ষ্টেশ্যনৰপৰা প্ৰায় আধামাইল দূৰত থকা কলুটোলা ষ্ট্ৰীটত মিঃ টি, বৰবৰুৱাৰ থকা ঠাই ওলাই মানুহ অহা-যোৱা কৰা 'ফুটপাথ'ৰ ওপৰতে ভাৰ দুখন পেলাই হালেই তাতে বহি পৰিল। মপনিয়াৰৰ বাহিৰে আন সুস্থীয়া মানুহে 'ফুটপাথ'ৰ ওপৰত তেনেকৈ বহাটো কলিকতাৰ ভিতৰত নোহোৱা-নোপজা কথা হোৱা দেখি এখন্তেকৰ ভিতৰতে বাটেদি যোৱা এশ কি দেৰ শ মান মানুহে 'এইকেটানো কি ওলালহি' বুলি চাবলৈ চাৰিউফালৰপৰা বেৰি ধৰিলে। এনেতে দয়াৰামে মাত লগালে —"এ, দেউতাঈশ্বৰসকল! কিটোনো চাবলৈ আহিছাহঁক? আমাক আৰু এই বাৰেদিনে মূৰৰ পৰা ভৰিৰ আঙুলিলৈকে বৰ বিহুৱে পাই থাই গৈছে। পাছে বাৰু তোৱাসবৰ কোনোবাজনে আমাৰ ডাঙৰীয়াৰ লৰাটিক চিনি পায় নে?" "বেটা বলে কি" বুলি কৈ তাৰে এজনে দম্ভপ্ৰদৰ্শনী নৃত্য কৰি আত্ম-অভিমানৰ গুপুত সুখ উপভোগ কৰিছে, তাৰে আকৌ দুজনমানে "আৰে মুখপোৰা, কোথাত থেকে আসছ তোৰা" বুলি সুধি ঢোৰা সাপৰ দৰে ফোপাউৰিয়াই চকুপকাই ধৰিছে। ভয়ত চুৰ্ত্তি-বুধি হেৰুৱাই বেচেৰাইতে কেৱল হাত কৰযোৰ কৰি দেখুৱাই কাতৰ চাৱনেৰেই যিমান পাৰে উত্তৰ দিবৰ চেষ্টা কৰিছে। ইফালে দাৰোৱানে গৈ ওপৰত খবৰ দিলে "হজুৰ, বৰবৰুৱা ছাহাবকা দেশসে দৈ দোখো আদ্‌মি আয়া।" মিঃ বৰবৰুৱাক পাল-পহৰা দি পৰিচৰ্য্যা কৰি থকাৰে বন্ধু এজনে লৰালৰিকৈ ওলাই আহি বপুৰীহঁতৰ ভাৰকিথন ঘৰৰ তলমহলতে থোৱাই বৰবৰুৱাৰ শুবিলৈ ওপৰলৈ তুলি লৈ গল। দয়াৰামে মিঃ বৰবৰুৱাক দেখামাত্ৰকে "বাপাইটিকণ" বুলি মাত লগালে। মিঃ বৰবৰুৱাই উত্তৰ দিলে—"কে? দয়াৰাম? কেন? কি চাও? কেটামুণ্ড'অ'? না তা পাৰবে না।" —"বাপাইটিকণ! মই বুঢ়া বন্দী দয়াৰাম হে আহিছিলো।' —"এসেছ? বেছ কৰেছ। এখন কিন্তু কেটামুণ্ড'অ'!" দয়াৰাম অৱস্থা দেখি বিচুৰ্ত্তি হল। বৰবৰুৱাৰ বন্ধু কিজনৰে পৰা বুজিব পাৰিলে—বাপাইটিকণৰ মূৰৰ বিউকণিত একেবি বিকাৰ ঘটিছে। সি যি নহওক, বৰ্ত্তমান আলহী দুজনৰহে খোৱা-বোৱাৰ এটা বন্দবস্ত কৰিব লগা হল। দেহি! ভোকে-লঘোনে মুখলৈ চাব নোৱৰা হৈ আহিছে। "দেউতাঈশ্বৰ, আমাৰ হওঁতে ভাতৰ চাউল, কোমল চাউল, লোণ, তেল, হালধি, মিথিগুটি, ঔটেঙ্গা, শুকান থেকেৰা, জিৰা, জলকীয়া, কলৰ পানী খাব লগা হয় বুলি সোৱা কাকৰীহঁতৰ চুঙ্গাত পানীয়ে-ছনীয়ে সকলো যোগাৰ আহিছে, ছুটা মানুহৰ জোখাৰে সাদিনৰ সম্বল সেয়া দুয়ো বলেপৰা দুভাৰকৈ লৈ অহা হৈছে। আমাক আৰু এতিয়া খুট কেইটা ঠিয় কৰিবৰ জোখাৰে ভাল ঠাই এডুখৰি দেখুৱাই দিলেই বন্দীহঁতে তত পাওঁ। আমাক আৰু আন একো নেলাগে।"

পাছে জানিবা ওচৰতে থকা মিলাৰকছ বাবুৰ গৰু গোহালিটোতে ভকত দুজনক শুৱাই এৰি দিয়া হল। তাতে ত'তসকলে কাকৰীহঁতৰ চুঙ্গাৰ পানীৰেই গা-মোহৰা বিধৰ স্নানকৰি যথাবিধি গুৰু-সেৱাদি নিত্যকৰ্ম্ম সমাধা কৰি শুৱ কোমল চাউলেৰেই কাণিৰ তিতা মাৰি চাউল-



সিজোৱা হল। সেইদিনাই বৰবৰুৱানীলৈ টকাৰ কাৰণে তাঁৰো কৰা হল। পাছদিনা দহ বজাত টকা পাই দুই বজাৰ বেলত দয়াৰাম আৰু মেধিৰ লগত মিঃ বৰবৰুৱাক ঘৰলৈ টিকট কাটি পঠিয়াই দি বন্ধু দুজন একৰকম নিশ্চিন্ত হল। কোনোৰকমে অতি কষ্টেৰে মিঃ বৰবৰুৱাক ঘৰ পোওৱাহি হল হয়, ইপিনে বেমাৰে কিন্তু 'হুক্কি'ৰ পৰা 'দৌৰ'ত ধৰিলে, গাড়ীৰপৰা নামিয়েই পদূলিমুখৰেপৰা 'কেটামুণ্ড অ'!' 'কেটামুণ্ড অ'!' কৈ মাকলৈ আঙুলি জোকাৰি চোচা ললে। দয়াৰামে ভেবেলা মেধিয়ে পিছফালৰপৰা লৰমাৰি গৈ নধৰা হলে কথাৰ ফালে কিজানি কিবাই হলহেতেন। লৰাৰ অৱস্থা দেখি বৰবৰুৱানীৰ মূৰত স্বৰগ ভাগি পৰিল। অলপ সময়ৰ ভিতৰতে বেজে-পিয়ানীয়ে ঘৰ ভৰি পৰিলহি। ইপিনে আমাৰ মিঃ বৰবৰুৱাই কেতিয়াবাই 'সখীৰে মৰমে পৰশে তাৰি গান' আৰম্ভ কৰি দি মাজে মাজে 'কেটামুণ্ডঅ'!' ৰ মান দি চকিৰ ওপৰতে বহি মেৰেটা-মেৰেটিকৈ গা ভঙ্গা কামত প্ৰাণৰ কাতৰে লাগি গৈছে আৰু তেওঁক চাবলৈ-চিতিৰলৈ বুলি অহাবোৰকো তেওঁৰ লগতে গান ধৰিবলৈ তল্কি হুকুম চলাইছে। বেচেৰাহঁতে কি কৰিব—জানিলেহে গাব! অগত্যা 'কেটামুণ্ড'ৰ ডাৱিত ততমত নেপাই তাৰে বুঢ়া ভকত এজনে তলত দিয়া বৰগীতটি গাব লগা হল।

বৰগীত

ৰাগ—ভাটিয়ালী

"মোৰ পতিত পাবন প্ৰভু, হৰি হেৰোৰে
বাপ, কিনো গতি হইল হামাৰে।
দুৰ্ল্লভ লভিয়া পুনু, ভাৰতে মানৱী তনু,
নাম লৈতে নাপাৰো তোমাৰে ॥"

বৰগীতৰ কেৰাহীখন অলপ তপত হওঁতে হওঁতেই মিঃ বৰবৰুৱাই উঠি উঠি আথৈ ফুটিবলৈ ধৰিলে— "আৰে ৰেখে দাও বাবা ৰেখে দাও তোদেৰ ওসব ঘোৰাৰ ডিম বড়গীত, আমি শুনতে চাইনা।" ডেই যায় বুলি ভয় কৰি ভকতজনে অলপ জাল কমাব খোজোতেই মিঃ বৰবৰুৱাই কোনোবা এটা পাকত (চকিৰপৰা) জাপ মাৰি মাটিলৈ নামি উৰ্দ্ধবাহু হৈ হালি-জালি মূৰ জোকাৰি জপিয়াই জপিয়াই নাচি নাচি গাবলৈ ধৰিলে—"আৰে বল পাপী, হৰিবল বলৰে 'কেটামুণ্ড অ'। কেটামুণ্ড হৰিকুলে শিৱেৰ গলায় ৰয়েছে। আৰে বল হৰিবল কেটামুণ্ড অ'!" কিছুপৰ গাই থাক এটা মাৰি নাচ শেষ কৰি আকৌ চকিৰ ওপৰত বহি পৰি ঠেং জোকাৰি জোকাৰি গুঞ্জৰিবলৈ ধৰিলে—"আমাৰ মতন গাও ছালাসব, আমাৰ মতন গাও। নইলে কেটামুণ্ড' বানিয়ে দব' বলছি ভেবে নাও!" ছালাসব বল হৰিবল কেটামুণ্ড'অ'!"

এনেতে মিঃ বৰবৰুৱাৰ বন্ধু এজনে বৰ আশা-আগ্ৰহেৰে আগবাঢ়ি আহি এনে আচৰিত ধৰণেৰে তলত দিয়া গানটো গাই নাচিবলৈ ধৰিলে যে গানটোৱেহে যেন কোনোবা নিভৃত ৰাজ্যৰ সপোন-কুৱঁৰীৰ জিলিমিলি পোছাকৰ মাজেদি লুকা-ভুমুকা খেলি অপূৰ্ব্ব আনন্দৰ লহৰ তুলি দিলে—

"সোণ বৰণীয়া কেতেকী ধুনীয়া
গোন্ধতে আমোল-মোল,
পদুম বুলি পৰি বন্দী হল ভোমোৰা
কি ভুল কি ভুল ভুল!
কণা কৈলে বেণু কেনেকৈ উৰিবি
কাঁইটে বিন্ধিলে পাখ।
সুখ-সৰোবৰ পাৰি দি যাওঁতে
মাজতে বুৰালি নাও।
(হেৰ' ভোমোৰা) মাজতে বুৰালি নাও ॥"

পাছে ইপিনে গান গোৱা নহল জানিবা মিঃ বৰবৰুৱাৰ গাত বান্দৰকেকুৱা ডোম-চোৰাতহে মেলি দিয়া হল। গোটেইটো জপিয়াই জপনিয়াই একেৰ হৈ কেটামুণ্ড কেটামুণ্ড কৈ দুমদুমাবলৈ ধৰিলে। বান্দৰৰ ডিঙিত মুকুতাৰ হাৰে কি তিষ্ঠিব? অগত্যা শিকলি-হাৰৰে আশ্ৰয় লৰলগীয়াত পৰিল। সি যি নহওক, হাজৰিকাদেৱে আকৌ গাবলৈ ধৰিলে।

'বোৰাঁ, বোৰাঁ, দখিণ মলয়া, ভটিনী বোৰাঁ,
সমীৰণে আহি পৰাণ জুৰালে আ-হা-আ!
... ... ... ... ... ... ...
ই কিনো মায়া, ই কিনো মায়া!—' ইত্যাদি

গানটো শুনি 'বেটা লক্ষীচাৰা, কিসেৰ মায়া চেলাইতে এসেছ ?—বলছি 'কেটামুণ্ড' গাও, 'কেটামুণ্ড' অ !!'—বুলি মহা আতোপেৰে বাক্সৰেপৰা দপদপাবলৈ ধৰিলে। তেনেতে সাদৰি ওজাই মাত লগালে—'বোপাদেও, আমি কেটামুণ্ড জানিলেহে গাম, নেজানিলে নো বাৰু ক'ত মৰিমগৈ ?' "বেটা, ব্ৰহ্মপুত্ৰে—ব্ৰহ্মপুত্ৰে—" 'বাৰু বোপাদেও, এই গানটোনো কেনে পায় এখন্তক অনুগ্ৰহ কৰি শুনকচোন,

'কিয়নো পাহৰা অসমীয়া হেৰা,
—চিৰকাল তুমি আছিলা স্বাধীন ?
জগতৰ মাজে তোমাৰে জননী
বীৰপ্ৰসবিনী আছিলে এদিন।
প্ৰকৃতিয়ে নিজে অসম গঢ়িলে
কামাভূমি পাতি আৱৰি ৰাখিলে,
প্ৰকৃতিৰ বন মুনি মনোৰম
ক'ত আছে এনে অসম সমান।
মাধৱ শঙ্কৰে অক্ষয় কিৰিতি
বেদ গান গালে কৰি সৰস্বতী
সকলোকে আজি পাহৰিলা তুমি
এলাহে ভাগৰে হলা অচেতন।'

পাছে ওজাই গানটো গাই পানী ঢালি শাঁতকৰা দূৰৰ কথা, মিঃ বৰবকৰাদেৱৰ শিৰাগ্নিত জানিবা ঘিউহে ঢালি দিলে। কং-কৰে অগনি দেৱতা জ্বলি উঠিল আৰু ভোঁ-ভোঁ-ৰৱে কুকুহা উৰিবলৈ ধৰিলে—'বেটা ডেম, বাগেৰ, চোৱাইন-চুৱাৰ, উল্লুক, পাজি, খাৰখোৱা কোথাকাৰ!—আমাকেও গাল দিতে চাইছ কৰে! বেটা, এত আস্পৰ্দ্ধা কৰ্ত্তে তোদেৰ কি এনন কচু, আলু, বাইগুণ আছে যে- নাঃ—সখীৰে মৰমে পৰশে ভাবি গান।" • • হায় ভগবান! কিয় এনে মূৰ্ত্তি দেখুৱাইছা! মানুহবিলাক লাহে লাহে ঘৰাঘৰি গল। ইপিনে ওৰে ৰাতিটো চাটিফুটিকৈ চিঞৰি-বাখৰি থকা দেখি মাকে সহিব নোৱাৰি শিকলি মেলি দি তলকা মাৰি শুই থাকিবলৈ কাবৌ-কোকালি কৰি, গোসাঁনীৰ কিবা অপৰাধ হৈছে বুলি ভাবি ওচৰতে বহি সুমধুৰ, করুণ, আবেগ-ভৰা সুৰত আইনাম গাবলৈ ধৰিলে। ৰোগীয়ে কিন্তু কেৰাবাৰো "কেটামুণ্ড"ৰ ধমক দি নিষ্ফল হোৱা যেন দেখি ওচৰত থকা বটাটোৰপৰা তামোলকটা কটাৰীখন আনি 'কিনো কাণৰ ওচৰত কুনকুনাই থাকিবলৈ, আহিছ' বুলি হঠাৎ বলেৰে হেচামাৰি ধৰি বেচেৰাই মাকৰ জিভাখন টানি আনি বেপ শোধাহ দিলে। হো-হো কৰে তেজ বৰলৈ ধৰিলে আৰু মাক 'হা-আ-আ, হা-আ-আ' শব্দ কৰি মাটিত পৰি গল। ইপিনে আমাৰ "কেটামুণ্ড" বীৰবৰে হাতচাপৰি বজাই বজাই নাচি নাচি গাবলৈ ধৰিলে :—

'তোমাৰ দয়া হলে বোবাই কথা বলে
মৰুভূমে ফুল ফুটিতে পাৰে—
হৰিবল বলৰে 'কেটামুণ্ড' অ'—
'কেটামুণ্ড' হৰিবলে কালীঘাটে ৰয়েছে—
অ' বল কেটামুণ্ড অ' !'

ইতিমধ্যে দয়াৰাম আহি বকৰানীৰ অৱস্থা দেখি ধঁাচকৰে মাটিত পৰি বাগৰি বাগৰি হিয়া-মূৰ ভুকুৱাই কান্দিবলৈ ধৰিলে। কান্দোন শুনি ঘৰৰ আন বেটী-বন্দী ওচৰচুবুৰীয়া য'ত যেনেকৈ আছিল এটাইবোৰ লৰি লৰি আহি বকৰানীক পোনাই ধৰি চাই দেখে যে জিভা-খন সোঁমাজতে ছিগো ছিগো হৈ ওলমি পৰিছে আৰু তেজে লোৰ বলাদি বলিছে। ইফালে দয়াৰাম বুঢ়াই বাগৰি বাগৰি কান্দি-কাটি ভাগৰি মাটিতে চিলমিলকৈ টোপনি যোৱাদি হৈগেছে, এনেতে তন্দ্ৰাৰ ভিতৰতে দেখে যে ৺বৰবকৰাদেৱে ধকধক কৰে বগা কাপোৰ-কানিৰে খৰম পিন্ধি হাতত লাগুটি লৈ- বুঢ়া ডাঙৰীয়াৰ ৰূপ ধৰি আহি দয়াৰামৰ মূৰৰ শিতানতে ঠিয় হৈ এই বুলি কৈ অন্তৰ্দ্ধান হল—'দয়াৰাম, উঠ বেগেতে বৰসৰাহলৈ টোপোলা এটা বান্ধি এই ধানটোৰে সূতাডালে নি সূতাডালৰ সোঁমাজতে ধানটো বান্ধি আয়েৰৰ ডিঙিত আঁৰি দেগৈ। আৰু এই সৰিয়হমুঠি নি বাপাইটিকণৰ গাত চাতি মাৰি দেগৈ। তৎক্ষণাৎ, বেলি নকৰিবি।' দয়াৰামে একেচাৰে উঠি বহি দেখে যে সঁচাসঁচিকৈ তেওঁৰ সোঁহাতৰ মুঠিত দীঘলীয়া ধান এটাই -সূতা এডালে আৰু বাওঁ হাতৰ মুঠিত বগা সৰিয়হ এমুঠি। লৰালৰিকৈ



সেইমতে ধান-সূতা বান্ধি দিলে আৰু সৰিয়হ মুঠিত মাৰি দিলে। কিছু সময়ৰ পাছত ৰাতিপুৱাৰ লগে লগে বৰবকৰানীৰ জিভাও জোৰা লাগিল, আগৰ নিচিনা হল আৰু আমাৰ মিঃ টি, বৰবকৰা ডাঙৰীয়াও 'কেটামুণ্ড' ধ্যাধিৰপৰা মুক্ত হৈ অনুতাপৰ জুইত পৰি খৰমৰাবলৈ ধৰিলে। মাকে বুজাইছে, দয়াৰামে বুজাইছে, গাৱঁৰ ওচৰ চুবুৰীয়াই বুজাইছে; কিন্তু একোতেই তেওঁৰ প্ৰাণে প্ৰবোধ নামানে। অগত্যা বেচেৰাই পুৰোহিত ব্ৰাহ্মণক মতাই আনি মাতৃ-অপঘাতৰ বাবে শাস্ত্ৰোক্তমতে প্ৰায়শ্চিত্ত হল। কিন্তু তথাপি তেওঁৰ গাৰ পোৰণি নমৰিল, মনলৈও লেশমানো শান্তি আহিব নেজানিলে। দিনটো ধৰফৰাই ফুৰি ফুৰি ৰাতি ভতমত নেপাই গোঁসাইঘৰলৈ গৈ থাপনাখনৰ আগতে দীঘল দি পৰি কাতৰ প্ৰাণেৰে একাগ্ৰচিত্তে গাবলৈ ধৰিলে—

'তোমাৰ মঙ্গল মন্দিৰ পানে হাতে ধৰে চল লইয়া।
মম অবস অন্তৰ শিথিল শকতি কলুষৰাশি বহিয়া॥'

—ইত্যাদি গাই থাকোতে থাকোতে শেষৰাতিলৈ টোপনি আহিল। টোপনিত পৰিয়েই সপোন দেখিছে, দেউতাকে আহি তেওঁক কৈছেঃ—'বাপাইটিকণ, "আপুনি আপোন বন্ধু, আপুনি আপোন শত্ৰু, আপুনি আপোন বাধে মাৰে। হৰিক নভজি নৰ, আপুনি হোৱয় নষ্ট, হৰি ভজি আপোনাক তাৰে॥"

ঘোৰ পাপ ইটো এযুৱা দাৰুণ
মাতৃ-ঘাত কৰি আছা।
সংস্কৃত শবদ উচ্চাৰণ কৰি
প্ৰায়শ্চিত্ত হুইলে মিছা॥
তৈসানি পৰশুৰামে ব্ৰহ্মকুণ্ড পাৰ কাটি
মাতৃ-ঘাতী কুঠাৰ এড়াইলা।
মন্ত্ৰ-পাঠ কৰি নোহে মহাপুন্য তোৱা যেবে
ব্ৰহ্মপুত্ৰ নদক বোৱাইলা॥
শুন আৰে সেহিমতে জগতৰ উপকাৰী
পুণ্য কিবা স্ৰোত বোৱাৱস।
উটিবে কটাৰী তোৰ মাতৃ-ঘাতী পাতকৰ
মাতৃ-মুখ হুইবে প্ৰকাশ॥
কিবা স্ৰোত বোৱাইবে পাইবি ভাবি [illegible] মনে
আৰে মই নচাওঁ কহিতে।
কেৱলে কৰস আৰে আয়োজন যথাবিধি
মাতৃ-পূজা অচিৰে কৰিতে॥

—এই বুলি কৈ অন্তৰ্দ্ধান হল। এপিনে বৰবকৰায়ো চকুমক্ খাই সাৰ পাই উঠি দেখে—পুবৰ আকাশে ৰিব্-ৰিব্ মলয়াৰ দোলাত সোণোৱালী ৰহনৰ মনমোহা ৰাং ঢালি হাঁহিব এটা অনন্ত লহৰ তুলি দি চিকমিক্-চিকমিক্কৈ নচুৱাই সৰল প্ৰকৃতি-প্ৰাণত এটা অনন্ত মৰ্ম্মভেদী পুলকৰ সৃষ্টি কৰি কি যেন এটা নজনা সুৰত গান গাই গাই নিজে নিজেই তন্ময় হৈ একেথৰে ৰ লাগি চাই আছে; আৰু সেই অসীম অনন্ত বিৰাট পুলকে নিসৰ্গৰ বুকত সিচৰতি হৈ অসংখ্য ক্ষুদ্ৰ পুলকৰূপে ফুটি ফুটি ওলাই নানা তৰহৰ মূৰ্ত্তি ধৰি বিমানত উৰি উৰি ঐক্যতান বাদনৰ কি যে এটা আচৰিত দিব্যধ্বনি তুলি দিছে,—কানী-কেঠা পেলাই উঠি আহি গোটেই সোণাপুৰেও যেন আনন্দত মতলীয়া হৈ ক'ৰবালৈ উৰি যাব খুজিছে, মিঃ বৰবকৰাই ক্ষৰযোৰ কৰি অতি আবেগেৰে গাবলৈ ধৰিলে।

"হে প্ৰভু ভগৱন্ত, ইটো সংসাৰত যত,
আছে পাপী তাৰ মই সীমা।
চৰণে থাপিয়ো মোক, পতিত পাৱন নিজ,
দেখায়োক নামৰ মহিমা॥"

ওঁ স্বস্তি।

শ্ৰীবিষ্ণুচন্দ্ৰ গোস্বামী

# নাৰীৰ মহিমা

নৰ— যতদিন ধৰা বিশ্বৰ মাজত
হৰিবা সকলো সুখ,
বিধাতা যদিও বিমুখ নহয়
নিজেই আনিবা দুখ।
নিজৰ দুখেৰে আনক মেৰাবা
সুতাগ লুকাব ঘুৰি,
জগতত থাকি নিজৰ ৰূপেৰে
মাৰিবা সবাকে পুৰি।

নাৰী— এনে কথা বাক ওলাল কি দৰে
তোমাৰ মুখৰ পৰা,
নাৰী জাতিয়েই জগতৰ আই—
মাতৃ-পৰিহনা কৰা?
বিশ্ব বোলা তুমি কাৰ ধৰমেৰে,
চিনালে বা কোনজনে,
জননী নামেৰে সৰগৰ সুধা
বোৱায় ধৰাত কোনে?

নৰ— মাতৃ নাম ধৰি যদিওবা তুমি
পালিলা মেহেৰে ধৰা,
জগত-জননী বিশ্ব অন্নদাতৃ,
প্ৰণয়ো তুমিয়ে কৰা।
শোণিতৰ ধাৰা বোওৱা তুমিয়ে,
সবাৰে কাৰণ তুমি,
তুমিয়ে বুৰালা স্বাধীনতা বেলি—
সোণৰ অসম-ভূমি।

নাৰী— কোন সতে তুমি বোলা এনেকই—
ডুবালো সকলো আমি?
নিজ অহঙ্কাৰ ৰাখিব নোৱাৰি
হলা পতনৰ গামী।
আত্ম-কলহৰ অনলে আনিলে
সোণৰ দেশৰ মাৰ,
পিতৃ-চেনেহৰ চানেকী পিজউ
হলনে কাৰণ তাৰ?

নৰ— সীতা দ্ৰৌপদীৰ জগতে কতনো
হল বীৰ ধৰাশায়ী,
অকালতে এৰি গল কৰ্ম্ম-ভূমি,
কীৰ্ত্তিও নহল স্থায়ী।
কুন্তী আইৰ কপট কথাত
কৰ্ণবীৰ হল হত,
তাৰাৰ শাপেৰে প্ৰভু ৰামচন্দ্ৰ
হল শোকে অভিভূত।

নাৰী— কিয় নৰ ক'লা অবিবেচনাৰে
এনে যুক্তিহীন কথা,
নিজ অঙ্গ নিজে কাটি বোলা, পোৱা
অঙ্গৰ দোষত ব্যথা?
যি অঙ্গে তোমাৰ দেহা শোভা কৰি
সততে আছিল বেৰি,
তাকে পুনৰায় কিয়বা বুলিলা,
সেয়েহে তোমাৰ অৰি?

নৰ— ৰাজস্থান আজি বীৰত্ব হেৰাই
পৰৰ অধীন হল,
তাৰও কাৰণ কন্দল-বঢ়োৱা
নাৰী জাতীয়েই মূল।
জয় পৃথ্বিৰাজে নিজ গৌৰবেৰে
আছিল মেদিনী পালি,
কাৰ বিদ্বেষৰ কি কাৰণে নো
আনিলে দুয়োকো ফালি?

নাৰী— পাহৰিলানেকি মহাৰাণী নিজে
পুত্ৰক তিলক লেপি,
স্বাধীনতা হকে বুকু উদঙালে
প্ৰাণৰ পুত্ৰক সপি।
জয়ৰ নীচতা দোষত, শেষত
হাৰিছিল পৃথ্বিৰাজ,
ভীকৰ দৰেৰে সপিলে মাতৃক
চৰণত বিদেশীৰ।

নৰ— ৰাজপুত নাৰী কমলা দেৱীৰ
পতিব্ৰতা কেনি গল?
আলাউদ্দিনৰ কাৰেও সোমাই
দেখালে নাৰীৰ বল।
পিতাৰ মুখেৰে পুতেকৰ মূৰ
কটোৱা আদেশ দিলে,
প্ৰতিহিংসা ঢাকি কপট প্ৰেমেৰে
সম্ৰাটৰ তেজ পিলে।

নাৰী— কোনে অন্ধ কৰি আলাউদ্দিনক
পুত্ৰঘাতী নাম দিলে,
কোনে অন্যায়েৰে কুল-ৰমণীৰ
স্বামী আঁতৰাই নিলে?
কাৰ বা অঙ্গক ছেদন কৰিলে
কাৰ বা কমলা ধন?
নিজেই কৰিলি ৰাখিব নোৱাৰি
নিজৰ খিয়াতি ছন।

নৰ— কত কথা আজি অতীত কালৰ
মনত পৰিছে হায়!
—দেখো মাথোঁ সেই সকলোৰে মূল
নাৰী জাতীয়েই থাই।
দেশ-বিদেশৰ আকউ দেখিছো
সবৰ পতন যত,
নাৰীয়েই পুহ ৰাখিছে আবৰি
পতন জাতিক কত!

নাৰী— বুজিছা এতিয়া বুৰঞ্জীৰ ক'ত
জাতিৰ পতন গুৰি!
ৰাখিছিলে এক মাতৃ জাতিয়েই
নিষ্পাপ প্ৰেমেৰে বেৰি।
মেলি দুটি চকু যুক্তি-পোহৰত
বিচাৰা সৰলভাৱে,
ধৰাৰ জননী নাৰীয়ে ধৰণী—
পুজিবা মাতৃক সৰে।

নৰ— বুজিলো জননী স্বাৰ্থপৰ নৰ
স্বাৰ্থত অন্ধলা মন,
দোষ দিয়ে মাথোঁ অবলা কাৰণে
ধৰ্ম্মৰ ধৰণী-ধন।
আজি নৰ তুমি, শুদ্ধপ্ৰাণে কৰা
জননীৰ পূজা নিত,
উন্নতি-মন্দিৰ পশিব খুজিলে
সাধাঁ জননীৰ হিত।

নাৰী— চোৱা নিজে তুমি দেশ-বিদেশৰ
অতীত বুৰঞ্জী মেলি,
ফৰাছী দেশৰ গোৱালী বালাই
স্বাধীনতা দিলে তুলি।
হৃদয় বিৰজা আনন্দদায়িকা
সোণৰ সংসাৰকাৰী,
বিদ্যা শক্তি দান বিভূতি সৱাৰ
নাৰীয়েই অধিকাৰী।

নৰ— মাতৃ আজি মই শিকলো সকলো
তোমাৰ কৃপাৰ বল,
বীৰমণি যত ধৰ্ম্মদাতাজন
তোমাৰে সাধনা-ফল।
বিশ্বৰ জননী শিক্ষক প্ৰধান
বিশ্বৰ প্ৰকৃতি তুমি,
তোমাৰ পূজাৰ অৱহেলা হলে
অধীন স্বাধীন ভূমি।

---

# দুবিধ 'মই'

অহং ভাব ভগবান লাভৰ বাটত প্ৰধান অন্তৰায়। অহং ভাব অৰ্থাৎ 'মই ইমান ধনী, তেও তই মোক থাতিৰ নকৰ'—ধনীৰ উক্তি; 'মোৰ দৰে ৰূপ এজনীৰো নাই'—ৰূপৱতীৰ উক্তি; 'মোৰ সবিৰ গায়ক ক'ত পাব ?'—গায়কৰ উক্তি। আকৌ, মই বৰ ধাৰ্ম্মিক, মই বৰ দাতা, দয়ালু ইত্যাদি 'মই বৰ' ভাব।

গৃহস্বামীৰ কৰ্তৃত্ব দলিয়াই ঘৰৰ আন আন পৰিয়াল-সকলে যদি নিজৰ গাইগোটীয়ামতে কাম কৰে গৃহস্বামীয়ে তেতিয়া খঙে দুখে অপমানে সেই গৃহৰ কৰ্তৃত্ব এৰি দিয়ে। 'মই ইমান ধনী'—ইয়াত ভগবানৰ বাহিৰে আন কোনো কৰ্ত্তা ( মই ) স্বীকাৰ কৰি লোৱা হয়। সেইদেখি এবম্বিধ অহংকাৰ লৈ যেতিয়া ভগবদ্দৰ্শনৰ নিমিত্তে আকুল ভাৱেও আৰাধনা বা সাধনা কৰা যায় তেতিয়া ভগবানে আঙুলিয়াই দেখুৱাই দিয়ে, তুমি নিজেই তো কৰ্ত্তা; ভগৱান দূৰতো বিদূৰ হয়, দৰ্শন ঘটে কি প্ৰকাৰে ?

অহং ভাব অবিদ্যাঃ—'আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সতত পায়
নাপায় জানা তাক অবিদ্যাত।'

অবিদ্যাৰ সেয়েকে ঈশ্বৰক লাভকৰিবলৈ বাহিৰত নানান পুৰুষাৰ্থ কৰিলেও ভিতৰৰ 'মই' (—ৰূপ অবিদ্যা) মৰি নোযোৱালৈকে ভগবান লাভ নহয়। 'আমি ম'লে ঘুচিবে জঞ্জাল'; 'মই' মৰিলেহে বেমেজালি গুচে, ভগবান লাভ হয়:—

'অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠলগ্ন বস্তুক সাক্ষাৎ।'— ( ঘোষা )

'মই'ত্বৰ দ্বাৰা বিমুগ্ধ মূঢ় ব্যক্তি নিজকে কৰ্ত্তা বিবেচনা কৰে;
'অহংকাৰবিমূঢ়াত্মা কৰ্ত্তাহমিতি মন্যতে।'

সেইদেখি নামঘোষাত উপদেশ দিয়া হৈছে:—

'শুন হেৰ অহঙ্কাৰ নিচিন্ত আপোন মাৰ
মিছা অহম্মমক ত্যজিয়ো।
পৰম ঈশ্বৰ কৃষ্ণ হয়োক তাহান দাস
সাধু সঙ্গে কৃষ্ণক ভজিয়ো॥'—( ঘোষা )

'মই' 'মোৰ' ভাব ত্যজি, হে নৰ, তেওঁৰ দাস হোৱা। কিন্তু দাস হোৱা বুলিলেই দাস হোৱা নাযায়। অহং ভাব লয় কৰা—অন্তৰৰ পৰা মুচি পেলোৱা—অতি দুৰুহ কাম। কৰ্ম্মযোগ, জ্ঞানযোগ আৰু ভক্তিযোগৰ বাটেদি যিবিলাক ঈশ্বৰদৰ্শন প্ৰয়াসীয়ে কৃচ্ছ্ৰসাধনপূৰ্ব্বক কাল নিয়াইছে সিবিলাকৰো সকলোৱেই যে এই মইত্বৰ হাতৰপৰা সম্পূৰ্ণৰূপে সাৰিছে এনে কথা বল কৰি কোৱা নাযায়। আনপাকে, নাৰদাদিৰ দৰে কিছুমানে যে নাসাৰিও থকা নাই এইটোও প্ৰনিধান যোগ্য কথা। অহং ভাব অন্তৰৰপৰা মুচি পেলোৱা টান, সেইদেখিহে কৈছে যে 'আমি যদি একান্ত যাৱেনাত থাক শালা দাস আমি হয়ে' (পৰমহংস); অৰ্থাৎ 'হয়োক তাহান দাস।' এতিয়া 'কৰ্ত্তাহম্' আৰু 'দাসোঽহম'—'অহং' দুবিধ পোৱা গল, 'সোঽহম' প্ৰকাণ্ড বিষয়; চেনি খাবলৈ হেপাহ হয়, কিন্তু চেনি হবলৈ তো হেপাহ নহয়!

কলিযুগত হৰি-ভকতিৰ পথ সহজ আৰু সৰল হৈছে:—

'ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰতবৰিষে
তপ জপ যজ্ঞ ত্যজি তোমাৰ চৰণে ভজি
তুৱা নাম ঘোষিয়ো হৰিষে।'

তপ জপ যজ্ঞাদি ত্যাগ কৰি একান্তে হৰিনাম শ্ৰৱণ-কীৰ্ত্তন কৰিলে মানৱী জনম ধন্য হয়, ভগৱান লাভ হয়। সাধু আৰু সিদ্ধ পুৰুষসকলে কৈ গৈছে 'কামিনী-কাঞ্চন মই ভাব নিৰাকৰণ তথা ভগবদ্দৰ্শন দুয়োৰে বাটত প্ৰধান ভেটা স্বৰূপ'। পৰন্তু, কামিনীকাঞ্চন বাদ দিলে গাৰ্হস্থ্য ধৰ্ম্ম পালনকৰা নহয়।' কিন্তু সমাজৰ কম-বেছি প্ৰায় ৯৯ মানুহেই গৃহধৰ্ম্মাচাৰী। তেনেহলে গাৰ্হস্থ্য ধৰ্ম্ম পালনকৰি জানো ভগবদ্দৰ্শন লাভ কৰিব নোৱাৰি ? গতিকে গৃহাশ্ৰম কি পৰিত্যাজ্য ? সাধুসকলেই আকৌ এই সমস্যাৰ সমাধান কৰিছে। আচল কথা এই, যে গৃহাশ্ৰম অৱলম্বন কৰি মানৱ জীৱনৰ কৰ্ত্তব্য সমাপন



কৰাত বাহাদুৰী আছে, কিন্তু বিপদ অনেক। বিপদ অনেক বুলিয়েই বাহাদুৰী আছে। কামক্ৰোধাদি ৰিপু বশীভূত আৰু কামিনী-কাঞ্চনৰ মোহমায়াজাল বিচ্ছিন্ন কৰি গৃহধৰ্ম্মৰ ভিতৰেদি ভগবানৰ ওচৰ চাপিবলৈ সমৰ্থ হোৱাত যি বাহাদুৰী, যি অমিত শক্তি আছে, সমগ্ৰ ইন্দ্ৰিয়-গ্ৰাম ৰুদ্ধ কৰি সন্ন্যাস অৱলম্বনপূৰ্ব্বক ঈশ্বৰৰ সকাশলৈ যোৱাতকৈ সি একেবাও কম নহয়। শঙ্কৰ গুৰু সেইহে আদৰ্শ গৃহধৰ্ম্মী। ভগৱদ্দৰ্শন কামী সংসাৰীয়ে নিজক সততে উপ-পত্নীবৎ বিবেচনা কৰিব। উপপত্নী নিখুঁতভাবে নিজ স্বামীৰ আলপৈচান ধৰিছে, সেৱা-শুশ্ৰূষা কৰিছে, কিন্তু মন পৰি আছে উপপতিৰ ওচৰত। সংসাৰীয়েও সংসাৰৰ যাবতীয় কৰ্ত্তব্য নিয়মিতৰূপে কৰি অন্তাই জগতপতিৰ অভয় চৰণত মন ৰাখিব। কোনোৱে কব পাৰে, শঙ্কৰদেৱ আদৰ্শ গৃহাশ্ৰমী হলেও মাধৱদেৱ চিৰব্ৰহ্মচাৰী আছিল। কিন্তু বিহ নীলকণ্ঠই হজম কৰিব পাৰে, ৰাম শ্যামে নহয়। মাধৱদেৱে দঢ়াই দঢ়াই সংসাৰী হবলৈ উপদেশ দি যোৱা স্বত্বেও তেওঁক ভুল বুজা হৈছে। সেই গতিকেই বৰ্ত্তমান থানে-সত্ৰই নানান কেলেঙ্কাৰি মূৰ জোকাৰি ঠিয় দিছে; চকুত নপৰে জানো ?

আমি ভগৱানক নানাৰূপে ভজো, পূজো, আবাহন কৰো, আৰু সম্বন্ধ পাতো। যেনে, পিতা-পুত্ৰ, পতি-পত্নী, প্ৰভু, দাস, বন্ধু, সুহৃদ ইত্যাদি। ভগৱান আৰু মহাপুৰুষ শঙ্কৰ-দেৱৰ ভিতৰত প্ৰভু-দাস সম্বন্ধ স্থাপিত হৈছিল—'কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে।' সেইদেখিয়েই শঙ্কৰ প্ৰবৰ্ত্তিত বৈষ্ণৱ ধৰ্ম্ম দাস্যভাবমূলক আৰু সেইদেখিয়েই নাম-মন্ত্ৰ কাকুতি-মিনতি ভজন-উপদেশ সকলোখিনিয়ে দাস্যভাৱেৰে ওতপ্ৰোত।

'কৰ্ত্তা মই' সৰ্ব্বতিকালে পৰিহাৰ্য্য। এই ভাব ষড়ৰিপুৰ উদ্দীপক, নিয়ামক হব নোৱাৰে। 'কৰ্ত্তা ময়' তমঃ গুণৰ আধাৰ যোগায় গুণে ভগৱান লাভৰ পৰিপন্থী। 'দাস মই' ভাব ঈশ্বৰ লাভৰ সহায়ক গুণে ভাল আৰু অৱলম্বনীয়। এইভাবে পোনপ্ৰথমে মই-ভাব দূৰ কৰিব নোৱাৰিলেও যদি ঠিক 'দাস মই' ভাব হয় তেনেহলে ৰিপু আদি বশ হয়। সেইবোৰৰ দ্বাৰা আৰু অনিষ্ট অমঙ্গল সাধিত হব নোৱাৰে, অৰ্থাৎ বিষ-নোলোৱা সাপৰ অৱস্থা প্ৰাপ্ত হয়, জীয়ন্তে মৰা হৈ থাকে। 'দাস ময়ে সত্ত্ব গুণৰ শ্ৰী বঢ়ায়। সত্ত্ব গুণ নিজে ভগবানৰ ওচৰলৈ নিবলৈ অক্ষম হলেও কাষ চপায়, বাটত সহায় কৰে। এইৰূপে অহং সম্পূৰ্ণৰূপে নমৰিলেও 'দাস ময়ে' ভগৱদ্দৰ্শন সন্তৱপৰ কৰি তুলিব পাৰে। মইত্ব নিৰাকৰণ—পুৰুষাৰ্থ কৰিবলৈ আন আন আন অনেক বাট (১) থাকিলেও সহজ ভক্তিপথ অৱ-লম্বন কৰি ভগবান লাভেচ্ছা পূৰ্ণ কৰিবলৈ আৰু মইত্ব দূৰ কৰিবলৈ চেষ্টা কৰাই প্ৰশস্ত আৰু শ্ৰেয়। সেই কাৰণে শঙ্কৰ মাধৱ দুজনা গুৰুৱে সহজ ভক্তিপথ ধৰি শ্ৰৱণ-কীৰ্ত্তনৰ মাজেদি 'দাস মই'ৰ দ্বাৰা ভগৱদ্দৰ্শনৰ চেষ্টা কৰিবলৈ বাট দেখুৱাই দিছে:—

'দিয়া দেখা প্ৰভো।
তোমাৰেসে হৈলো দাস।'

ভক্তি-পথ সহজ হলেও ভগবান লাভ বিষয়টোৱেই কঠিন। ভক্তি-পথ সেইদেখি টানৰ ঢিল বুলিব পাৰি।

শ্ৰীপ্ৰভাতচন্দ্ৰ অধিকাৰী

(১) যেনে, জ্ঞানলাভৰ দ্বাৰা মনক ক্ৰমে ক্ৰমে সপ্তম ভূমিলৈ লৈ কৰা সমাধি অন্তৰত মইত্ব গুচোৱা, অতি কঠিন পথ।

# আসাম চুতীয়া সম্মিলনৰ প্ৰথম অধিবেশনৰ সভাপতিৰ অভিভাষণ

সভাপতি—শ্ৰীযুত ৰজনীকান্ত বৰদলৈ বি-এ

ওঁ নমো ভগৱতে বাসুদেবায় !

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া আৰু চুতীয়া ৰাইজসকল ! আপোনালোকে আজি সমূহ চুতীয়া ৰাইজে গোটখাই এই সভা পাতি মোক সভাপতি বৰণ কৰিছে। আপোনালোকে নিজৰ ভিতৰৰে এজনক লৈয়ো এই সভা সুকলমে কৰিব পাৰিলেহেতেন; তেনেস্থলত যে মোক এই সভাৰ সভাপতিৰ বৰণ কৰিলে ইয়াৰ কাৰণ, যিমানখিনি মই জানিব পাৰিছো, আপোনালোকৰ মোৰ প্ৰতি এটা আন্তৰিক ভক্তি আৰু মৰম। এইটো বৈজ্ঞানিক সত্য যে অকপট সহানুভূতিয়ে সহানুভূতি, মৰমে মৰম ঘৃণাই ঘৃণা আকৰ্ষণ কৰে। মই অন্তৰেৰে সৈতে মোৰ অসম জননীৰ সন্তান সকলো জাতৰ, সকলো শ্ৰেণীৰ ভাতৃবৃন্দক ভাল পাওঁ। সকলো জাতৰ সকলো শ্ৰেণীৰ ৰাইজৰ উন্নতিত মোৰ দেশৰ উন্নতি বুলি ভাবো। বোধকৰো আপোনালোকৰ অনেকেই মোৰ এই ভাবটো জানে; তদুপৰি এই নিঃকিনেই ত্ৰয়োদশ বছৰৰ "বাঁহী"ত প্ৰথমেই অসমীয়া ভাষাত আমাৰ চুতীয়াসকলৰ পূৰ্ব্বগৌৰব পৰিপূৰ্ণ বৃত্তান্ত প্ৰকাশ কৰি অসমীয়া ৰাইজক জনাইছো যে আমাৰ চুতীয়া জাতিটো আগৰ সেই ক্ষত্ৰিয় ৰজা ভীষ্মকৰে বংশধৰ। এইবিলাকৰ উপৰিও মই একালত এই গোলাঘাটত হাকিমি আৰু তাৰ পিছত ৰিছেটল্‌মেণ্ট্‌ কাম কৰা বাবে অনেক বৃদ্ধই মোক জানে চিনে; সেইবাবেও বোধকৰো আপোনালোকৰ এই আজিৰ সভাৰ সভাপতি পাতি মোৰ এই পুৰণি চিনাকি ঠাইলৈ মাতি আনিছে। মোক এই শ্ৰদ্ধা দেখুৱাই নিমন্ত্ৰণ কৰি অনাৰ বাবে মই আপোনালোকক অন্তৰেৰে সৈতে ধন্যবাদ দিলো। সভাসমিতিৰ সভাপতি হলে পূৰ্ব্বাপৰ ৰীতি অনুসৰি এখন ভাল ৰচনা পাঠ কৰিব বা এটা সাৰুৱা বক্তৃতা দিব লাগে। আপোনালোকৰ অনেকেই হয়তো মোৰ পৰা ভাল ৰচনা এখন বা বক্তৃতা এটা পাবলৈ আশা কৰিছে; কিন্তু সেই বিষয়ে মই এইখিনিতে কৈ থওঁ যে আপোনালোক কিজানি নিৰাশ হব। ইয়াৰ কাৰণ হৈছে মই দুয়োটা বিষয়তে অপাৰগ। মোৰ গোটেইটো কৰ্ম্মজীৱন ৰজাঘৰীয়া কাম কৰোতে গল। যদিও আনৰ বক্তৃতা ধেৰ শুনিলো, তথাপি নিজে সভা-সমিতিত উঠি বক্তৃতা দি বাক্‌শক্তি বঢ়াবলৈ কোনো সুবিধা নেপালো। ৰচনা আদি কৰা বিষয়েও সেয়ে হল। এতিয়া এই বুঢ়াকালত বিষয়ৰ চিন্তাত পৰি মগজু এনেকুৱা অসাৰ হল যে শুনিবলৈ সুৱলা অলঙ্কাৰ-উপমাই উৎপ্ৰেক্ষাইভৰা শ্ৰুতিমধুৰ ভাষা ওলাব নোখোজে। আপোনাসকলে আগ্ৰহ কৰি নিমন্ত্ৰণ কৰা বাবেহে এই দুখীয়াই দুঃখী অৱস্থাৰে আপোনালোকৰ আগত ওলাইছোহি। আশাকৰো আপোনাসকলে এই বৃদ্ধৰ হীন-দেঢ়ি সমস্তকে ক্ষমা কৰিব। আমাৰ এই আসাম দেশখন যেনেকৈ প্ৰকৃতিৰ কাম্যকানন, সুজলা সুফলা, সেইদৰে এই দেশ পুৰণি গৌৰৱপৰিপূৰ্ণ বুৰঞ্জীৰেও ভৰা। মহাভাৰতৰ কালৰে পৰা বৰ্ত্তমান সময়লৈকে এই অসমত কত অভ্যুদয় আৰু পতন হল তাৰ লেখজোখ বুৰঞ্জীত একেৰা বাপ থকা মানুহ মাত্ৰেই জানে। মহাভাৰতৰ সময়ত এই অসমৰ নামনিখণ্ডত ভগদত্তই, মাজখণ্ডত বাণে আৰু উজনিখণ্ডত ভীষ্মকে ৰাজত্ব কৰিছিল। মহাভাৰতৰ সেই পাঁচ হেজাৰ আগৰ বছৰৰে পৰা বৰ্ত্তমানৰ এহেজাৰ বছৰৰ আগলৈকে ভাৰতৰ আন আন প্ৰদেশৰ দৰে, অসমৰ বুৰঞ্জীও এন্ধাৰেৰে ঢকা। পাণ্ডৱসকলৰ মহাপ্ৰস্থানৰ কালৰে পৰা, অথবা ভাৰতৰ মহাযুদ্ধ হৈ যাবৰে পৰা ভাৰত বীৰশূন্য হৈ যি আন্ধাৰত পৰিল সেই এন্ধাৰ আজি প্ৰায় এহেজাৰ বছৰৰ ওপৰলৈকে আছিল। প্ৰত্নতাত্ত্বিকসকলে এই চাৰি হেজাৰ বছৰৰ এন্ধাৰ যুগটোৰ বুৰঞ্জী উলিয়াবলৈ লাগি-পাৰি আছে।



অসমলৈ আহোমসকল অহাৰ আগেয়ে আমি আমাৰ অসমত তিনটা জাতিয়ে ৰাজত্ব কৰা কথা পাওঁ। শদিয়াকে ৰাজধানী পাতি উজনি অসমত চুতীয়াসকলে ৰাজত্ব কৰিছিল। মধ্য অসমত ডিমাপুৰক ৰাজধানী পাতি কছাৰী সকলে ৰাজত্ব কৰিছিল। ভাটী অসমৰ একখণ্ড কমতা ৰাজ্যৰ লগত ছামিল আছিল, আৰু একখণ্ড কোচবেহাৰৰ কোচৰজাসকলৰ অধীনত আছিল, আৰু একখণ্ড অৰ্থাৎ শিৱসাগৰৰ ফালে পালবংশী হিন্দু ক্ষত্ৰিয় ৰজাৰ শাসনত থকাও পাওঁ। আজি আমি উজনীখণ্ডৰ চুতীয়া ৰাজত্বৰ বিষয়ে ৰাইজসকলক জনাবলৈ ওলালো। চুতীয়াসকলৰ ভিতৰত হাতে লিখা কোনো সাঁচিপতীয়া বুৰঞ্জী আছেনে নাই আমি কব নোৱাৰো; কৰ্ণেল ডাল্‌টনে চুতীয়াসকলৰ আদি বিৱৰণ যিদৰে দিছে আমি সেইটো জয়ন্তয়তে শুনাই আমাৰ হিন্দুসকলৰ মতে চুতীয়াসকল কি, কোন জাতৰ মানুহ এই বিষয়ে জনাম।

**চুতীয়াসকলৰ উৎপত্তি**

কৰ্ণেল ডাল্‌টনে কয় যে চুতীয়াসকলৰ আদি বাসস্থান শোৱণশিৰী নৈৰ উৎপত্তিস্থলত অথবা পৰ্ব্বতৰ ওপৰত শোৱণশিৰী নৈৰ দাঁতিত আছিল। মিৰি আৰু আবৰসকলৰ দৰে চুতীয়াসকলেও বৰ ওখ ওখ পাহাৰৰ ওপৰত ডাঙৰ ডাঙৰ গাওঁ পাতি বাস কৰিছিল। কোনো গাঁৱে বা কোনো খেলেই আন গাওঁ বা খেলৰ বশ্যতা স্বীকাৰ নকৰিছিল। তেওঁলোকৰ প্ৰথমতে ৰজাও নাছিল। প্ৰত্যেক মানুহেই স্বাধীন আছিল। স্বৰ্ণগিৰি নামেৰে এখন গাঁৱৰ বিৰৰ নামেৰে এজন সাধাৰন চুতীয়া মানুহে ৰাতি সমাজিকত দেখিলে, কুবেৰে হেনো তেওঁক কৈছিল:—"ধেণীয়েৰৰে সৈতে মিল হ। এইদৰে হাইকাজিয়া কৰি নেথাকিবি, কাৰণ তোৰ ঔৰষে তাইৰ গৰ্ভত এটা সন্তান হব আৰু এই সন্তানটোৱে তইঁতৰ জাতিটোকে উজ্জ্বল কৰিব। সৌ জোপা গছৰ তলত খানিলে তই বহুধন পাবি। সেইধন তই সাৱধানে ৰাখি খৰচ কৰিবি।" বিৰৰে সাৰপাই সমাজিকত দেখামতে কাম কৰিলে। ধেণীয়েৰ সৈতে মিল হল; গছৰ তলখন খানি এখন তৰোৱাল, এপাত জাঠি আৰু জাঠিপাতৰ তলত এটা সোণৰ বিড়ালী পালে। এইবিলাক ঘৰলৈ নিলে, আৰু নিত্য-নৈমিত্তিকৰূপে পূজা কৰিবলৈ ধৰিলে। তাৰ ফলত বিৰৰ নিজ জাতকুলৰ ভিতৰত দিনক দিনে ক্ষমতাশালী হৈ উঠিল। যথাসময়ত বিৰৰ পত্নী ৰূপৱতী দেৱীয়ে এটি সুন্দৰ পুত্ৰ প্ৰসৱ কৰিলে। সেই পুত্ৰটি সৰুৰে পৰা সাহিয়াল, উৎসাহী আৰু বলৱান হল, আৰু সেই কালত তেওঁ চিকাৰত ধনুৰ্ব্বাণ চলোৱাত সকলোৰে নেতা হৈ ফুৰিছিল। দিনকদিনে এই কুমাৰ যেতেকে ডাঙৰ হল তেতেকে প্ৰথমতে তেওঁৰ নিজৰ গাৱঁৰ সকলোবিলাক মানুহেই তেওঁক নেতা বা ৰজা বুলি স্বীকাৰ কৰিলে; তাৰ পিছত ক্ৰমে ক্ৰমে পৰ্ব্বতত থকা আন আন গাওঁবিলাককো নিজ বশলৈ আনি ৰজা নাম ললে। ইয়াৰ পিছত কুমাৰে অসংখ্য সৈন্য-সামন্ত লৈ পৰ্ব্বতৰ পৰা ব্ৰহ্মপুত্ৰৰ ভৈয়ামত নামি ভদ্ৰসেন নামেৰে ৰজা এজনক আক্ৰমণ কৰি যুদ্ধত ঘটুৱাই ধেৰ ধন-বিত পালে, তাৰ পাছত এটা দুৰ্গ সাজি সেই দুৰ্গৰ নাম ৰত্নপুৰ থলে। ইয়াতে তেওঁ যুদ্ধত পোৱা ধন-সোণ ৰাখিলে। তেওঁ যি সময়ত ৰত্নপুৰত ৰাজত্ব কৰিছিল সেই সময়ত কমতাপুৰত এজন ৰজা আছিল আৰু গৌড়দেশত এজন হিন্দু ৰজাই ৰাজত্ব কৰিছিল। সেইকাৰণে তেওঁৰ এই বিজয় খৃষ্টাব্দ ১২০৪ শকৰ আগেয়ে হৈছিল। শদিয়াৰ পুবে উত্তৰ কোণত যি দুৰ্গ আৰু প্ৰাচীৰৰ ধ্বংশাবশেষ আজিকালি দেখা যায় সেই দুৰ্গ আৰু প্ৰাচীৰ সম্ভৱতঃ এই ৰত্নধ্বজ ৰজাই কৰোৱা।

**চুতীয়া আৰু পাল বংশ ৰজাৰ সংঘৰ্ষ**

ইয়াৰ পিছত ৰত্নধ্বজ ৰজাই পশ্চিমৰ ফালে দিগ্বিজয় কৰিবলৈ গৈ প্ৰথমতে ন্যায়পাল নামে ৰজাৰ ৰাজ্য আক্ৰমণ কৰিলে। এই ন্যায়পাল সম্ভৱতঃ সেই সময়ৰ ৰংপুৰৰ ফালৰ ক্ষত্ৰিয় পালবংশী ৰজা এজন। ন্যায়পালে ৰত্নধ্বজৰ বলবিক্ৰমৰ কথা শুনি আৰু অপৰিমিত যুদ্ধাৰু সেনা দেখি অলপ যুদ্ধৰ পিছতে ভয় খাই ভাৰ-ভেটী দি নিজৰ জীয়েকক ৰত্নধ্বজলৈ বিয়া দিয়াত ৰত্নধ্বজে যুদ্ধ এৰি নিজ ৰাজ্যলৈ উলটিল। ন্যায়পালক পৰাস্ত কৰি ৰত্নধ্বজে নিজৰ নামৰ পিছত পাল উপাধিটোও গ্ৰহণ কৰিলে আৰু নিজৰ অপৰ নাম গৌড়নাৰায়ণ ললে। ন্যায়পালৰ জীয়েকক বিয়া

কৰাই ৰত্নধ্বজ নিজৰাজ্য ৰত্নপুৰলৈ আহিল আৰু ইয়াৰ পিছৰপৰা তেওঁ যুদ্ধ-বিগ্ৰহ নকৰি ৰাজ্যৰ উন্নতি কৰিবলৈ ধৰিলে। তেওঁ পৰ্ব্বতৰ দাতিয়ে দাতিয়ে দুৰ্গ সজালে, ডাঙৰ ডাঙৰ পুখুৰী খনালে, মঠ-মন্দিৰ তৈয়াৰ কৰালে; শদিয়াৰ পুখুৰীবিলাক ভালেমান এই ৰত্নধ্বজে কৰোৱা। ৰত্নধ্বজে ইয়াৰ পিছত তেওঁৰ পুতেক বিজয়ধ্বজলৈ কমতেশ্বৰৰ ৰজা নীলধ্বজৰ জীয়াৰী এজনী খোজাত নীলধ্বজে জীয়াৰী নিদি বটকীক অপমান কৰি পঠোৱাত তৎক্ষণাত সৈন্য গোটাই কমতাপুৰ আক্ৰমণ কৰিবলৈ গল। তেওঁ তেওঁৰ আগে আগে এটা আলি তৈয়াৰ কৰি গৈছিল, সেই আলিৰ দাতিয়ে দাতিয়ে ঠায়ে ঠায়ে দুৰ্গও সাজি গৈছিল। কমতেশ্বৰে তেওঁৰ আশ্চৰ্য্য ক্ষমতা আৰু বল-বিক্ৰমৰ সম্বাদ পাই যুদ্ধ নকৰি ভয়তে তেওঁৰ সৰ্ব্বাঙ্গসুন্দৰী জীয়েক এজনী দিলে। ৰত্নধ্বজে পুতেকৰ নিমিত্তে এই জীয়াৰীজনী আৰু কমতেশ্বৰৰ ক্ষমা-প্ৰাৰ্থনা গ্ৰহণকৰি যুদ্ধৰপৰা ক্ষান্ত হল। এই যুদ্ধযাত্ৰাতে ৰত্নধ্বজ গৌড় ৰজাৰ লগত কিছুদিন থাকি তেওঁৰ সৈতে সখি পতালে। তেওঁ নিজ ৰাজ্যলৈ উলটিবৰ সময়ত তেওঁৰ পুত্ৰ এজনক শিক্ষাৰ্থে গৌৰেশ্বৰৰ তাত থৈ আহিল। গৌৰেশ্বৰ আৰু ৰত্নধ্বজৰ ভিতৰত এনেকুৱা মিত্ৰতা হৈছিল যে গৌড়েশ্বৰ মাজে মাজে অসংখ্য কলহত গঙ্গাজল পঠাইছিল আৰু ৰত্নধ্বজেও কলহে কলহে গৌড়েশ্বৰলৈ পৰশুৰাম কুণ্ডৰ পানী পঠাই আছিল।

দৈবৰ দুৰ্বিপাকত গৌড়েশ্বৰৰ তাতে চুতীয়া ৰাজকুমাৰ বেমাৰত পৰি পৰলোক প্ৰাপ্ত হল। গৌড়েশ্বৰে কুমাৰৰ শৰটো বাপেকলৈ পঠাই দিলে। সেই সময়ত ৰত্নধ্বজে এখন নতুন নগৰ নিৰ্ম্মাণ কৰাত লাগি আছিল। সেই নতুন নগৰতে পুতেকৰ শৱটো পাই পুতেকৰ স্মৃতিৰ অৰ্থে নগৰখনৰ নাম থলে শদিয়া। এয়ে হৈছে চুতীয়া ৰজাৰ অভ্যুদয় কাল। ৰত্নধ্বজ পালৰ দিনৰ পৰা চুতীয়া ৰজা নীতিপালৰ সময়লৈকে এইসকল চুতীয়া ৰজাই ৰাজত্ব কৰিছিল:—

(১) ৰত্নধ্বজ পাল—আন নাম গৌৰীনাৰায়ণ—খৃষ্টাব্দ ১১৪৬—১২২৩ লৈকে; ৫৯ বছৰ ৰাজত্বকাল।

(২) বিজয়ধ্বজ পাল—আন নাম শিৱনাৰায়ণ—খৃঃ ১২২৩—১৩০১ লৈকে; ৭৮ বছৰ কাল ৰাজত্ব।

(৩) বিক্ৰমধ্বজ পাল—আন নাম জগৎনাৰায়ণ—খৃঃ ১৩০১—১৩২০; ১৯ বছৰ কাল ৰাজত্ব।

(৪) গুৰুধ্বজ পাল—আন নাম প্ৰমত্তনাৰায়ণ—খৃঃ ১৩২১—১৩৯৯; ৭৮ বছৰ কাল ৰাজত্ব।

(৫) হংসধ্বজ পাল—আন নাম হৰিনাৰায়ণ—খৃঃ ১৪০০—১৪৪৪; ৪৪ বছৰ ৰাজত্ব কাল।

(৬) মথুৰাধ্বজ পাল—আন নাম গোলোকনাৰায়ণ খৃঃ ১৪৪৪—১৪৮৮; ৪৪ বছৰ কাল ৰাজত্ব।

(৭) জয়ধ্বজ পাল—আন নাম ব্ৰজনাৰায়ণ—খৃঃ ১৪৮৮—১৫২৯; ৪১ বছৰ ৰাজত্ব কাল।

(৮) কৰ্ম্মধ্বজ পাল—আন নাম সত্যনাৰায়ণ—খৃঃ ১৫৩০—১৫৭৭; ৪৭ বছৰ কাল ৰাজত্ব।

(৯) ধৰ্ম্মধ্বজ পাল—আন নাম ধীৰনাৰায়ণ—খৃঃ ১৫৭৭—১৬৩১; ৫৪ বছৰ ৰাজত্ব কাল।

নীতিপাল—আন নাম সাধকনাৰায়ণ; ১৬৩১—১৬৭৩; ৪২ বছৰ ৰাজত্ব কাল।

ধৰ্ম্মধ্বজপাললৈকে চুতীয়াৰ ৰজাসকলৰ বাপেকৰপৰা পুতেক ৰজা হৈছিল। ধৰ্ম্মধ্বজপালৰ পুত্ৰ-সন্তান জন্মা নাছিল। তেওঁ ঈশ্বৰসেৱা, ঈশ্বৰত স্তুতি-ভক্তি কৰোঁতে বুঢ়া কালত তেওঁ সাধনী নামেৰে এজনী কন্যাহে পালে। এই সাধনীক অনেক ৰাজকুমাৰে বিয়া কৰাবলৈ বিচাৰিছিল, কিন্তু কাক দিব এইটো বাপেকে থিৰ কৰিব নোৱাৰিলে। অৱশেষত এদিন এটা কেৰ্কেটুৱা দেখি ৰজাই স্থিৰ কৰিলে যে যেয়ে সেই সোণৰ কেৰ্কেটুৱাটো একেপাত শৰে মাটিলৈ বগৰাই আনিব পাৰিব, তাকে তেওঁ সাধনীক বিয়া দিব। এজন নামনোহোৱা সাধাৰণ চুতীয়া ডেকাই একেপাত শৰে সেই কেৰ্কেটুৱাটো মাটিত বগৰাই সাধনীক বিয়া কৰাবলৈ দাবি কৰিলে। ৰাজকন্যাই কিন্তু সেই চুতীয়া ডেকাক বিয়া কৰাবলৈ পোনপ্ৰথমতে সন্মত নহৈছিল; কিন্তু যেতিয়া বাপেকে তেওঁৰ ৰাজ্য জীয়েক-জোঁৱায়েকক এৰি দিওঁ বুলিলে তেতিয়াহে সাধনী বিয়া সোমাল। বাপেকে নিজ প্ৰতিশ্ৰুতিমতে ৰাজ্য এৰি দিলে আৰু



কুবেৰদত্ত বস্তবিলাকো দিলে, সাধনীয়ে সোণৰ বিড়ালি থকা বাকছটো মেলি চাই দেখিলে—সোণৰ বিড়ালীটো নাই। তেওঁ ভাত-পানী এৰিলে আৰু গিৰিয়েকে আন এটা সোণৰ বিড়ালী গঢ়ি দিয়াত হে শান্ত হল।

দেউৰীসকলৰ মতে সাধনীয়ে যে সেই চুতীয়া ডেকাক বিয়া কৰাবলৈ অস্বীকাৰ কৰিছিল ইয়াৰ কাৰণ সেই ডেকাৰ গাত খৰ আছিল আৰু বাপেকে সেইজন ডেকাকে ৰাজ্য গতাওঁতেহে সাধনীয়ে তেওঁত বিয়া সোমাবলৈ সন্মত হৈছিল। দেউৰীসকলে এইজনা ৰজাক খৰে-খোৱা ৰজা বোলে। আমাৰ অসমীয়া ভাষাত এটি ফকৰা আছে। সেইটো এই:—

"সাধোতে সাধোতে সাধনীক পালে।
সাধনীক দিবলৈ দৰা নাপালে॥"

সাধনীৰ গিৰিয়েকে নীতিপাল নাম লৈ ৰাজ্যশাসন কৰিবলৈ ধৰিলে। তেওঁৰ আৰু শাসন এনেকুৱা বেয়া হৈছিল যে প্ৰজাবৰ্গই তেওঁৰ নাম অনীতিপাল থৈছিল।

**আহোম আৰু চুতীয়াৰ সংঘৰ্ষ**

আহোমসকলে যেতিয়া পাটকাইৰ পৰা সমথললৈ নামিছিল সেই সময়ত গড়গাঁৱত এজন চুতীয়া ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যৰ সীমা আছিল পূবে শদিয়া, পশ্চিমে শিৱসাগৰ, উত্তৰে দৰঙ্গ, দক্ষিণে পাটকাই। আহোমে প্ৰথমতে মৰাণ আৰু বৰাহী নামৰ দুই জাতৰ লগত ৰণ-বিগ্ৰহ কৰি মৰাণ আৰু বৰাহীৰ ৰাজ্য কাঢ়ি ললে। ইয়াৰ পিছত চুতীয়াসকলৰ সৈতে লেল-পেল যুদ্ধ আৰম্ভ কৰিলে। খৃঃ ১৩৭৬ শকত চুতীয়া ৰজা গুৰুধ্বজপাল বা প্ৰমত্তনাৰায়ণে আহোম ৰজা চুটুফাক সাক্ৰাই নৈত খেলনাও খেলিবলৈ মাতি নি অন্যায়ৰূপে হত্যা কৰে। ইয়াৰ ২২৫ বছৰৰ পিছত আহোমৰে আৰু চুতীয়াৰে যি ৰণ হয় সেই ৰণত শহুৰ আৰু জোঁৱাই অৰ্থাৎ ধৰ্ম্মধ্বজ আৰু নীতিপাল উভয়ে হত হয়। যুদ্ধজয়ী আহোম ৰজা চুহুম্মুঙে চুতীয়া ৰজা আৰু জোঁৱায়েক নীতিপাল উভয়ৰে মূৰ দুটা কাটি তেওঁৰ চোমদেউৰ মন্দিৰৰ ওপৰলৈ উঠা খটখটিৰ তলত পুতি থলে।

আহোম ৰজাই নীতিপালৰ পুত্ৰ সাধকনাৰায়ণক নামাৰি পূবে ৰোটা, পশ্চিমে ধনশিৰী, উত্তৰে কুবেৰৰ আলি, দক্ষিণে, ব্ৰহ্মপুত্ৰ এই খণ্ড দেশত ১২ ঘৰ পাইকে সৈতে থাপিলে। সাধকনাৰায়ণে বছৰি আহোম ৰজাক ২ তোলা সোণ, ৮০ টকাৰূপ ৪০ খন খণ্ডা কৰস্বৰূপে দিবলৈ গাত ললে। চুতীয়া ৰজাৰ পাত্ৰ-মিত্ৰ মন্ত্ৰী এইসকলকো আহোম ৰজাই ঠায়ে ঠায়ে থলে। ১৭০০ খৃষ্টাব্দত চুতীয়াৰ ৰাজ্য আৰু শদিয়া চুতীয়াৰ হাতৰ পৰা সৰকি আহোমৰ হস্তগত হয়। প্ৰবাদ আছে যে চুতীয়াৰ ৰাজকন্যা সাধনীয়ে আহোমৰ হাতত পৰাতকৈ মৃত্যুই শ্ৰেয়ঃ মানি আত্মহত্যা কৰিলে।

দেউৰীসকলৰ মাজত প্ৰবাদ আছে যে চুতীয়া ৰজাৰ জীৱনটো চুতীয়া ৰজাৰ মাকৰ চুলিতাৰত নিবদ্ধ আছিল। সেইকাৰণেই আহোমে ৩০০ বছৰেও চুতীয়াক বলে পৰা নাছিল। কিন্তু যেতিয়া চুতীয়া ৰজা নীতিপাল অত্যন্ত গৰ্ব্বী হৈ উঠিল, প্ৰজাক উৎপীড়ন কৰিবলৈ ধৰিলে, আকাশ-পাতাল একোকো নমনা হল, তেতিয়া দেৱতাসকলৰ তেওঁৰ ওপৰত খং উঠিল, আৰু তাৰ ফলত এজন চুতীয়া দেউৰীয়ে মনে মনে আহোমৰ ফলীয়া হৈ ৰজাৰ মাকৰ চকুত নজনাকৈ ধূলা পেলাই দিলে আৰু সেই ধূলা গুচাই দিওঁ বুলি ছলেৰে ৰজাৰ মাকৰ চুলীতাৰ কাটিলে। চুলি কটা মাত্ৰে ৰজাৰ আয়ু ক্ষীণ হল আৰু সেই দেউৰীয়ে পিছত ৰজাক গুপ্তহত্যা কৰিলে।

চুতীয়াসকলৰ মাজত প্ৰবাদ আছে যে চুতীয়া ৰজাই নিতৌ চৰাইদেউশালত গোঁসানী পূজা কৰি থকাৰ নিমিত্তে আহোম ৰজাই চুতীয়া ৰজাক কোনোৰকমে বলে নোৱাৰি শেষত আহোম ৰজায়ো মনে মনে সেই চৰাইদেউশালত গোসাঁনীক পূজি গোঁসানীৰ পৰা বৰ লৈহে চুতীয়াক পৰাস্ত কৰিব পাৰিছিল। দৰঙ ৰজাৰ বংশাৱলী মতে আহোমৰজালৈ হেনো চুতীয়া ৰজাৰ জীয়ৰী এজনীক বিয়া দিছিল। সেইজনা জীয়াৰীয়ে গিৰিয়েকৰ কুচুলনিত বাপেকৰ পৰা সোণৰ বিড়লীটো চুৰকৰি নে খুজি নি গিৰিয়েকক দিলে। চুতীয়াৰজাৰ হাতৰ পৰা কুবেৰে দিয়া সোণৰ বিড়ালীটো আহোমৰ হাতত পৰাতহে চুতীয়া ৰজা শ্ৰীহীন হৈ আহোমৰ হাতত পৰাস্ত হল। দৰঙ ৰজাৰ বংশাৱলীত এইদৰে পদ আছে:—

"পূৰ্ব্বে চুতীয়াৰ ৰজা সি ঠাৱে আছিল।
অন্যায়ে অসম ছল কৰিয়া মাৰিল॥
যিমতে মাৰিল তাৰ শুনিও কাহিনী।
বলে নপাৰিয়া স্বৰ্গীৰজা মনে গুণি॥ ৩৬৫
ৰজাৰ কন্যাক বিহাইলন্ত মিত্ৰ কৰি।
ৰাজায়ো দিলন্ত কন্যা তাহাঙ্ক সাদৰি॥
একদিনা কন্যাত পুছন্ত স্বৰ্গীদেৱ।
তোমাৰ পিতৃক বলে নপাৰন্ত কেৱ॥
কিবা হেতু নপাৰে কহিবো প্ৰাণেশ্বৰী।
হেন শুনি কন্যা বাক্য বুলিলা সাদৰি॥
আমাৰ পিতৃৰ ঘৰে আছে এক জন্তু।
সোণৰ বিড়াল তাৰ শুনিয়োক হেতু॥ ৩৬৬
তাকে পূজা কৰি যদি ৰণক চলয়।
অল্পক্ষেকে সিটো ৰণ নৃপতি জিনয়॥
হেন শুনি অসম ৰজায়ে বুলিলন্ত।
মোক প্ৰতি স্নেহ তয় কতেক আছন্ত॥ ৩৬৭
কিবা মত দয়া কিবা শহুৰত চাৱ।
ঝাণ্টে কহা প্ৰাণেশ্বৰী আগত আমাৰ॥
কন্যা বোলে তুমি মোৰ সমস্ততে কৰি।
হেন শুনি ৰাজা বাক্য বুলিলা সাদৰি॥ ৩৬৮
সোণৰ বিড়ালগোট মোক দিয়া আনি।
আনি দিবো কন্যায়ে বুলিলা হেন বাণী॥
বাপেকৰ ঘৰে গই বিড়াল খুজিলা।
হেন শুনি নৃপতিয়ে মনত গুণিলা॥
দৈবে বিড়ম্বিলা মোক আন নাহিকন্ত।
সুবৰ্ণ বিড়াল আনি জৌউক দিলন্ত॥
অসম ৰজাক নিয়া দিলন্ত তেখনে।
তাক পাই শত্ৰুৰক মাৰিলন্ত ৰণে॥
তাৰ পুত্ৰ ভাই যত সকলে পলাইল।
মিৰি-মিচিমত পশি প্ৰাণক ৰাখিল॥
চুতীয়াৰ ৰজাক মাৰি ছলে বলে।
লৈলা সেহি ৰাজ্যক অসমে কৌতুহলে।"

আহোম ৰজাই চুতীয়া ৰজাক যুদ্ধত ঘটাই চুতীয়াৰ ৰাজ্য দখল কৰি লৈ চুতীয়াসকলক চাৰিউপিনে চিৰিলি-বিৰিলি কৰিলে। শদিয়াৰ পৰা তেওঁলোকৰ অনেককে নিৰ্ব্বাসিত কৰি শিৱসাগৰ, দৰঙ, এইবিলাক ঠাইত থলে। কিছুমান চুতীয়া আহোমৰ লগ লাগিল। আহোমৰ আচাৰ-পদ্ধতি গ্ৰহণ কৰিলে। তেওঁবিলাকে তেতিয়াৰে পৰা আহোম-চুতীয়া নাম ললে। যিসকলে আহোমৰ লগ লাগি হিন্দু হৈ ৰল, সেইসকলক ইসকলে হিন্দু-চুতীয়া বুলিবলৈ ধৰিলে। দেউৰীসকল আগৰ দৰেই ৰল। যদিও মদ-মঙহ ব্যৱহাৰ কৰে তথাপি আহোমৰ লগ নালাগিল। পৰাজয় কৰি উঠাৰ পিছত আহোম ৰজাই চুতীয়াসকলক প্ৰধান দুই শ্ৰেণীত বিভক্ত কৰি ৰজাঘৰীয়া বিষয়ত নিযুক্ত কৰিছিল। প্ৰধান দুই শ্ৰেণী হৈছিল—চমুৱা আৰু কাড়ি। চমুৱাসকলক এইবিলাক বিষয়ত ৰাখিছিল।

(১) খনিকৰ—অৰ্থাৎ শিল্প-বিদ্যাত নিযুক্তসকল;

(২) দোলাকাষৰীয়া—ৰজাৰ দোলাৰ কাষে কাষে অস্ত্ৰ-শস্ত্ৰ লৈ যোৱা ৰজাৰ শৰীৰ ৰক্ষকসকল;

(৩) দাং ধৰা (৪) কুকুৰাচোৱা (৫) নাও-বৈচা (৬) ভৰলুৱা (৭) জাপিসজীয়া (৮) শেনচোৱা।

কাড়িসকলৰ নাম তেওঁবিলাকৰ থকা ঠাই অনুসৰি হৈছিল:— যেনে তিপমীয়া, বাঁহবৰীয়া, শনাল, গজপুৰীয়া অভয়পুৰীয়া, বৰকচাৰিশায়ক, সৰুকচাৰিশায়ক, নাম-দৈয়ঙ্গিয়া, ওপৰ দৈয়ঙ্গীয়া।

দেউৰীসকলৰো চাৰি খেল হৈছিল; তেওঁলোকৰ থকা ঠাই আৰু আৰাধ্য দেৱতাৰ নাম অনুসৰি (১) দিবঙীয়া (২) বৰগঞা (৩) টেঙাপনীয়া (৪) পাটৰ গঞা ইত্যাদি। দিবঙীয়া খেলৰ কুণ্ডিল নৈৰ পাৰত এটা মন্দিৰ আছিল। দিবঙীয়া খেলৰ ভিতৰত এইবিলাক ফৈদ:—

১। সুন্দৰিও—এওঁবিলাক বুঢ়া-বুঢ়ী অৰ্থাৎ মহাদেৱ-পাৰ্ব্বতীৰ পূজক।

২। আইৰিও - এওঁবিলাকক বৰ-ভৰালীও বোলে। প্ৰবাদ আছে, এওঁবিলাক হেনো সদাশিৱৰ পৰা উৎপন্ন।

৩। পাতিৰিও— এওঁবিলাক সৰু দেউৰী।

৪। কমতা — সৰু ভৰালীৰ খেল। আইৰিওৰ সৈতে সম্পৰ্কলগা।



৫। শিতিপাওঁ— যি সকলে দেৱতাৰ অৰ্থে পঁচা তুলি ফুৰিছিল। সুন্দৰিওৰ সৈতে সম্পৰ্কলগা।

৬। মৰা— যি সকলে খেতি-বাতি কৰে।

৭। তেহাৰিও—   ৮। লাগাশে—

৯। লুপাও— দেৱতাৰ ভোগত দিবৰ নিমিত্তে খেতি কৰা মানুহ।

১০। কুমাৰ— চৰু-হাড়ি সজা সকল।

১১। কলীয়াচকু— পচা তোলাত যি সকলে পাচি বা ভাৰ লৈ ফুৰিছিল।

১২। শুক্ৰং গাওঁবুঢ়া।

বৰগঞা খেলৰ উৎপত্তি— বৰ-গাৰ্ভত থকা বাবে। এওঁবিলাকৰো সাত ফৈদ, তাৰে চাৰিফৈদৰ নাম:—

ইকুশাৰু— বৰদেউৰী; লুফাৰু – সৰুদেউৰী
হিজৰ— বৰ-ভৰালী; বুশাৰু— সৰু ভৰালী

বাকী তিনি ফৈদৰ নাম নাজানো। টেঙাপনীয়া খেল—এওঁলোকৰ টেঙাপানী নৈৰ পাৰত এটা মন্দিৰ আছিল। এওঁলোকৰ মানুহ এই কেইফৈদ:—

মুচায়ো, ফাঞ্জি মাগুৰাও, খেমাচু তাঙ্কুইও, কুটীয়াটিকা, চাকু চুৰগিয়া ইত্যাদি।

পাটৰ গঞা ফৈদৰ মানুহ আজিকালি নাই। এয়ে আমাৰ চুতীয়া ভাতৃসকলৰ চমু বৃত্তান্ত।

(আৰু আছে)

## গিৰীন্দ্ৰস্মৃতি পদক

"বাঁহীৰ" ত্ৰয়োদশ বছৰৰ ষষ্ঠ সংখ্যাত জাননী দিয়া মতে, শ্ৰীযুত হৰিপদ দত্তই দিয়া "গিৰীন্দ্ৰস্মৃতি পদকটো (ৰূপৰ), "বাঁহী"ত ওলোৱা "ওমাৰ তীৰ্থ" নামৰ কবিতাৰ নিমিত্তে তাৰ ৰচক কবিবৰ শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰাক (বি, এ) বঁটা দিয়া গল।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

## ৺দেশবন্ধু চিত্তৰঞ্জন

### সংক্ষিপ্ত জীৱনী

"অসমীয়া"—৭ আহাৰ, ১৮৪৭ শক

১৮৭০ খৃষ্টাব্দত চিত্তৰঞ্জনৰ জন্ম হয়। দেউতাক ৺বাবু ভুবনমোহন দাস কলিকতা হাইকোৰ্টৰ এটৰ্ণী আছিল। তেখেত "ব্ৰাহ্ম পাব্লিক অপিনিয়ন" বোলা কাকত এখনৰ সম্পাদক আছিল। তেখেত সদায় পৰ-দুঃখকাতৰ আছিল আৰু সেইবাবেই নিজৰ উপাৰ্জ্জনতকৈ সৰহ লোকক দান কৰোতেই ব্যয় হৈছিল। এই কাৰণেই তেখেতে জীৱনৰ শেষ ভাগত দেৱলীয়া আদালতৰ আশ্ৰয় লবলগীয়া হৈছিল।

চিত্তৰঞ্জন থোনতে ভৱানীপুৰৰ লণ্ডন মিছ্যনেৰী কলেজত ভৰ্ত্তি হয়, তাৰ পিছত প্ৰেছিডেন্সী কলেজৰপৰা বি, এ পৰীক্ষাত উত্তীৰ্ণ হয়। বি, এ পাছ কৰি বেৰিষ্টাৰী পঢ়িবলৈ যাওনা হয়।

সকবেপৰা চিত্তৰঞ্জনৰ সাহিত্যত অসাধাৰণ প্ৰতিভা আৰু বাগ্মীতাৰ পৰিচয় পোৱা গৈছিল। বিলাতত ছাত্ৰাৱস্থাতো তেখেতে দাদাভাই নৌৰজীৰ পাৰ্লিয়ামেণ্টীয় নিৰ্ব্বাচনত বহুতো ৰাজনৈতিক বক্তৃতা আদি দিছিল।

ভাৰতবৰ্ষলৈ উলটি আহি কলিকতা হাইকোৰ্টত বেৰিষ্টাৰী আৰম্ভ কৰিলে, আৰু দেউতাকৰ ঋণ-ভাৰ লবলগীয়া হল। জীৱনৰ আৰম্ভণতে দেৱলীয়া আদালতৰ আশ্ৰয় লবলৈ বাধ্য হোৱাত বেৰিষ্টাৰীত বহুতো বাধা পৰিছিল। দেউতাকৰ ঋণৰ কাৰণে চিত্তৰঞ্জন বহুত দিনলৈকে ৰাজনৈতিক জীৱনৰপৰা আঁতৰ হৈ থাকিবলৈ বাধ্য হৈছিল।


১৯০৮ চনত মাণিকতলা ষড়যন্ত্ৰ মোকৰ্দ্দমাত চিত্তৰঞ্জনৰ খ্যাতি চাৰিওফালে বিয়পি পৰে। তেখেতে শ্ৰীযুত অৰবিন্দ ঘোষৰ পক্ষে বেৰিষ্টাৰ নিযুক্ত হৈছিল। এই মোকৰ্দ্দমাত তেখেতে বহুতো ত্যাগ কৰিবলগীয়া হৈছিল, ছমাহতকৈ সৰহ দিন এই মোকৰ্দ্দমাত নিযুক্ত থাকিবলগীয়া হৈছিল। তেখেতে যি ফী লৈছিল তাৰে গোটেই পৰিয়ালৰ ভৰণ-পোষণ নচলিছিল। সাংসাৰিক খৰচৰ বাবে এই কেমাহত তেখেতৰ বহুতো ধাৰ হয়। কিন্তু ঈশ্বৰে জানিবা এই ত্যাগৰ উচিত পুৰস্কাৰ দিলে; কাৰণ ছমাহৰ পাছত বিচাৰত শ্ৰীযুক্ত অৰবিন্দ ঘোষৰ যেতিয়া খালাছ হল, তেতিয়াৰপৰা তেখেতৰ বেৰিষ্টাৰী জীৱনৰ সোঁত তেনেই উলটি গল। এই সময়ৰ পৰাই তেখেতে বহুতো ধন উপাৰ্জ্জন কৰিব ধৰিলে।

নিজৰ আৰ্থিক অৱস্থা স্বচ্ছল হোৱাৰ লগে লগে চিত্তৰঞ্জনে দেউতাকৰ ঋণ পৰিশোধৰ চিন্তাত মন দিবলৈ ধৰিলে। তেতিয়া তেখেত দেৱলীয়া থকাত পূৰ্ব্বৰ মহাজনসকলে আইনমতে ঋণৰ বাবে এক পইচাও দাবি কৰিব নোৱাৰে, কিন্তু তেখেতে পুৰণি ধাৰবোৰ এপইচালৈকে শোধ কৰিবলৈ ধৰিলে। তেখেতৰ এই মহৎ দৃষ্টান্ত দেখি সকলো আচৰিত হল। জাষ্টিছ ফ্লেচাৰে কৈছিল যে "দেৱলীয়াই পুৰণি ধাৰ এইদৰে শোধকৰা জীৱনত এয়েই প্ৰথম দেখিলো।"

ইয়াৰ পিছত তেখেতক জাতীয় জীৱনত যোগদিয়া আমি দেখা পাওঁ। ১৯১৫ চনত তেখেতে "নাৰায়ণ" বুলি মাহেকীয়া আলোচনী এখন প্ৰতিষ্ঠা কৰে। ১৯১৭ চনত যেতিয়া "হোমৰুল" আন্দোলন আৰম্ভ হয়, আৰু মিছেছ বেছাণ্টক আটক কৰি থোৱা হয়, তেতিয়া তেখেতে কলিকতাৰ মাৰোৱাৰী বিদ্যালয়ত "ভাৰতবৰ্ষ ভাৰতবাসীৰ কাৰণে" বুলি চাৰিটা যুক্তিপূৰ্ণ বক্তৃতা দিয়ে। সেই সময়ত কংগ্ৰেছত সভাপতি কাক পতা যায় এই বিষয়ে চৰমপন্থী আৰু ধীৰপন্থীসকলৰ ভিতৰত মনোমালিন্য চলিছে, আৰু চিত্তৰঞ্জনক আমি চৰমপন্থীদলৰ এজন নেতা স্বৰূপে দেখা পাওঁ। ১৯১৮ চনৰ জুলাই মাহত যেতিয়া মণ্টেগুৰ ৰেপৰ্ট প্ৰকাশিত হয়, তেতিয়া চিত্তৰঞ্জন বঙ্গদেশৰ চৰমপন্থীসকলৰ এজন নেতা আছিল। অসহযোগ আন্দোলনত ১৯২০ চনত যেতিয়া কলিকতাৰ কংগ্ৰেছৰ বিশেষ অধিবেশনত অসহযোগৰ প্ৰস্তাৱ গৃহীত হয়, তেতিয়া চিত্তৰঞ্জন এই প্ৰস্তাৱৰ বিৰোধী আছিল, আৰু নাগপুৰৰ অধিবেশনত এই প্ৰস্তাৱ 'নাকচ' কৰিবলৈ তেখেত দৃঢ়-প্ৰতিজ্ঞ আছিল। কিন্তু কালৰ কি কুটিল গতি! নাগপুৰত তেখেতৰ মত পৰিবৰ্ত্তন হয়, আৰু লগে লগে মহাত্মাৰ সহকৰ্ম্মীস্বৰূপে ভাৰতৰ ৰাজনৈতিক কৰ্ম্মক্ষেত্ৰত তেখেত নামে। পোনপ্ৰথমতেই মাহেকত পঞ্চাশ হাজাৰ টকা উপাৰ্জ্জন কৰিবপৰা বেৰিষ্টাৰি ত্যাগকৰি ভাৰতৰ জাতীয় জীৱনত থলক লগাই দিলে।

তেখেতৰ এই মহান ত্যাগৰ শলাগ লৈ বঙ্গদেশৰ ৰাইজে তেখেতক 'দেশবন্ধু' বুলি অভিনন্দিত কৰিলে।

১৯২১ চনত অসহযোগ আন্দোলনত নৱেম্বৰ মাহত তেখেতৰ কাৰাদণ্ড হয়। ছমাহ কাৰাবাস ভুঞ্জি যেতিয়া বাহিৰলৈ আহিল, তেতিয়া দেশৰ ঘোৰ অৱসাদ। এই অৱসাদ কেনেকৈ গুচাব পৰা যায়, তাৰে উপায় চিন্তি তেখেতে কাউন্সিল প্ৰবেশৰ প্ৰস্তাৱ দিছিল। কিন্তু গয়া কংগ্ৰেছত তেখেতৰ প্ৰস্তাৱ গৃহীত নোহোৱাত স্বৰাজ্যদল গঠিত কৰিলে। স্বৰাজ্যদল গঠিত কৰা স্বত্বেও তেখেতে কংগ্ৰেছ বৰ্জ্জন কৰা নাছিল। তেখেতৰ মতাৱলম্বী তেতিয়া কমেই আছিল, কিন্তু তেখেতে ইয়াৰ বাবে অলপো চিন্তা নকৰি নিজৰ বাটত আগবাঢ়িব ধৰিলে, আৰু অৱশেষত প্ৰায় গোটেই দেশক নিজৰ মতলৈ আনিব পাৰিছিল।



কলিকতাত চিত্তৰঞ্জনৰ দেহাৱশিষ্ট



শোভাযাত্ৰাৰ এক অংশ

যোৱা অক্টোবৰ মাহত অৰ্ডিনেন্স আইন ঘোষিত হল। এই সময়তে তেখেতে যিবোৰ বক্তৃতা দিছিল তাৰ পুনৰুল্লেখ নিষ্প্ৰয়োজন। কাউন্সিলত প্ৰতিৰোধ তেখেতে কি দক্ষতাৰে সৈতে চলাইছিল তাক সকলোৱেই জানে। মৃত্যুৰ অলপ দিনৰ আগতে তেখেতে নিজৰ সকলো সম্পত্তি দেশৰ নামত উইল কৰি লিখি দি গৈছে।

দেশবন্ধু ১৬ তাৰিখে দাৰ্জ্জিলিঙত ৫ বজাত চুকাল।

---

# কাঁহুদী আৰু খাৰলি

ভাৰতীয় হিন্দুৰ ভিতৰত ৭ কোটি অস্পৃশ্য মানুহ। ইহঁতক চুলে আন হিন্দুৰ জাত যায়। তিনিকুৰি হাতৰ দূৰেদিও যদি এটা এনে জাতৰ মানুহ যায়, তাতকৈ ওখ জাতৰ মানুহৰ কেনো জাতটো সেই অস্পৃশ্যটোৰ গাৰ ওপৰত ভাপত ধোঁৱা হৈ উভি যায়। তেনে শঙ্কটাৰস্থাত ততালিকে সেই-জনে লৰি গৈ পানীত জোবোৰা নামাৰিলে জাতৰ কালে আধ্যাই। দক্ষিণ ভাৰতত অস্পৃশ্য জাতৰ মানুহে বস্তু কিনিবলৈ বজাৰত সোমাব নোৱাৰে, বামুণ থকা বাটেদি খোজ কাঢ়িব নোৱাৰে, চকুৰে ৰিণিকি ৰিণিকি দেখা দূৰৰ পৰাও বামুণৰ ৰঙা ভাত তাৰ চকুত পৰিব নাপায়, পৰিলে সেই ভাতৰো জাত গল। আচৰিত কথা যে অহল্যাক শাপ দি শিল কৰোতা বামুণে ইমান দিনে তেওঁৰ ভাতটোক আৰু জাতটোক টান আৰু টনকিয়াল কৰি লব নোৱাৰিলে। তেওঁৰ ভাত ছাঁতে শুকুৱা, মুঠিতে লুকুৱা; তেওঁৰ জাত ফুতে উৰা, চকুতে হৰা। আৰু আচৰিত কথা যে আজিৰ দিনৰ শিক্ষিত নামধাৰী বামুণসকলেও এই ভেকোভাওনাধন কৰি থাকিবলৈ নেৰিলে। হে ভাৰত আই! তোমাৰ গভত থাকি তোমাৰ উদৰতে পাৰ ঘলোতা আৰু পোন্‌পোনাই "জিজি" "মাম্" খাবলৈ বিচাৰোতা তোমাৰ এই ডটীয়া গুফীয়া লৰাধনৰ উদ্ভণ্ডালি আজিলৈকে তুমি ৰাম বিষ্ণু একোকে নোবোলাকৈ সহি আছা! তোমাৰ হাজাৰে হাজাৰে দুখীয়া নিৰুপায় নীচ-বোলা জাতৰ সন্তানে এই উদণ্ড "জিজি-মাম্" খোৱাবোৰৰ দৌৰাত্ম্যৰ তাপত তত্ নেপাই খ্ৰীষ্টান আৰু মুছলমান ধৰ্ম্মৰ আশ্ৰয় লৈছেগৈ, তথাপি এই সনাতন হিন্দুধৰ্ম্ম হিন্দুসমাজ বুলি চাৰিউপ্ৰসঙত ৰিঙিয়াবোৰৰ "হুচ্" হোৱা নাই। লোকক-ছুছুবি মন্ত্ৰৰ অভিসাৰ কৰি হীন কৰিবলৈ যোৱা গোটেই ভাৰতীয়বোৰে চকুৰ আগতে য়ুৰোপীয় আৰু আমেৰিকীয়সকলৰ পৰা ঘূৰি এনেকুৱাই বাৰহাৰ দিনৌ পাব লাগিছে, তথাপি তেওঁলোকৰ জ্ঞান নহয়, ইয়াতকৈ বেজাইৰ কথা কি আছে? হিন্দুধৰ্ম্ম হিন্দুধৰ্ম্ম বুলি তেওঁলোকে চোপৰত চিয়ঁৰে, কিন্তু হিন্দু-ধৰ্ম্মৰ দেহ-সাওটো কত আছে, বাঢ়ৈহঁতৰ ভূৱেই নাই। একমেবাদ্বিতীয়ং ঈশ্বৰৰ উপাসনামূলক হিন্দুধৰ্ম্ম, "সোঽহং" "তত্ত্বমসি" হিন্দুধৰ্ম্ম, "কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম" হিন্দুধৰ্ম্ম,

"তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক ॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণে কুণ্ডলে যেন নাহিকে অন্তৰ ॥
তুমি পশু-পক্ষী সুৰাসুৰ তৰু-তৃণ।
অজ্ঞানত মূঢ়সৱে দেখে ভিন্ন ভিন ॥"—(কীৰ্ত্তন)

হিন্দুধৰ্ম্মক এইসকলে কলীয়াপানীলৈ পঠিয়াই— "মই বৰচন্দ্ৰ হিন্দু" হৈ "তই মোক ছুছুবি" গাই খলক লগাব লাগিছে— দেখিলে সঁচাকৈয়ে সৰ্ব্বাঙ্গ জ্বলি যায়। হিন্দুধৰ্ম্মৰ সাৰ বস্তু দলিয়াই পেলাই গোবৰৰ মিঠৈ তৈয়াৰ কাৰ হাতীখুজীয়া বাটীত ভৰাই খাবলৈ বহি, আমি এনে বৰমোথ একোটা হৈ উঠিছো, যে দেখে কোনে!

* * *

ডাঙৰ ডাঙৰ ইংৰাজী-সাহিত্যৰথীসকলৰ বংশাৱলীৰ ফালে চকু দিলে দেখা যায় যে তেওঁলোকৰ ভালেমানৰ দুপা-ককাসকলেৰে সৈতে সাহিত্যৰ সম্পৰ্কই নাছিল। চছৰ

(Chaucer) শুঁৰীৰ ঘৰৰ লৰা। শেক্সপিয়েৰ মজলীয়া শ্ৰেণীৰ মানুহ, ছাৰ ৱাল্টৰ স্কটৰ ফালে চকু দিলে দেখা যায় long line of Border "cattle liftors." থেকৰে ভাৰতত বেহা কৰা মুদৈৰ ঘৰৰ, জৰ্জ ইলিয়ট বাঢ়ৈৰ ঘৰৰ, ৰবৰ্ট লুই ষ্টিভেন্‌ছন ইঞ্জিনিয়ৰৰ ঘৰৰ।

• • •

জগতত আবিৰ্ভাৱ হোৱা প্ৰত্যেক মহাপুৰুষে ঈশ্বৰৰ পৰা সেই সময়ৰ আৱশ্যকীয় একোটা message অৰ্থাৎ "বচন-সন্দেশ" বা বাৰ্ত্তা লৈ আহে। তেওঁ আন সকলো এৰুলীয়াকৈ কাতিকৈ থৈ প্ৰাণপাতকৈ সেই বাৰ্ত্তা প্ৰচাৰ কৰে। মহাত্মা গান্ধিৰ বচন-সন্দেশঃ "ভাৰতবাসী! আকৌ তইঁত মানুহ হ।" উপায়ঃ—(১) ভাৰতীয় বিভিন্ন জাতি আৰু ধৰ্ম্মৰ মানুহৰ ভিতৰত একতা; (২) হিন্দুৰ ভিতৰত "মোক নুছুঁবি" ৰোগ বৰ্জ্জন; (৩) যঁতৰত নিজে সূতা কাটি নিজৰ গাৰ কাপোৰ বৈ লোৱা। এই কথা তিনটাৰ ওপৰতে আমাৰ ভিতৰৰ নানা মুনিয়ে নানা মত প্ৰকাশ কৰি কথাৰ কুৰ্বলিৰে আছল কথাটো ঢাকি নিজকে নপতা-অ.আৰাম-ফুকন পাতি গুফন্দি ৰৰটো ছৈ বহি আছে। আমি কুৰ্বলি চৰ্জ্জিব পৰা পৰাশৰ মুনিও নহওঁ, নপতা ফুকন মহামহিম মাজ্যৱৰ শ্ৰীল শ্ৰীযুত আত্মাৰাম ফুকনো নহওঁ;—গতিকে পোনপটিয়ে আমি যিটো দেখিছোঁ তাকে কওঁ।—

আমাৰ এতিয়া এনে অৱস্থা বা দুৰৱস্থা হৈছে, যে আমাৰ দুইবেলা পেটত পেলাবলৈ এমুঠি ভাতও নাই, জাৰে জহে গাত লবলৈ এখন কাপোৰও নাই। অথচ আমি এটাইবোৰে "আগেয়ে চাউল কঠা, পাছত হে হৰিকথা" এই বুঢ়া বচন পাহৰি পাছমাৰাক দেখাদেখি নানা বিধৰ কীৰ্ত্তন কৰি জঁপিয়াই ফুৰিছোঁহঁক। জীয়াই থাকিবলৈ পোনতে মানুহক খাইকৈ দুটা বস্তু লাগে, ভাত আৰু কাপোৰ। অথচ আমি লোকে কাপোৰ এডোখৰ নিদিলে নাঙঠা; আৰু লোকে আমাৰ মুখৰ ভাত কাঢ়ি খাইছে। ভাৰতবাসী খাইকৈ খেতিয়ক; তেওঁৰ আচুৰ-কামুৰি এমুঠি ধান আৰ্জ্জিবলৈ এচনকা মাটি আছে; তেওঁ মন দি অলপ কাবাংকুবং কৰিলেই তেওঁৰ ভাতৰ দুখ অনেক পৰিমানে গুচে; কিন্তু গাৰ কাপোৰৰ বিষয়ত লোকৰ ওচৰত হাত নাপাতিলে তেওঁ একেবাৰেই দিগম্বৰ। অতীজত যি আছিল আছিল, কিন্তু সভ্য অৱস্থাত তো মানুহ দিগম্বৰ হৈ থাকিব নোৱাৰে; সেইদেখি তেওঁৰ হাতৰ কাণৰ বেচিও, নাখাই-নবৈও এডোখৰ কাপোৰ কিনি লবৰ দৰকাৰ; নতুবা নচলে। বছৰি কম পক্ষেও ষাঠি ক্ৰোৰ টকা ভাঙি দুখীয়া ভিকহু ভাৰতবাসীয়ে বিদেশৰ পৰা কাপোৰ কিনি আনি লাজ আৰু প্ৰাণ ৰক্ষা কৰে। এনে শোচনীয় অৱস্থাৰপৰা ভাৰতবাসীক উদ্ধাৰ কৰিবলৈ মহাত্মা গান্ধিয়ে মৰিমুখি আকৌ ভাৰতত নতুন আৰু তাঁতশালৰ জীৱন দিবলৈ চেষ্টা কৰিছে। কিন্তু আমি মহা পণ্ডিত আমি কওঁ, গান্ধিৰ ভুল; অকল যঁতৰ তাঁতশালেই ভাৰতক মনুষ্যত্ব দিব নোৱাৰে; আমি ৰাজনৈতিক, দাৰ্শনিক, "কাব্যিক" আৰু "টৌপনিক" হলেহে দেশ উদ্ধাৰ হব; যঁতৰ তাঁতশাল আমাৰ নিমিত্তে নহয়, "ছোটলোকৰ" নিমিত্তেহে। আমি সূতা কাটিলে ৰাজনীতিৰ চৰ্চ্চা কৰিব কোনে? আমি তাঁতশালৰ মাকো হাতত ললে, কবিতাৰে কাব্যৰ দীঘ-বানি ব'ব কোনে? আমি দাৰ্শনিক বা "টৌপনিক" নহলে অচিৰতে দেশ উদ্ধাৰৰ টৌপনিত সমাজিক দেখিব কোনে? এইদেখি গান্ধি বলিয়া। বলিয়া গান্ধি ভাল মানুহ, সাধু মানুহ সঁচা, কিন্তু তেওঁ ৰাজনৈতিক নেতা হবৰ যোগ্য নহয়; আমিহে যোগ্য; কাৰণ আমি "মই ৰৰচন্দ্ৰ।" তেওঁ ৰাজনৈতিক পথাৰৰ পৰা গুচি যাওক, আৰু হিমালয়ত তপস্যা কৰকগৈ; আমিহে দেশ উদ্ধাৰৰ হালত হাত দিব জনা অথচ নঙলা বৰ হালোৱা।

কিন্তু নেতা হবলৈ যোৱা ভাৰতবাসী! "গুৰু যে ধৰ দিয়াছে তোৰে চিন্‌লি না তাৰে।" "শিক্ষিত" নামধাৰী তুমি এমুঠিও নোহোৱা; টৌপনি এৰি সোফালে চাই পঠিয়া দেখিবা, সৰিয়হৰ বৰ ডুলিৰ এডুলি ভাৰতীয় মানুহ পৰি আছে, যাৰ ভাৱ, চিন্তা, আচৰণ, আশা, ইচ্ছাৰ পৰা তুমি কেইবা বেওঁ দূৰত। সেই ডুলিৰ সৰিয়হবোৰ এৰি থৈ থাকি তুমি কি কৰিব পাৰিবা? সেই ডুলিৰ সৰিয়হবোৰক জীয়াই গাজ মেলাই লোৱা, দেখিবা, একে দোপতে ভাৰত উদ্ধাৰ; নতুবা নেচেল। গান্ধিয়ে তাকে কৰিবলৈ পৈছে,—অকল মুখৰ মহলা মাৰিয়েই নহয়; হাতে-কলমে।

* * *

যীচু খৃষ্টৰ জীৱনৰ সম্পৰ্কে আমি যি জানিছোঁ সি মেথু, মাৰ্ক, লুক, আৰু জন এই চাৰিজনৰ সুসমাচাৰ প্ৰচাৰকৰ চাৰিখন গছ্‌পেল গ্ৰন্থৰপৰা। এই চাৰিখন গ্ৰন্থৰ ইতিহাস কৌতূহলউদ্দীপক। এই কেইখনৰ বাহিৰে আগেয়ে যীচুৰ জীৱনী আৰু শিক্ষাৰ কথা থকা অনেক গ্ৰন্থ আছিল। খৃষ্টধৰ্ম্ম সম্প্ৰদায়ে সেই কিতাপবোৰ খৃষ্টৰ বিষয়ে তেওঁলোকৰ মনে নোখোৱা নানা কথা লেখা থকা বাবে সভা পাতি বিচাৰ আৰু সিদ্ধান্ত কৰি সেইবোৰ ধ্বংস কৰি পেলালে; আৰু মাথোন এই চাৰিখন গ্ৰহণ কৰি ৰাখিলে। ৫৫ খনৰ উপৰি এনে গ্ৰন্থ নষ্ট কৰাৰ কথা পোৱা যায়। মেথু, মাৰ্ক, লুক, জন খৃষ্টৰ লগে লগে ফুৰা শিষ্য আছিল। পৰস্পৰ বিৰুদ্ধ আৰু আত্মৰক্ষিত নানা কথা এই গ্ৰন্থবোৰত লিখিত। এখনত খৃষ্টৰ অলৌকিক জন্মৰ বিষয়ে লেখা নাই; আনখনত তেওঁক ডেভিডৰ বংশধৰ বোলা নাই, ইত্যাদি। মাৰ্কে আৰামেয়িক (Aramaic) ভাষাত তেওঁৰ গ্ৰন্থ আৰু মেথুৱে হিব্ৰু ভাষাত তেওঁৰ গ্ৰন্থ লেখিছিল। ইউচুবিয়েছে (Eusubios) কয় যে মেথু, মাৰ্ক, লুক, আৰু জনে স্বতন্ত্ৰভাৱে তেওঁলোকৰ কিতাপ লেখা নাছিল; তেওঁলোকৰ আগত তথন বিৱৰণ দিয়া হৈছিল, আৰু সেইমতে তেওঁলোকে নিজ নিজ বৰ্ণনা লেখিছিল। ৪০-৫০ খৃষ্টাব্দত খৃষ্টীয় সম্প্ৰদায়ৰ মুখ্য শিমিয়ন বাৰজনাৰ (Shimeon Bar Jona), যাৰ নাম লা পিয়েৰি (La Pierre), কৰ্ত্তৃত্ব আৰু পৰিচালনাত আৰু তেওঁৰ তলতীয়া আন আন পাদ্ৰীসকলৰ তত্ত্বাৱধানত এই পুথিকেইখন সঙ্কলিত হৈছিল। যীচুৰ জীৱনৰ ১২ বছৰৰ পৰা ৩০ বছৰ কাল ডোখৰ যীচুৱে কত কি কৰি কটাইছিল, তাৰ সম্বন্ধে এওঁলোকৰ কিতাপত একো পোৱা নাযায়। নচ্‌ পৰ্য্যটক নিকলাচ নট্‌ভিচে তিব্বতৰ হিমিচ বিহাৰত পোৱা গ্ৰন্থই কিন্তু এই সম্বন্ধে দিয়ে। সেইদেখি নেই গ্ৰন্থত লেখা কথা বিশ্বাস কৰিবৰ সপক্ষে প্ৰমাণ বলৱং হয়।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

# সোণতৰা

(চুটি গল্প)

(১)

"আইতা, মই কাইলৈ বাইটীহঁতৰ তালৈ যাম। ইমান দিনৰপৰা যাওঁ যাওঁ কৈ আছো!"

"কিয়? বাইটীয়েৰহঁতৰ তাত নো কি কৰিবিগৈ? সিহঁত জিলাত থকা তোৱালী, তোলৈ উভটিকে নাচাব।"

"নহয় আইতা যাম। কেলৈ নাচাব? মোক বৰ আইতাই সকতে যাওঁতে বৰ মৰম কৰিছিল।"

"এতিয়া আকৌ বৰ আইতাৰ হলগৈ হাকিমনী।"

"হওক বাক, মই যামেই যাম। জিলাত পূজা মই দেখা নাই। পিতাইকে এইবাৰ মোক লৈ যাবলৈ কৈ থৈছো। পিতায়েও নিম বুলিছিল।"

"বাক, যাবি তেনেহলে।" এই বুলি মাক বান্ধনি ঘৰলৈ সোমাই গল। সোণতৰাও নৈ-ঘাটলৈ পানী আনিবলৈ গল।

সোণতৰাহঁতৰ ঘৰখন ৰজাদিনীয়া হাজৰিকাৰ ঘৰ। সোণতৰাৰ আজোককাকে অসম ৰজাৰ হাজৰিকা বিষয় খাইছিল। কুম্পানীয়ে দেশ লোৱাৰেপৰা সোণতৰাৰ পৰিয়ালে হাল-কোৰ বাই, গাঁৱৰ ভালমানুহ বোলাই খাই-লৈ আছিল। সোণতৰাৰ ককাক গাঁৱৰ দৰ প্ৰতাপী মানুহ আছিল। মহে গৰুৱে, ধানে-ধনে, ঘৰে-বাৰীয়ে গাঁৱৰ ভিতৰত চহকী। তেওঁৰ সংসাৰত দুটা পুতেক

আৰু দুজনী জীয়েক লৈ সংসাৰ এৰিব লগাত পৰে। বৰপুতেক কমলচন্দ্ৰক যেনিবা কলিকতাত বি, এ, মহলালৈকে পঢ়ুৱাই বৰছাহাবক খাটি-লুটি ছৰডিপুটী পাতি জিলাৰে ছোৱালী বিয়া কৰাই দি গৈছে। সৰুটো পুতেক হলিৰামে যেনিবা জিলাৰ স্কুলৰ তৃতীয় শ্ৰেণীলৈকে পঢ়ি বাপেকৰ মৃত্যুত ঘৰ চম্ভালিবলৈ ওচৰৰে গাঁৱৰ ছোৱালী এজনী ৰবি আন ধন বিত ভাৰ ঘৰ গৃহস্থীখন পাতিলে। এতিয়া অৱস্থা মজলীয়া। হলিৰামে বাপেকৰ দৰে যথা পয়োভৰে থাকিব পৰা নাই যদিও সংসাৰখন অভাৱ নোহোৱাকৈ বঢ়িয়াকৈ চলাই আছে। হলিৰামৰ সন্তানৰ ভিতৰত মাথোন একেজনী ছোৱালী—সোণতৰা।

সোণতৰা যদিও অতুল সুন্দৰী নহয়, তথাপি সুন্দৰীৰ শাৰীৰ। সোণতৰাৰ নামে আৰু গাৰ বৰণে অলপো ভিন-পৰ নাই। ছোৱালী বৰ আজলী, বৰ সৰল। এজনী ছোৱালী দেখি মাক-বাপেকে কতো দিবখবৰ মন কৰা নাই। সোণতৰাৰ বিয়া দিবৰ বয়স অৱশ্যে পাইছেহি।

তাই আজি ভালেমান দিন বৰ পিতাকৰ ঘৰলৈ যোৱা নাই। গাঁৱৰ পৰা জিলালৈ বাৰ মাইল। বৰপিতায়েক কেতিয়াবা চকৰ ফুৰিবলৈ আহে, তাকো ছমাহ বছৰেকৰ মূৰত। বৰপিতায়েকৰ জীয়েক; বায়েকহঁতকো দেখা নাই ভালেমান দিন। সোণতৰা এইবাৰ বৰ হেঁপাহ কৈ ওলাল। মনতে কত পাড়িলে, কত ভাঙিলে; বাইদেৱেকহঁতৰসৈতে কেনেকৈ পূজাত ৰং-ধেমালি কৰিবগৈ ইত্যাদিবোৰ ভাবি তাইৰ মন উগুল-থুগুল লাগিল। পাছদিনা পুৱাই বাপেকৰ সৈতে গৰুগাড়ীত উঠি জিলালৈ ৰাওনা হল। জিলাত গৈ কেনে পাবগৈ, কি কৰিবগৈ, বায়েকহঁতক কেনেকৈ লগত নিয়া খাৰলি, খৰিচা, বগৰিগুৰা, কৰাইগুৰি দিবগৈ তাকে ভাবি ভাবি যাবলৈ ধৰিলে। খৰালিৰ ফৰফৰীয়া বাটত গৰুয়েও কোবেৰে বেগ ললে।

( ২ )

আজি সপ্তমীপূজা। ছহৰখনত এটা ন স্ফূৰ্ত্তিৰ ভাব। যেনিয়েই মন কৰা যায় সেই পিনেই কেৱল স্ফূৰ্ত্তি হে। মানুহৰ ভক্তিভাৱখিনি স্ফূৰ্ত্তিৰ সাগৰত বুৰ গৈ তলিত পৰি আছেগৈ। পূজাৰ গোন্ধত ছহৰখন জাগ্ৰত যেন হৈছে। অসমৰ ছহৰ এনেয়ে নিমাওমাও। পূজা বুলিয়েই এইকেদিন তেওঁ অলপ ছহৰমূৰা হৈছে।

মানুহবোৰ ন কাপোৰ-কানি পিন্ধি বাটে বাটে গোসাঁনী চাই গা-বেলাই ফুৰিছে। কতই কত ৰকমৰ ফেশ্বনত নো ফুৰিছে তাৰ লেখ-জোখ নাই। কিছুমানে বাৰমাহ জোতাৰ মুখ নাচাই পূজা বুলি জোতা পিন্ধি লেঙেৰা-পেঙুৰাৰ ভাও দি দৰ্শকৰ মনত আনন্দ দিছে। সমদুখত-দুখী কাৰাবাৰ সহানুভূতিও পাইছে। কিছুমানে গাত নোহোৱা হলোচোলাকে পিন্ধি চখ্ কৰিছে। কিছুমানে আঠুমূৰীয়াকৈ এখন ধুতি পিন্ধি মূৰত ৰঙ বেৰঙৰ বন্ধা কলিকতীয়া পাগুৰি পিন্ধি হাতত মঁহৰ টোকোন এডাল লৈ মুখত চাদা দপাতৰ চেলেউ এটা লগাই মহাৰাজ সিন্ধুনাৰায়ণ বা পেন্ধুনাৰায়ণ হৈ বাটে-পথে গহীনাই ফুৰি ফুৰি আলি-কাষৰীয়া পুতলাৰ দোকানত সোমাই গহীনাই গহীনাই দৰাই চাৰি পইচাৰ ঠাইত এপচইচা হেকোজেকোকৈ দি নিজৰ মহতালি দেখুৱাইছে। গাঁৱলীয়া ছোৱালীবোৰে জিলাত পূজা চাবলৈ আহি "পাছা" পাৰীৰ সাৰীৰে পাকখাই কপালত এচোতালকৈ সেন্দুৰ সানি, ৰঙা টিকটিকীয়া জাকিচোলা পিন্ধি অপেচৰী হলো বুলি ভাবি পুলুং-পালাংকৈ ছহৰৰ আলিৰ শিলত উজুটি খাই কোনো কোনো ৰসিক পুৰুষৰ মনত আনন্দ-দান কৰিছে।

এইদৰে নানা বিধৰ পাতল আৰু গহীন কথাই সেইদিনা মানুহৰ মন আকৰ্ষণ কৰিছিল।

সোণতৰাক তিনিওজনী বায়েকে পাই বহুৱা তুলিবলৈহে থৈছে। সোণতৰাৰ গঢ়নাৰ, কাপোৰ-কানিৰ, সেওঁতাৰ, খোপাৰ কথা-বতৰাৰ, লগত অনাবস্তুবোৰৰ সমালোচনাত ঘৰ উৰো-উৰো কৰিছে। সোণতৰাই ভাবিছে, তাইৰ চেনেহী ধেমেলীয়া বায়েকহঁতে তাইৰ সৈতে সেইবোৰ ধেমালিহে কৰিছে।

মাজুজনী বায়েকে সুধিলে, 'হেৰা সোণতৰা নে ৰূপতৰা! পিছে আমাৰসৈতে ৰাতি থিয়েটাৰ চাবলৈ যাবানে? আজি ছাজাহান থিয়েটৰ হব।"



সোণতৰা—ওঁ যাম তো বাইটি! তোমালোক যাবা জানো? ছাজাজান নে চাবাজান নে, কি নো আকৌ সেইটো?

সোণতৰাৰ কথাত আটাইকেউজনীয়ে ঢেক্-ঢেক্‌কৰে হাঁহিবলৈ ধৰিলে। সোণতৰাই অলপ লাজ পাই কলে "জানো পাই, আমাৰ মুখত নোলায় দেখোন।"

মাজুজনী—বজা। নেজানা?

সোণতৰা—অ আই, কি নাম ওঁ! মুখত নোলায়ে দেখোন। বাৰু গলে দেখিম নহয়, কেনে বজাটো।

মাজুজনী—পিছে আমাৰ সৈতে হলে গাঁৱলীয়া ভূতটো হৈ যাব নোৱাৰা। সেই ঢোল যেন মাদলী আৰু ঢেকিথোৰা যেন থুৰিয়াযোৰ খুলি থৈ যাব লাগিব। আমাৰ দৰে পোছাক পিন্ধিব লাগিব। তোমাৰ সেই জাকিট নে ফাকিট পিন্ধিলে নহব। আমাৰ দৰে ব্লাউচ পিন্ধিব লাগিব, আৰু মেখেলাও আমাৰ দৰে ফেশ্বনকৈ পিন্ধিব লাগিব।

সোণতৰা—অ আই! তোমালোকৰ দৰে বুকু উদংকৈ মই মানুহৰ আগত ওলাব নোৱাৰো পাই! মোৰ বৰ লাজ লাগিব। তোমালোকে যেনেকৈ কোচাই কোচাই মেখেলাখন পিন্ধিছা, সেইখন দেখোন কিবা বঙালনীৰ ধুৰী যেন হে হৈছে। আমাৰ গাঁৱে গাঁৱে চুৰ কৰি ফুৰা সেই অঘৰীবোৰৰ তিৰুতাবোৰেহে সেইদৰে পিন্ধে। ভাল মানুহে সেইদৰে নিপিন্ধে দেওহে। সেইদৰে মই নোৱাৰো পাই! লাগে থিয়টৰ নে ফিয়টৰখন নাচাবেঁই।

সোণতৰাৰ কথাত বায়েকহঁতে ইজনীয়ে সিজনীৰ মুখলৈ চোৱা-চুই কৰিবলৈ ধৰিলে। বৰজনীয়ে কলে, "গাঁৱলীয়া ভূত নহয়, আজিকালিৰ ফেশ্যন কি বুজিব? তেনেহলে আমাৰ সৈতে নোৱাৰা যাব। কাৰে সৈতে যোৱা যাবা।" বুলি তাই তাৰপৰা উচাট মাৰি গুচি গল। আন দুজনীয়েও তাকে কৰিলে। এজনীয়ে সোণতৰাক দেখুৱাই 'কুচিকাটা'ৰে কিবা গুঁথিবলৈ লাগিল। এজনীয়ে 'কাৰ্পেট'ত 'মডেল' তুলিবলৈ লাগিল। এজনীয়ে ভিতৰৰ পৰা হাত-'ছিলাই' কলটো আনি 'ছিলাই' কৰিবলৈ বহিল। সোণতৰাই ৰ লাগি সকলোলৈকে চাই আছিল। কিন্তু যেতিয়া 'ছিলাই' কলটো দেখিলে, তাই মনৰ সংশয় ছেদ কৰিব নোৱাৰি বায়েকৰ ওচৰলৈ গৈ বহি সুধিলে "বাইটি, এইটোনো কি আকৌ! ওঁ—অ' আই! কটপ্ কটপ্‌কৈ কেনেকৈ খুটিছে!' আটাই কেউজনীয়ে সোণতৰাৰ কথাত গিৰ্জনি মাৰি হাঁহি দিলে। সোণতৰায়ো একো বুজিব নোৱাৰি সিহঁতৰ সৈতে উজান ধৰিলে। বৰজনীয়ে কলে "এইটো হৈছে খৰিচাখুন্দা কল, বুজিছা। তোমালোকৰ গাঁৱত আছে নে?"

সোণতৰা—ক'ত আছে, নাই। আমি ঢেকিত হে খুন্দো। বাৰু বাইটি, ইয়াত খুন্দা খৰিচাবোৰ কেনে খাবলৈ?

আটাইকেউজনীয়ে হাঁহি ৰাখিব নোৱাৰিলে। তাৰ পিছত কাপোৰ তাত সুমুৱা দেখি সোণতৰাই অলপ লাজপাই সুধিলে, "ইয়াত দেখোন কাপোৰ সুমাইছা, কাপোৰ সিয়া কল! অ'!" তাৰ পাছত সিয়া কাপোৰৰ সিয়নীটো চাই কলে 'আই ঐ দেহি! সিয়নীটো বৰ চিকুণ। বাইটি, মোকো শিকাই দিবা দেই।"

এনেতে ছোৱালীহঁতৰ মাক আহি কলেহি, "তহঁত বাৰু এজনীওনো যাব নাপাৱ নে? তিনিজনীকৈ ছোৱালী—তেওঁ জানো কামত অলপ সৰে পাম! মাছ-পাচলি কুট-বাচি দিব লাগে বুলি হবলা নাজান! এই ধোদোঙা ধোদোঙা তিনিজনী ছোৱালী থাকোতে আকৌ মই এতিয়া দুখ খাব লাগিছে। মোৰ কপাল! সোণতৰা, আহ আই! তয়েই কুট-বাচি দেহি। মোৰ কেজনী ছোৱালী নহৈ যেনিবা লৰাহে হল আই!"

সোণতৰাই বৰমায়েকৰ সৈতে ৰান্ধনি ঘৰলৈ খোজ ললে। বৰবায়েকে কলে, "যোৱা, আজিলৈ তুমিয়েই কৰি দিয়াগৈ।" মাকে শুনি কলে, "এৰা, তাইক কৰি খুৱাব চাবি তহঁতক তাই খুৱাব লাগিল, নহয়?"

বৰমায়েকৰ ওচৰতে বহি সোণতৰাই ইটো সিটো কৰি দি আছে। এনেতে বাজৰ পৰা কেনোনাই 'বৌ' 'বৌ' কৈ মাতি সোমাই আহিল। "অ' চন্দ্ৰ নে? আহ বোপাই, এই ভাত বাঢ়িবলৈ সোমাইছো।" চন্দ্ৰনাথ আহি দুৱাৰ মুখত ঠিয় দিলেহি। সোণতৰাক দেখি সি অলপ পৰ থমক্ খাই ৰল। তাৰ পাছত সুধিলে, "বৌ, পিছে আজি থিয়েটাৰ চাবলৈ যাবনে নেযায়?"

"জানো বোপাই, মোৰ নো বুঢ়াখাণ্ডৰ কি—ছোৱালীহঁতক সোধগৈ।"

"এইনো কৰ? এওঁক দেখোন চিনি পোৱা নাই!"

"আমাৰ দেওবৰ ছোৱালীটি, বায়েকহঁতৰ সৈতে পূজা চাবলৈ আহিছে।" চন্দ্ৰনাথে ইয়াৰ মাজতে ছোৱালী-জনীলৈ চাই আছিল। কথা শেষ হোৱাত কলে, "বাৰু বাৰু! মই তেনে এওঁলোকক সুধি আহোচোন। পিছে এবোঁ যাব নহয়?" সোণতৰাই এনেতে চন্দ্ৰনাথৰ চকুলৈ চালে। চন্দ্ৰনাথেও সুবিধা পাই সোণতৰাক সুধিলে, "যাবানে?" সোণতৰা অলপ অপ্ৰস্তুত হৈ বৰআয়েকৰ ফালে চালে। বৰআয়েকে কলে—"যাব। তাই আকৌ তাকে চাবলৈ হেঁপাহ কৰি আহিছে।"

"বাৰু মই তেন্তে গধূলিলৈ আহি নিমহি দেই।" এই বুলি চন্দ্ৰনাথে বঙলা ঘৰৰ ফালে খোজ ললে।

(৩)

চন্দ্ৰনাথ সেই জিলাৰে চিৰস্তদাৰৰ পুতেক। পঢ়াশুনাৰ ফালে পিঠি দি বৰ্ত্তমান বাপেকৰ আৰ্জ্জন ধ্বংসত নিজকে নিযুক্ত কৰিছে। ইংৰাজী স্কুলৰ প্ৰথম শ্ৰেণীলৈকে পঢ়ি, বাচনী পৰীক্ষাত উঠিব নোৱাৰি হেড্‌মাষ্টৰক অবাইচ বচন বুলি স্কুলৰ সৈতে সমন্ধ ছিঙিলে। বাপেকক হেডমাষ্টৰে হিংসা কৰে বুলি বুজাই দিয়াত বাপেকেও "এৰা, আৰু পঢ়িব নালাগে" বুলি কৰবাত চাকৰিত সুমাবৰ চেষ্টাত আছে। ইফালে এবোঁ নামকটা চিপাহীটি হৈ অ'ৰ গোঁসাই হ'লৈ নি ২৪ ঘণ্টাৰ দীঘল দিনবোৰ টিলিকিতে নিয়াব লাগিছে।

চন্দ্ৰনাথৰ অৱশ্যে শলাগিবলগীয়া কেইটামান গুণো আছে। লৰাটো বৰ কামিলা। যি কামতে লগাই দিয়া যায় তাক যেনে তেনে সমাধা কৰিবই। লৰাটো নিচেই এলেহুৱা নহয়। এইবিলাক কাৰণতে চন্দ্ৰনাথক মানুহে ভাল পায়।

ৰাতি সোণকালে ভাতপানী খাই আটাই কেউজনী থিয়েটাৰ চাবলৈ ওলাইছে। চন্দ্ৰনাথ আহি "হল নে," "তোমালোকৰ কাপোৰ-কানি পিন্ধোতেই দেখোন এযুগ যাব," "এই তিৰুতা-মানুহ বৈল অলৈ-তলৈ সতকাই যাব নোৱাৰি।" ইত্যাদি নানা মন্তব্য প্ৰকাশ কৰি আছে। সোণতৰাৰ কাপোৰ-কানি পিন্ধাত নানা তৰ্ক-বিতৰ্ক। জাকিটৰ সলনি যেনিবা বায়েকহঁতে তেওঁলোকৰে ব্লাউজ পিন্ধালে; কিন্তু তাইৰ অৱস্থা তাইহে গম পাইছে। বেচেৰীয়ে ৰিহাৰে লাজত ব্লাউজ ফ্লাউজ ঢাকি লৈ ত্ৰাহি মধুসূদন দেখিছে। কিন্তু কাণত ফুল সুমাই কেনেকৈ? থুৰিয়া পিন্ধা কাণৰ বিন্ধাইদি ফুল সৰকি ইফাল-সিফাল পায়গৈ। মেখেলা পিন্ধাত যেনিবা সোণতৰাক বলে নোৱাৰিলেগৈ। তথাপি টনা-আজোৰাকৈ ফেশ্যনৰ ফালে নিমান পাৰিলে আনিলে। অৱশেষত জোতা পিন্ধাৰ পাল। 'হীল' থকা লেডী-জোতা দেখিয়েই সোণতৰাৰ চুলিৰ আগেদি জীৰ গল। বৰবায়েকে সিহঁতৰে পুৰণি এযোৰ আনি কলে "পিন্ধা।" সোণতৰাই বৰআয়েকৰ মুখলৈ বৰ করুণভাৱে চাই কলে, "ঔ—নিপিন্ধো মই। কৰবাত ভৰি মোচোকা খাব। মোৰ ভয় লাগে। পেণ্ডত উঠা যেন লাগিব চাগৈ। মই নিপিন্ধো। বৰ-আয়েকেও কলে, "এৰা এৰা, তাই নালাগে পিন্ধিব। কেতিয়াও নিপিন্ধা ছোৱালী, কৰবাত পৰিব-খৰিব আই! নালাগে থাওক। বৰ বায়েকে জোতাযোৰ একালে আঁতৰাই থৈ কলে, "নিপিন্ধা থাকা। বাটত শিলত সেকা খুঁকি পাবাগৈ।"

সোণতৰাইও উশাহ লৈ জীলে। অৱশেষত আটাই কেউজনী থিয়েটাৰলৈ ওলাল। সোণতৰাই শিলৰ বাটত খোজ কাঢ়িব নোৱাৰি একাষৰীয়া হৈ শিল নোহোৱাই দি যাবলৈ ধৰিলে। সোণতৰাৰ এইটো কি, সেইটো কি, ইত্যাদিবোৰ বাটত যাওঁতে কৰা প্ৰশ্নৰ উত্তৰ দিয়াৰ ছলেৰে তাইৰে সৈতে কথা-বতৰা পাতিবলৈ চন্দ্ৰনাথে চল নেৰিলে।

সময়মতে থিয়েটাৰ পালেগৈ। দৃশ্যৰ পাছত দৃশ্য হৈ যাবলৈ ধৰিলে। ৰজাৰ ঠাইত সেনাপতি ওলাল, দূতৰ ঠাইত লিগিৰা ওলাল, বৰবৰৰ ঠাইত আলিবাট ওলাল, ইত্যাদিকৈ থিয়েটাৰ শেষ হল। সোণতৰাই নিৰ্ব্বাক-নিস্পন্দ হৈ মাথোন চাই গল। বায়েকহঁতে সুধিলে, 'কেনে দেখিছা? তাই কলে, 'ভাল।' ঘৰলৈ আহি মাথোন তাই সুধিলেহি—



"বাইটি, থিয়েটৰ কৰা আটাইবোৰে মানুহ মছলমান নে কি?" বায়েকহঁতে টোপনি-জালতো এজাউৰি নহঁহাকৈ থাকিব নোৱাৰিছিল।

(৪)

সোণতৰাই নাই নাই বুলিও তিনদিন থিয়েটাৰ চালে। চন্দ্ৰনাথ যে তিনিও দিন সোণতৰাইঁতৰ লগৰীয়া তাক নকলেও হব। চন্দ্ৰনাথৰ সৈতে সোণতৰাৰ এতিয়া ভালকৈয়ে কথা-বতৰা হয়। যাবৰ দিনা চন্দ্ৰনাথ আহি কলে, "যাবাগৈ: আমালৈ নাপাহৰিবা দেই।" সোণতৰায়ো কলে, "আপুনি আমাৰ ঘৰলৈ যাবচোন, কিমান দূৰ নো? আপোনাৰ ফুচকৰীয়া গাৰীখনো আছে নহয়!" চন্দ্ৰনাথ—"বাৰু যাম গলে আকৌ খেদাই নিদিবা।"

তাৰ পাছত সোণতৰাই সকলোৰে পৰা বিদায় লৈ ঘৰলৈ উভটিলে। যাওঁতে বায়েকহঁতক যাবলৈ দঢ়াই দঢ়াই কৈ গল। বায়েকহঁতেও শলাগি থলে।

পাচদিনা চন্দ্ৰনাথে ছাইকেলত উঠি সোণতৰাৰ ঘৰত উপস্থিত হলগৈ। সোণতৰাৰ মাক-বাপেকেও চিৰস্তদাৰৰ পুতেক আহিছে বুলি আদৰ-সাদৰ কৰি সুধিলে-পুছিলে, আৰু মাজে মাজে আহিবলৈ কলে। চন্দ্ৰনাথেও সুবিধাহে পালে।

এইদৰে চন্দ্ৰনাথ সোণতৰাৰ ঘৰলৈ প্ৰায়েই অহা হল। সোণতৰাৰ মাক-বাপেকেও, চন্দ্ৰনাথৰ গুৰিলৈ আৰু মাত-কথালৈ চাই সগুৰ চূড়ামণি বুলি আদৰ-সাদৰৰ মাত্ৰা চৰাবলৈ ধৰিলে। লাহে লাহে চন্দ্ৰনাথে সোণ-তৰাক জিলাৰ পৰা আজি ইটো কাইলৈ সিটো দি থাকি সোণতৰাক হাতৰ মুঠিলৈ আনিলে। তায়ো আজলী ছোৱালী,—চন্দ্ৰনাথৰ ধূৰ্ত্তালিৰ তাই কি গম পাব? চন্দ্ৰ-নাথৰ ওফাইদাং আৰু মনভুলোৱা কথাত তাই তেনেই ভোল গল।

(৫)

সময়ে সোণতৰাৰ চকুমেলি গলহি। সোণতৰাই নৈ-ঘাটলৈ পানী নিবলৈ আহি পানীকাষৰীয়া শিলটোৰ ওপৰত বহিছেহি। সন্ধ্যাৰ আকাশলৈ চাই তাই ভাবিছে, সন্ধ্যাৰ পাছৰ দৰে তাইৰ ভবিষ্যত আন্ধাৰ। তাইৰ সৰ্ব্বনাশ হল। কিন্তু তাইৰ আগত আকৌ চন্দ্ৰনাথৰ মুখখন উজ্জ্বল হৈ উঠিলহি। তাই তেতিয়া ভাবিলে, 'নহয় মই মিছাকৈয়ে ভয় কৰিছো। তেওঁ ইমান সুন্দৰ মানুহজনে মোক নো বাৰু আলৈ-আথানি কৰিবনে? তেওঁৰ মুখৰ বাইকষাৰ তেওঁ জানো পেলাব পাৰিব? নহয়, মোৰ ভয় কৰাৰ সকাম নাই, তেওঁক মোক নিবই নিব। মাক-বাপেকৰ সন্মতি লওঁতে চাগৈ পলম হৈছে। পিছে ক'তা, তেওঁ দেখোন নহা হল; কিজানিবা নাহেই?' তাইৰ ভয়ো লাগিল, বেজাৰো লাগিল। চকুৰেদি এটুপি লো বাগৰি গল। আকৌ কিছুপৰ ৰৈ ভাবিলে, 'নহয় তেওঁ মোক এনেকৈ এৰিব নোৱাৰে। কেতিয়াও নোৱাৰে; মোক এনে কৰি তেওঁ এৰিব পাৰিবনে?' তথাপি তাইৰ মন তাৰ মাজে মাজে শিঁয়ৰি উঠিছিল, মুখ শুকাই আহিছিল তাই বাপেকক কি কব? মাকক কি কব? এইবোৰ ভাবি তাই এবাৰ কন্দনামুৱা হৈ চাৰিওফালে চায়—তাইৰ যেন অন্তৰআত্মাই এটা দাৰুণ-যন্ত্ৰণাত শিয়ঁৰি উঠিছে, তাইৰ ভয়াতুৰ প্ৰাণে এই মহাবিপদত কাৰোবাক সহায় বিচাৰি দিগন্তলৈ এটি আকুল আগ্ৰহৰ দৃষ্টি নিক্ষেপ কৰিছে। আজলী ছোৱালীজনী বেচেৰী!

চন্দ্ৰনাথ আৰু নহা হল। সোণতৰাই যিদিনাই তাইৰ কথা কলে বোলে, মোৰ এনেকুৱা হৈছে, সেই দিনাৰেপৰা চন্দ্ৰনাথে বাট এৰিলে। সোণতৰাই আশা কৈ থাকিল, আহিব বুলি মন ডাঠি থাকিল; কিন্তু চন্দ্ৰনাথৰ আৰু দেখা-দেখি নাই। তাই ভাবিলে, বাপেকে চাগৈ গাৱঁলীয়া ছোৱালী বিয়া নকৰায়, তাৰ বেজাৰতহে চন্দ্ৰনাথ নহা হল।

এমাহ, দুমাহ, তিনিমাহ, চাৰিমাহ। চন্দ্ৰনাথ নাহিল। সোণতৰাই কত দিন অকলৈ উচুপি উচুপি কান্দিলে, "ক'ত আছাগৈ, আহাঁ আহাঁ।" চন্দ্ৰনাথ নাহিল। শেষত বিপদত পৰি তাই ভগৱন্তৰ চৰণত লুটিখাই পৰি কাতুৰ্য্যাদ কৰিলে—"প্ৰভু, তেওঁক আনা।" চন্দ্ৰনাথ নাহিল। লাহে লাহে মাকে জানিলে, বাপে-কেও জানিলে। মাক-বাপেকৰ মূৰত বজ্ৰাঘাত! কত চেষ্টা ..........সকলো মিছা। মাক-বাপেকে তাইক নানা

কৰিও তাইৰ মুখৰ পৰা এষাৰিকে কথা উলিয়াব নোৱাৰিলে। তাই গালি-শপনি, শাও, মাক-বাপেকৰ থাক কত টান বাক্যবাণ সহ্য কৰিলে, কত শাস্তি খালে, কেইৰাতি তাই বিয়াকুল হৈ কান্দি চকুপানীৰে বিছনা ওপচাই দিলে,—চন্দ্ৰনাথ নাহিল।

ঘুমুক-থানাকটৈক চুবুৰীয়াই জানিলে, গাঁৱেই জানিলে। মাক-বাপেকে ৰাইজৰ কথাত তাইক এৰিবলৈ বাধ্য হল। মাকে বাৰীচুকতে ঘৰ এটা সাজি ৰাখিবলৈ বাপেকক কত কুটুৰিলে, কিন্তু বাপেক এনেয়েই সেই কলঙ্কত মুখ উলিয়াব পৰা নাই, আকৌ তাইক ঘৰত ৰাখিব নে? এদিন সন্ধিয়া বাপেকে গাৱঁৰ পৰা তাইৰ কলঙ্কৰ কথা শুনি আহি খঙত বেজাৰত তাইক ঘৰৰ পৰা উলিয়াই দিলেহি। "তই আৰু মোৰ ঘৰ সোমালে তোৰ ভাল নহওঁ। তোৰ মাৰ-বাপেৰ নাই। আজিৰ পৰা মোৰ ছোৱালী মৰিল।"

সোণতৰাই চকুৰ পানীৰে বুকু ওপচাই সন্ধিয়াৰ আন্ধাৰৰ আঁৰ হৈ গল। বেজাৰত, ভয়ত, কলৈ গৈছে কি কৰিছে একো কব নোৱাৰি কেনিবা গুচি গল। চন্দ্ৰনাথ নাহিল!!

( ৬ )

ওচৰৰে গাঁৱৰ বুঢ়ীজনীয়ে সেই দিনালৈ খুজি-মাগি ঘৰমুৱা হৈ লাখুটিত ভিৰ দি খোজ দিছে। গাত তাইৰ কেতেৰা ফটা কাপোৰ। মুখ সোতোৰা পৰা, চকুৰে ৰব ভালকৈ নমণে। বাটতে সোণতৰাক পাই বুঢ়ীয়ে থৰ লাগি ৰল। মুখলৈ অলপবেলি চাই সুধিলে, "আই, তই সন্ধিয়াখন অকলে কান্দি-কাটি ফুৰিছ কিয়? আন্ধাৰ হৈ আহিছে, ঘৰলৈ যা। তোৰ ঘৰ ক'ত?"

বুঢ়ীৰ কথাত সোণতৰাই আকৌ উচুপি কান্দিবলৈ ধৰিলে; তাইৰ শোক দুগুণে উথলি উঠিল। বুঢ়ীয়ে সুধিলে, "কিনো হল আই? কিয় কান্দিছ?" সোণতৰাই উচুপি উচুপি কলে, "মোক আই-বোপায়ে ঘৰৰ পৰা খেদাই দিছে। এটা নৰকীয়ে মোৰ—।" তাই আৰু কব নোৱাৰিলে। বুঢ়ীয়ে বুজিলে। তাইৰ মন সহানুভূতিৰে ভৰি পৰিল। ডেকাকালৰ কথাই বুঢ়ীৰ মনত ভুমুকিয়ালেহি। ভুক্তভোগী বুঢ়ী। আজি জীৱনৰ সন্ধিয়াত বুঢ়ীৰ আগত তাইৰ গাভৰুকালৰ কথা উজ্জ্বল হৈ উঠিল। লাখুটিত ভিৰ দি মাথোন তাই এবাৰ শিয়ঁৰিলে। 'কপাল, আই কপাল! পুৰুষত বিশ্বাস নাই, আই! ব'ল আই, মোৰ ঘৰলৈকে ব'ল। দুখে-সুখে তাতে টুকুটুক্ টাক্-টাক কৈ খাই থাকিম। বল আই, আহ্।' বুঢ়ীয়ে সোণতৰাৰ হাতত ধৰিলে। সোণতৰাই সেই বিপদত বুঢ়ীৰ শৰণ লবলৈ মান্তি নোহোৱাকৈ থাকিব নোৱাৰিলে।

••• আজি সাতদিন হৈছে সোণতৰাৰ এজনী মৰা ছোৱালী জন্ম হল। • • •

সেইদিনা বৰ ধুমুহা। সোণতৰাই পজাটোৰ ভিতৰত অকলৈ বহি আছে—জুই একুৰা ধৰি বুঢ়ীলৈ বাটচাই। ৰাতিও বাঢ়ি আহিল; ধুমুহাও এৰা নাই; বাহিৰত বৰ বৰষুণ। বুঢ়ী নাই। পজাটিৰ দুৱাৰখন মেলি সোণতৰাৰ সৰ্ব্বভাবনা বুঢ়ীলৈ সোণতৰাই বাট চাইছে—বুঢ়ী নাই। নিশা বহুত হলহি; সোণতৰা বহি থাকিল। আজি এমুঠিও খাবলৈ নাই। বুঢ়ীয়ে খুজি-মাগি অনাৰে এমুঠি খাবলৈকো বুঢ়ী নাই; তাই মুখ ওন্দোলাই জুহালৰ ওচৰতে বহিল। খৰিও টুকাই আহিল। জুইকুৰা নুমাই আহিল। লাহে লাহে অঙঠাও ছাইত পৰিণত হলগৈ। সেই নিজন, এৰাবাৰীৰ মাজত পজাটোত সোণতৰা বহি থাকিল। বেজাৰত, দুখত, তাই কান্দিব খুজিলে; কিন্তু চকুপানী এটুপিও নোলাল। সকলো শুকাই নাইকিয়া হৈছে। ইমান দিন ধাৰাসাৰে বৈ আছে, আৰু কিমান বব?

"সোণতৰা—অ-অ আই!" সোণতৰাই লৰি গৈ দুৱাৰখন মুকলি কৰি দিলেগৈ। কঁপি কঁপি, তিতি জুৰুলি-জুপুৰী হৈ বুঢ়ী থৰক-বৰককৈ সোমাই আহিল। "আই আই! উস্ মৰিলো আই—নাৰায়ণ স্বামীগুৰু" বুলি মাটিত লুটিখাই পৰিল। এন্ধাৰ পজাটোৰ ভিতৰত কোনেও কাৰো মুখ দেখা নাই। সোণতৰা লৰালৰিকৈ জুইৰ ওচৰ পালেগৈ। জুই নুমাই পানী হৈ আছে। উস্, কি ভীষণ অৱস্থা। এন্ধাৰে-মুধাৰে খেপিয়াই বুঢ়ীক গৰা মাৰি ধৰি সোণতৰাই মাতিলে, "অ আই—আই—অ, উঠা পাটীলৈ নিওঁ, বলা।" বুঢ়ী আৰু নুঠিল, বুঢ়ীয়ে আৰু নামাতিলে। বুঢ়ীয়ে সংসাৰৰ সকলো দুখ সহি,



সেইদিনা প্ৰকৃতিৰ অত্যাচাৰ মূৰপাতি লৈ সংসাৰৰ পৰা আঁতৰি গল। কোনেও নেদেখিলে, কোনেও নাজানিলে, কোনেও নুশুনিলে। সেই আন্ধাৰ নিশা আন্ধাৰ পজাটিৰ পৰা আন্ধাৰ দেহা পৰিত্যাগ কৰি বুঢ়ীৰ আত্মা ওলাই গল।—আন্ধাৰলৈ নে পোহৰলৈ?

সোণতৰাৰ আশ্ৰয়ৰ খলো নোহোৱা হল। বেচেৰীয়ে মাটিত বাগৰি কান্দিলে, তিয়মুৰ ভুকুৱালে;—সঁচাই নিৰাশাৰ সাগৰত তাই তল গল।

••• কোনো নাহিলহি। সোণতৰাই মজিয়াতে এটা গাতখানি বুঢ়ীৰ শটো তাতে পুতি ঘৰটিৰ পৰা ওলাই মুকলি সংসাৰত জাপ দিলে। •••

কোনেও আশ্ৰয় নিদিলে। সকলোৰে তাইক বিমুখ কৰিলে। তাই সেই গাওঁখনৰ পৰা আঁতৰি গল। তাই ঠাই নাপালে।

সন্ধিয়া সোণতৰা আহি এঘৰৰ পদূলিমুখত ঠিয় হলহি। ভোকত পিয়াহত তাইৰ অণ্ঠ-কণ্ঠ শুকাই গৈছিল। তাই এখোজ দুখোজকৈ গৈ চোতালত ঠিয় দিলেগৈ।

ঘৰত বুঢ়া-বুঢ়ী আৰু পুতেক। বুঢ়া-বুঢ়ীহাল বৰ ধাৰ্ম্মিক, বৰ ঈশ্বৰভক্ত। "অ আই, ঘৰত কোন আছে?" গহীন কণ্ঠেৰে কোনোবাই মাতিলে—"কোন? কি লাগে?" লগে লগে এটা খোৰোৰ-খোদোৰ পকা খেকেৰা যেন মুখেৰে বুঢ়া ওলাই আহিল। সোণতৰা—"ঘৰত কাম কৰিবলৈ মানুহ লাগিবনে?" এনেতে বুঢ়া আৰু পুতেক ওলাই আহিল। লৰাটোৱে সোণতৰাক দেখি চক্ খাই উঠিল। সি ভিতৰলৈ আকৌ সোমাই গল। বুঢ়াই গহীনাই সুধিলে, "কোন গাৱঁৰ, তোৰ নো কোনো নাই নে?"

সোণতৰা— "মোৰ গিৰিহঁত মোক আলৈ-আথানি কৰি কৰবালৈ গুচি গল, আৰু অন্য নাই। মই তেতিয়াৰে পৰা" এইদৰে ফুৰিছো। আজি দুদিন মোৰ লঘোন। বুঢ়ীয়ে মাত লগালে, "কৰবাত জাত-কুল যোৱা নহয় তো আকৌ! বাৰু, আহ আই! লাচনি-পাচনি কৰি দিবি। তইনো ক'ত এতিয়া মৰিবিগৈ? থাক আই।" সোণতৰা মনে মনে থাকিল।

বুঢ়াই কলে—এৰা আমাৰ নো কি কাম আছে, তাকে কৰিবলৈ। নাই, আমাক মানুহ নেলাগে যা।

ভিতৰৰ পৰা পুতেক গোলাপে মাতিলে। "নহয়, পিতাই, ৰাখা। ধান-চাউল বানিব পাৰিব, কঠিয়া-ভুঁই কব পাৰিব, কাপোৰ-কানি ধুই-ধাই কিয় দিব নোৱাৰিব? থাওক। তাইতো অনাই-বনাই ফুৰিছে। বেচেৰীয়ে দুদিন লঘোন দিছে বুলিছে নহয়, পিতাই!" বুঢ়ীয়ে কলে, "এৰাতো আকৌ! তাইনো আমাৰ কি খাই টুকুৱাব?" বুঢ়াই ভাবি চালে। তাইৰ মুখলৈ চাই বুঢ়াৰ মৰমো লাগিল। তাইক আশ্ৰয় দিলে।

( ৭ )

প্ৰথম যৌৱনৰ দুৱাৰদলিত সোমাই এখোজ নো যাওঁতেই সোণতৰাৰ জীৱনে তাইৰ মুখত বিহ ঢাকি দিলেহি। যৌৱনে যি মিঠা মৌ আনি তাইক দিলেহি, সেয়েই সোণতৰাৰ পক্ষে বিহ হল। সংসাৰখন তাইৰ পক্ষে বিষময়।

তাই চকুমুদি কেৱল জীয়াই থাকিল। তাইৰ আশা নাই, আনন্দ নাই, লোভ নাই,— একো নাই। জীয়াই থাকিব লাগে, আছে। তাইৰ বয়স যৌৱনত ভৰি দি যি আশাৰ সোণোৱালী জীৱনৰ কথা ভাবিছিল, তাক এটা প্ৰকাণ্ড বিৰাট ধুমুহাই ভাঙি চুৰমাৰ কৰি গলহি – সি আৰু ঠন ধৰি উঠিব নোৱৰা হল।

সেই সংসাৰবিৰাগী ছোৱালীজনীৰ মনৰ যৌৱন অৱতৰত ম্লান পৰিল— তাক ঠন ধৰাবলৈ সঞ্জীৱনী নাই, কিন্তু শাৰীৰিক যৌৱন, দুখ-দৈন্য, অভাৱৰ ঘাত-প্ৰতিঘাতত ম্লান পৰি আছিল; এতিয়া আকৌ সুখ, শান্তি, খোৱা-পিন্ধাৰ পূৰ্ণতাত সি ঠন ধৰি উঠিল। পুৰণি শৰীৰ ন হল, উটি যোৱা সৌন্দৰ্য্য আকৌ উভটি আহি পিতাপি ললেহি।

প্ৰথম দিনা দেখাৰে পৰা যি এটা সৰল সৌন্দৰ্য্যই গোলাপক সোণতৰালৈ টান থুৱাইছিল, তাৰ পূৰ্ণতাৰ লগে লগে ইয়াৰো সেই বাসনা হৈ আহিল। তাৰ অন্তৰ-আত্মাই সোণতৰাক বিচাৰিছে, তাৰ জীৱনৰ আশাই সোণতৰাক মূৰত মুকুটকৈ পিন্ধিব খুজিছে; তথাপি তাৰ সন্দেহ হৈছে—সঁচাকৈয়ে সি সোণতৰাক বিচাৰিছে নে?

গোলাপৰ সেই ভাবে, তাৰ সেই দৃষ্টিয়ে, সোণতৰাৰ হৃদয়-তন্ত্ৰীত টুকুৰিয়াইছেগৈ, কিন্তু সেই তন্ত্ৰী আজি স্পন্দনহীন ; তাৰ পৰা সুৰদি সুৰ ওলাব খোজা নাই। সেই তন্ত্ৰীত প্ৰাণৰ অভাৱ।

সোণতৰাৰ সৈতে কত কথা পাতিছে, কত কথা কৈছে ; কিন্তু এই বিষয়ে তাইৰ পৰা অলপো সহানুভূতি পোৱা নাই—তাই শুনিব লাগে মাথোন শুনি গৈছে। জীৱনৰ সুখলৈ তাইৰ আৰু স্পৃহা নাই। কিন্তু ইয়াৰ আগ্ৰহ-আকাঙ্ক্ষা দিনে দিনে দিনে চৰি আহিছে ; বানপানীৰ দৰে আহি তাৰ হৃদয় খলক লগাইছে। সি আৰু কেনেকৈ থাকিব বাৰু ?

বুঢ়া-বুঢ়ী গাৱঁলৈ ওলাই গৈছে। পথাৰৰ পৰা সোণতৰাই ডাঙৰী কঢ়িয়াই আনি ভৰালত থৈছেহি। বুঢ়াৰ পুতেকে চোতালতে মৰণা মাৰিব লাগিছে। সোণতৰাৰ সেই মধুৰ মন্থৰ খোজকিটালৈ সি চাব লাগিছে, ভাগৰত বাগৰি অহা সোণতৰাৰ কপালৰ ঘামৰ টোপালকিটিয়ে একোলোকা সহানুভূতি আনি তাইৰ গাত পেলাই দিছেহি। বাস্তৱ সোণতৰাৰ মুখখন কি সুন্দৰ হৈ বঙা পৰি আছে ! মুখখন সহীন। কি ৰূপহ গাম্ভীৰ্য্য !

সোণতৰাই শেষ ডাঙৰীটো আনি ভৰালত থৈ, বিহাৰে ঘামবোৰ মচি বহিছে ভৰালৰে ওচৰত পৰি থকা শিল এটাত। গোলাপ ওচৰলৈ গৈ সোণতৰাৰ সৈতে এটা দুটাকৈ কথা পাতি কলে, "সোণতৰা, তই মোলৈকে বিয়া লোৱা !" তাই কঁপি উঠিল। উচাট মাৰি তাৰপৰা গুচি গল, কৈ গল—"মই কাৰো তিৰুতা হবলৈ নাযাওঁ।" অলপ দূৰত গৈ তাই ফেকুৰি ফেকুৰি কান্দিলেগৈ। তাইলৈ পুৰুষ মাত্ৰেই চন্দ্ৰনাথৰ দৰে নৰকী, পাষণ্ড।

(৮)

সেইদিনা বুঢ়াৰ ঘৰত শৰাধ। গাৱঁৰ মানুহ মাতিছে। ওচৰৰ গাৱঁৰে চিনাকী মানুহ মাতিছে। জিলাত থকা সমন্ধীয়া মানুহ দুই এঘৰকো মাতিছে। বাতি সেইদিনা ভোজ। সোণতৰাই সেইদিনা দিনৰ দিনটো কাম কৰি ভত পোৱা নাই।

খাবৰ সময় হৈছে, মানুহবোৰ আহি পাতে পাতে বহিছে। এনেতে দিনৰ দিনটো ওন্দোলাই থকা মেঘে বৰষিবলৈ ধৰিলে, ধাৰষাৰে বৰষুণ। বৰ বতাহৰো ধুমুহা।

পাতে পাতে সকলোৱে বহি খাবলৈ ধৰিছে। এনেতে ওচৰতে ঠিয় দি থকা বুঢ়াক একনে কলে, "কেচা জলকীয়া এটা পালে ভাল আছিল।"

বুঢ়া— বাৰু কোনো কথা নাই। হেৰৌ গোলাপ, কেচা জলকীয়া কেটামান আনিবলৈ ক'চোন।

গোলাপে বান্ধনি ঘৰলৈ চিয়ঁৰমাৰি কলে, "সোণতৰা, কেচা জলকীয়া কেটামান লৈ আহচোন।"

সোণতৰাই কেচা জলকীয়া কেটামান হাতত লৈ ঠিয় হলহি। তাইৰ চকু হঠাৎ এঠাইত পৰিল, তাই চক্ খাই উঠিল। জীৱনত এনেকৈ তাই চক্ খোৱা নাই। তাৰ লগে লগে আৰু কেইজনমান মানুহেও চক্ খালে।

একনে ভাতৰ গৰাহ এৰি উঠি কলে, "ইস্, ইস্ ! এই আমাৰ গাৱঁৰ হৰিৰামৰ ছোৱালীজনী মহয় নে ? তাইৰ বদনামত গাৱঁৰ মানুহ মুখ উলিয়াব নোৱৰা হৈছিল। হয়। বাইজে তাইক সমাজৰ পৰা খেদি দিছিল। তাই আহি ধৰীয়া বামুনী একনীৰ ভাত খাই জাতকুল এৰিলে। হৰি হৰি ! তাই পানী-তুনি সোপাকে চুইছে নহয় ! ৰাম ৰাম—হৰি হৰি।"

লগে লগে আৰু কিছুমান মানুহে "ইস্, ইস্," বুলি ভাতপাতৰ পৰা ঠিয় দিলে। বুঢ়াই খঙত গৰ্জিবলৈ ধৰিলে, হাতত থকা তামোলৰ বটাটো তাইৰ গালৈ মাৰি পঠালে। "বেটি, ভাল মোক বুঢ়া কালত নৰকত পেলাবলৈ আহিছিলি ! শাকিনি, যখিনি, পাপীনি ! জহনীত মৰ তই বেটি, মাউৰত মৰগৈ। ইস্ ইস্ ! যা যা, মোৰ চকুৰ আগত তই নাথাকিবি। পাপীনি ! যা, ওলা ওলা।" বুঢ়া ধৈৰ্য্য হেৰুৱাই তাইক পেলামাৰি গৈও বল, দুচুলে।

শোক-বেজাৰত তাইৰ বাক্‌ৰুদ্ধ হৈ আহিছিল। খঙত তাইৰ গা জ্বলি আহিল। তাই চিয়ঁৰি কলে—"বাইজ, আপোনালোকে মোক এনে কৰিলে, কিন্তু যাৰ পৰা মোৰ এনে হল, যি নৰকীয়ে এনে কৰিলে তাৰ সৈতে হলে সমাজ পাতি একিয়াও খাই আছে—।" ভোজখাওঁতাৰ মাজত, বুঢ়াৰ সম্বন্ধীয়া চিৰুস্তদাৰৰ পুতেক চন্দ্ৰনাথলৈ



আঙুলিয়াই কলে, "মই বাৰু এতিয়া ওলাই যাম। সেই নৰকীয়েই মোৰ এনে অৱস্থা কৰিলে বাইজ !" এইবুলি তাই তাৰ পৰা নাইকিয়া হল। বতাহ-বৰষুণৰ মাজত—আন্ধাৰ নিশা—তাই আঁৰ হৈ গল। গোলাপ বৈ আছিল। সোণতৰাৰ কথাত তাৰ খঙ মূৰৰ চুলি পালেগৈ। দুৱাৰৰ ওচৰতে থকা দুৱাৰৰ দাংডাল লৈ সি শেনটো যোৱাদি গৈ চন্দ্ৰনাথক মাৰ শোধালে। একে মাৰেই তাৰ হাত ভাগিল। আৰু কেইজোৰমান মাৰোতেই মানুহে আহি ধৰিলে, হাতৰ দাংডাল কাঢ়ি নিলে। খঙত বলিয়া হৈ সি ভাতৰ পাতবোৰকে লৈ তাইৰ গালৈ মাৰিবলৈ লাগিল।

তাৰ পাচত সিও চাট্ কৰে দুৱাৰেদি বতাহ-বৰষুণত লীন হৈ গল। সকলো আচৰিত।

(৯)

কি বৰষুণ ! মাজে মাজে বিজুলীৰ চমকত চকু চাট্ মাৰি ধৰিছে। একো একো বতাহৰ চাটিত ঘৰ-বাৰী উৰাই নিব খুজিছে। ধুমুহাৰ একোটা গগনভেদী চিয়ঁৰত বুকু কঁপি উঠিছে। তাই দহ হাতমান আগে আগে কাপোৰ-কানি জপটিয়াই লৈ লৰি গৈছে—পিছে পিছে গোলাপো উধাতু খাই। বিজুলী-পোহৰত আগৰ লুইতৰ বতল ফেনে ফোটোকাৰে উপচি অহা মূৰ্ত্তিয়ে খাওঁ খাওঁ কৰিব লাগিছে। সোণতৰাই তাইৰ কলঙ্কিত দেহা লুইতকে দি কলঙ্ক মোচন কৰিবলৈ বিয়াকুল হৈ লৰ ধৰিছে আৰু গোলাপ তাৰ ভবিষ্যত জীৱনৰ সোণালী সপোনৰ কেন্দ্ৰটিক ধ্বংসৰ পৰা ৰাখি তাৰ ভবিষ্যত জীৱন গঢ়িবলৈ নিধাতু খাই লৰি গৈছে।

ধৰে—ধৰে—ধৰে ; নাই—নাই—নোৱাৰিলে ; বিহাৰ আচলটো আঙুলীত লাগিও এৰাই গল ; লুইতৰ বুকত তাই জাপ দিলেগৈ। চকু-পচাৰতে গোলাপো তাইৰ পাছতে জাপ দি তাইক গৰামাৰি ধৰিলেগৈ। নৈৰ কোবাল সোঁতে দুইকো উটুৱাই লৈ গুচি গল। প্ৰাণপনে গোলাপে তাইক গৰামাৰি সাঁতুৰিবলৈ ধৰিলে, সোঁতেও উটাই নিবলৈ ধৰিলে ; দুয়ো গৈ নৈৰ মাজুলীত উঠিলগৈ। মৰণ জীৱনৰ কি দুৰ্যোৰ যুদ্ধ ! বতাহ বৰষুণে এৰিলে। লুইত আকৌ শান্ত মূৰ্ত্তিৰে বাগৰি গল। দুয়ো ভাগৰত বহুতপৰ মনে মনে বহি থাকিল। বহুত পৰৰ মূৰত সোণতৰাই মূৰ ভাঙিলে, অলপ অলপ পোহৰ হৈছিল। তথাপি আন্ধাৰ। সোণতৰাই গোলাপৰ সেই আকুল আগ্ৰহসনা মুখখনিলৈ চাই কলে, "মোক কিয় জীয়ালে ? সকলোৱে মোক এৰিলে, আই-বোপায়ে, গাঁওঁৱাই-সমাজে—।"

গোলাপ—সকলোৱে এৰক, মই নেৰো। সোণতৰা, তই মৰিছিলি। আগৰ সোণতৰা মৰিল, মই তোক জীয়ালো। সোণতৰা, এতিয়া আৰু তই কেনে কথা কয় কিয় ? মই বৰ দুখ পাওঁ।

সোণতৰা—মোক তো সংসাৰত কোনেও ঠাই নিদিয়ে ! মোৰ—

গোলাপ—নালাগে দিব ; মই দিম সোণতৰা ! তোৰ কাৰণে মই সকলো এৰিম। সোণতৰা, তোৰ লগতে মই সমাজৰপৰা ওলাই আহিলো। তয়েই মোৰ সমাজ হবি, আই-বোপাই, ভাই-বন্ধু সকলো হবি। মই তোৰ নহমনে ?

সোণতৰাৰ মুখখনত এটি নতুন আনন্দ বিৰিঙি উঠিল। তাই তাইৰ আগৰ কথা পাহৰি গল। চকুৰেদি এটুপি আনন্দৰ অশ্ৰু বাগৰিল। গোলাপৰ চকুৰেদিও এটুপি লো বাগৰি আহিল। দুখৰ নে ? আনন্দৰ নে ? নহয়, নহয়—আশাৰ ! সঁচাকৈয়ে সুন্দৰ ৰূপহ সি আশাৰ ! সোণতৰাৰ কাণে খৰ লাগি চায় বল। তাই ডেনমুৰ কৰিলে।

বেলিটিয়েও লাহেকৈ উদয়গিৰিৰ পাছলৈ আহি আন্ধাৰক বিদায় দি উহাক আগবঢ়াই দিলে। উহাৰ চৰণ-পৰশত শিয়ঁৰি ফুলি উঠা পোহৰৰ শত শতদলবোৰ প্ৰজাপতিৰ শুভ আশীৰ্বাদৰ নিৰ্ম্মালিৰ দৰে দুয়োৰে মূৰতে উপচি পৰিলহি।

শ্ৰী:জ্যোতি আগৰৱালা

# দেশবন্ধু চিত্তৰঞ্জন দাশ

ভাৰত-আকাশৰপৰা এটি ভোটাতৰা খহিল। আউ-সীৰ এন্ধাৰত পোহৰ দিবলৈ আৰু দেশবন্ধু চিত্তৰঞ্জন দাশ নাই। ভাৰতব্যাপী এটা কান্দোনৰ ৰোল উঠিছে; উঠাটোৱেই স্বাভাবিক; কাৰণ ভাৰতত নো আৰু চিত্তৰঞ্জন দাশ কেইটি আছে? হব পাৰে, ভাৰত জননীয়ে চিত্তৰঞ্জনতকৈ ডাঙৰ আইনজ্ঞ, ডাঙৰ জননেতা, বৰ বাগ্মী, বৰ বুদ্ধিমন্ত, বৰ বিত্তাৱন্ত সন্তান উদৰত ধাৰণ কৰিছে; কিন্তু চিত্তৰঞ্জনৰ দৰে জননী জন্মভূমিৰ নিমিত্তে সৰ্ব্বস্বত্যাগী সন্তান এক মহাত্মা গান্ধিৰ বাহিৰে আৰু তো নেদেখোঁ! এই নিমিত্তে আজি ভাৰত আই ব্যাকুল; এই নিমিত্তে আজি লক্ষ লক্ষ ভাৰতীয় শোকত আকুল। যিদিনাই চিত্তৰঞ্জন মহাত্মা গান্ধিৰ প্ৰভাৱৰ ভিতৰলৈ আহিল, সেই দিনাৰ পৰাই চিত্তৰঞ্জন নিৰ্ভাজ স্বাৰ্থত্যাগী হল। হেজাৰ হেজাৰ মানুহ মহাত্মা গান্ধিৰ প্ৰভাৱৰ ভিতৰত পৰিছে, হেজাৰ হেজাৰ মানুহে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছে, কিন্তু এনেটি হব পৰা নাই দেখোন, কাৰণ কি? কাৰণ, চিত্তৰঞ্জনৰ দৰে সেই সকলে সৰ্ব্বতোভাৱে আৰু সমূলঞ্চে দেশৰ সেৱাত আত্মবিলোপ কৰি সৰ্ব্বস্বত্যাগ কৰিব পৰা নাই। নিজৰ স্বাৰ্থত যেই অলপ আচোঁৰ লাগিছে, ততালিকে তেওঁলোকৰ নিজৰ আচল বৰণ ওলাই পৰিছে,—কম-বেছি, উনৈশ-বিশ, এই মাপোন প্ৰভেদ! "পৰাৰ্থে প্ৰাজ্ঞঃ উৎসৃজেৎ" মন্ত্ৰ তেওঁলোকৰ মুখত ভট্ ভট্ কৰে ফুটিছে, কিন্তু অন্তৰত—মোৰ ধন আৰু মোৰ জন, মোৰ ভাত আৰু মোৰ কাপোৰে বক্‌বকাব লাগিছে। গান্ধিৰ স্বদেশৰ নিমিত্তে সৰ্ব্বস্বত্যাগ, দুখীয়াৰ দুখ গুচাবৰ নিমিত্তে প্ৰাণপণ মন্ত্ৰই তেওঁলোকৰ হৃদয়-ক্ষেত্ৰত ভালকৈ গজালি মেলিব পৰা নাই। কাঞ্চনৰ সংসৰ্গত কোনো কোনো কাঁচ সোণ যেন হৈছে হয়, কিন্তু সোণ আঁতৰিলেই যেই কাঁচ সেই কাঁচেই হৈ পৰে। চিত্তৰঞ্জন কিন্তু এনে নাছিল। গান্ধি-সোণৰ কাষ পায়েই চিত্তৰঞ্জন-সোণ উজ্জ্বলিত হৈ উঠিল। ইয়াৰ সাঁচাৰ্-কাঠি এটি আছে;—সেইটিৰ নাম হৈছে Sincerity। অনুবাদ—অকাপট্য। অৰ্থাৎ কপটতা বা কৈতব নহয়। Saintliness আৰু godliness লভিবৰ হলে কৈতব ত্যাগ কৰিব লাগিব, নতুবা অসম্ভৱ। কপট-ঢাকোনেৰে অন্তৰ ঢাকি কোনোকালে কদাচিতো কোনেও সত্য বস্তু লাভ কৰিব নোৱাৰে, আৰু পৰা নাই।

> "কৈতব ত্যজিয়া ভজিয়ো হৰি।
> তেবেসে হৰি হৈবে দাস কৰি॥"
> যাবত কৈতব নেড়স মন।
> তাবত নপাইবি হৰি চৰণ॥
> কৈতব অসত্য জান ভাল কৰি।
> ভজিয়ো হৰিক কৈতব এৰি॥" (ঘোষা)

সত্যৰ পেৰা মেলিব লাগিলে অকাপট্যৰ সাঁচাৰ-কাঠিটি হাতত লব লাগিব;—কি জনসেৱা, কি দেশ-হিতৈষিতা, কি ঈশ্বৰলাভ, এই সকলো বিষয়তে। এই পেৰাৰ দুৱাৰখনিৰ নাম হৃদয়। গান্ধি মহাৰাজে এই সাঁচাৰকাঠিটি সকলোকে যাচিছে, কিন্তু কোনেও ভালকৈ হাত নেপাতে; কোনোৱে হাত পাতি লৈয়ো দলিয়াই পেলাই কৈতবৰ সাঁচাৰকাঠিৰ জোকাটো তুলি লৈ জোকাৰি দেশ উদ্ধাৰ কৰিবলৈ ওলাইছে! তেওঁলোকে সেই কাঠিকোছা জোকাৰি তাৰে টুংটাং শবদ উলিয়াই, ডলাৰ ওপৰত ঠাকি থৈ তলত মুৰ দি ঘণ্টা বজাই পহ মতা দি আকে আকে দেশীয় পহ মাতি নিজৰ ইচ্ছামতে সেই-ঘোৰ কাটিব পাৰিব, কিন্তু কদাপি গান্ধি আৰু চিত্তৰঞ্জন হব নোৱাৰে, আৰু সেইদেখি জননী জন্মভূমিৰ দুখ মোচনো কৰিব নোৱাৰে।

আৰ্ল-ল কলেজৰ প্ৰিন্সিপেল, মোৰ অতি আদৰৰ বন্ধু আৰু আত্মীয়, বেৰিষ্টৰ শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱাৰ পৰা এতিয়াই এখন চিঠি পালোঁ। চিঠিখন ঘৰুৱা বিষয়ৰ; ছপা কৰিবলৈ পঠিৱা নহয়; আৰু ইংৰাজী ভাষাত। তাত তেওঁ চিত্তৰঞ্জনৰ বিষয়ে আধাৰচেৰেক কথা লেখিছে,



তাৰ ভাঙনি এইখিনিতে তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলো; কাৰণ তেওঁ লেখা কথাবোৰ আখৰে আখৰে ঠিকঃ—

"ছি, আৰ দাশৰ মৃত্যু বিনামেঘে বজ্ৰাঘাত। তেওঁৰ যে এতিয়াই মৃত্যু হব এই কথা কোনে ভাবিব পাৰিছিল! তেওঁ বাস্তৱিকতে এজন অহংশূন্য মানুহ আছিল। তেওঁৰ গোটেইটো জীৱন পৰৰ নিমিত্তে উৎ-সৰ্গীকৃত আছিল। তেওঁৰ ঘৰ সকলোৰে প্ৰতি অবাৰিতদ্বাৰ আছিল, আৰু কোনো তেওঁৰ ওচৰৰ পৰা ৰিক্তহস্তে ঘুৰিছিল। তেওঁৰ ত্যাগৰ বিষয় ভাবিলে মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ কথালৈ মনত পৰে। মই মহৰ্ষিৰ সেই ত্যাগলৈ আঙুলিয়াইছোঁ, যাৰ বশবৰ্ত্তী হৈ তেওঁ ৰজাৰ নিচিনা ঐশ্বৰ্য্য-বিভূতি এক মুহূৰ্ত্ততে পৰিত্যাগ কৰি দুখীয়াৰ জীৱন অৱলম্বন কৰি পিতৃঋণ পাইটোলৈকে পৰিশোধ কৰিছিল। চিত্তৰঞ্জনৰো তেনে ত্যাগ আৰু তেনে আচৰণ; আৰু সেই ত্যাগৰ সমাপতি কৰে তেওঁ নিজৰ ঘৰবাৰী আদি সকলো সম্পত্তি স্বদেশীৰ মঙ্গলৰ অৰ্থে দান কৰি। তেওঁৰ আত্মত্যাগ সততে সকলো বিষয়তে দেখা গৈছিল। মোৰ মনেৰে তেওঁৰ এই অকাল মৃত্যুৰ গুৰিত:—দেশৰ নিমিত্তে দিনে-ৰাতিয়ে নানা চিন্তা-আমনি, আৰু পূৰ্ব্বৰ পৰা প্ৰচ-লিত থকা-মেলা প্ৰথা পৰিত্যাগ কৰি দুখীয়াৰ জীৱন-যাত্ৰা অৱলম্বন। আপুনি জানে, আগৰ ডোখৰত তেওঁ কেনেকৈ কেনে সুখ আৰু বিলাসিতাত জীৱন যাপন কৰিছিল। হঠাৎ তেনে অভ্যাস আৰু আচৰণ পৰিত্যাগ কৰি এই পাঁচ বছৰ এনে কঠোৰ জীৱন যাপন কৰাত তেওঁৰ স্বাস্থ্যভগ্ন হল বুলি মোৰ বিশ্বাস। কিন্তু তেওঁৰ এনে মৃত্যু বাস্তৱিকতে মৃত্যু নহয়। গোটেই দেশৰ অবালবৃদ্ধ বণিতা যাৰ মৃত্যুত শোকাকুল, আৰু যাৰ শ্মশানত শেষ বিশ্ৰামলৈকে হাজাৰ হাজাৰ মানুহে চকুৰ লো টুকি যাৰ শবৰ অনুগমন কৰিছিল, তেনে মৃত্যুক মৃত্যু বুলিব নোৱাৰি। বুৰঞ্জীৰ পাতত তেওঁ সদায় অমৰ হৈ থাকিব। বৰ্ম্ম কবচ ধনুৰ্ব্বাণেৰে সৈতে যুদ্ধক্ষেত্ৰত তেওঁৰ প্ৰাণত্যাগ। এনে মৃত্যু কাৰ বাঞ্ছনীয় নহয়? কিন্তু এতিয়া কথা হৈছে, কোনে তেওঁৰ ঠাই পূৰাব? কোনো তো নাই! আপো-নাৰ মনত আছে নে ১৮৯৪ চনত চিত্তৰঞ্জন যেতিয়া কলি-কতাৰ মিউনিছিপেলিটিৰ সভ্য হবলৈ ভোট প্ৰাৰ্থী হৈছিল, তেতিয়া তেওঁ কৃতকাৰ্য্য হব নোৱাৰিলে। ৩০ বছৰৰ মূৰত সেই চিত্তৰঞ্জনক কলিকতাৰ মিউনিছিপেলিটিয়ে প্ৰথম-মেয়ৰৰ পদ দি সন্মানিত কৰিলে। চিত্তৰঞ্জনে জীৱনৰ ৩৫ বছৰ কালৰ ভিতৰত কত টকা উপাৰ্জ্জন কৰিলে, কত টকা খৰচ কৰিলে, আৰু কি উদ্যমেৰে কাম কৰি গল, ভাবিলে আচৰিত মানিব লাগে।"

সম্পাদক

---

# দৃষ্টিহীন

[ ৩য় সংখ্যাৰ পিছৰ পৰা ]

ষষ্ঠ কণা—আমি জানো আকাশগনৰ তলত; নে অ'?

প্ৰথম কণা—গীতৰ ভিতৰৰ দৰে আমাৰ মাত বিলাক গনগনাই উঠিছে দেখোন!

সকলোতকৈ বুঢ়া কণা।—মোৰ মনেৰে—গীততকৈও—সাজ লাগিছে, সেয়েহে মাত সকনি হৈ গনগনাই উঠিছে।

গাভৰু কাণী—মোৰ হাতত জোনৰ পোহৰ পৰা যেন গম পাইছে দেখোন!

সকলোতকৈ বুঢ়ী কাণী—তৰাও ওলাইছে হবলা অ'; সেয়া মই শুনিছোৱেই।

গাভৰু কাণী—ময়ো শুনিছো।

প্ৰথম কণা—মই হলে একো শব্দ শুনা নাই।

দ্বিতীয় কণা—মই আমাৰ উশাহ-নিশাহ হে শুনিছো!

সকলোতকৈ বুঢ়া কণা—মোৰ মনেৰে মাইকী কেইজনীহে ঠিক।

প্ৰথম কণা—ক'ত, মই তো তেনে ভুলোৱা শুনা নাই!

দ্বিতীয় আৰু তৃতীয় কণা—ময়ো নাই শুনা।

[হঠাৎ ওচৰৰ জোপাত নিশাচৰ চৰাইবিলাকে উৰা-মৰা কৰে]

দ্বিতীয় কণা—শুনচোন, শুন! আমাৰ মূৰৰ ওপৰতে সেইটো কি? শুনিছনে?

সকলোতকৈ বুঢ়া কণা—আমাৰ মূৰৰ ওপৰেদি—আকাশৰ তলেদি—কিবা গৈছে।

ষষ্ঠ কণা—কিবা এটা আমাৰ মূৰৰ ওপৰতে ঘূৰি ফুৰিছে; পিছে আমি ঢুকি নোপোৱাত।

প্ৰথম কণা—জানো পাই! সেইটো বা কিহৰ শব্দ, মই একো কব পৰা নাই। মই হলে আশ্ৰমলৈ উলটি যাবহে খোজোঁ।

দ্বিতীয় কণা—আমিনো ক'ত, জানিব খোজোঁ!

ষষ্ঠ কণা—মই ঠিয় হব খুজিছিলো, পিছে চৌপাশে কাইট পাই! মোৰ আৰু হাতখনকে মেলিবলৈ ভয় লাগিছে।

তৃতীয় কণা—আমি ক'ত, জানিব খোজোঁ!

সকলোতকৈ বুঢ়া কণা—কব নোৱাৰোঁ বোপাই।

ষষ্ঠ কণা—নিশ্চয় আমি ঘৰৰ পৰা বহুত দূৰত। মই কোনো শব্দকে তত্‌ ধৰিব পৰা নাই।

তৃতীয় কণা—অথনিৰেপৰা মই শুকান পাতৰ গোন্ধ পাইছো।

ষষ্ঠ কণা—হেৰ', কোনোবাই কেতিয়াবা এই দ্বীপটো দেখিছিলিহঁকনে? জানেনে আমিনো এতিয়া কোনখিনিত?

সকলোতকৈ বুঢ়ী কাণী—ইয়ালৈ আহোঁতেও আটাই কেটা কণা।

প্ৰথম কণা—আমিতো কেতিয়াও চকুৰে দেখা নাই!

দ্বিতীয় কণা—এঃ মিছামিছিকৈ চিন্তা কৰি নেথা-কিবিহঁক, তেখেত আহিব এতিয়া। সোণকালে আহিব, আৰু অলপ ৰইকচোন। পিছে আগলৈ হলে কেতিয়াও তেওঁৰ লগত কলৈকো নেযাওঁ দেই?

সকলোতকৈ বুঢ়া কণা—অকলৈ যে যাব নোৱাৰোঁ!

প্ৰথম কণা—নোৱাৰোঁ নেযাওঁ। মই হলে পাই বহুত সোমাই থাকিহে ভাল পাওঁ।

দ্বিতীয় কণা—আমাৰ তো আহিবৰ ইচ্ছা নাছিল; যাওঁ বুলি কোনেও কোৱাও নাছিলো!

সকলোতকৈ বুঢ়ী কাণী—আজি বন্ধ। কামবন ছুটী হলেতো আমি সদায় ফুৰিবলৈ আহোঁ!

তৃতীয় কাণী—আজি মই পাটীত থাকোঁতেই তেখেত আহি মোৰ কানখনত থপথপিয়াই থপথপিয়াই কৈছিলহি বোলে, "উঠ, উঠ, উঠিবৰ হল—বেলি ওলাল।" হেৰ, বেলি বুলি কিবা এটা আছেনে কি অ'! মই দেখোন ভুকে নেপাওঁ, ক'তা? মই তো কেতিয়াও দেখা নাই!

সকলোতকৈ বুঢ়া কণা—মই নিচেই সৰুতে দেখিছিলো।

সকলোতকৈ বুঢ়ী কাণী—ময়ো সৰু হৈ থাকোঁতে তাহানিখনতে দেখিছিলো—এতিয়া জান-নেজানকৈহে মনত পৰে।

তৃতীয় কণা—ব'দ দিলেইনো তেখেতে আমাক বাহিৰলৈ নিব খোজে কিয়? আমাৰ ভিতৰতনো পিয়ানী কোন অ? দুপৰতে নে মাজনিশাতে ফুৰিবলৈ যাওঁ মই উমানকে ধৰিব নোৱাৰো।

ষষ্ঠ কণা—মই দুপৰীয়া ফুৰিবলৈ ভাল পাওঁ। কাৰণ, তেতিয়া মোৰ চকুত কিবা এটা খুব ফটফটীয়া জোনাক অনুমান হয় আৰু চকু কেটাও যেন মেল খাব খোজে!

তৃতীয় কণা—তেখেতে দেখোন আমাক চোতালতে ব'দ লোৱাব পাৰিলেহেতেন; তাত ভালো, কেউপিনে টাটি দিয়া আছে, কোনো বাহিৰলৈ ওলাব নোৱাৰে—দুৱাৰখন জপাই ললে যে ভয়েই নাই—মইতো সদায় দুৱাৰখন জপাই থ'ব্লেই—তই মোৰ বাওঁ কিলাকুটিটো চুলি কিয় অ'?

প্ৰথম কণা। ক'ত চুইছো অ? মই তোক চুকিকে নেপাওঁ, আকৌ চুম কেনেকৈ?

দ্বিতীয় কণা—সচাঁকৈয়ে তোক কৈছো, কোনোবাই মোৰ কিলাকুটিটো চুলে।

প্ৰথম কণা—কোনেও ছোৱা নাই।

দ্বিতীয় কণা—মই শুচি যাওঁগৈ পাই!

সকলোতকৈ বুঢ়ী কাণী—হে প্ৰভু! হে পৰমেশ্বৰ! কোৱাচোন, আমি ক'ত আছোঁহি!



প্ৰথম কণা—আমি তো ইয়াত চিৰদিন বাটচাই থাকিব নোৱাৰো!

[এটি সুদূৰস্থ নবীত বাবজাৰ মাত জান-নেজানকৈ শুনা যায়]

সকলোতকৈ বুঢ়ী কাণী আঃ! আমি দেখোন আশ্ৰমৰ বহুত দূৰত!

সকলোতকৈ বুঢ়া কণা—সেয়া দুপৰ ৰাতি!

দ্বিতীয় কণা—নহয়, ভৰ দুপৰীয়া! হেৰ' তইতৰ কোনোবাই জানেনে কচোন বাৰু (দিননে ৰাতি)!

ষষ্ঠ কণা—কব নোৱাৰোঁ পাই। পিছে, মোৰ মনেৰে আমি কিছবাৰ ছাঁত বহি আছোহঁক।

প্ৰথম কণা—মই হলে একোকে গম ধৰিব পৰা নাই। আমি বহুত পৰ শুলো হবলা!

দ্বিতীয় কণা—মোৰ ভোক লাগিছে।

আনবিলাক কণা—আমাৰ যে ভোক-পিয়াহ দুয়োটা লাগিছে।

দ্বিতীয় কণা—আমি ইয়াত বহুত পৰৰে পৰা আছোনে কি অ'?

সকলোতকৈ বুঢ়ীকাণী—মোৰ মনেৰে শ শ বছৰ মই ইয়াতেই!

ষষ্ঠ কণা—ৰ'ৰি, আমি ক'ত আছোঁ মই উলিয়াব খুজিছোঁ ......

তৃতীয় কণা—আমি সেই ঘৰি-ঘন্টা বজা কাললৈকে থোৱাই ভাল হ'বলা! [ওচৰৰ জোপাত থকা নিশাচৰ চৰায়ে হঠাৎ কোঢ়াল কৰি উঠে]

প্ৰথম কণা—হেই, শুনিছনে? শুনিছনে?

দ্বিতীয় কণা—ভয় নাই, আমিতো অকলশৰীয়া নহওঁ!

তৃতীয় কণা—মোৰ হলে আগৰে পৰা মনটো গাজিছে! এইবিলাক শুনি শুনি আৰু কাণ খোলা হল। তেখেত আহিল নে?

প্ৰথম কণা—জানো পাই, সেইটো কি আমাৰ মূৰৰ ওপৰতে দেখোন!

দ্বিতীয় কণা—যোলো তহঁতেনো একো শুনা নাইনে? তহঁতে যোপাই মাত একেবাৰকে নেমাত!

সকলোতকৈ বুঢ়া কণা—হেৰ' আমি শুনিয়েই আছোহঁক।

গাভৰু কাণী—মোৰ ওচৰতে পাখি কোবোৱা শুনিছো।

সকলোতকৈ বুঢ়ী কাণী—হে প্ৰভু কোৰাঁ, আমি ক'ত!

ষষ্ঠ কণা—ৰ'ৰি। মই উলিয়াব খুজিছোঁ—আশ্ৰমখন সেই নৰনৈখনৰ সিপাৰত; আমি পুৰণি কলংখন পাৰ হৈ আহিলোঁ; তেখেতে আমাক দ্বীপটোৰ উত্তৰ ফালে আনিছিল। এতিয়া আমি নৈৰ পৰা বহুত আঁতৰত নহওঁ হবলা। ভালকৈ কাণপাতি থাকিলে তাৰ মাতকে শুনিলোহেতেন.........তেখেত যদি ঘূৰি নাহে তেনে আমি নৈৰ পানী-জুৰলিলৈ নামি যাব লাগিব .........দিনে-ৰাতিয়ে তাত জাহাজ চলিবই লাগিছে, আৰু তেতিয়া জাহাজৰ খালচিবোৰে আমাক নৈৰ দাঁতিত ঠিয় হৈ থকা দেখিব। আকৌ আমি সেই আকাশ-বাতি থকা ঘৰটোৰ চাৰিউকাষে থকা অগাইধ অৰইন-খনতো হব পাৰোঁ.........তেতিয়া,—মই তো তাৰ পৰা ওলোৱা বাট নেজানো...........হেৰ' কোনোবা মোৰ লগত ওলাবিহঁক নে?...

প্ৰথম কণা—আমি বহি থকাই ভাল! অলপ পৰ অপেক্ষাকে কৰোহঁকচোন; নৈখননো কেনি গৈছে, কলৈ গৈছে, বা ক'ত আছে তাকো তো নাজানো, আকৌ,—আশ্ৰমৰ কেউপিনে পিতনিৰে ভৰা—সেই কাৰণে আমি অলপ অপেক্ষাকে কৰোহঁক, বাটচাওঁ:— তেখেত আহিব; আহিবই লাগিব; নহাকৈ তো নোৱাৰে!

ষষ্ঠ কণা—বাৰু আমিনো কোনটো বাটেদি আহিলোঁ কোনোবাই জানেনে? আহোঁতেতো তেখেতে আমাক পানী পানীকৈ কৈ আহিছিল, বুজাই আহিছিল!

প্ৰথম কণা—মই কাণকে কৰিবলৈ নহল।

ষষ্ঠ কণা—হেৰ, তইতৰ কোনোবাই শুনিছিলিহঁক নে?

তৃতীয় কণা—এইবাৰৰ পৰা আৰু আগলৈ (তেখেতৰ কথা) শুনিম পাই!

ষষ্ঠ কণা—বাৰু, আমাৰ কোনোবা এই দ্বীপটোত উপজিছিল নে?

সকলোতকৈ বুঢ়া কথা—কিয়, তই জানো নেজান ? আমি কৰবাৰ পৰাহে আহিছিলোঁ।

সকলোতকৈ বুঢ়ী কাণী—আমি নৈ-সিপাৰৰ পৰা আহিছিলো ।

প্ৰথম কথা—মই নৈ পাৰ হওঁতেই মৰিম বুলি ভাবিছিলো।

দ্বিতীয় কথা—মৰো পাই—! আমিতো একেলগেই আহিছিলো।

(আ নৈ)

শ্ৰীহৰিপদ দত্ত

---

# চিত্তৰঞ্জন

জননী বুকত এই মাজনিশা
কোনে আহি কলে ব্যাকুলচিতে,
"ঘোৰ বজ্ৰপাত, ভয়ঙ্কৰ ধ্বনি
ভাৰতৰ বাতি নউ পুৱাওঁতে।"

ইকি ইকি হায়! নিমিষতে কিয়
সমগ্ৰ ভাৰত নীৰৱ হল!
এহাতে নিৰখি আশাৰ প্ৰদীপ
ইহাতে মুচিছে নয়নজল।

ই কি মৰ্ম্মান্তিক দৃশ্য ভাৰতৰ
চিত্তদাস গল সংসাৰ তেজি,
শোক-চিতা-বহ্নি ভমক্ ভমক্
জ্বলিল তুগুণে মাতৃৰ আজি।

কোন দিনা আৰু লভিব ভাৰতে
ইহেন মহান নিস্বাৰ্থ প্ৰাণ;
কোন দিনা এনে শিকিব ভাৰতে
স্বদেশৰ হকে জীৱন-দান।

কত মূৰ্চ্ছা গল বঙ্গৰ সন্তান
বিনালে কতনা নীৰৱে ৰহি,
গৌৰৱ-প্ৰধান বঙ্গৰ মুকুট
অকস্মাত আজি পৰিল খহি।

মাউৰা মাতৃৰ আঁচলৰ ধন
কিয় ললা বাস স্বৰ্গত তুমি,
চোৱা এটিবাৰ তোমাৰ বিহনে
ঘোৰ অমাবস্যা জননীভূমি।

কান্দিব নজনা আজলী মাতৃক
আৰু কত কাল কান্দিব দিয়া,
শত অশ্ৰুধাৰ বুকু পাতি লই
তথাপিও শাঁত নপৰে হিয়া।

বুজিলো এতিয়া হেৰা কৰ্ম্মবীৰ
উদ্দেশ্য তোমাৰ মহান অতি,
স্বৰ্গৰ প্ৰয়াণ মহা অভিলাষ—
জানিলে ভাৰতে অবোধ মতি।

স্বদেশৰ হকে তোমাৰ বিননি
শুশুনিলে দেখি বিদেশে-দেশে,
দেৱ-সমাজত নিবেদিবলই
চলিলা ইবাৰ বৈৰাগ্য-বেশে।

যোৱাহে সুপুত্ৰ সাধা নিজ কৰ্ম্ম
মঙ্গল আশীষ দানিম আমি
ভকতৰ বাসনা নিশ্চয় পুৰাব
মহাপ্ৰভু মোৰ অন্তৰযামী।

দেৱ-সমাজত কৰা ভাঙ্গি-পাতি
ভাৰতৰ যত দুখৰ কথা:—
অশেষ মিনতি— দেৱগণ সনে
আহিবা আকউ, গুচাবা ব্যথা।

শ্ৰীধনচন্দ্ৰ চৌধুৰী

বাঁশী—



জীবন সন্ধিয়া